ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকৰ
মার্চ 2024ত সমাপ্ত বর্ষটোৰ বাবে
স্থানীয় নিকায়সমূহৰ সন্দর্ভত প্রতিবেদন

অসম চৰকাৰ

2026 বর্ষৰ প্রতিবেদন নং 1

সূচীপত্র

বিৱৰণ	দ্ৰষ্টব্য	
	দফা	পৃষ্ঠা
পাতনি		v
কার্যকৰী সাৰাংশ		vii
অধ্যায় I **অসমৰ স্থানীয় চৰকাৰ আৰু ইয়াৰ হিচাপ পৰীক্ষাৰ পৰিচয়**		
ৰাজ্যসমূহত স্থানীয় চৰকাৰৰ এক আভাস	1.1	1
স্থানীয় নিকায়সমূহৰ সম্পদসমূহ	1.2	2
স্থানীয় নিকায়সমূহলৈ কামৰ বিকেন্দ্রীকৰণ	1.3	4
হিচাপ পৰীক্ষাৰ কর্তৃত্ব আৰু প্রণালী	1.4	4
চি এ জি-ৰ হিচাপ পৰীক্ষা প্রতিবেদনৰ আভাস	1.5	5
হিচাপ পৰীক্ষাৰ পৰিসৰ	1.6	6
মাপকাঠী/ মাপকাঠীৰ উৎস	1.7	6
স্বীকৃতি	1.8	7
খণ্ড -I **পঞ্চায়তী ৰাজ প্রতিষ্ঠান**		
অধ্যায় II **অসমৰ পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ আভাস**		
সূচনা	2.1	9
পি আৰ আই-ৰ কার্য্যক্ষমতা	2.2	10
পি আৰ আই-ৰ সাংগঠনিক গাঠনি	2.3	11
বিভিন্ন সমিতি গঠন	2.4	11
পুঁজিৰ উৎস	2.5	12
ৰাজ্যিক বিত্ত আয়োগ (এছ এফ চি)ৰ পৰামর্শ আৰু এছ এফ চি পুঁজিৰ ব্যৱহাৰ	2.6	14
কেন্দ্রীয় বিত্ত আয়োগ (চি এফ চি)ৰ পৰামর্শ আৰু চি এফ চি পুঁজিৰ ব্যৱহাৰ	2.7	15
নথি-পত্রৰ ৰক্ষণাবেক্ষণ	2.8	15
পি আৰ আই-ৰ দ্বাৰা হিচাপৰ ৰক্ষণাবেক্ষণ	2.9	16
পি আৰ আই-ৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা একাউণ্টৰ হিচাপ পৰীক্ষা	2.10	17
অভিযোগ নিষ্পত্তি ব্যৱস্থা	2.11	19
অধ্যায় III **পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহৰ থিমেটিক হিচাপ পৰীক্ষা**		
সূচনা	3.1	21
হিচাপ পৰীক্ষাৰ উদ্দেশ্য	3.2	22
অসমত সামাজিক হিচাপ পৰীক্ষা গোট গঠন আৰু কার্যকাৰীতা	3.3	22
সাংগঠনিক গঠন	3.4	23

বিৱৰণ	দ্ৰষ্টব্য	
	দফা	পৃষ্ঠা
আৰ্থিক স্থিতি	3.5	23
হিচাপ পৰীক্ষাৰ উদ্দেশ্য আৰু পৰিসৰ	3.6	24
সামাজিক হিচাপ পৰীক্ষা ইউনিটৰ সংৰূপ আৰু গঠন	3.7	25
জনশক্তিৰ উপলব্ধতা আৰু এছ এ ইউ-ৰ কৰ্মীসকলৰ কাৰ্য্যকৰী দক্ষতা	3.8	27
এছ এ ইউৰ দ্বাৰা সামাজিক হিচাপ পৰীক্ষা পৰিকল্পনা আৰু নিষ্পাদন	3.9	28
সামাজিক হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ ওপৰত অনুসৰণমূলক ব্যৱস্থা	3.10	30
সামৰণি	3.11	32
পৰামৰ্শ	3.12	33
অধ্যায় IV পি আৰ আইৰ কাৰ্যভিত্তিক হিচাপ পৰীক্ষা		
সূচনা	4.1	35
হিচাপ পৰীক্ষাৰ পৰিসৰ আৰু কাৰ্যপ্ৰণালী	4.2	35
নিৰ্বাচিত কাৰ্য্যকলাপ আৰু জিলাসমূহৰ আভাস	4.3	37
হিচাপ পৰীক্ষা পৰ্যবেক্ষনসমূহ	4.4	38
সামৰণি	4.5	47
পৰামৰ্শসমূহ	4.6	47
খণ্ড II নগৰীয়া স্থানীয় নিকায়		
অধ্যায় V অসমৰ নগৰীয়া স্থানীয় নিকায়সমূহৰ আভাস		
সূচনা	5.1	49
ইউ এল বি-ৰ কাৰ্য্যক্ষমতা	5.2	49
ইউ এল বিসমূহৰ সাংগঠনিক গাঠনি	5.3	51
বিভিন্ন সমিতি গঠন	5.4	52
পুঁজিৰ উৎস	5.5	53
ৰাজ্যিক বিত্ত আয়োগ (এছ এফ চি)ৰ পৰামৰ্শ আৰু এছ এফ চি পুঁজিৰ ব্যৱহাৰ	5.6	58
কেন্দ্ৰীয় বিত্ত আয়োগৰ পৰামৰ্শ (চি এফ চি) আৰু চি এফ চি পুঁজিৰ ব্যৱহাৰ	5.7	58
তথ্যৰ ৰক্ষণাবেক্ষণ	5.8	59
ইউ এল বি-ৰ দ্বাৰা একাউণ্ট ৰক্ষণাবেক্ষণ	5.9	60
ইউ এল বিসমূহৰ একাউণ্টৰ হিচাপ পৰীক্ষা	5.10	60
হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ প্ৰতি সঁহাৰি	5.11	61

অধ্যায় VI **বিষয় নির্দিষ্ট অনুপালন হিচাপ পৰীক্ষা**		
সূচনা	6.1	63
পঞ্চম এ এছ এফ চি-ৰ টার্মচ অফ ৰেফাৰেঞ্চ	6.2	63
প্রতিবেদন দাখিল	6.3	64
সাংগঠনিক গাথনি	6.4	64
হিচাপ পৰীক্ষাৰ উদ্দেশ্য	6.5	65
হিচাপ পৰীক্ষাৰ মাপকাঠী	6.6	65
হিচাপ পৰীক্ষাৰ পৰিসৰ, নমুনা সংগ্রহ আৰু পদ্ধতি	6.7	65
কার্য্য আৰু বিষয়ববীয়াৰ হস্তান্তৰ	6.8	66
ইউ এল বি-ৰ আর্থিক জবাবদিহিতা	6.9	67
নগৰীয়া এলেকা পৰিকল্পনা প্রস্তুত কৰা আৰু ইয়াক জিলা উন্নয়ন পৰিকল্পনাৰ সৈতে একত্রিত কৰা	6.10	69
পেছাদাৰিত্ব নিশ্চিত কৰিবলৈ ইউ এল বিসমূহত কুশলী কর্মচাৰী নিয়োগ কৰা	6.11	74
পেছাদাৰিত্ব নিশ্চিত কৰিবলৈ ইউ এল বিসমূহত কুশলী কর্মচাৰী নিয়োগ কৰা	6.12	74
ইউ এল বি-ৰ অতিৰিক্ত সম্পদ সংগ্রহ (এ আৰ এম)প্রক্রিয়াৰ সন্দর্ভত পৰামর্শ	6.13	75
পঞ্চম এ এছ এফ চি অনুদানৰ হস্তান্তৰ আৰু ব্যৱহাৰ	6.14	79
নিৰীক্ষণ ব্যৱস্থা	6.15	79
সামৰণি	6.16	89
পৰামর্শসমূহ	6.17	91
সূচনা	6.18	92
অধ্যায় VII **পৌৰ নিগমৰ হিচাপ পৰীক্ষা**		
প'ক্লেন মেচিন ভাড়াত লঁওতে যোগানকাৰীক অযথা লাভালাভ প্রদান কৰা	7.1	93
গুৱাহাটীত বজাৰ কমপ্লেক্স নির্মাণত অফলপ্রসূ ব্যয়	7.2	95
অধ্যায় VIII **ইউ এল বিসমূহৰ কার্য ভিত্তিক হিচাপ পৰীক্ষা**		
সূচনা	8.1	97
হিচাপ পৰীক্ষাৰ পৰিসৰ আৰু পদ্ধতি	8.2	97
নির্বাচিত কার্য্যকলাপ আৰু জিলাসমূহৰ আভাস	8.3	99
হিচাপ পৰীক্ষাৰ ফলাফল	8.4	100
হিচাপ পৰীক্ষাৰ সামৰণি	8.5	108
হিচাপ পৰীক্ষাৰ পৰামর্শ	8.6	108

পৰিশিষ্ট		
পৰিশিষ্ট নং.	**বিৱৰণ**	**পৃষ্ঠা**
1.1	অসমত গ্ৰাম্য আৰু নগৰীয়া স্থানীয় নিকায়সমূহৰ জিলা ভিত্তিক সংখ্যা	111
1.2	1992 চনৰ 73 সংখ্যক সংশোধনী আইনৰ দ্বাৰা ভাৰতীয় সংবিধানৰ একাদশ অনুসূচীত সংযোজন কৰা 29টা বিষয়ৰ তালিকা দিয়া হ'ল।	112
1.3	ভাৰতৰ সংবিধানৰ দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা বিষয়ৰ তালিকা	113
2.1	পি আৰ আই-ৰ স্থায়ী সমিতিৰ ভূমিকা আৰু দায়িত্ব	114
2.2	পি আৰ আইসমূহত মৌলিক নথি-পত্ৰসমূহ ৰক্ষণাবেক্ষণ নকৰা দেখুওৱাৰ বিৱৰণ	115
5.1	অসম পৌৰ আইন (সংশোধিত), 2011ৰ ধাৰা 53A অনুযায়ী কার্য্যসমূহ হস্তান্তৰৰ ব্যৱস্থা আৰু ইউ এল বি-সমূহলৈ হস্তান্তৰ কৰিবলগীয়া কার্যকলাপৰ প্ৰকৃত স্থিতি	117
5.2	তিনিখন জিলাৰ নিৰ্বাচিত ইউ এল বি-সমূহে অবাস্তৱ বাজেট প্ৰস্তুত কৰাৰ উদাহৰণ	122
5.3	ইউ এল বি-সমূহত মৌলিক নথি-পত্ৰসমূহৰ ৰক্ষণাবেক্ষণ নকৰাৰ বিৱৰণ	123
6.1	5ম এ এছ এফ চি-ৰ পৰামৰ্শ কার্যকৰীকৰণৰ স্থিতি	124

পাতনি

ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 151 (2)ৰ অধীনত অসমৰ ৰাজ্যপালক দাখিল কৰিবলৈ 2024ত সমাপ্ত হোৱা বৰ্ষটোৰ বাবে এই প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছে।

এই প্ৰতিবেদনত ৰাজ্যখনৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায়সমূহৰ (ইউ এল বি) হিচাপ পৰীক্ষাৰ উল্লেখযোগ্য ফলাফলসমূহ সন্নিবিষ্ট কৰা হৈছে।

2023-2024ৰ সময়ছোৱাৰ হিচাপ পৰীক্ষাৰ কালছোৱাত লক্ষ্য কৰা বিষয়সমূহৰ লগতে যিসমূহ বিষয় পূৰ্বৰ বছৰসমূহত লক্ষ্য কৰা হৈছিল, কিন্তু পূৰ্বৰ প্ৰতিবেদনসমূহত সন্নিৱিষ্ট কৰিব পৰা নগ'ল, সেইসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। 2023-2024ৰ পৰৱৰ্তী সময়ৰ বিষয়সমূহো প্ৰয়োজন সাপেক্ষে অন্তৰ্ভুক্ত কৰা হৈছে।

ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকে জাৰী কৰা হিচাপ পৰীক্ষাৰ মানদণ্ডৰ সৈতে সামঞ্জস্য ৰাখি হিচাপ পৰীক্ষা সম্পন্ন কৰা হৈছে।

মূল ইংৰাজী প্ৰতিবেদন "Report of the Comptroller and Auditor General of India on Local Bodies for the period ended March 2024"ৰ অসমীয়ালৈ অনুবাদ কৰি এই প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছে।

অনুদিত সংস্কৰণত কোনো সন্দেহ থাকিলে ইংৰাজী সংস্কৰণটোৱে প্ৰমাণিত বুলি বিবেচিত হ'ব।

কাৰ্যকৰী সাৰাংশ

কাৰ্যকৰী সাৰাংশ

এই প্ৰতিবেদনত আঠটা অধ্যায় সন্নিবিষ্ট কৰা হৈছে যাৰ ভিতৰত অধ্যায় Iত ৰাজ্যখনৰ স্থানীয় চৰকাৰৰ পৰিচয় দাঙি ধৰা হৈছে। অধ্যায় II আৰু Vত ক্ৰমে পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায়সমূহ (ইউ এল বি)ৰ আভাস দিয়া হৈছে। অধ্যায় IV আৰু VIIIত ক্ৰমে পি আৰ আই আৰু ইউ এল বি-ৰ অনুপালন হিচাপ পৰীক্ষাৰ দফাকে ধৰি কাৰ্য্যভিত্তিক হিচাপ পৰীক্ষাৰ তথ্যসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। অধ্যায় IIIত অসমৰ সামাজিক হিচাপ পৰীক্ষা এককৰ কাম-কাজ সম্পৰ্কে তথ্য সন্নিবিষ্ট কৰা হৈছে। অধ্যায় VIত এটা বিষয়-নিৰ্দিষ্ট অনুপালন হিচাপ পৰীক্ষা আছে আৰু অধ্যায় VIIত পৌৰ নিগমৰ অনুপালন হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণসমূহ সন্নিবিষ্ট কৰা হৈছে। খচৰা হিচাপ পৰীক্ষা দফাৰ প্ৰতিলিপি চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল আৰু প্ৰাপ্ত উত্তৰসমূহ যথাযথভাৱে এই প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা হৈছে। এই প্ৰতিবেদন 2021–24ত হিচাপ পৰীক্ষা কৰা 207টা পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু 21টা নগৰীয়া স্থানীয় নিকায়ৰ হিচাপ পৰীক্ষাৰ মূল তথ্যৰ একত্ৰীকৰণ, যাৰ লক্ষ্য হৈছে প্ৰয়োজনীয় প্ৰতিকাৰমূলক ব্যৱস্থাৰ বাবে জটিল বিষয়সমূহৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা।

অসমৰ স্থানীয় চৰকাৰ আৰু ইয়াৰ হিচাপ পৰীক্ষাৰ পৰিচয়

1992 বৰ্ষৰ 73 সংখ্যক আৰু 74 সংখ্যক সাংবিধানিক সংশোধনী আইন অনুসৰি তিনি তৰপীয়া প্ৰশাসনিক ব্যৱস্থা স্থাপন কৰি এটা তিনি তৰপীয়া স্থানীয় চৰকাৰ ব্যৱস্থা স্থাপন কৰা হৈছিল। গ্ৰাম্য অঞ্চলৰ বাবে গাঁও পঞ্চায়ত (জি পি), আঞ্চলিক পঞ্চায়ত (এ পি) আৰু জিলা পৰিষদ (জেড পি)ৰে পঞ্চায়তী ৰাজ ব্যৱস্থা গঠিত। নগৰ অঞ্চলৰ বাবে নগৰীয়া স্থানীয় নিকায় (ইউ এল বি) স্থাপন কৰা হৈছিল য'ত বৃহৎ চহৰৰ বাবে পৌৰ নিগম (এম চি) সমূহ আৰু অন্যান্য নগৰীয় কেন্দ্ৰৰ বাবে পৌৰ ব'ৰ্ড (এম বি) অন্তৰ্ভূক্ত।

স্থানীয় নিকায়সমূহৰ বাবে আয়ৰ মূল উৎস হ'ল কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা প্ৰাপ্ত পুঁজি, য'ত বিত্ত আয়োগৰ অনুদানো অন্তৰ্ভুক্ত। 2019–20ৰ পৰা 2023–24ৰ সময়ছোৱাত মুঠ সম্পদৰ 69 শতাংশ কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনিৰ পৰা প্ৰাপ্ত হৈছিল, য'ত স্থানীয় নিকায়সমূহে মূলতঃ সীমিত সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্ব থকা ৰূপায়ণ সংস্থা হিচাপে কাম কৰে।

মুঠ প্ৰাপ্তিৰ ভিতৰত অতি কম অংশ (3 শতাংশ) নিজা উৎসৰ ৰাজহ, যাৰ ফলত স্থানীয় নিকায়সমূহ চৰকাৰী অনুদানৰ ওপৰত অত্যন্ত নিৰ্ভৰশীল হৈ পৰে। যদিও সংবিধানত পঞ্চায়তৰ বাবে 29টা আৰু পৌৰসভাৰ বাবে 18টা বিষয়কে ধৰি ক্ষমতা আৰু দায়িত্বৰ বিভাজনৰ ব্যৱস্থা আছে, তথাপিও অসমত কোনো অৰ্থপূৰ্ণ কাৰ্য্য আৰু কাৰ্য্যকৰী বিভাজন নাই। এই সৰলীকৰণৰ অভাৱে অই নিকায়লমূহৰ প্ৰকৃত স্ব-শাসিত প্ৰতিষ্ঠান হিচাপে কাম কৰাৰ ক্ষমতা সীমিত কৰি পেলায়।

প্ৰাথমিক হিচাপ পৰীক্ষা সংস্থা- স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা সঞ্চালক (ডি এ এল এফ)ৰ হিচাপ পৰীক্ষাৰ ক্ষেত্ৰত যথেষ্ট বেকলগ (51-63 শতাংশ) আছে আৰু হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল কৰাত পলম কৰে। স্থানীয় নিকায়সমূহে প্ৰায়ে সম্পত্তিৰ পঞ্জী আৰু কেছ বুকৰ দৰে অত্যাৱশ্যকীয় অভিলেখ ৰখাত ব্যৰ্থ হয়, যাৰ ফলত স্বচ্ছতাৰ অভাৱ আৰু অধিক সংখ্যক হিচাপ পৰীক্ষা আপত্তি সৃষ্টি হয়। কিছুমান আঁচনিৰ বাবে সামাজিক হিচাপ পৰীক্ষা গোট আছে যদিও ৰাজ্যখনত পি আৰ আইৰ বাবে লোকপালৰ দৰে আনুষ্ঠানিক অভিযোগ নিষ্পত্তি ব্যৱস্থাৰো অভাৱ আছে।

অসম বিধানসভাৰ স্থানীয় পুঁজিৰ হিচাপ সমিটীয়ে (চি অ' এল এফ এ) বিধান সভাৰ সন্মুখত উত্থাপন কৰা যোৱা পাঁচখন হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ভিতৰত দুখন আংশিকভাৱে আলোচনা কৰিছে, পৰামৰ্শৰ বাবে অপেক্ষা কৰা হৈছে।

(অধ্যায় I, II, V)

অসমত সামাজিক হিচাপ পৰীক্ষা গোটৰ কাম-কাজ

গ্ৰামোন্নয়ন আঁচনিসমূহত স্বচ্ছতা আৰু জবাবদিহিতা সুনিশ্চিত কৰিবলৈ স্থাপন কৰা অসমৰ সামাজিক হিচাপ পৰীক্ষা গোট (এছ এ ইউ) কাৰ্যকৰী আৰু শাসন ব্যৱস্থাৰ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। গভর্নিং ব'ডিৰ বৈঠক কমকৈ হোৱাৰ বাবে ইয়াৰ পঞ্জীয়নৰ ম্যাদ উকলি গৈছে যি বাজেট অনুমোদন আৰু বার্ষিক হিচাপ প্ৰমাণীকৰণতো বাধাৰ সৃষ্টি কৰে। বিশেষকৈ মূল ক্ষেত্ৰ কৰ্মীসকলৰ মাজত যথেষ্ট জনশক্তিৰ অভাৱ (সামগ্ৰিকভাৱে 43 শতাংশ খালী পদ)ৰ সৈতে এছ এ ইউ-এ কাম কৰে, যাৰ ফলত সামাজিক হিচাপ পৰীক্ষাৰ লক্ষ্য পূৰণ কৰা আৰু সময়মতে হিচাপ পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত প্ৰভাৱ পৰে। তদুপৰি, হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ ওপৰত অনুসৰণৰ অভাৱ, অপব্যৱহাৰ কৰা ধনৰ উদ্ধাৰৰ হাৰ 4 শতাংশতকৈ কম হোৱা, ৰাজ্যিক পৰ্যায়ত দুৰ্বল নিৰীক্ষণ আৰু অকাৰ্যকৰী জনসজাগত্ৰ অভিযানো দেখা যায়। এই ব্যৱস্থাগত অভাৱসমূহে তৃণমূল পৰ্যায়ত স্বচ্ছতা আৰু জবাবদিহিতা গঢ়ি তোলাৰ এছ এ ইউৰ মূল লক্ষ্যক আপোচ কৰে।

পৰামৰ্শ:

সময়মতে বাজেট আৰু বার্ষিক হিচাপৰ অনুমোদন আৰু ফলপ্ৰসূ তদাৰকী সুনিশ্চিত কৰিবলৈ এছ এ ইউ-ৰ গভার্নিঙ ব'ডিৰ নিয়মীয়া বৈঠক অনুষ্ঠিত কৰাটো প্ৰয়োজন। জনশক্তি নীতি চূড়ান্ত কৰি সমল ব্যক্তিৰ যথাযত নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। সামাজিক হিচাপ পৰীক্ষা সুবিধা প্ৰদানকাৰীসকলৰ বাবে নিয়ম সংহিতা প্ৰস্তুত কৰি কার্যকৰী কৰিব লাগে। ৰাজহুৱা শুনানিৰ জৰিয়তে সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদন মানি চলাতো শক্তিশালী কৰিব লাগে আৰু আপত্তিজনক পৰিমান আদায় কৰাটো প্ৰয়োজন।

(অধ্যায় III)

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (পি আৰ আই)সমূহৰ কার্যভিত্তিক হিচাপ পৰীক্ষা

নির্বাচিত পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই)সমূহৰ হিচাপ পৰীক্ষাত যথেষ্ট অপব্যৱস্থাপনা আৰু আর্থিক অভাৱৰ তথ্য পোহৰলৈ আহিছে। মৰিগাঁৱৰ বহুমুখী হল আৰু সাপজানৰ পেভাৰ ব্লক কাৰখানা আদি প্ৰকল্পবোৰ আধৰুৱা বা বন্ধ কৰি ৰখা হৈছিল, যাৰ ফলত 98 লাখ টকাৰো অধিক টকা অৱৰুদ্ধ হৈ আছিল। প্ৰতিবেদনত আয় উপার্জনকাৰী আঁচনিসমূহৰ ব্যৱস্থাগত বিফলতাৰ ওপৰত আলোকপাত কৰা হৈছে, য'ত তিনিচুকীয়াৰ দুটা জি পি-এ ব্যক্তিগত মাটিত সম্পত্তি নির্মাণ কৰাৰ বাবে ব্যয় কৰা 32.56 লাখ টকা কৰা আৰু পাঁচ বছৰ ধৰি বন্ধ হৈ থকা সাপজানৰ এটা আৰ অ' ভিত্তিক পেকেজড খোৱাপানী প্ৰকল্প (18 লাখ টকা) অন্তর্ভূক্ত আছে। তিনিচুকীয়াত আৰু অধিক অনিয়ম লক্ষ্য কৰা হয়, য'ত সন্দেহজনক অভ্যন্তৰীণ সজ্জাৰ কামৰ বাবে 10.36 লাখ টকা পৰিশোধ কৰা হৈছিল। এই বিষয়সমূহে সামূহিকভাৱে সঠিক পৰিকল্পনা, তদাৰকী আৰু বিত্তীয় ব্যৱস্থাপনাৰ অভাৱ প্ৰদর্শন কৰে, যাৰ ফলত আকাংক্ষিত লক্ষ্যত উপনীত হোৱাত ব্যর্থ হয়।

পৰামর্শ:

প্রকল্প অনুমোদনৰ পূর্বে সম্ভাৱনীয়তা আৰু চাহিদাৰ মূল্যায়ন নিশ্চিত কৰি, সকলো পি আৰ আই পর্যায়ত নির্ধাৰিত সময়সীমা আৰু জবাবদিহিতাৰ সৈতে প্রকল্পৰ নিৰীক্ষণ শক্তিশালী কৰি, বলবৎযোগ্য চুক্তিৰ সৈতে কেৱল আইনীভাৱে অধিগ্রহণ কৰা মাটিত প্রকল্পসমূহ কার্যকৰী কৰি, আৰু বিষয়া আৰু ঠিকাদাৰৰ ওপৰত দায়িত্ব নির্ধাৰণ কৰি বাধাপ্রাপ্ত বা অপব্যৱহাৰ কৰা ধনৰ তদন্ত আৰু উদ্ধাৰ কৰি বিত্তীয় ব্যৱস্থাপনা শক্তিশালী কৰাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্রহণ কৰিব লাগে।

(অধ্যায় IV)

পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ পৰামর্শসমূহ কার্যকৰী কৰা

অসম চৰকাৰে নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)ৰ বাবে পঞ্চম ৰাজ্যিক বিত্ত আয়োগ (এছ এফ চি)ৰ পৰামর্শ গ্রহণ কৰাৰ পিছতো ইয়াৰে অধিকাংশক বিধিগতভাৱে বাধ্যতামূলক কৰি তোলাত ই ব্যর্থ হৈছে। ইয়াৰ ফলত কার্য্য, পুঁজি, আৰু কর্মচাৰীৰ অর্থপূর্ণ বিভাজনৰ অভাৱ ঘটিছে, যাৰ ফলত ইউ এল বিসমূহে স্বায়ত্তশাসিত স্বশাসিত প্রতিষ্ঠান হিচাপে কাম কৰিব নোৱাৰে। প্রতিবেদনত উল্লেখ কৰা হৈছে যে পৰামর্শ দিয়া অনুদানৰ এটা সৰু অংশহে প্রকৃততে ইউ এল বি-এ পায় আৰু ৰাজহ সম্পত্তি সৃষ্টিৰ পৰিৱর্তে দৰমহা প্রদানৰ বাবে অনুচিতভাৱে ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ উপৰিও 5ম এছ এফ চি-ৰ অধীনত অনুমোদিত বহু প্রকল্প পুঁজি মুকলি কৰাত পলম হোৱাৰ বাবে অসম্পূর্ণ হৈয়েই আছে। এটা মূল প্রত্যাহ্বান হৈছে ইউ এল বিসমূহে বাহ্যিক অনুদানৰ ওপৰত গধু�ৰ নির্ভৰশীলতা, তেনে কৰাৰ পৰামর্শ সত্ত্বেও নিজৰ ৰাজহৰ উৎস সৃষ্টিৰ বাবে উদ্যোগৰ অভাৱ। বিত্তীয় জবাবদিহিতাৰ সামান্য উন্নতি হৈছে যদিও এতিয়াও এক কার্য্যকৰী, বহুস্তৰীয় নিৰীক্ষণ ব্যৱস্থাৰ অভাৱ, যিয়ে প্রকল্পসমূহ ৰূপায়ণ আৰু ইউ এল বিসমূহৰ সামগ্রিক শক্তিশালীকৰণত বিৰূপ প্রভাৱ পেলায়।

পৰামর্শ:

অসম চৰকাৰে কার্য্য, পুঁজি আৰু কর্মচাৰীসকলৰ বিধিগত বিভাজনৰ বাবে আনুষ্ঠানিক অধিসূচনা জাৰি কৰি নগৰীয় প্রশাসন শক্তিশালী কৰাৰ কথা চিন্তা কৰিব পাৰে; পঞ্চম এ এছ এফ চিয়ে পৰামর্শ দিয়া ধৰণে জবাবদিহিতা আৰু বিত্তীয় স্বচ্ছতাৰ বাবে ইউ এল বিসমূহৰ বাবে স্পষ্ট লক্ষ্য আৰু সময়সীমা নির্ধাৰণ কৰিব পাৰে; খালী পদ পূৰণ কৰি ডি এল এফ ক শক্তিশালী কৰিব পাৰে; আৰু ৰাজহ উপার্জনকাৰী সম্পত্তিৰ সৃষ্টি আৰু কার্য্যকৰীকৰণক অগ্রাধিকাৰ দি নিজা উৎসৰ ৰাজহ বৃদ্ধিৰ বাবে ইউ এল বিসমূহক পথ প্রদর্শন কৰিব পাৰে। ইয়াৰ উপৰিও, স্থবিৰ হৈ থকা পঞ্চম এ এছ এফ চি প্রকল্পসমূহক নির্ধাৰিত কৰা সময়ৰ ভিতৰত সম্পূর্ণ কৰাৰ পৰিকল্পনাৰ সৈতে জৰুৰীভাৱে পর্যালোচনা কৰিব লাগে, আৰু পঞ্চম এ এছ এফ চিয়ে পৰিকল্পনা কৰা বহুস্তৰীয় নিৰীক্ষণ ব্যৱস্থাসমূহ সক্রিয় কৰিব লাগে।

(অধ্যায় VI)

পৌৰ নিগমৰ হিচাপ পৰীক্ষা

গুৱাহাটী পৌৰ নিগমে (জি এম চি) প'ক্লেইন মেচিন ভাড়াৰ বাবে ৰ্বক অর্ডাৰ জাৰি কৰাৰ সময়ত নিবিদাৰ চর্ত আৰু নিয়মৰ পৰা বিচ্যুতি ঘটাই তাৰ পিছত সেই ভাড়াতীয়া মেচিনৰ বাবে জি এম চি-য়ে জাৰি কৰা ইন্ধনৰ মূল্য আদায় নকৰি যোগানকাৰীক 65.19 লাখ টকাৰ অযথা আর্থিক সুবিধা প্রদান কৰে।

(দফা 7.1)

গুৱাহাটী পৌৰ নিগমে 3.07 কোটি টকা ব্যয় কৰি দুটা মার্কেট কমপ্লেক্স নির্মাণৰ কাম আধাতে বন্ধ কৰি দিয়ে, কাৰণ এই কামৰ বাবে মধ্যস্থতাৰ পৰিমান পৰিশোধৰ বাবে ডাইভার্ট কৰা হৈছিল। সম্পূর্ণ হোৱাৰ নির্ধাৰিত তাৰিখৰ আঠ বছৰৰ পিছতো অসমাপ্ত নির্মাণসমূহ পৰিত্যক্ত হৈ থাকিল যাৰ ফলত ব্যয় অফলপ্রসূ হৈ থাকিল।

(দফা 7.2)

নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)সমূহৰ কার্যভিত্তিক হিচাপ পৰীক্ষা

নির্বাচিত নগৰীয়া স্থানীয় নিকায়সমূহৰ (ইউ এল বি) হিচাপ পৰীক্ষাত ব্যাপক বিত্তীয় অপব্যৱস্থাপনা আৰু আভ্যন্তৰীণ নিয়ন্ত্রণৰ ত্রুটি চিনাক্ত কৰা হৈছে। সোণাৰি পৌৰসভাত (এম বি) 1.06 কোটি টকাৰ সন্দেহযুক্ত অপব্যৱহাৰ আৰু তিনিচুকীয়াত এটা বাণিজ্যিক কমপ্লেক্স সাত বছৰ ধৰি ব্যৱহাৰ নোহোৱাকৈ থকাকে ধৰি অন্যান্য আর্থিক অনিয়মসমূহে ৰাজহুৱা ধনৰ উল্লেখযোগ্য অপব্যৱহাৰ আৰু কম ব্যৱহাৰৰ ফালে আঙুলিয়াই।

পৰামর্শ:

ৰাজহ সংগ্রহ আৰু প্রমাণীকৰণৰ ক্ষেত্রত শুল্কৰ পৃথকীকৰণ বলবৎ কৰি বিত্তীয় ব্যৱস্থাপনা শক্তিশালী কৰাৰ বাবে চৰকাৰে তাৎক্ষণিক পদক্ষেপ গ্রহণ কৰিব লাগে; অগ্রিম ধনৰ অনুমোদন, ব্যৱহাৰ আৰু সময়মতে সমাযোজনৰ বাবে স্পষ্ট নীতি নির্ধাৰণ আৰু কঠোৰভাৱে কার্যকৰী কৰিব লাগে; প্রকল্প অনুমোদনৰ পূর্বে সম্ভাৱনীয়তা অধ্যয়ন নিশ্চিত কৰিব লাগে; নিয়মীয়া পর্যালোচনা আৰু পৰিদর্শনৰ জৰিয়তে প্রকল্পৰ নিৰীক্ষণ শক্তিশালী কৰিব লাগে; আৰু প্রকল্পসমূহ সময়মতে সম্পূর্ণ হোৱা, পৰিদর্শন আৰু কার্য্যকৰী কৰাটো নিশ্চিত কৰিব লাগে যাতে তাৎক্ষণিক ব্যৱহাৰ আৰু ৰাজহ উপার্জন সম্ভৱ হৈ উঠে।

(অধ্যায় VIII)

অধ্যায়-I

অসমৰ স্থানীয় চৰকাৰ আৰু ইয়াৰ হিচাপ পৰীক্ষাৰ পৰিচয়

অধ্যায় – I

অসমৰ স্থানীয় চৰকাৰ আৰু ইয়াৰ হিচাপ পৰীক্ষাৰ পৰিচয়

1.1 ৰাজ্যসমূহত স্থানীয় চৰকাৰৰ এক আভাস

73 সংখ্যক আৰু 74 সংখ্যক সংশোধনীৰ বিধান অনুসৰি ৰাজ্যসমূহে নিজ নিজ ৰাজ্যৰ গ্ৰাম্য আৰু নগৰীয়া স্থানীয় নিকায়সমূহক প্ৰতিষ্ঠানিকৰণৰ বাবে প্ৰাসংগিক আইন প্ৰণয়ন কৰিছে। সেই অনুসৰি অসমত অসম পঞ্চায়ত আইন, 1994 অনুযায়ী তিনি স্তৰৰ পঞ্চায়তী ৰাজ ব্যৱস্থা স্থাপন কৰা হয়। পঞ্চায়তীৰাজৰ ব্যৱস্থাৰ অধীনত গাঁওৰ গোটেৰে গঠিত গাঁও পঞ্চায়তে (জি পি)ৰ প্ৰাথমিক পৰ্যায়ত কাৰ্য কৰে। মধ্যম পৰ্যায়ত প্ৰশাসনিক ব্লকসমূহৰ লগতে আঞ্চলিক পঞ্চায়ত (এ পি) আছে। শীৰ্ষ পৰ্যায়ত জিলাৰ সৈতে সংলগ্ন জিলা পৰিষদ (জেড পি) আছে। বৰ্তমান অসমত 2,192 খন জি পি, 181 খন এ পি আৰু 27খন জেড পি আছে (***পৰিশিষ্ট 1.1***)। একেদৰে চহৰ অঞ্চলৰ বাবে বৃহৎ নগৰ অঞ্চলৰ বাবে পৌৰ নিগম (এম চি), তুলনামূলকভাৱে বৃহৎ নগৰ অঞ্চলৰ বাবে পৌৰ সভা (এম বি) আৰু পৰিৱৰ্তনশীল আৰু উন্নয়নশীল নগৰৰ বাবে নগৰ সমিতি (টি চি)ৰ সৈতে তিনি স্তৰৰ নগৰীয়া স্থানীয় নিকায় (ইউ এল বি) ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। কিন্তু অসম চৰকাৰে, (অক্টোবৰ 2018) সকলো টি চি-ক এম বি-লৈ ৰূপান্তৰিত কৰি জনসংখ্যাৰ আকাৰৰ ওপৰত ভিত্তি কৰি পাঁচটা ভাগত[1] ভাগ কৰিছিল। বৰ্তমান অসমত 105খন এম বি (তিনিখন এম চিসহ) আছে, ইয়াৰে 80খন এম বি সাধাৰণ এলেকাত আৰু 22খন এম বি ষষ্ঠ অনুসূচীত এলেকাত অৱস্থিত। গুৱাহাটী পৌৰ নিগমৰ উপৰিও অসম পৌৰ নিগম (সংশোধনী) আইন, 2022ৰ ভিত্তিত ছেপ্টেম্বৰ 2022ত দুখন নতুন এম চি গঠন কৰা হয় যিয়ে কাছাৰ জিলাৰ শিলচৰ এম বি (নৱেম্বৰ 2022) আৰু ডিব্ৰুগড় জিলাৰ ডিব্ৰুগড় এম বি (মাৰ্চ 2024)ক পৌৰ নিগমলৈ উন্নীত কৰে। কিন্তু নিৰ্বাচিত সংস্থাসমূহে দায়িত্ব লোৱাৰ পিছত জুন 2024 (ডিব্ৰুগড় এম চি) আৰু জুন 2025 (শিলচৰ এম চি)ৰ পৰাহে এই এম বিসমূহে এম চি হিচাপে কাম কৰিবলৈ আৰম্ভ কৰে।

1.1.1 ষষ্ঠ অনুসূচী এলেকাত স্থানীয় চৰকাৰ:

অসমৰ ডিমা হাছাও আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ষষ্ঠ অনুসূচী এলেকাত পি আৰ আইৰ অস্তিত্ব নাই। কিন্তু বড়োলেণ্ড প্ৰাদেশিক এলেকাত[2] বড়োলেণ্ড প্ৰাদেশিক পৰিষদ (বি টি চি) গঠনৰ আগতে পি আৰ আই-ৰ অস্তিত্ব আছিল। ফলস্বৰূপে, বি টি চি সৃষ্টিৰ লগে লগে এই প্ৰতিষ্ঠানসমূহ ক্ৰমান্বয়ে ভঙ্গ কৰা হ'ল। সংশোধনীৰ পিছৰ সময়ছোৱাত অসমৰ ষষ্ঠ অনুসূচীৰ এলেকাসমূহৰ স্বায়ত্তশাসিত পৰিষদসমূহে (এ চি) বিকেন্দ্ৰীকৃত প্ৰশাসনৰ প্ৰক্ৰিয়াটো আগুৱাই নিবলৈ কিছুমান তৃণমূল পৰ্যায়ৰ সংগঠন থকাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। সেই অনুসৰি বি টি চি-য়ে 415খন গাঁও পৰিষদ উন্নয়ন সমিতি আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে 26খন গাওঁ উন্নয়ন পৰিষদ (ভি ডি চি) গঠন কৰিছে। উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদেও 20খন ভি ডি চি গঠনৰ কথা চিন্তা কৰিছে।

---

[1] প্ৰথম শ্ৰেণীত এক লাখৰ ওপৰৰ জনসংখ্যা থকা এম বি, দ্বিতীয় শ্ৰেণী: 50,001ৰ পৰা 1,00,000 জনসংখ্যাৰ চহৰ তৃতীয় শ্ৰেণী: 20,001ৰ পৰা 50,000ৰ ভিতৰত জনসংখ্যা চতুৰ্থ শ্ৰেণী: 10,001ৰ পৰা 20,000 জনসংখ্যা আৰু পঞ্চম শ্ৰেণী: 100000 পৰ্যন্ত জনসংখ্যা

[2] বড়োলেণ্ড প্ৰাদেশিক অঞ্চলে কোকৰাঝাৰ, বাক্সা, ওদালগুৰি, চিৰাং আৰু তামুলপুৰ জিলাক সামৰি লৈছে

গাঁও পৰিষদসমূহ সাধাৰণ এলেকাত জি পি-ৰ সৈতে সাদৃশ্যপূৰ্ণ। সেই হিচাপে গাঁও পৰিষদ গঠনৰ লগে লগে অসমৰ ষষ্ঠ অনুসূচীৰ এলেকাসমূহত এতিয়া এক তৰপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থা আছে।

সংশোধনীৰ পূৰ্বৰ সময়ছোৱাত ইউ এল বিসমূহে সাধাৰণ এলেকাৰ দৰেই ষষ্ঠ অনুসূচীৰ এলেকাত কাম কৰি আছিল, পাৰ্থক্য মাথোঁ এইটোৱেই আছিল যে অসম পৌৰ আইন, 1956 তেওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য নাছিল। ষষ্ঠ অনুসূচীৰ এলেকাসমূহৰ এম বিসমূহ সময়ে সময়ে নিজ নিজ স্বায়ত্তশাসিত জিলা পৰিষদসমূহে (এ ডি চি) প্ৰণয়ন কৰা নিয়মৰ দ্বাৰা পৰিচালিত হয়। মাৰ্চ 2024লৈকে ষষ্ঠ অনুসূচীত এলেকাত 22খন এম বি আছিল (বি টি চি-ত 9খন, কে এ এ চি-ত 9খন আৰু এন চি এইচ এ চি-ত 4খন)।

1.2 স্থানীয় নিকায়সমূহৰ সম্পদসমূহ:

ৰাজ্যৰ স্থানীয় নিকায়সমূহৰ আয়ৰ মূল উৎস হ'ল বিভিন্ন কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনি (চি এছ এছ), বিত্ত আয়োগৰ (এফ চি) অনুদান, ৰাজ্যিক বিত্ত আয়োগৰ (এছ এফ চি) অনুদান আৰু বিভিন্ন আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ অনুদান। ইয়াৰ উপৰিও পি আৰ আইসমূহে নিজৰ উৎসৰ পৰাও ৰাজহ সংগ্ৰহ কৰে, যেনে কৰ, ভাড়া, অনুজ্ঞাপত্ৰ মাচুল আদি। 2019-20ৰ পৰা 2023-24লৈকে স্থানীয় নিকায়সমূহৰ সম্পদৰ গঠন **সাৰণী 1.1**ত দিয়া হৈছে:

সাৰণী 1.1: স্থানীয় নিকায়সমূহৰ সম্পদ (পি আৰ আই আৰু ইউ এল বি দুয়োটা)

(কোটি টকাত)

ক্ৰ. নং.	শিতান	2019-20	2020-21	2021-22	2022-23	2023-24	মুঠ
1	চি এছ এছ-ৰ বাবে জি অ' আই-ৰ অনুদান	2450.46	3199.98	3242.16	12750.97	5334.77	26978.34
2	চি এফ চি হস্তান্তৰ (বিত্ত আয়োগৰ অনুদান)	353.91	1587.32	1333.70	1794.53	1066.51	6135.97
3	ৰাজ্যিক আঁচনিৰ বাবে ৰাজ্য চৰকাৰৰ অনুদান (এছ অ' পি ডি)	693.54	830.61	753.19	678.16	548.28	3503.78
4	এছ এফ চি হস্তান্তৰ (ৰাজ্যিক বিত্ত আয়োগৰ হস্তান্তৰ)	110.73	0	106.34	303.73	332.72	853.52
5	নিজা ৰাজহ	211.72	226.80	215.67	234.61	379.00	1267.80
6	অন্যান্য প্ৰাপ্তি	0.97	20.58	19.97	9.58	66.10	117.20
মুঠ		**3821.33**	**5865.29**	**5671.03**	**15771.58**	**7727.38**	**38856.61**

(উৎস: বিত্ত বিভাগ, পি এণ্ড আৰ ডি বিভাগ, সঞ্চালক পৌৰ প্ৰশাসন আৰু eGramSwarajৰ পৰা সংগ্ৰহ কৰা তথ্য)

দেখা যায় যে যথেষ্ট পৰিমাণ (মুঠ সম্পদৰ 69 শতাংশ) চি এছ এছ আঁচনিৰ অধীনত লাভ হৈছিল, যাৰ বাবে স্থানীয় নিকায়সমূহে স্বতন্ত্ৰ সিদ্ধান্ত গ্ৰহণৰ বিশেষ সুযোগ অবিহনে কেৱল কাৰ্যকৰী সংস্থা হিচাপে কাম কৰে। 2019-20ৰ পৰা 2023-24লৈকে স্থানীয় নিকায়সমূহৰ সম্পদৰ গঠন **চিত্ৰ তালিকা-1.1, 1.2** আৰু **1.3**ত দেখুওৱা হৈছে:

চিত্ৰ তালিকা 1.1: স্থানীয় নিকায়সমূহৰ সম্পদৰ গঠন (কোটি টকাত)



চিত্ৰ তালিকা 1.2: স্থানীয় নিকায়সমূহৰ সম্পদৰ বাৰ্ষিক তাৰতম্য (কোটি টকাত)



- মুঠ প্ৰাপ্তিৰ ভিতৰত 2019-24ৰ সময়ছোৱাত, নিজা ৰাজহ, এছ এফ চি অনুদান আৰু চি এফ চি অনুদানৰ অংশ যথাক্ৰমে 3, 2 আৰু 16 শতাংশ আছিল।
- 2019-20ৰ পৰা 2023-24ৰ সময়ছোৱাত চি এফ চি অনুদানৰ তুলনাত নিজা ৰাজহ আৰু এছ এফ চি অনুদানৰ অংশ যথেষ্ট কম আছিল।

চিত্ৰ তালিকা 1.3: 2019-24ৰ ভিতৰত অসমৰ স্থানীয় নিকায়সমূহৰ সম্পদৰ গঠন

(কোটি টকাত, %)



ইয়াৰ পৰা বুজা যায় যে স্থানীয় নিকায়সমূহৰ নিজা ৰাজহ মুঠ উৎসৰ এটা ক্ষুদ্ৰ অংশহে আছিল, যাৰ ফলত নিকায়সমূহ চৰকাৰী/ চি এফ চি অনুদানৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল।

1.3 স্থানীয় নিকায়সমূহলৈ কামৰ বিকেন্দ্ৰীকৰণ:

সাংবিধানিক বিধান অনুসৰি পঞ্চায়ত আৰু পৌৰসভাসমূহক ৰাজহ সংগ্ৰহকে ধৰি ক্ষমতা, কৰ্তৃত্ব আৰু দায়িত্বৰে সমৃদ্ধ যাতে সেইসমূহে স্ব-শাসনৰ প্ৰতিষ্ঠান হিচাপে কাম কৰিব পাৰে। ক্ষমতা আৰু দায়িত্বৰ বিভাজনত পঞ্চায়তসমূহৰ বাবে একাদশ অনুসূচীত তালিকাভুক্ত 29টা বিষয় (***পৰিশিষ্ট-1.2***) আৰু পৌৰসভাসমূহৰ বাবে দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা বিষয় (***পৰিশিষ্ট-1.3***)কে ধৰি অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ পৰিকল্পনা প্ৰস্তুত কৰা আৰু ইয়াৰ কাৰ্যকৰীকৰণ জড়িত হৈ থাকে। অসমৰ পঞ্চায়ত আৰু পৌৰসভাসমূহে ৰাজ্যিক বিত্ত আয়োগ আৰু কেন্দ্ৰীয় বিত্ত আয়োগৰ আৰণ্টন লাভ কৰিছিল যদিও এতিয়ালৈকে কাম-কাজ আৰু কাৰ্যকৰ্তাসকলৰ কোনো ধৰণৰ প্ৰত্যক্ষ বিকেন্দ্ৰীকৰণ হোৱা নাই বাবে বাস্তৱ ক্ষেত্ৰত কোনোধৰণৰ লক্ষণীয় উন্নতি হোৱা নাই যেন লাগে।

1.4 হিচাপ পৰীক্ষাৰ কৰ্তৃত্ব আৰু প্ৰণালী:

1.4.1 হিচাপ পৰীক্ষাৰ কৰ্তৃত্ব

(i) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা: ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (চি এণ্ড এ জি)ৰ দ্বাৰা স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষাৰ কৰ্তৃত্ব ভাৰতীয় সংবিধানৰ 149 আৰু 151 নং অনুচ্ছেদ আৰু নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ (সেৱাৰ কৰ্তব্য, ক্ষমতা আৰু চৰ্ত) আইন, 1971 (চি এণ্ড এ জি-ৰ (ডি পি চি) আইন)ৰ পৰা আহৰণ কৰা হৈছে। চি এ জি-ৰ ডি পি চি আইনৰ 14, 15 আৰু 20(1) ধাৰাত চি এণ্ড এ জি-ক ৰাজ্যৰ স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষা কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। বিভিন্ন ধৰণৰ হিচাপ পৰীক্ষাৰ নীতি আৰু পদ্ধতিসমূহ চি এণ্ড এ জি-ৰ দ্বাৰা জাৰি কৰা হিচাপ পৰীক্ষা আৰু হিচাপৰ ওপৰত হিচাপ পৰীক্ষাৰ মানদণ্ড আৰু নিয়মাৱলীত নিৰ্ধাৰণ কৰা হৈছে।

চি এ জি-ৰ ডি পি চি আইনৰ ধাৰা 20(1) আৰু হিচাপ পৰীক্ষা আৰু হিচাপ নিয়মাৱলী, 2020ৰ 120 নং ধাৰা অনুসৰি স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষাৰ বাবে কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ)ৰ কামসমূহ চি এণ্ড এ জি-ৰ

ওপৰত ন্যস্ত কৰা হৈছে। অসমত ৰাজ্য চৰকাৰে টি জি এছৰ ব্যৱস্থা 2002 চনৰ মে' মাহত চি এণ্ড এজিৰ ওপৰত ন্যস্ত কৰিছিল। 13 নং এফ চি-ৰ পৰামৰ্শ অনুসৰি টি জি এছ-ৰ মানক চৰ্ত আৰু নিয়ম মে' 2011ত গ্ৰহণ কৰা হৈছিল।

(ii) প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠান (পি এ আই)ৰ দ্বাৰা হিচাপ পৰীক্ষা: অসম স্থানীয় পুঁজি (হিচাপ আৰু হিচাপ পৰীক্ষা) আইন, 1930ৰ অধীনত স্থাপিত স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা সঞ্চালক (ডি এ এল এফ), অসম ৰাজ্যৰ সকলো স্তৰৰ পি আৰ আই আৰু ইউ এল বি-ৰ প্ৰাথমিক হিচাপ পৰীক্ষক। অসম চৰকাৰৰ বিত্ত বিভাগৰ সঞ্চালকালয়ৰ দায়িত্ব হৈছে (i) 20টা চক্ৰ কাৰ্যালয়ৰ সহায়ত স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা সম্পন্ন কৰা, যাৰ প্ৰত্যেকৰে নেতৃত্বত এজন সহকাৰী সঞ্চালকে জিলা পৰ্যায়ত হিচাপ পৰীক্ষাৰ কাম-কাজ সম্পন্ন কৰে; আৰু (ii) প্ৰশাসনিক বিভাগসমূহৰ হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল কৰাত সহায় কৰা। অসম হিচাপ পৰীক্ষা মেনুৱেল, 1918 (2002 চনত শেহতীয়া সংশোধন), লগতে চৰকাৰে সময়ে সময়ে জাৰি কৰা প্ৰাসংগিক চৰকাৰী বিধি আৰু সংশোধনীৰ অনুযায়ী হিচাপ পৰীক্ষা কৰা হয়।

ৰাজ্যখনৰ পি আৰ আই আৰু ইউ এল বি-ৰ ক্ষেত্ৰত ডি এল এফে সামৰি লোৱা হিচাপ পৰীক্ষাৰ সবিশেষ যথাক্ৰমে অধ্যায় - II আৰু অধ্যায় - VIত দিয়া হৈছে।

1.4.2 হিচাপ পৰীক্ষাৰ বাবে জিলাকেন্দ্ৰিক সেৱা প্ৰদান দৃষ্টিভংগী:

স্থানীয় নিকায়সমূহৰ বাবে ভাৰতৰ চি এণ্ড এ জি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদনত মূলতঃ স্থানীয় নিকায়সমূহে তেওঁলোকৰ ওপৰত অৰ্পণ কৰা কামসমূহৰ সন্দৰ্ভত সেৱা প্ৰদানৰ মানদণ্ডৰ মূল্যায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে আৰু সেৱাসমূহে তেওঁলোকৰ অধীনস্থ তৃণমূল পৰ্যায়ৰ নাগৰিকসকলক কিমানখিনি ইতিবাচক প্ৰভাৱ পেলাইছে সেইটো মূল্যায়ন কৰা হৈছে। যিহেতু অসমত কাম-কাজসমূহ স্থানীয় চৰকাৰসমূহলৈ হস্তান্তৰ কৰাটো এতিয়াও প্ৰকৃতাৰ্থত বাস্তৱায়িত হোৱা নাই, সেয়েহে সম্পত্তিৰ সৃষ্টি আৰু ব্যৱস্থাপনা, চি এফ চি/ এছ এফ চি অনুদানৰ ব্যৱহাৰ আদিৰ দৰে সামগ্ৰিক বিষয়সমূহ হিচাপ পৰীক্ষাত সামৰি লোৱা হৈছে।

ইয়াত সাধাৰণতে জিলাকেন্দ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ চেষ্টা কৰা হৈছে, য'ত জিলা এখনৰ স্থানীয় চৰকাৰৰ সকলো স্তৰতে একেধৰণৰ নিৰ্বাচিত কাৰ্য্যকলাপসমূহক অনুভূমিকভাৱে আৰু উলম্বভাৱে মূল্যায়ন কৰা হৈছিল যাতে হিচাপ পৰীক্ষাৰ বাবে নিৰ্বাচিত স্থানীয় নিকায়সমূহৰ নমুনাকৃত এককসমূহৰ বিপৰীতে এক বিস্তৃত সিদ্ধান্তত উপনীত হ'ব পৰা যায়।

স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষাত লক্ষ্য কৰা অন্যান্য গুৰুত্বপূৰ্ণ বিষয়সমূহো প্ৰয়োজনীয় প্ৰতিকাৰ ব্যৱস্থাৰ বাবে অন্তৰ্ভুক্ত কৰা হৈছে।

1.5 চি এ জি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ আভাস:

এই প্ৰতিবেদনে ৰাজ্যখনৰ পি আৰ আই আৰু ইউ এল বি-ৰ কাৰ্য্যকলাপৰ এক আভাস প্ৰদান কৰে আৰু 2023-24ৰ ভিতৰত পৰিচালনা কৰা হিচাপ পৰীক্ষাৰ মুখ্য ফলাফলসমূহৰ প্ৰতি, উপযুক্ত প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণৰ বাবে কাৰ্যবাহী বিভাগসমূহৰ দৃষ্টি আকৰ্ষণ কৰে।

1.5.1 বিধানসভাৰ দ্বাৰা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ আলোচনা

অসম ৰাজ্যিক বিধানসভাৰ দ্বাৰা গঠিত স্থানীয় পুঁজি হিচাপ সমিটী (চি অ' এল এফ এ)ত স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ বিষয়ে আলোচনা কৰা হয়। সমিতিৰ দ্বাৰা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ আলোচনাৰ স্থিতি **সাৰণী 1.2**ত দেখুওৱা হৈছে:

সাৰণী 1.2: চি অ' এল এফ এ-ৰ দ্বাৰা আলোচনা কৰা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ স্থিতি

প্ৰতিবেদনৰ বছৰ	বিধানসভাত উত্থাপিত	বিধানসভাৰ দ্বাৰা আলোচনা কৰা হৈছিল নে নাই	গ্ৰহণ কৰা প্ৰতিবেদন, যদি আছে
2014-15	18 জুলাই 2016	এতিয়াও আলোচনা হোৱা নাই	নাই
2015-16	10 মাৰ্চ 2017	এতিয়াও আলোচনা হোৱা নাই	নাই
2016-17	24 ছেপ্তেম্বৰ 2018	আংশিকভাৱে আলোচনা কৰা হৈছে	নাই
2017-21	11 ছেপ্তেম্বৰ 2023	আংশিকভাৱে আলোচনা কৰা হৈছে	নাই
2021-23	25 মাৰ্চ 2025	এতিয়াও আলোচনা হোৱা নাই	নাই

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে বিধানসভাত উত্থাপন কৰা পাঁচখন হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ভিতৰত দুখন চি অ' এল এফ এ-য়ে আংশিকভাৱে আলোচনা কৰিছে। অৱশ্যে, পৰামৰ্শসমূহৰ অপেক্ষা কৰা হৈছে (মাৰ্চ 2025)।

1.6 হিচাপ পৰীক্ষাৰ পৰিসৰ:

এই প্ৰতিবেদনত উল্লেখ কৰা বিষয়সমূহ হৈছে 2021-24ৰ সময়ছোৱাত 207টা পি আৰ আই আৰু 21টা ইউ এল বিৰ একাউণ্টৰ হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা মুখ্য পৰ্যবেক্ষণলমূহৰ একত্ৰীকৰণ, লগতে সেই বিষয়সমূহো উল্লেখ কৰা হৈছে যিসমূহ পূৰ্বতে লক্ষ্য কৰা হৈছিল কিন্তু পূৰ্বৰ প্ৰতিবেদনসমূহত অন্তৰ্ভূক্ত কৰিব পৰা নগ'ল। পৰ্যবেক্ষণসমূহ প্ৰয়োজন সাপেক্ষে বিষয়বস্তুৰ সময়েপযোগীতাৰ প্ৰতি মনোনিবেশ কৰি অন্তৰ্ভূক্ত কৰা হৈছে।

এই হিচাপ পৰীক্ষাত সম্পত্তিৰ সৃষ্টি আৰু পৰিচালনা (বিশেষকৈ আয় উপাৰ্জনকাৰী), প্ৰাপ্তি, হিচাপ-নিকাচ, আবণ্টন, ব্যয়ৰ যথাযথতা, অনুদানৰ চৰ্তসমূহ মানি চলা, প্ৰভাৱ আৰু কেন্দ্ৰীয় আৰু ৰাজ্যিক বিত্ত আয়োগৰ অনুদানৰ ব্যৱহাৰত স্বচ্ছতা আদিৰ দৰে সামগ্ৰীক বিষয়সমূহৰ সামৰি লোৱা হয়। উদ্দেশ্য, বিপদাশংকা, বস্তুনিষ্ঠতা, নিয়ম, সম্পদ, আৰু অংশীদাৰসকলৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি বিশেষ ক্ষেত্ৰসমূহ সংশোধন কৰা হৈছে।

1.7 মাপকাঠী/ মাপকাঠীৰ উৎস:

হিচাপ পৰীক্ষা পৰ্যবেক্ষণত উপনীত হ'বলৈ আৰু হিচাপ পৰীক্ষাৰ সিদ্ধান্ত দৃঢ় কৰিবলৈ দুটা বিভাগ-পি এণ্ড আৰ ডি ডি আৰু ডি অ' এইচ ইউ এ-ৰ পৰা সংগ্ৰহ কৰা তথ্য আৰু বাচনিকৃত পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষাৰ ওপৰত হিচাপ পৰীক্ষা নিৰ্ভৰশীল আছিল। হিচাপ পৰীক্ষাৰ মন্তব্য প্ৰদানৰ বাবে তলত দিয়া আইন, নিয়ম আৰু চৰকাৰী নিৰ্দেশনাসমূহ মাপকাঠী হিচাপে ব্যৱহাৰ কৰা হৈছিল।

পি আৰ আই-ৰ বাবে

- অসম পঞ্চায়ত আইন, 1994 (এ পি আইন, 1994)
- অসম পঞ্চায়ত (বিত্তীয়) নিয়ম, 2002 (এ পি (এফ) নিয়ম, 2002)
- অসম পঞ্চায়ত (প্ৰশাসনিক) বিধি, 2002 (এ পি (এ) বিধি, 2002) আৰু
- সময়ে সময়ে জাৰি কৰা চৰকাৰী নিৰ্দেশনা।

ইউ এল বি-ৰ বাবে

- গুৱাহাটী পৌৰ নিগম আইন, 1971 (জি এম চি আইন)
- অসম পৌৰ আইন, 1956 (2012 চনলৈকে সংশোধিত) (এ এম আইন)
- অসম পৌৰ হিচাপ নিয়মাৱলী, 1961 (এ এম এ নিয়ম); আৰু
- সময়ে সময়ে জাৰি কৰা চৰকাৰী নির্দেশনা।

1.8 স্বীকৃতি:

হিচাপ পৰীক্ষাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, গৃহ নির্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ আৰু সকলো পৰীক্ষা-নিৰীক্ষা কৰা পি আৰ আই আৰু ইউ এল বি-য়ে হিচাপ পৰীক্ষা সূচাৰুৰূপে পৰিচালনাত আগবঢ়োৱা সহায় আৰু সহযোগিতাক স্বীকাৰ কৰে।

খণ্ড-I

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান

অধ্যায়-II

অসমৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ আভাস

অধ্যায় – II

অসমৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ আভাস

2.1 সূচনা

73 সংখ্যক সাংবিধানিক (সংশোধনী) আইন, 1992 (অনুচ্ছেদ 243)ত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহক সাংবিধানিক মৰ্যাদা প্ৰদান কৰা হৈছে। সেই অনুসৰি ৰাজ্যই পি আৰ আইসমূহক 29টা বিষয় আৰু সংশ্লিষ্ট কৰ্মীসকলৰ সৈতে জড়িত কাম-কাজৰ দায়িত্ব অৰ্পণ কৰিব লাগিছিল, যাতে তেওঁলোকে স্থানীয় স্ব চৰকাৰ প্ৰতিষ্ঠান (এল এছ জি) হিচাপে কাম কৰিব পাৰে। সাংবিধানিক সংশোধনীত ৰাজ্যৰ ভিতৰত একেধৰণৰ ব্যৱস্থা স্থাপন, নিয়মীয়া নিৰ্বাচন অনুষ্ঠিত কৰা, পুঁজিৰ নিয়মীয়া প্ৰবাহ আদিৰ ব্যৱস্থা কৰা হৈছিল। অসমত পি আৰ আইসমূহৰ কাম-কাজ পৰিচালনাৰ বাবে আইনগত পৰিকাঠামোসমূহ তলত উল্লেখিতসমূহৰ ভিত্তিত কৰা হৈছিল:

- অসম পঞ্চায়ত আইন, 1994 (এ পি আইন, 1994)
- অসম পঞ্চায়ত (বিত্তীয়) নিয়ম, 2002 (এ পি (এফ) নিয়ম, 2002)
- অসম পঞ্চায়ত (প্ৰশাসনিক) বিধি, 2002 (এ পি (এ) বিধি, 2002) আৰু
- সময়ে সময়ে জাৰি কৰা চৰকাৰী নিৰ্দেশনা।

লোকপিয়ল 2011 অনুসৰি অসমৰ মুঠ মাটিকালি 78,438 বৰ্গ কিঃমিঃ আৰু জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত 398 জন, যিটো ৰাষ্ট্ৰীয় গড় প্ৰতি বৰ্গ কিলোমিটাৰত 382 জনতকৈ অধিক। অসমৰ গ্ৰাম্য জনসংখ্যাৰ লিংগ অনুপাত 958, যিটো ৰাষ্ট্ৰীয় গড় 943তকৈ অধিক। ৰাজ্যৰ গ্ৰাম্য জনসংখ্যা 2.68 কোটি (86 শতাংশ)।

অসমৰ 'সাধাৰণ' এলেকাত[3], মাৰ্চ 2025লৈকে 2,400 পি আৰ আই আছিল। ষষ্ঠ অনুসূচীৰ এলেকাত পঞ্চায়তী ৰাজ ব্যৱস্থাৰ অস্তিত্ব নাই, য'ত স্থানীয় প্ৰশাসন ব্যৱস্থা নিজ নিজ স্বায়ত্তশাসিত জিলা পৰিষদৰ (এ ডি চি)ৰ হাতত নিহিত থাকে।

লোকপিয়ল 2011 অনুসৰি ৰাজ্যখনৰ গ্ৰাম্য জনসংখ্যা আৰু পি আৰ আইৰ সংখ্যাৰ সৈতে জড়িত পৰিসংখ্যা **সাৰণী 2.1**ত দিয়া হৈছে।

সাৰণী 2.1: ৰাজ্যৰ গুৰুত্বপূৰ্ণ পৰিসংখ্যা (গ্ৰাম্য এলেকা)

ক্ৰমিক নং	সূচকসমূহ	একক	মান
1	মুঠ জনসংখ্যা	কোটি	3.12
2	গ্ৰাম্য জনসংখ্যা	কোটি	2.68
3	লিংগ অনুপাত (প্ৰতি 1000 পুৰুষৰ বিপৰীতে মহিলা) - গ্ৰাম্য	সংখ্যা	958
4	জনসংখ্যাৰ ঘনত্ব	প্ৰতি বৰ্গ কিঃমিঃ	398
5	গ্ৰাম্য সাক্ষৰতা	শতাংশ	69.34
6	জিলাসমূহৰ সংখ্যা	সংখ্যা	35
7	জিলা পৰিষদ (জেড পি)	সংখ্যা	27
8	আঞ্চলিক পঞ্চায়ত (এ পি)	সংখ্যা	181
9	গাঁও পঞ্চায়ত (জি পি)	সংখ্যা	2,192

উৎস: পৰিসংখ্যা হাতপুথি, অসম 2024 আৰু বিভাগে প্ৰদান কৰা তথ্য।

[3] ভাৰতৰ সংবিধানত ষষ্ঠ অনুসূচীৰ অধীনত অসমৰ জনজাতীয় অঞ্চলৰ বাবে পৃথক স্বায়ত্তশাসিত পৰিষদ গঠনৰ ব্যৱস্থা কৰা হৈছে। ষষ্ঠ অনুসূচীৰ ব্যৱস্থাৰ অধীনত নপৰা অঞ্চলসমূহক সাধাৰণ অঞ্চল বুলি জনা যায়।

2.2 পি আৰ আই-ৰ কার্য্যপ্রণালী

2.2.1 পি আৰ আই-ত প্রশাসনিক ব্যৱস্থা

ৰাজ্যৰ পঞ্চায়তসমূহৰ প্রশাসনিক গাঠনিত গাঁও পর্যায়ত জি পি, মাধ্যমিক পর্যায়ত এ পি (প্রশাসনিক ব্লকৰ সৈতে সহ-আস্থান) আৰু জিলা পর্যায়ত জেড পি-ৰ সৈতে তিনিটা স্তৰৰ ব্যৱস্থা অন্তর্ভুক্ত কৰা হৈছে। পঞ্চায়তসমূহক ক্ষমতা আৰু কাম-কাজ প্রদানৰ সন্দর্ভত উপযুক্ত আইন প্রণয়ন কৰিবলৈ সংবিধানে ৰাজ্য চৰকাৰক নির্দেশ দিয়ে, যাতে পঞ্চায়তসমূহে স্থানীয় স্ব শাসনৰ প্রতিষ্ঠান (এল এছ জি) হিচাপে কাম কৰিব পাৰে।

এ পি আইন, 1994ৰ বিধান অনুসৰি পঞ্চায়তসমূহে নিজৰ কাম-কাজ সম্পাদন কৰিবলৈ উপ-বিধি প্রণয়ন কৰিব পাৰে। 73 সংখ্যক সাংবিধানিক সংশোধনে তেওঁলোকক ৰাজহ সংগ্রহৰ ক্ষমতা আৰু কর্তৃত্ব প্রদান কৰে আৰু ৰাজ্যিক বিধানসভাই আইন অনুসৰি তেওঁলোকক প্রদান কৰিব পৰা সম্পদৰ সুবিধা প্রদান কৰে। সেই অনুসৰি 2004 চনত সংশোধন কৰা এ পি (এফ) নিয়মসমূহ 2002ত প্রস্তুত কৰা হৈছিল, য'ত তিনিওটা স্তৰকে কৰ আৰোপ আৰু সংগ্রহৰ ক্ষমতা প্রদান কৰা হৈছিল। এ পি (এফ) নিয়ম,2002ৰ জৰিয়তে জি পিসমূহে কিছুমান কৰ যেনে গৃহ আৰু গাঁথনিৰ ওপৰত কৰ, ব্যৱসায়ৰ ওপৰত কৰ আদি আৰোপ কৰাৰ ক্ষমতা লাভ কৰিছিল। কিন্তু এপ্রিল 2022ত চৰকাৰে বাণিজ্য অনুজ্ঞাপত্র প্রদানৰ বর্তমানৰ প্রয়োজনীয়তা বাতিল কৰি ব্যৱসায়িক কার্য্যকলাপ স্থাপনৰ ক্ষেত্রত পি আৰ আইসমূহে বিলাতী বা দেশীয় সুৰাৰ দোকান, শিক্ষানুষ্ঠান, স্বাস্থ্য প্রতিষ্ঠান, ইটাৰ ভাতি, মোবাইল টাৱাৰ, পেট্র'ল পাম্প, কাঠ কটা মিল, গুদাম, আৰু অন্যান্য প্রদূষক উদ্যোগৰ বাহিৰে যিকোনো কৰ বা মাচুল আৰোপ কৰাটো স্থগিত ৰাখিছিল। এইদৰে ৰাজহ সংগ্রহত পি আৰ আইসমূহৰ সম্পূর্ণ স্বায়ত্ততা নিশ্চিত নহ'ল।

2.2.2 কার্য্য, পুঁজি আৰু কর্মচাৰীসকলৰ হস্তান্তৰণৰ স্থিতি

73 সংখ্যক সাংবিধানিক (সংশোধনী) আইন, 1992 অনুসৰি ভাৰতীয় সংবিধানৰ একাদশ অনুসূচীত তালিকাভুক্ত 29টা বিষয়ৰ সৈতে জড়িত কাম-কাজ সম্পন্ন কৰিবলৈ পি আৰ আইসমূহক ক্ষমতা প্রদান কৰা হৈছে। কেন্দ্রীয় এফ চি আৰু ৰাজ্যিক এফ চি-য়ে প্রকাতৃর্থত হস্তান্তৰৰ বাবে পি আৰ আই-লৈ ধন, কার্য্য আৰু কর্মচাৰীসকলৰ সম্পূর্ণ হস্তান্তৰণৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

কিন্তু অসমত আৰ আইলৈ ধন, কার্য্য আৰু কর্মচাৰীসকলৰ হস্তান্তৰৰ অগ্রগতি কম আছিল। অসম চৰকাৰে 29টা বিষয়ৰ[4] ভিতৰত 23টা বিষয়ৰ এক্টিভিটি মেপিং (জুন 2007) কৰিছিল। অৱশ্যে, মাত্র সাতটা[5] বিষয়কহে পি আৰ আই-লৈ হস্তান্তৰ কৰাৰ নির্দেশ জাৰি কৰা হৈছিল। সাতটা বিষয় হস্তান্তৰ কৰাৰ বিষয়ে অধিসূচনা কৰা হৈছিল যদিও ডিচেম্বৰ 2024লৈকে কোনো কাম পি আৰ আই-লৈ হস্তান্তৰ কৰা হোৱা নাছিল আৰু পি আৰ আই-ৰ সমান্তৰালভাৱে কাম কৰা লাইন বিভাগ আৰু অন্যান্য সংস্থাসমূহে সেই কামসমূহ সম্পন্ন কৰি আছে।

---

[4] ছটা বিষয়ৰ বাবে কার্য্যকলাপৰ মেপিং, অর্থাৎ, (i) সম্প্রদায়ৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণ; (ii) বজাৰ আৰু মেলা; (iii) পুথিভঁৰাল; (iv) কাৰিকৰী প্রশিক্ষণ আৰু বৃত্তিমূলক শিক্ষা; (v) অগতানুগতিক শক্তিৰ উৎস; আৰু (vi) গ্রাম্য গৃহ নির্মাণ কৰা হোৱা নাছিল।

[5] (i) কৃষি সম্প্রসাৰণকে ধৰি কৃষি; (ii) ভূমি উন্নয়ন, ভূমি সংস্কাৰ ৰূপায়ণ, ভূমি একত্রীকৰণ আৰু মাটি সংৰক্ষণ; (iii) পশুপালন, দুগ্ধ আৰু হাঁহ-কুকুৰা; (iv) প্রাপ্তবয়স্ক আৰু অনানুষ্ঠানিক শিক্ষা; (v) প্রাথমিক আৰু মাধ্যমিক বিদ্যালয়কে ধৰি শিক্ষা; (vi) খাদী, গাঁও আৰু কুটিৰ উদ্যোগ; আৰু (vii) বিদ্যুৎ বিতৰণকে ধৰি গ্রাম্য বিদ্যুৎকৰণ

2.3 পি আৰ আই-ৰ সাংগঠনিক গাঠনি

পি আৰ আইসমূহৰ সাংগঠনিক গাঠনি **চিত্ৰ তালিকা 2.1** ত দেখুওৱা হৈছে:

চিত্ৰ তালিকা 2.1: সাংগঠনিক গাঠনি



পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ (পি এণ্ড আৰ ডি)ৰ অতিৰিক্ত মুখ্য সচিব (এ চি এছ) বিভাগটোৰ প্ৰশাসনিক মুৰব্বী। ধন আবণ্টন, কাম-কাজৰ সামগ্ৰিক নিয়ন্ত্ৰণ আৰু তত্ত্বাৱধান আৰু ৰাজ্যিক পর্যায়ত বিভিন্ন আঁচনি ৰূপায়ণত আয়ুক্ত, পি এণ্ড আৰ ডি-য়ে এ চি এছ-ক সহায় কৰে। জেড পি-ৰ মুখ্য কার্যবাহী বিষয়া (চি ই অ'), এ পি-ৰ কার্যবাহী বিষয়া (ই অ') আৰু জি পি-ৰ সচিবে নিজ নিজ সংস্থাত কার্যবাহী আৰু প্ৰশাসনিক সহায় আগবঢ়ায়।

জবাবদিহিতা ব্যৱস্থা আৰু বিত্তীয় প্ৰতিবেদন

2.4 বিভিন্ন সমিতি গঠন

2.4.1 স্থায়ী সমিটি

এ পি আইন, 1994ৰ 22, 52 আৰু 81 নং ধাৰাত উল্লেখ আছে যে পি আৰ আইসমূহে আইনৰ অধীনত দিয়া কামসমূহ সম্পন্ন কৰিবলৈ স্থায়ী সমিতি গঠন কৰিব লাগে। স্থায়ী সমিতিসমূহৰ গঠন আৰু ইয়াৰ ভূমিকা আৰু দায়িত্বৰ বিৱৰণ ***পৰিশিষ্ট 2.1***ত দিয়া হৈছে।

2.4.2 জিলা পৰিকল্পনা সমিতি (ডি পি চি)

ভাৰতীয় সংবিধানৰ 243 ZD অনুচ্ছেদত উল্লেখ আছে যে ৰাজ্য চৰকাৰে এখন জিলা পৰিকল্পনা সমিতি (ডি পি চি) গঠন কৰিব লাগে, য'ত (i) লোক সভাৰ সদস্য, যিয়ে জিলাখনৰ সমগ্ৰ বা এটা অংশক প্ৰতিনিধিত্ব কৰে, (ii) অসম বিধানসভাৰ সদস্য; আৰু (iii) জেড পি-ৰ সদস্যসকলৰ মাজৰ পৰা মুঠ সদস্যৰ অতি কমেও পাঁচ ভাগৰ চাৰি ভাগ সদস্য থাকিব, যি জিলাখনৰ পঞ্চায়তসমূহে প্ৰস্তুত কৰা পৰিকল্পনাসমূহ একত্ৰিত কৰিব আৰু জিলাখনৰ সংহত উন্নয়নৰ কাম গ্ৰহণ কৰিব। সেই অনুসৰি, এ পি আইন, 1994ৰ ধাৰা 3 আৰু ইয়াৰ অধীনত প্ৰস্তুত কৰা এ পি (এফ) নিয়ম, 2002ত উল্লেখ কৰা হৈছে যে ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে এবছৰৰ কার্যকালৰ সৈতে ডি পি চি গঠন কৰিব। উপায়ুক্তজন জিলাখনৰ ডি পি চি-লৈ স্থায়ীভাৱে আমন্ত্ৰিত সদস্য হোৱাৰ বিপৰীতে জেড পি-ৰ সভাপতিজন অধ্যক্ষ আৰু জেড পি-ৰ চি ই অ' জন ডি পি চি-ৰ পদেন সচিব হয়।

অসমৰ পি এণ্ড আৰ ডি বিভাগৰ আয়ুক্তই উল্লেখ কৰে (নৱেম্বৰ 2024) যে সকলো জিলাই ডি পি চি গঠন কৰিছিল, যি সংশ্লিষ্ট পি আৰ আইসমূহে প্ৰস্তুত কৰা বাৰ্ষিক গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা, আঞ্চলিক পঞ্চায়ত উন্নয়ন পৰিকল্পনা আৰু জিলা পঞ্চায়ত উন্নয়ন পৰিকল্পনাক অনুমোদন জনায় আৰু উক্ত উন্নয়ন পৰিকল্পনাসমূহ *eGramSwaraj* ৰেব পৰ্টেলত উপলব্ধ।

জিলাকেন্দ্ৰিক হিচাপ পৰীক্ষাৰ বাবে বাচনি কৰা তিনিখন জিলাৰ সন্দৰ্ভত ডি পি চি গঠন কৰা হৈছিল, আৰু তিনিচুকীয়া আৰু যোৰহাটত বৈঠক অনুষ্ঠিত হৈছিল যদিও কামৰূপ (মেট্ৰ') জিলাত ডি পি চি-ৰ কোনো বৈঠক অনুষ্ঠিত হোৱা নাছিল। জিলা পৰিষদসমূহে বিভিন্ন কাৰ্যসূচীৰ বাবে বাৰ্ষিক কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰিছিল যদিও বছৰটোৰ বাবে একত্ৰিত জিলা পৰিকল্পনা আগতীয়াকৈ প্ৰস্তুত কৰা হোৱা নাছিল।

2.5 পুঁজিৰ উৎস

ৰাজ্যৰ স্থানীয় নিকায়সমূহৰ আয়ৰ মূল উৎসসমূহ হ'ল বিভিন্ন কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনি (চি এছ এছ) ৰ অধীনত জি অ' আই/ জি অ' এ-ৰ দ্বাৰা মুকলি কৰা পুঁজি, এফ চি অনুদান, ৰাজ্যিক বিত্ত আয়োগৰ (এছ এফ চি) অনুদান আৰু ৰাজ্য চৰকাৰৰ আঁচনি অনুদান। ইয়াৰ উপৰিও পি আৰ আই-য়ে নিজা উৎস যেনে কৰ, ভাড়া, অনুজ্ঞাপত্ৰৰ মাচুল আদিৰ পৰাও ৰাজহ সংগ্ৰহ কৰে। **চিত্ৰ তালিকা 2.2**ত পি আৰ আই-ত পুঁজিৰ প্ৰবাহ দেখুওৱা হৈছে:

চিত্ৰ তালিকা 2.2: পি আৰ আই-ৰ পুঁজিৰ প্ৰবাহ



স্থানীয় নিকায়সমূহৰ 2019-20ৰ পৰা 2023-24লৈকে সকলো উৎসৰ পৰা হোৱা প্ৰাপ্তিসমূহ, **সাৰণী 2.2**ত দেখুওৱা হৈছে।

সাৰণী 2.2: পি আৰ আই-ৰ সম্পদৰ ওপৰত সময় ভিত্তিক তথ্য

(কোটি টকাত)

	শিতান	2019-20	2020-21	2021-22	2022-23	2023-24	মুঠ
1	চি এছ এছ-ৰ বাবে জি অ' আই অনুদান	2106.30	2751.89	2869.03	12378.99	5289.16	25395.37
2	চি এফ চি হস্তান্তৰ (বিত্ত আয়োগৰ হস্তান্তৰ)	164.11	1337.12	988.66	1023.68	522.73	4036.30
3	ৰাজ্যৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন (এছ অ' পি ডি) পুঁজিৰ পৰা অনুদান	609.92	727.96	537.13	517.79	497.06	2889.86
4	এছ এফ চি হস্তান্তৰ (ৰাজ্যিক বিত্ত আয়োগৰ হস্তান্তৰ)	0.74	0	66.84	144.55	81.65	293.78
5	নিজা ৰাজহ	55.44	62.40	44.84	42.30	54.30	259.28
6	অন্যান্য প্ৰাপ্তি	0	20.45	3.03	1.68	--	25.16
মুঠ		**2936.51**	**4899.82**	**4509.53**	**14108.99**	**6444.90**	**32899.75**

উৎস: চি পি আৰ ডি-ৰ পৰা লাভ কৰা তথ্য

চিত্ৰ তালিকা 2.3 পি আৰ আইসমূহৰ মুঠ সম্পদৰ তুলনাত নিজা ৰাজহ (শতাংশত)



চিত্ৰ তালিকা 2.3ত পি আৰ আইসমূহৰ মুঠ সম্পদৰ তুলনাত নিজা ৰাজহৰ দুৰ্বল বৃদ্ধিৰ চিত্ৰণ কৰা হৈছে।

দেখা গ'ল যে 2019-20ৰ পৰা 2023-24লৈকে পি আৰ আইসমূহৰ নিজা ৰাজহৰ উৎস মুঠ সম্পদৰ 2 শতাংশও নাছিল আৰু বেছিভাগ সম্পদে চি এফ চি অনুদান আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনিসমূহ ৰূপায়ণৰ বাবে চৰকাৰে প্ৰদান কৰা পুঁজিৰ পৰা প্ৰাপ্ত হয়। পি আৰ আই-ৰ ৰাজহৰ নিজা উৎসৰ অংশ ধাৰাবাহিকভাৱে কম হৈ থকাটোৱে পি আৰ আইসমূহে স্বনিৰ্ভৰশীলতা বৃদ্ধি কৰিবলৈ আৰু চৰকাৰী অনুদানত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে উদ্যোগ লোৱাৰ অভাৱৰ ইংগিত দিয়ে।

তলৰ **সাৰণী 2.3**ত 2019-20ৰ পৰা 2023-24লৈকে পি আৰ আইসমূহৰ দ্বাৰা সম্পদৰ ব্যৱহাৰ দেখুওৱা হৈছে।

সাৰণী-2.3: পি আৰ আই-ৰ সম্পদৰ ব্যৱহাৰ

(কোটি টকাত)

ক্ৰ. নং.	শিতান	2019-20	2020-21	2021-22	2022-23	2023-24	মুঠ
1	চি এছ এছ-ৰ বাবে জি অ' আই অনুদান	2106.03	2751.89	2869.03	12378.99	5289.16	25395.10
2	চি এফ চি হস্তান্তৰৰ পৰা ব্যয়	164.11	2.10	233.62	898.09	522.73	1820.65
3	ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি	609.92	727.96	537.13	517.79	497.06	2889.86
4	এছ এফ চি হস্তান্তৰৰ পৰা ব্যয় (এছ এফ চি হস্তান্তৰ)	0.74	0	66.84	144.55	81.65	293.78
5	নিজা ৰাজহৰ পৰা ব্যয়	32.27	36.69	18.23	14.32	54.30	155.81
মুঠ		**2913.07**	**3518.64**	**3724.85**	**13953.74**	**6444.90**	**30555.20**

*উৎস: চি পি আৰ ডি, চি এণ্ড এ জি বিপৰ্ট আৰু eGramSwaraj*ৰ পৰা লাভ কৰা তথ্য।

পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহে (পি আৰ আই) মূলতঃ কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনি (চি এছ এছ) আৰু ৰাজ্যিক খণ্ডৰ আঁচনি (এছ এছ এছ)ৰ ৰূপায়ণ সংস্থা হিচাপে কাম কৰাৰ বাবে বাহ্যিক উৎসৰ পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিছিল, কিয়নো, নিজা ৰাজহ 2019-2024ৰ পাঁচ বছৰৰ সময়ছোৱাত মুঠ পুঁজিৰ এক ক্ষুদ্ৰ অংশহে আছিল।

তলৰ **চিত্ৰ তালিকা 2.4** য়ে 2019-20ৰ পৰা 2023-24লৈকে পি আৰ আইসমূহৰ দ্বাৰা সম্পদৰ ব্যৱহাৰৰ সন্দৰ্ভত সামগ্ৰিক ছবিখন প্ৰতিনিধিত্ব কৰে।

চিত্ৰ তালিকা 2.4: 2019-20ৰ পৰা 2023-24লৈকে পি আৰ আইসমূহৰ দ্বাৰা সম্পদৰ ব্যৱহাৰ



2.6 ৰাজ্যিক বিত্ত আয়োগ (এছ এফ চি)ৰ পৰামৰ্শ আৰু এছ এফ চি পুঁজিৰ ব্যৱহাৰ

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 243-I আৰু 243-Yৰ অধীনত অসমত স্থাপিত ৰাজ্যিক বিত্ত আয়োগে পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)ৰ আৰ্থিক অৱস্থাৰ পৰ্যালোচনা কৰি ৰাজ্য চৰকাৰক সেইসমূহৰ বিত্তীয় স্থিতি উন্নত কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। মূল পৰামৰ্শসমূহে সাধাৰণতে ৰাজ্যিক কৰ, শুল্ক, টোল, আৰু মাচুলৰ বিতৰণ আৰু আৱণ্টন, সহায়ক অনুদানৰ পৰিমাণ, স্থানীয় নিকায়সমূহৰ বিত্তীয় স্থিতি উন্নত কৰাৰ ব্যৱস্থা আৰু অন্যান্য প্ৰাসংগিক বিত্তীয় বিষয়সমূহ সামৰি লয়। অসমত এই পৰ্যন্ত[6] ছটা এছ এফ চি হৈছে, প্ৰত্যেকৰে নিৰ্দিষ্ট পৰামৰ্শ আছে। এছ এফ চি-ৰ পৰামৰ্শৰ ভিত্তিত হস্তান্তৰ কৰা ধনসমূহ অত্যাৱশ্যকীয় সেৱা, উন্নয়নমূলক কাৰ্য্যকলাপ, দৰমহা আৰু কাৰ্য্যকৰী খৰচ, আন্তঃগাঁথনি উন্নয়ন, নিৰ্দিষ্ট প্ৰকল্প, আৰু পি আৰ আই আৰু ইউ এল বিসমূহত সামৰ্থ্য বিকাশৰ উদ্দেশ্যে কৰা হয়। পি আৰ আইসমূহলৈ এছ এফ চি-ৰ ধন হতান্তৰৰ স্থিতি **সাৰণী 2.4**ত দেখুওৱা হৈছে।

সাৰণী 2.4: পি আৰ আই-ৰ এছ এফ চি পুঁজিৰ হস্তান্তৰ

(কোটি টকাত)

ক্ৰমিক নং	বৰ্ষ	ৰাজ্য চৰকাৰৰ কৰ ৰাজহৰ শুদ্ধ প্ৰাপ্তি	হস্তান্তৰ কৰিবলগীয়া পুঁজি	হস্তান্তৰ কৰা পুঁজি	কম হস্তান্তৰ (বন্ধনীত শতাংশ)
1	2019-20	16528.69	155.59	0.74	154.85 (99)
2	2020-21	17133.61	325.08	0	325.08 (100)
3	2021-22	19533.10	358.78	66.84	291.94 (81)
4	2022-23	24502.02	417.77	144.55	273.22 (65)
5	2023-24	28020.00	647.03	82.55	564.48 (87)

উৎস: চি পি আৰ ডি-য়ে প্ৰদান কৰা তথ্য

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে 2019-20ৰ পৰা 2023-24ৰ সময়ছোৱাত চৰকাৰৰ দ্বাৰা ধাৰাবাহিকভাৱে এছ এফ চি পুঁজি কমকৈ হস্তান্তৰ (65ৰ পৰা 100 শতাংশ) হৈছিল। স্থানীয় প্ৰশাসন ব্যৱস্থা শক্তিশালী কৰাৰ লগতে এই

[6] সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগ এতিয়াও কাৰ্যকৰী হৈ আছে আৰু এতিয়াও প্ৰতিবেদন দাখিল কৰিব পৰা নাই।

সম্পদসমূহৰ সুফল যাতে অসমত তৃণমূল পৰ্যায়ত প্ৰাপ্ত হয় তাৰ বাবে এছ এফ চি-ৰ পুঁজিৰ সময়োপযোগী আৰু ফলপ্ৰসূ ব্যৱহাৰ অতি গুৰুত্বপূৰ্ণ আছিল।

2.7 কেন্দ্ৰীয় বিত্ত আয়োগ (চি এফ চি)ৰ পৰামৰ্শ আৰু চি এফ চি পুঁজিৰ ব্যৱহাৰ

কেন্দ্ৰীয় বিত্ত আয়োগ (চি এফ চি) হৈছে এক সাংবিধানিক সংস্থা যিয়ে ৰাজ্যিক বিত্ত আয়োগৰ (এছ এফ চি) পৰামৰ্শৰ ভিত্তিত স্থানীয় নিকায়সমূহক (পি আৰ আই আৰু ইউ এল বি) অনুদানকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বিত্তীয় সম্পদ বিতৰণৰ পৰামৰ্শ দিয়ে। অসমৰ বাবে পঞ্চদশ বিত্ত আয়োগ (2021-2026)ৰ দৰে চি এফ চি-য়ে কেন্দ্ৰীয় কৰ আৰু বিভিন্ন সহায়ক অনুদানত ৰাজ্যৰ অংশ নিৰ্দিষ্ট কৰে।

স্থানীয় নিকায়সমূহলৈ চি এফ চি অনুদানসমূহ মৌলিক সেৱা আৰু আন্তঃগাঁথনিৰ বাবে পি আৰ আই আৰু ইউ এল বিসমূহলৈ হস্তান্তৰ কৰা হয়, যাৰ ব্যৱহাৰ নিৰীক্ষণ কৰা হয়। কেন্দ্ৰীয় নিৰ্দেশনা অনুসৰি খণ্ড নিৰ্দিষ্ট আৰু বিশেষ অনুদান উদ্দেশ্য প্ৰণোদিত উদ্দেশ্যত ব্যৱহাৰ কৰিবলগীয়া হৈছিল। পি আৰ আইসমূহৰ দ্বাৰা চি এফ চি অনুদানৰ প্ৰাপ্তি আৰু ব্যৱহাৰ তলৰ **চিত্ৰ তালিকা 2.5**ত দেখুওৱা হৈছে:

চিত্ৰ তালিকা 2.5: পি আৰ আইসমূহৰ দ্বাৰা চি এফ চি অনুদানৰ প্ৰাপ্তি আৰু ব্যৱহাৰ



ওপৰৰ চিত্ৰ তালিকাৰ পৰা দেখা যায় যে পি আৰ আই-ৰ দ্বাৰা চি এফ চি অনুদানৰ ব্যৱহাৰ যথেষ্ট হ্ৰাস পাইছিল। পাঁচ বছৰত লাভ কৰা 4,036.30 কোটি টকাৰ বিপৰীতে পি আৰ আইসমূহে মাত্ৰ 1,820.65 কোটি টকা (45 শতাংশ)হে ব্যৱহাৰ কৰিব পাৰিছিল।

2.8 নথি-পত্ৰৰ ৰক্ষণাবেক্ষণ

2.8.1 মৌলিক নথি পত্ৰৰ ৰক্ষণাবেক্ষণ নকৰা

যদিও *eGramSwaraj* ত সম্পত্তি সৃষ্টিৰ সৈতে জড়িত প্ৰতিবেদন সৃষ্টিৰ ব্যৱস্থা আছে, তথাপিও এইসমূহ কোনো পি আৰ আই-য়ে সৃষ্টি কৰা নাছিল। যিহেতু সম্পত্তিৰ পঞ্জীসমূহ ৰক্ষণাবেক্ষণ কৰা নীছিল, সেয়েহে পি আৰ আইসমূহৰ সম্পত্তিসমূহ নিৰীক্ষণ কৰিব পৰা নগ'ল, যাৰ ফলত সম্পত্তিৰ অপব্যৱহাৰ/ অ-ব্যৱস্থাপনাৰ সম্ভাৱনা থাকি গ'ল। তদুপৰি, যিহেতু বজাৰ চেড, বহুমুখী হল, কবৰস্থান আদিৰ দৰে কিছুমান ৰাজহ উপাৰ্জনকাৰী সম্পত্তি আছিল, পি আৰ আই সমূহে এনে সম্পত্তিৰ দ্বাৰা সৃষ্টি হোৱা ৰাজহৰ হিচাপ ৰাখিব নোৱাৰিব, যাৰ ফলত সম্পত্তিৰ অপব্যৱহাৰ আৰু এনে সম্পত্তিৰ পৰা আহৰণ কৰা ৰাজহৰ অপব্যৱহাৰৰ সম্ভাৱনা থাকিব।

তদুপৰি, এ পি (এফ) নিয়ম, 2002ৰ নিয়ম 30(3) আৰু নিয়ম 16(1) অনুসৰি পি আৰ আইসমূহে ষ্টক ৰেজিষ্টাৰ আৰু ৰচিদ বুকৰ পঞ্জীয়ন ৰখাটো বাধ্যতামূলক। কিন্তু 2023-24ত হিচাপ পৰীক্ষা কৰা 204 টা পি আৰ আই-ৰ ভিতৰত 44টা পি আৰ আইত সম্পত্তি পঞ্জীয়ন, ষ্টক পঞ্জীয়ন, ৰচিদ বুকৰ পঞ্জীয়ন, জোখ-মাখৰ বুক আৰু কেচ বুককে ধৰি অত্যাৱশ্যকীয় অভিলেখ ৰক্ষণাবেক্ষণ কৰা হোৱা নাছিল। ডি চি এৰ বাবে বাচনি কৰা জিলাসমূহত (যোৰহাট আৰু তিনিচুকীয়া) জিলা পৰিষদ, নিৰ্বাচিত আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তসমূহেও ৰচিদ বুকৰ পঞ্জী ৰখা নাছিল, যাৰ ফলত চলনত থকা ৰচিদ বহীৰ সংখ্যা পৰীক্ষা কৰিব পৰা নগ'ল। এনে গুৰুত্বপূৰ্ণ অভিলেখসমূহ ৰক্ষণাবেক্ষণ নকৰাৰ ফলত সামগ্ৰীৰ অপব্যৱহাৰ আৰু পি আৰ আইৰ ৰাজহৰ আত্মসাৎ/ অপব্যৱহাৰৰ আশংকা বৃদ্ধি পায়।

পি আৰ আইসমূহক সম্পত্তিৰ পঞ্জীসমূহ ৰক্ষণাবেক্ষণ কৰিবলৈ নিৰ্দেশ দিবলৈ আৰু গুৰুত্বপূৰ্ণ নথি-পত্ৰসমূহ ৰক্ষণাবেক্ষণ নকৰাৰ বাবে সংশ্লিষ্ট বিষয়াৰ ওপৰত দায়বদ্ধতা নিৰ্ধাৰণ কৰিবলৈ চৰকাৰে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিব লাগে।

2.8.2 কেছ বুকৰ সমিলমিলকৰণ নকৰা

এ পি (এফ) নিয়ম, 2002ৰ নিয়ম 8 অনুসৰি প্ৰাপ্ত হোৱা আৰু আদায় দিয়া সকলো পৰিমান কেছ বুকত লিপিবদ্ধ কৰিব লাগে আৰু দৈনিক সমাপন কৰিব লাগে। তদুপৰি, সঠিক প্ৰমাণীকৰণৰ বাবে কেছ বুক মাহিলী সমাপন কৰা, নগদ ধনৰ কায়িক সত্যাপন আৰু কেছ বুকৰ উদ্বৃত্তৰ লগত বেংক উদ্বৃত্তৰ সমিলমিলকৰণ কৰিব লাগে।

2023-2024 চনৰ ভিতৰত হিচাপ পৰীক্ষা কৰা 204টা পি আৰ আইৰ ভিতৰত 196টা পি আৰ আইয়ে কেছ বুকৰ উদ্বৃত্তৰ লগত বেংক উদ্বৃত্তৰ সমিলমিলকৰণ ঘটাইছিল। অৱশ্যে, 11টা পি আৰ আই[7]-য়ে কেছ বুকৰ উদ্বৃত্তৰ সৈতে বেংক উদ্বৃত্তৰ সমিলমিলকৰণ কৰা নাছিল আৰু সেয়েহে কেছ বুক আৰু বেংক পাছ বুকৰ মাজত অমিল ধৰা পৰা নাছিল।

এইদৰে, বিত্তীয় নিয়ম/ হাতপুথিৰ বিধান অনুসৰি কেছবুকখনৰ মিলন ঘটোৱাত ব্যৰ্থতাই নগদ ধন ব্যৱস্থাপনাৰ অনিয়মৰ ইংগিত দিয়ে।

পি আৰ আই-ৰ দ্বাৰা উদ্বৃত্তৰ নিয়মীয়া সমিলমিল নিশ্চিত কৰাৰ বাবে আৰু এই বিষয়ত যিকোনো ধৰাৰ অৱহেলাৰ বাবে দায়বদ্ধতা নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিব লাগে।

2.9 পি আৰ আই-ৰ দ্বাৰা হিচাপৰ ৰক্ষণাবেক্ষণ

পি আৰ আইসমূহেৰ ভূমিকা, পুঁজি আৰু জবাবদিহিতা সময়ৰ সৈতে বৃদ্ধি হৈছে, ফলত বিচাপ ৰক্ষনাবেক্ষনত সঠিক তদাৰকী আৰু ৰাজহুৱা ধন ব্যয়ত অতি সতর্কতাৰ প্ৰয়োজন। বিত্তীয় ৰেকর্ডিং আৰু প্ৰতিবেদন ব্যৱস্থা সুপ্ৰতিষ্ঠিত আৰু কার্যক্ষম হ'লেহে এনে সফলতা লাভ কৰিব পৰা যাব। সেই অনুসৰি একাদশ এফ চি-ৰ পৰামর্শ মতে ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকে মডেল একাউণ্টিং ব্যৱস্থা (অক্টোবৰ 2009) প্ৰৱর্তন কৰে।

[7] ৰৱপেটা জেড পি, ধুবুৰী জেড পি, কাকপথাৰ এ পি, আগমনি এ পি, চিংগিতোলি জি পি, ৰৱচিল জি পি, ধীৰেচৰ তৰংগাপুৰ জি পি, ৰৱাইবাৰী জি পি, ৰৱদলং জি পি, লটক জি পি আৰু ৰৱণীতৰা বটোর্ডাল জি পি।

পি আৰ আই-ৰ দ্বাৰা বাৰ্ষিক হিচাপ ৰক্ষণাবেক্ষণ নকৰাৰ দৃষ্টান্তসমূহ পৰিদৰ্শন প্ৰতিবেদন আৰু বাৰ্ষিক কাৰিকৰী পৰিদৰ্শন প্ৰতিবেদন/ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ জৰিয়তে কেইবাবাৰো ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰা হৈছে।

বাচনিকৃত এ পি আৰু জি পিৰ একাউণ্ট পৰীক্ষা কৰি দেখা গ'ল যে পি আৰ আই আইনৰ 49 নং নিয়মৰ অধীনত নিৰ্ধাৰিত ফৰ্মেট অনুসৰি পি আৰ আই সমূহে একাউণ্ট ৰক্ষণাবেক্ষণ কৰা নাছিল। জেড পিয়ে কেৰল প্ৰাপ্তি আৰু পৰিশোধৰ বাবে এ পি আৰু জি পি পৰ্যায়ৰ তথ্য একত্ৰিত কৰি কেৰল প্ৰগ্ৰেম ৰাইজ বাৰ্ষিক একাউণ্ট (প্ৰাপ্তি আৰু পৰিশোধ একাউণ্ট, আয় আৰু ব্যয় আৰু বেলেন্স শ্বীট) প্ৰস্তুত কৰিছিল। এ পি আৰু জি পিসমূহে প্ৰাপ্তি আৰু পৰিশোধ, আয় আৰু ব্যয় আৰু মাহেকীয়া একাউণ্ট প্ৰস্তুত কৰা নাছিল।

2023-24ৰ সময়ছোৱাত হিচাপ পৰীক্ষা কৰা পি আৰ আইসমূহত হিচাপ পৰীক্ষাই পৰ্যবেক্ষণ কৰিছিল যে কেচ বুক মেনুৱেলী ৰক্ষণাবেক্ষণ কৰা হৈছিল কিন্তু বাচনিকৃত কোনো পি আৰ আইতে অনুসংগিক পঞ্জী নাছিল। ইউনিটৰ বেছিভাগ কেচবুক ডি ডি অ'ৰ দ্বাৰা আপডেট আৰু প্ৰমাণীকৰণ কৰা হোৱা নাছিল। তদুপৰি 14 আৰু 15 নং এফ চিৰ অধীনত নিৰ্মাণ সমিতিসমূহে কেচ বুক ৰখা নাছিল। ইয়াৰ উপৰিও নিৰ্মাণ সমিতিসমূহে আঁচনিসমূহ সম্পূৰ্ণ হোৱাৰ পিছতো নিজৰ একাউণ্ট চূড়ান্ত কৰা নাছিল।

প্ৰাপ্তি আৰু পৰিশোধ একাউণ্ট, আয়, আৰু ব্যয় একাউণ্ট, আৰু বেলেন্স শ্বীট আদি কেৰল জেড পি পৰ্যায়তহে প্ৰস্তুত কৰা হয় আৰু চি এ-ৰ দ্বাৰা প্ৰমাণিত হয়। কিন্তু, এ পি বা জি পিসমূহে ওপৰত উল্লেখ কৰা কোনো একাউণ্ট প্ৰস্তুত কৰা নাছিল। কেগ আৰু পি আৰ আই আইনৰ দ্বাৰা একাউণ্ট ৰক্ষণাবেক্ষণৰ বাবে নিৰ্ধাৰিত ফৰ্মেট (প্ৰ পত্ৰ-1ৰ পৰা 8) জিলাসমূহৰ কোনো পি আৰ আই ইউনিটে ৰক্ষণাবেক্ষণ কৰা নাছিল।

ইয়াৰ পৰা ইংগিত পোৱা গ'ল যে জিলাসমূহৰ পি আৰ আই ইউনিটসমূহে পি আৰ আই আইন আৰু চৰকাৰৰ নিৰ্দেশনাৰ নিয়ম-নীতি মানি চলা নাছিল।

2.10 পি আৰ আই-ৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা একাউণ্টৰ হিচাপ পৰীক্ষা

2.10.1 প্ৰাথমিক হিচাপ পৰীক্ষক

অসম স্থানীয় পুঁজি (হিচাপ আৰু হিচাপ পৰীক্ষা) আইন, 1930ৰ অধীনত স্থাপিত স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা সঞ্চালক (ডি এ এল এফ), অসম ৰাজ্যৰ সকলো স্তৰৰ পি আৰ আই-ৰ প্ৰাথমিক হিচাপ পৰীক্ষক। সঞ্চালকালয়ৰ দায়িত্ব (i) 20টা চক্ৰ কাৰ্যালয়ৰ সহায়ত স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা সম্পন্ন কৰা, যাৰ প্ৰত্যেকৰে নেতৃত্বত আছিল জিলা পৰ্যায়ত হিচাপ পৰীক্ষাৰ কাম সম্পন্ন কৰিবলৈ এজন সহকাৰী সঞ্চালক; আৰু (ii) প্ৰশাসনিক বিভাগসমূহৰ হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল কৰাত সহায় কৰা। অসম হিচাপ পৰীক্ষা হাতপুথি, লগতে চৰকাৰে সময়ে সময়ে জাৰি কৰা প্ৰাসংগিক চৰকাৰী বিধি আৰু সংশোধনীৰ অনুসৰি হিচাপ পৰীক্ষা কৰিব লাগে।

2.10.1.1 ডি এ এল এফ-ৰ হিচাপ পৰীক্ষা ক'ভাৰেজ

2019-20ৰ পৰা 2023-24ৰ সময়ছোৱাত ডি এ এল এফ-ৰ দ্বাৰা পি আৰ আই-ৰ হিচাপ পৰীক্ষাত 51ৰ পৰা 63 শতাংশ বকেয়া আছিল। হিচাপ পৰীক্ষা কৰিবলগীয়া ইউনিটসমূহৰ বছৰেকীয়া স্থিতি, আৰু প্ৰকৃততে হিচাপ পৰীক্ষা কৰা ইউনিটসমূহৰ বিষয়ে **সাৰণী 2.5**ত বিতংভাৱে উল্লেখ কৰা হৈছে।

সাৰণী 2.5: পি আৰ আই-ৰ সন্দৰ্ভত ডি এ এল এফ-ৰ দ্বাৰা হিচাপ পৰীক্ষাত সামৰি লোৱা পৰিকল্পিত পি আৰ আই ইউনিটসমূহ

বৰ্ষ	হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত ইউনিটৰ সংখ্যা	হিচাপ পৰীক্ষা কৰা ইউনিটৰ সংখ্যা	পৰিকল্পনাৰ বিপৰীতে ঘাটি (শতাংশ)
2019-20	1,105	471	634 (57.37)
2020-21	1,031	501	530 (51.40)
2021-22	1,105	545	560 (50.68)
2022-23	1,105	456	649 (58.73)
2023-24	1,217	452	765(62.85)

উৎস: ডি এ এল এফ, অসমে প্ৰদান কৰা তথ্য

ডি এ এল এফে উল্লেখ কৰে (ছেপ্টেম্বৰ 2024) যে হিচাপ পৰীক্ষা ক'ভাৰেজত ঘাটিৰ কাৰণ হ'ল হিচাপ পৰীক্ষা কৰ্মীৰ অত্যধিক খালী পদ, বাৰ্ষিক হিচাপ পৰীক্ষা কাৰ্য্য পৰিকল্পনা অনুসৰি হিচাপ পৰীক্ষা কৰিবলগীয়া আন বিপুল সংখ্যক একাউণ্ট, সময়ে সময়ে চৰকাৰে বিশেষভাৱে অৰ্পণ কৰা একাউণ্টৰ বাবে হিচাপ পৰীক্ষা কৰ্মী নিয়োগ কৰা, নিৰ্বাচনী কৰ্তব্য আদি।

ডি এ এল এফ-ৰ হিচাপ পৰীক্ষাৰ ক'ভাৰেজৰ ঘাটিয়ে অসমৰ পি আৰ আই-ৰ জবাবদিহিতা ব্যৱস্থাত প্ৰভাৱ পেলাইছে।

2.10.1.2 ডি এ এল এফ-ৰ দ্বাৰা বাৰ্ষিক হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল

অসম হিচাপ পৰীক্ষা হাতপুথিৰ 101 (i) দফা অনুসৰি ডি এল এফে বিত্ত বিভাগৰ দ্বাৰা অধিক ব্যৱস্থা গ্ৰহণৰ বাবে বিত্ত বিভাগলৈ, প্ৰতি বছৰে 30 ছেপ্টেম্বৰৰ ভিতৰত বাৰ্ষিক হিচাপ পৰীক্ষা প্ৰতিবেদন প্ৰেৰণ কৰিব লাগিব, য'ত নিষ্পত্তিৰ বাবে বাকী থকা স্থানীয় নিকায়সমূহৰ সৈতে জড়িত মূখ্য হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণসমূহ সন্নিবিষ্ট কৰিব লাগিব। ডি এ এল এফে এতিয়ালৈকে 2010-11ৰ পৰা 2022-23ৰ সময়ছোৱা সামৰি হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল কৰিছে। ডি এ এল এফে চৰকাৰক হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল কৰাৰ স্থিতি **সাৰণী 2.6**ত দেখুওৱা হৈছে।

সাৰণী 2.6 ডি এ এল এফে চৰকাৰক দাখিল কৰা হিচাপ পৰীক্ষা প্ৰতিবেদন

ক্ৰমিক নং	কোন বৰ্ষৰ হিচাপ পৰীক্ষা প্ৰতিবেদন	চৰকাৰক দাখিল	বিধানসভাত উত্থাপন
1	2010-11 আৰু 2011-12	21 মাৰ্চ 2013	10 ফেব্ৰুৱাৰী 2014
2	2012-13 আৰু 2013-14	07 ডিচেম্বৰ 2014	19 ডিচেম্বৰ 2014
3	2014-15	13 নৱেম্বৰ 2015	04 ফেব্ৰুৱাৰী 2016
4	2015-16 আৰু 2016-17	30 অক্টোবৰ 2021	12 চেপ্তেম্বৰ 2022
5	2017-18 আৰু 2018-19	30 মে' 2022	12 চেপ্তেম্বৰ 2022
6	2019-20 আৰু 2020-21	14 ডিচেম্বৰ 2022	10 মাৰ্চ 2023
7	2021-22	02 চেপ্তেম্বৰ 2023	11 চেপ্তেম্বৰ 2023
8	2022-23	23 আগষ্ট 2024	30 আগষ্ট 2024
9	2023-24	এতিয়াও দাখিল কৰিবলৈ বাকী	-

উৎস: ডি এ এল এফ, অসমে প্ৰদান কৰা তথ্য

অৱশ্যে, ডি এ এল এফ-ৰ বাৰ্ষিক সমন্বিত হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ওপৰত বিত্ত বিভাগে অনুসৰণমূলক ব্যৱস্থা আৰু গ্ৰহণ কৰা কাৰ্যবাহীৰ সন্দৰ্ভত প্ৰতিবেদনসমূহ বাকী আছিল, যাৰ ফলত পি আৰ আইসমূহৰ বাবে জবাবদিহিতা ব্যৱস্থা দুৰ্বল হৈ পৰিছিল।

2.10.2 ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা

ভাৰতীয় নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকে (চি এ জি) চি এ জি (ডি পি চি)ৰ আইন, 1971ৰ ধাৰা 14 (1)ৰ অধীনত যথেষ্ট পৰিমাণে বিত্তীয় সাহায্যপ্ৰাপ্ত স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষা কৰে আৰু ওপৰত উল্লেখিত আইনৰ ধাৰা 15ৰ অধীনত স্থানীয় নিকায়সমূহৰ নিৰ্দিষ্ট অনুদানসমূহৰ হিচাপ পৰীক্ষা কৰে। অসম চৰকাৰে মে' 2002ত অৰ্পণ কৰা কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ)ৰ ব্যৱস্থা অনুসৰি আইনখনৰ 20 (1) ধাৰাৰ অধীনত চি এ জি-য়ে হিচাপ পৰীক্ষা কৰে। ৰাজ্য চৰকাৰে (মে' 2011) 13তম এফ চি-ৰ পৰামৰ্শ অনুসৰি টি জি এছ-ৰ মানক নিয়ম আৰু চৰ্তসমূহ গ্ৰহণ কৰে।

2.10.3 হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ প্ৰতি সঁহাৰি

পৰিদৰ্শন প্ৰতিবেদন (আই আৰ)ৰ এটা প্ৰতিলিপি ৰাজ্য চৰকাৰক প্ৰদানৰ লগতে সংশ্লিষ্ট পি আৰ আই কৰ্তৃপক্ষক অসমৰ মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ কাৰ্যালয়ে প্ৰদান কৰিছিল। পি আৰ আই কৰ্তৃপক্ষই আই আৰ লাভ কৰাৰ তাৰিখৰ পৰা চাৰি সপ্তাহৰ ভিতৰত আই আৰ-ত থকা হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ সঁহাৰি দিব লাগে। গুৰুত্বপূৰ্ণ হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণসমূহ স্থানীয় নিকায়/ স্থানীয় চৰকাৰৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ জৰিয়তেও চৰকাৰক জনোৱা হৈছিল। পি আৰ আই-ৰ ক্ষেত্ৰত যোৱা পাঁচ বছৰে বকেয়া থকা দফাৰ বিৱৰণ (মাৰ্চ 2023লৈকে), **সাৰণী 2.7**ত দেখুওৱা হৈছে।

সাৰণী 2.7: পি আৰ আই-ৰ সন্দৰ্ভত বাকী থকা আই আৰ আৰু দফাৰ বিৱৰণ

জাৰী কৰা বৰ্ষ	পৰিদৰ্শনৰ প্ৰতিবেদনৰ সংখ্যা	বাকী থকা দফাৰ সংখ্যা	হিচাপ পৰীক্ষা আপত্তিৰ সৈতে জড়িত পৰিমান (কোটি টকাত)	দাখিল কৰা প্ৰাথমিক উত্তৰ
2019-20	8	92	155.90	0
2020-21	3	89	329.01	0
2021-22	67	411	155.61	3
2022-23	131	808	389.50	3
2023-24	172	1013	266.05	নাই
মুঠ	**381**	**2413**	**1296.07**	**6**

উৎস: প্ৰ'গ্ৰেছ ৰেজিষ্টাৰ

এইদৰে, 2019-2024 চনৰ সময়ছোৱাত 1,296.07 কোটি টকা আৰ্থিক মূল্যৰ সৈতে জড়িত 2,413টা দফা সংশ্লিষ্ট পি আৰ আই-ৰ পৰা উত্তৰ/ অনুসৰণৰ অভাৱৰ বাবে নিষ্পত্তি হ'বলৈ (মাৰ্চ 2024) বাকী আছিল। আনকি 2,413টা দফাৰ ভিতৰত 2,407টা দফাৰ ক্ষেত্ৰত (99.75 শতাংশ) প্ৰথম উত্তৰো প্ৰাপ্ত হোৱা নাছিল। ইয়াৰ পৰা বুজা যায় যে পি আৰ আইসমূহ হিচাপ পৰীক্ষা পৰ্যবেক্ষণসমূহৰ প্ৰতি সঁহাৰি জনোৱাত আৰু সংশোধনী ব্যৱস্থা আৰম্ভ কৰাত অনিচ্ছুক আছিল। সংশ্লিষ্ট বিভাগসমূহৰ প্ৰশাসনিক মুৰব্বীসকলেও পি আৰ আইসমূহৰ সংশ্লিষ্ট বিষয়াসকলে আই আৰসমূহৰ উত্তৰ প্ৰদানৰ ক্ষেত্ৰত তৎকালীন আৰু সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰা নাছিল, যাৰ ফলত অসমত পি আৰ আইসমূহৰ জবাবদিহিতা ব্যৱস্থা দুৰ্বল হৈ পৰিছে।

2.11 অভিযোগ নিষ্পত্তি ব্যৱস্থা

এম জি এন আৰ ই জি আইনৰ ধাৰা 30, অনুসূচী I অনুসৰি মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি অভিযোগ গ্ৰহণ, অনুসন্ধান আৰু অনুদান প্ৰদানৰ বাবে প্ৰতিখন জিলাৰ বাবে ৰাজ্যসমূহে এক লোকপাল নিযুক্তি দিয়াটো বাধ্যতামূলক। লোকপালে দুৰ্নীতি আৰু অপ্ৰশাসনৰ যিকোনো অভিযোগৰ সন্দৰ্ভত তদন্ত আৰু তদন্ত চলোৱাৰ বাবে স্থানীয় স্ব-

চৰকাৰী প্ৰতিষ্ঠানসমূহৰ বাবে স্বতন্ত্ৰ অৰ্ধ-ন্যায়িক কৰ্তৃপক্ষ হিচাপে কাম কৰিব লাগিব আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিব লাগিব।

কিন্তু অসম পঞ্চায়ত আইন, 1994ত লোকপাল নিযুক্তিৰ ব্যৱস্থা নাই।

তদুপৰি কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনি যেনে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (এম জি এন আৰ ই জি এছ), প্ৰধানমন্ত্ৰী আৱাস যোজনা (পি এম এ ৱাই), ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী (এন এছ এ পি), মধ্যাহ্ন ভোজন আদিৰ নিৰ্দেশনাৱলীত বিশেষভাৱে এই আঁচনিসমূহৰ সামাজিক হিচাপ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। সামাজিক হিচাপ পৰীক্ষা (এছ এ)ৰ প্ৰধান উদ্দেশ্য হৈছে পি আৰ আইসমূহৰ কাৰ্য্যকলাপসমূহক প্ৰাথমিক অংশীদাৰ অৰ্থাৎ হিতাধিকাৰীসকলক তীক্ষ্ণ পৰ্যবেক্ষণৰ অধীনলৈ অনা, পি আৰ আইসমূহৰ ৰেকৰ্ড আৰু নথিপত্ৰসমূহ জনসাধাৰণৰ বাবে সুলভ কৰি তোলা কাৰণ ইয়াৰ ফলত ইউ এল বিসমূহৰ দৈনন্দিন কাৰ্য্যকলাপত স্বচ্ছতা আৰু জবাবদিহিতা বৃদ্ধি পাব।

অসম পঞ্চায়ত আইন, 1994ত সামাজিক হিচাপ পৰীক্ষাৰ ব্যৱস্থাও নাই যি নাগৰিকক পি আৰ আই-ৰ অভিলেখ আৰু নথি-পত্ৰ এক্সেচ কৰাৰ সুবিধা প্ৰদান কৰে আৰু পি আৰ আইৰ কাম-কাজক তীক্ষ্ণ নিৰীক্ষণৰ আওতালৈ আনিব পাৰেযাৰ ফলত পি আৰ আই-ৰ দৈনন্দিন কাম-কাজত স্বচ্ছতা আৰু জবাবদিহিতা বৃদ্ধি পাব।

কিন্তু জি অ' আই-য়ে এম জি এন আৰ ই জি আইন, 2005ৰ ধাৰা 17(1)ৰ অধীনত এম জি এনৰেগাৰ হিচাপ পৰীক্ষা আইন 2011ৰ কাম-কাজৰ সামাজিক হিচাপ পৰীক্ষাৰ বাবে অসম ছ'চাইটি (এছ এ)/ সামাজিক হিচাপ পৰীক্ষা ইউনিট, অসম (এছ এ ইউ) স্থাপন (ডিচেম্বৰ 2016) কৰিছিল। যদিও এম জি এন ৰেগাৰ অধীনত এছ এ ইউ-ক ধাৰণা কৰা হৈছিল আৰু স্থাপন কৰা হৈছিল, ইয়াক ক্ৰমান্বয়ে অন্যান্য আঁচনিৰ হিচাপ পৰীক্ষা/ মূল্যায়নৰ সৈতেও সংযোগ কৰা হৈছিল (যেনে ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী, প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ আদি)।

এই হিচাপ পৰীক্ষা প্ৰতিবেদনৰ অধ্যায় IIIত 2017-18ৰ পৰা 2023-24লৈকে অসমত সামাজিক হিচাপ পৰীক্ষা ইউনিটৰ কাম-কাজৰ বিষয়ে আলোচনা কৰা হৈছে।

অধ্যায়-III

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহৰ থিমেটিক হিচাপ পৰীক্ষা

অধ্যায়-III

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহৰ থিমেটিক হিচাপ পৰীক্ষা

2017-18ৰ পৰা 2023-24লৈ অসমত সামাজিক হিচাপ পৰীক্ষা গোটৰ কাম-কাজ

3.1. সূচনা

সামাজিক হিচাপ পৰীক্ষা হৈছে এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা যিকোনো আঁচনি, কাৰ্যসূচী, নীতি বা আইনৰ তৃণমূল পৰ্যায়ৰ হিতাধিকাৰীসকলক এনে আঁচনি, কাৰ্যসূচী, নীতি বা আইনৰ হিচাপ পৰীক্ষা কৰিবলৈ ক্ষমতা প্ৰদান কৰা হয়। সামাজিক হিচাপ পৰীক্ষাৰ জৰিয়তে যিকোনো আঁচনিৰ হিতাধিকাৰী আৰু অন্যান্য অংশীদাৰসকল সেই আঁচনিৰ অধীনত সম্পন্ন কৰা কাৰ্যকলাপ বা প্ৰকল্পৰ নিৰীক্ষণ আৰু মূল্যায়নৰ সৈতে জড়িত হৈ পৰে। সামাজিক হিচাপ পৰীক্ষাই কোনো কাৰ্যসূচীৰ উদ্দেশ্যপ্ৰণোদিত সামাজিক লক্ষ্য পূৰণৰ ক্ষেত্ৰত ইয়াৰ প্ৰদৰ্শনৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু নিৰ্দিষ্ট কাৰ্যসূচী আৰু নীতিৰ সামাজিক প্ৰভাৱ মূল্যায়ন কৰে।

ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত অধিনিয়ম, 2005 (এম জি এনৰেগা)ৰ 17 নং ধাৰাত এম জি এনৰেগাৰ অধীনত সম্পন্ন কৰা সকলো কামৰ সামাজিক হিচাপ পৰীক্ষা বাধ্যতামূলক কৰা হৈছে। এম জি এন আৰ ই জি অধিনিয়ম, 2005ৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ে এম জি এন আৰ ই জি আঁচনিৰ হিচাপ পৰীক্ষা মিয়ম, 2011 অধিসূচিত কৰে। এই অধিনিয়মৰ অধীনত আঁচনিসমূহৰ হিচাপ পৰীক্ষাত অন্যান্য বিষয়ৰ লগতে তলত উল্লেখ কৰা বৈশিষ্টসমূহৰ সৈতে সামাজিক হিচাপ পৰীক্ষা অন্তৰ্ভুক্ত থাকিব:

- এম জি এন আৰ ই জি অধিনিয়ম অনুসৰি প্ৰতিখন ৰাজ্য চৰকাৰে সামাজিক হিচাপ পৰীক্ষা গোট (এছ এ ইউ)ক এটা স্বতন্ত্ৰ সংস্থা হিচাপে চিনাক্ত/ স্থাপন কৰিব লাগিব, যাতে গ্ৰামসভাৰ সৈতে বুজাবুজিৰ সৈতে সামাজিক হিচাপ পৰীক্ষা পৰিচালনা কৰিব পৰা যায়।
- সামাজিক হিচাপ পৰীক্ষা প্ৰক্ৰিয়াতো সুবিধাজনক কৰাৰ বাবে সামাজিক হিচাপ পৰীক্ষা গোটে এছ এ ইউ সম্পদ ব্যক্তি (আৰ পি) চিনাক্ত আৰু নিয়োজিত কৰে। তেওঁলোক ৰাজ্যিক সম্পদ ব্যক্তি (এছ আৰ পি) / জিলা সম্পদ ব্যক্তি (ডি আৰ পি) / গাঁও সম্পদ ব্যক্তি (ভি আৰ পি) হ'ব পাৰে।
- জিলা কাৰ্যসূচী সমন্বয়কে (ডি পি চি)[8] কাৰ্যক্ৰম বিষয়া (পি অ')[9]ৰ জৰিয়তে কাৰ্যকৰী সংস্থাসমূহে এছ এ ইউক ৰেকৰ্ড প্ৰদান কৰা আৰু সংশোধনীমূলক ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰিব লাগিব।

এম জি এনৰেগাৰ অধীনত এছ এ ইউক ধাৰণা আৰু সৃষ্টি কৰা হৈছিল যদিও ক্ৰমান্বয়ে অন্যান্য আঁচনি (যেনে ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী, প্ৰধানমন্ত্ৰী আৱাস যোজনা - গ্ৰামিন আদি) আদিৰো হিচাপ পৰীক্ষা/ মূল্যায়নৰ দায়িত্ব দিয়া হৈছিল।

---

8 ৰাজ্য চৰকাৰৰ এজন বিষয়াক এখন জিলাত আঁচনি ৰূপায়ণৰ বাবে এম জি এন আৰ ই জি আইন, 2005ৰ ধাৰা 14ত উপ-ধাৰা (1)ৰ অধীনত জিলা কাৰ্যসূচী সমন্বয়ক হিচাপে নিযুক্তি দিয়া হয়

9 প্ৰকল্প বিষয়া (পি অ') আঁচনি ৰূপায়ণৰ বাবে এম জি এন আৰ ই জি আইন, 2005ৰ ধাৰা 15ৰ উপ-ধাৰা (1)ৰ অধীনত নিযুক্তি দিয়া বিষয়া

3.2. হিচাপ পৰীক্ষাৰ উদ্দেশ্য:

ভাৰত চৰকাৰৰ এম অ' আৰ ডি বিভাগে (ডিচেম্বৰ 2016) জাৰি কৰা সামাজিক হিচাপ পৰীক্ষা পৰিচালনাৰ হিচাপ পৰীক্ষা মানক অনুসৰি নিম্নলিখিতসমূহ সামাজিক হিচাপ পৰীক্ষাৰ উদ্দেশ্য:

- যিকোনো কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত স্বচ্ছতা আৰু জবাবদিহিতাক প্ৰসাৰ কৰা।
- সামাজিক হিচাপ পৰীক্ষা পৰিচালনৰ সময়ত মানুহক আইনৰ অধীনত তেওঁলোকৰ অধিকাৰ আৰু প্ৰাপ্যৰ বিষয়ে অৱগত কৰা আৰু জ্ঞান দিয়া।
- মানুহে নিজৰ প্ৰয়োজন আৰু অভিযোগ প্ৰকাশ কৰিব পৰাকৈ গ্ৰাম সভাৰ দৰে এক সামূহিক মঞ্চ প্ৰদান কৰা।
- কাৰ্যকৰীকৰণৰ সকলো পৰ্যায়তে মানুহৰ অংশগ্ৰহণক উৎসাহিত কৰা।
- সামাজিক হিচাপ পৰীক্ষাত অংশগ্ৰহণ কৰা স্থানীয় অংশীদাৰসকলৰ সামৰ্থ্য বিকশিত কৰা।

3.3 অসমত সামাজিক হিচাপ পৰীক্ষা গোট গঠন আৰু কাৰ্যকাৰীতা

এম জি এন আৰ ই জি আইন, 2005ৰ ধাৰা 17(1) ৰ অধীনত এম জি এন আৰ ই জি এছ আঁচনিৰ হিচাপ পৰীক্ষা নিয়ম, 2011ৰ কাৰ্যকৰীকৰণৰ বাবে ছ'চাইটি পঞ্জীয়ন আইন, 1860ৰ অধীনত ডিচেম্বৰ 2016ত পঞ্জীয়নভুক্ত অসম ছ'চাইটি ফৰ ছ'চিয়েল অডিট / ছ'চিয়েল অডিট ইউনিট, অসম (এছ এ ইউ)ক অসম চৰকাৰে স্থাপন কৰিছিল।

এছ এ ইউৰ মূল উদ্দেশ্য হৈছে বিভিন্ন অংশীদাৰৰ প্ৰখৰ সামৰ্থ্য বিকাশ আৰু প্ৰশিক্ষণ আৰু গ্ৰাম্য জনসাধাৰণৰ মাজত পদ্ধতিগত সজাগতা গঢ়ি আৰু তথ্য প্ৰচাৰ আদিৰ জৰিয়তে অসমৰ সামাজিক হিচাপ পৰীক্ষা প্ৰক্ৰিয়াক শক্তিশালী আৰু গভীৰ কৰা। সামাজিক হিচাপ পৰীক্ষা ৰাজ্যৰ শাসন প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংগ আৰু আঁচনি ৰূপায়ণ সংস্থাকে ধৰি প্ৰশাসনত মূলসুঁতিৰ চৰকাৰৰ পৰা স্বাধীন হৈ থাকি কাম কৰিব লাগে।

এছ এ ইউ-ত এজন স্বতন্ত্ৰ সঞ্চালক থাকে আৰু ইয়াৰ সঞ্চালন অসম চৰকাৰৰ মুখ্য সচিবৰ অধক্ষ্যতাত এটা শাসকীয় নিকায় (জি বি)[10]ৰ দ্বাৰা হয়। সামাজিক হিচাপ পৰীক্ষাৰ সঞ্চালক জি বি-ৰ সদস্য সচিব।

অসম ছ'চাইটি ফৰ ছ'চিয়েল অডিটে স্থাপনৰ সাত বছৰ সম্পূৰ্ণ কৰিছে আৰু সংশ্লিষ্ট বিভাগৰ অনুৰোধৰ ভিত্তিত এম জি এনৰেগা আৰু অন্যান্য সমাজ কল্যাণমূলক আঁচনি যেনে মিড-ডে মিল, ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী (এন এছ এ পি), প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ (পি এম এ ৱাই-জি) আৰু 14 আৰু 15 নং वित्त আয়োগৰ সামাজিক হিচাপ পৰীক্ষা কৰি আহিছে। প্ৰতিটো বিভাগে নিজৰ আঁচনিৰ সামাজিক হিচাপ পৰীক্ষাৰ বাবে পুঁজি প্ৰদান কৰে।

[10] জি বি-ৰ গঠনঃ 1.অসম চৰকাৰৰ মুখ্য সচিব, অধ্যক্ষ; 2. জি অ' এ, वित्त আৰু পি এণ্ড আৰ ডি-ৰ জ্যেষ্ঠ সৰ্বাধিক সচিব, সদস্য; 3. প্ৰধান মহাগাণনিক/ মনোনীত, অসমৰ কাৰ্যালয়, সদস্য; 4. জি অ' এ, वित्त বিভাগৰ প্ৰধান সচিব/ মনোনীত, সদস্য; 5. আয়ুক্ত, জি অ' এ পি এণ্ড আৰ ডি/ মনোনীত, সদস্য; 6. সঞ্চালক ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠান, অসম, সদস্য; 7. সামাজিক একক, অসমৰ সঞ্চালক, সদস্য সম্পাদক; 8. ৰাজ্যিক মিছন সঞ্চালক, এন আৰ এল এম, অসম, সদস্য; 9. সাধাৰণ জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ সঞ্চালক, জি অ' এ, সদস্য; 10. পি চি চি এফ, বন বিভাগ, বিশেষ আমন্ত্ৰিত; 11. কৃষি বিভাগৰ সঞ্চালক, বিশেষ আমন্ত্ৰিত; 12. উদ্যান শস্য বিভাগৰ সঞ্চালক, বিশেষ আমন্ত্ৰিত; 13. মুখ্য অভিযন্তা, পি এইচ ই ডি (অনাময়), বিশেষ আমন্ত্ৰিত; 14. তেজপুৰ বিশ্ববিদ্যালয়, সমাজবি:ান বিভাগ, সদস্য; 15. অসম বিশ্ববিদ্যালয়, শিলচৰ, গ্ৰামোন্নয়ন বিভাগ, সদস্য; 16. ডিব্ৰুগড় বিশ্ববিদ্যালয়, সমাজবিজ্ঞান বিভাগ, সদস্য আৰু 17. ৰাজ্যৰ বা বাহিৰৰ প্ৰখ্যাত আৰু স্বীকৃতিপ্ৰাপ্ত ব্যক্তিগত/ নাগৰিক সমাজ সংগঠন, স্বচ্ছতা আৰু ৰাজস্বৰা জবাবদিহিতাৰ সৈতে জড়িত বিষয়সমূহৰ সৈতে কাম কৰাৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা থকা, সদস্য।

3.4 সাংগঠনিক গঠন:

চিত্র তালিকা 3.1: অসম ছ'চাইটি ফৰ ছ'চিয়েল অডিটৰ সাংগঠনিক গঠন



সামাজিক হিচাপ পৰীক্ষা ইউনিটৰ (এছ এ ইউ) সঞ্চালকে ইয়াৰ দৈনন্দিন কার্য্যকলাপ তদাৰক কৰে আৰু নিশ্চিত কৰে যে সকলো সামাজিক হিচাপ পৰীক্ষা, আঁচনিৰ হিচাপ পৰীক্ষা নিয়ম 2011 আৰু অনুমোদিত হিচাপ পৰীক্ষা কেলেণ্ডাৰ অনুসৰি কৰা হয়। সঞ্চালকে নির্দেশনাৱলী প্রস্তুত, সামর্থ্য বিকাশৰ পদক্ষেপ আৰু গণ সজাগতা অভিযানৰ সমন্বয়ো কৰে। প্রশিক্ষণ ডিজাইন, প্রক্রিয়া মূল্যায়ন আৰু তথ্য বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্যিক সম্পদ ব্যক্তিয়ে (এছ আৰ পি) এই কার্য্যসমূহত সঞ্চালকক সহায় কৰে। জিলা সম্পদ ব্যক্তিসকল (ডি আৰ পি) জিলা পর্যায়ৰ সজাগতা অভিযান, তথ্য, শিক্ষা আৰু যোগাযোগ (আই ই চি) কার্য্যকলাপ আৰু সামাজিক হিচাপ পৰীক্ষা দলসমূহৰ সঞ্চালনৰ বাবে দায়বদ্ধ। ব্লক সম্পদ ব্যক্তিসকলে (বি আৰ পি) পৰীক্ষণ প্রক্রিয়াৰ সময়ত গাঁও সম্পদ ব্যক্তিসকলক (ভি আৰ পি) চিনাক্ত, প্রশিক্ষণ আৰু পথ প্রদর্শন কৰে। তাৰ পিছত ভি আৰ পিসমূহে প্রাথমিক অংশীদাৰসকলৰ সহযোগত তৃণমূল পর্যায়ত প্রকৃত সামাজিক হিচাপ পৰীক্ষাসমূহ কৰে।

3.5. আর্থিক স্থিতি:

এছ এ ইউ (এ এছ এছ এ)য়ে এম জি এনৰেগাৰ অধীনত মূলতঃ পি এণ্ড আৰ ডি বিভাগৰ পৰা ধন লাভ কৰিছিল। অৱশ্যে, সংশ্লিষ্ট লাইন বিভাগৰ পৰাও এম ডি এম, এন এছ এ পি আদিৰ অধীনত পুঁজি লাভ কৰিবলৈ আৰম্ভ কৰিছে।

ব্যয় মূলতঃ ৰাজ্য / জিলা / ব্লক সম্পদ ব্যক্তিক দৰমহা প্ৰদান, গাঁও সম্পদ ব্যক্তিক মজুৰি প্ৰদান, ৰাজ্যিক কাৰ্যালয়ৰ ৰক্ষণাবেক্ষণ ইত্যাদিৰ সৈতে জড়িত।

2017-18ৰ পৰা 2023-24 চনৰ সময়ছোৱাত বিভিন্ন শিতানৰ অধীনত লাভ কৰা ধনৰাশি আৰু তাৰ বিপৰীতে হোৱা ব্যয় তলত দিয়া ধৰণৰ আছিল: -

সাৰণী 3.1: এছ এ ইউ-ৰ দ্বাৰা প্ৰাপ্ত আৰু ব্যয় হোৱা পুঁজি

(লাখ টকাত)

বছৰ	আৰম্ভণি উদ্বৃত্ত	প্ৰাপ্তি		মুঠ উপলব্ধ পুঁজি	ব্যয়	সামৰণি উদ্বৃত্ত
		এম জি এনৰেগা পুঁজিৰ অধীনত প্ৰাপ্ত হোৱা অনুদান	সুত			
2017-18	0.00	520.23	9.63	529.86	135.17	394.69
2018-19	394.69	নাই	7.19	401.88	348.63	53.25
2019-20	53.25	451.55	0.85	505.65	345.85	159.80
2020-21	159.80	248.01	1.82	409.63	311.93	97.70
2021-22	97.70	397.06	1.89	496.65	195.52	301.13
2022-23	301.13	518.53	6.35	826.01	457.27	368.74
2023-24	368.74	448.26	8.21	825.21	442.04	383.17

উৎস: অসম ছ'চাইটি ফৰ ছ'চিয়েল অডিটৰ তথ্য

2021-22 বৰ্ষত ক'ভিড-19ৰ প্ৰাদুৰ্ভাৰৰ বাবে ব্যয় তীবভাৱে হ্ৰাস হৈছিল, ফলত জি পিসমূহৰ নিয়মীয়া সামাজিক হিচাপ পৰীক্ষা নৱেম্বৰ 2021ৰ পৰা আৰম্ভ হৈছিল। এপ্ৰিলৰ পৰা অক্টোবৰ 2021লৈকে কোনো ধৰণৰ ক্ষেত্ৰভিত্তিক কাৰ্যকলাপ নোহোৱাৰ বাবে বি আৰ পিসমূহক টি এ/ ডি এ প্ৰদান কৰা হোৱা নাছিল। তদুপৰি 2021-22 বিত্তীয় বৰ্ষৰ সময়ছোৱাত সামাজিক হিচাপ পৰীক্ষাৰ সময়সীমা দুদিনলৈ[11] হ্ৰাস কৰা হৈছিল।

3.6. হিচাপ পৰীক্ষাৰ উদ্দেশ্য আৰু পৰিসৰ

এম জি এন আৰ ই জি আইন 2005, এম জি এন আৰ ই জি আঁচনিৰ হিচাপ পৰীক্ষা নিয়ম 2011, গ্ৰামোন্নয়ন মন্ত্ৰালয় (এম অ' আৰ ডি)ৰ সামাজিক হিচাপ পৰীক্ষাৰ অডিটিং ষ্টেণ্ডার্ড আৰু এম অ' আৰ ডি-ৰ বাৰ্ষিক মাষ্টাৰ পৰিপত্ৰসমূহ অনুপালনৰ ক্ষেত্ৰত 2017-18ৰ পৰা 2023-24 চনলৈকে এ এছ এছ এ-ৰ কাম-কাজৰ মূল্যায়নৰ চেষ্টা হিচাপ পৰীক্ষাত কৰা হৈছিল। এই হিচাপ পৰীক্ষাৰ লক্ষ্য আছিল অসমত সামাজিক হিচাপ পৰীক্ষা অনুশীলনৰ ক'ভাৰেজ আৰু ফলপ্ৰসূতা বিশ্লেষণ কৰা।

হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণসমূহ

সামাজিক হিচাপ পৰীক্ষাৰ ধাৰণাটো গ্ৰামোন্নয়ন মন্ত্ৰালয়ে (এম অ' আৰ ডি) যদিও 2010 চনত প্ৰৱৰ্তন কৰিছিল, এম অ' ডিয়ে এছ এ ইউৰ গাঁথনি, সামাজিক হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষন আৰু পৰৱৰ্তী অনুসৰণমূলক ব্যৱস্থাক 2016-17ৰ পৰা ৰাজ্যখনক মুকলি কৰা ধনৰ সৈতে কঠোৰভাৱে সংযোগ কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰতিখন কাৰ্যসম্পাদন

[11] সাধাৰণতে ছয় দিন আছিল। 2020-21ৰ ভিতৰত ক'ভিড 19ৰ পৰা উদ্ধৰ হোৱা বেক লগ ক্লিয়াৰ কৰিবলৈ হিচাপ পৰীক্ষাৰ লক্ষ্য সামৰি ল'বলৈ ইয়াক 2 দিনলৈ হ্ৰাস কৰা হৈছিল

পর্যালোচনা সমিতিৰ বৈঠক[12] আৰু অধিকাৰ প্ৰাপ্ত সমিতিৰ বৈঠকত, এছ এ ইউ-ৰ গাঁথনিৰ ওপৰত গুৰুত্ব আৰোপ কৰি, সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি পুনৰুদ্ধাৰ আৰু অনুশাসনমূলক ব্যৱস্থাকে ধৰি কৰ্মচাৰীৰ সংখ্যা, তথ্য আৰু অনুসৰণকে ধৰি সামাজিক হিচাপ পৰীক্ষাৰ অডিটিং ষ্টেণ্ডার্ডৰ অনুসৰণ আৰু আনুপালনৰ তথ্য ৰাজ্যসমূহৰ পৰা বিচৰা হয়।

3.7 সামাজিক হিচাপ পৰীক্ষা ইউনিটৰ সংৰূপ আৰু গঠন

সামাজিক হিচাপ পৰীক্ষাৰ বাবে অডিটিং ষ্টেণ্ডার্ডৰ দফা 2.1ৰ উপ-দফা (i)ত উল্লেখ আছে যে এছ এ ইউৰ প্ৰতিষ্ঠানটোক ছ'চাইটি পঞ্জীয়ন আইনৰ অধীনত এখন ছ'চাইটি হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব আৰু ই সামাজিক হিচাপ পৰীক্ষা পৰিকল্পনা কৰা, বিশেষ হিচাপ পৰীক্ষাসমূহক কাৰিকৰীভাৱে সহায় কৰা, প্ৰতিবেদনসমূহ সংকলন আৰু একত্ৰিত কৰা আৰু হিচাপ পৰীক্ষাৰ ফলাফলৰ অনুসৰণ কৰাৰ বাবে দায়বদ্ধ হ'ব। অসম ছ'চাইটি ফৰ ছ'চিয়েল অডিট ইউনিটৰ (এছ এ ইউ) পঞ্জীয়নৰ বৈধতা ডিচেম্বৰ 2019 পর্যন্ত আছিল। হিচাপ পৰীক্ষাত দেখা গৈছিল যে, এতিয়ালৈকে (মে' 2024) পঞ্জীয়ন নবীকৰণ কৰা হোৱা নাই, যিটো শাসকীয় নিকায়ৰ (জি বি) সভা নিয়মীয়াকৈ অনুষ্ঠিত নকৰাৰ বাবেই হৈছিল।

3.7.1 এছ এ ইউ-ৰ শাসকীয় নিকায়ৰ সভা

সামাজিক হিচাপ পৰীক্ষাৰ বাবে অডিটিং ষ্টেণ্ডার্ডৰ **দফা 2.1ৰ উপ-দফা (ii) (d)**ত উল্লেখ আছে যে - এছ এ ইউৰ শাসকীয় নিকায়ৰ (জি বি) ত্ৰিমাসিক ভিত্তিত অন্ততঃ এবাৰ বৈঠক হ'ব লাগে। জি বিৰ ত্ৰিমাসিক বৈঠকত এছ এ ইউৰ অভিযোগ নিষ্পত্তি বিষয়াৰ প্ৰতিবেদন এছ এ ইউৰ সঞ্চালকে দাখিল কৰিব। হিচাপ পৰীক্ষাত দেখা গৈছিল যে 2017-18ৰ পৰা 2023-24ৰ সময়ছোৱাত নির্ধাৰিত 28খন বৈঠকৰ বিপৰীতে জি বি মাত্ৰ দুবাৰ বৈঠকত মিলিত হৈছিল। শেষৰখন বৈঠক অক্টোবৰ 2023ত অনুষ্ঠিত হৈছিল আৰু তাৰ পিছত কোনো জি বিৰ বৈঠক অনুষ্ঠিত হোৱা নাছিল। এই বৈঠকসমূহত অন্যান্য বিষয়ৰ লগতে ৰাজ্যিক পর্যায়ত সামাজিক হিচাপ পৰীক্ষা অনুসৰণ কোষৰ গঠন, কল্যাণমূলক আঁচনি, প্ৰচাৰ নীতিকে ধৰি মানৱ সম্পদ নীতিৰ ফ্ৰেমৱৰ্ক, সামাজিক হিচাপ পৰীক্ষা নিয়ম প্ৰণয়ন, কার্যবাহী সমিতি গঠন, ভি আৰ পি নির্দেশনাৰ অধিসূচনা, সামাজিক হিচাপ পৰীক্ষাৰ বাবে বাজেট অনুমোদন, সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল আদিৰ বিষয়ে আলোচনা অন্তৰ্ভুক্ত আছিল। এইদৰে প্ৰয়োজনীয় সংখ্যক জি বি বৈঠকৰ অভাৱত শীর্ষ পর্যায়ত নিৰীক্ষণ আৰু সিদ্ধান্ত গ্ৰহণত প্ৰভাৱ পৰিছিল, যিটো পৰৱর্তী দ ফাসমূহত অধিক বিশদভাৱে উল্লেখ কৰা হৈছে।

3.7.1.1 দীর্ঘদিন ধৰি জি বি বৈঠক অনুস্থিত নোহোৱাত বাজেট প্ৰস্তুত প্ৰক্ৰিয়াৰ ওপৰত প্ৰভাৱ

হিচাপ পৰীক্ষাত দেখা গৈছিল যে এছ এ ইউয়ে বাজেট প্ৰস্তাৱ প্ৰস্তুত কৰিছিল, কিন্তু 2018-19ৰ পৰা 2022-23ৰ সময়ছোৱাত অনুমোদনৰ বাবে বাজেট শাসকীয় সংস্থাৰ ওচৰত দাখিল কৰা নাছিল। শাসকীয় নিকায়টো চাৰি বছৰতকৈ অধিক সময় বৈঠকত মিলিত নোহোৱাৰ বাবে হয়টো 2018-19ৰ পৰা 2022-23 চনলৈকে বাজেট দাখিল কৰা হোৱা

[12] পি এণ্ড আৰ ডি বিভাগৰ অতিৰিক্ত মুখ্য সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা পৰিৱেশন পর্যালোচনা সমিতিৰ বৈঠকত এম জি এনৰেগাৰ অধীনত মজুৰি প্ৰদান, সম্পত্তি সৃষ্টি, আৰু স্থানীয় ৰূপায়ণৰ সমস্যা সমাধানকে ধৰি বিশদ আঁচনিৰ অগ্ৰগতিৰ মূল্যায়ন কৰে। গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা ক্ষমতাপ্ৰাপ্ত সমিতিৰ বৈঠকত ৰাজ্যসমূহৰ বাবে বার্ষিক শ্ৰম বাজেট (কাম আবণ্টন) চূড়ান্ত কৰে আৰু ৰাজ্য নির্দিষ্ট কার্য্য পৰিকল্পনা অনুমোদন জনায় আৰু পুঁজি মুকলি কৰি মেক্ৰ' লেভেল তদাৰকী আৰু সম্পদৰ প্ৰবাহ নিশ্চিত কৰে।

নাছিল, দ্বিতীয় আৰু শেষ বৈঠকখন অক্টোবৰ 2023ত অনুষ্ঠিত হৈছিল য'ত শাসকীয় নিকায়ে এছ এ ইউ-ৰ 2022-23 চনৰ বিত্তীয় বৰ্ষৰ পূৰ্বৰ বাৰ্ষিক বাজেটসমূহক এক্স-পষ্ট ফেক্ট' অনুমোদন প্ৰদান কৰিছিল আৰু এছ এ ইউ-ৰ 2023-24 বিত্তীয় বৰ্ষৰ বাৰ্ষিক বাজেটক অনুমোদন জনাইছিল। এইদৰে, এছ এ ইউৰ 2022-23 বিত্তীয় বৰ্ষৰ বাৰ্ষিক বাজেট এতিয়ালৈকে (মে'/2024) অনুমোদিত নোহোৱাকৈ আছে।

3.7.1.2 এছ এ ইউ-ৰ বাৰ্ষিক বাজেট আৰু সেইসমূহৰ হিচাপ পৰীক্ষা

এছ এ ইউৰ বাৰ্ষিক হিচাপ সময়ে সময়ে (2017ৰ পৰা 2022-23 চনলৈ) চনদ প্ৰাপ্ত গাণনিকসকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছিল। কিন্তু গ্ৰামোন্নয়ন মন্ত্ৰালয়ে নিৰ্ধাৰণ কৰা সময়সীমাৰ ভিতৰত চৰকাৰে জি বি বৈঠক অনুষ্ঠিত নকৰাৰ বাবে বাৰ্ষিক হিচাপসমূহ জি বিয়ে সময়মতে অনুমোদন কৰিব নোৱাৰিলে।

অডিটিং ষ্টেণ্ডার্ড (দফা 2.1. উপ-দফা (iv) আৰু উপ-উপ-দফা (d)) অনুসৰি ভাৰতৰ চি এ জি-ৰ দ্বাৰা গঠিত পেনেলৰ পৰা নিৰ্বাচিত চি এ ফাৰ্মে বছৰি এছ এ ইউৰ একাউণ্টসমূহ হিচাপ পৰীক্ষা কৰিব লাগে। হিচাপ পৰীক্ষা কৰা একাউণ্টৰ প্ৰমাণিত কপি এছ এ ইউ-ৰ সঞ্চালকে স্বীকৃতিৰ বাবে শাসকীয় নিকায়ত দাখিল কৰিব লাগে। প্ৰমাণিত একাউণ্ট গ্ৰহণ কৰাৰ পিছত কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিবৰ বাবে ইয়াক ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। তদুপৰি প্ৰতি তিনি বছৰৰ মূৰে মূৰে চি এ ফাৰ্ম সলনি কৰিব লাগে।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে শাসকীয় নিকায় (জি বি)ৰ সভা অনুষ্ঠিত নোহোৱাৰ বাবে (অডিটিং ষ্টেণ্ডার্ডত উল্লেখ কৰা অনুসৰি প্ৰতি বিত্তীয় বৰ্ষৰ প্ৰতি ত্ৰিমাসিকত অন্ততঃ এবাৰ), হিচাপ পৰীক্ষা কৰা হিচাপসমূহৰ প্ৰমাণিত কপি এছ এ ইউ-ৰ সঞ্চালকে শাসকীয় নিকায় (জি বি)ক ইয়াৰ স্বীকৃতিৰ বাবে দাখিল কৰিব নোৱাৰিলে আৰু সেয়েহে, হিচাপসমূহ অনুমোদিত নোহোৱাকৈয়ে থাকিল।

হিচাপ পৰীক্ষাত এইটোও দেখা গৈছিল যে, নিজৰ হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ বাবে এছ এ ইউয়ে 2017-18ৰ পৰা 2021-22লৈকে (একেৰাহে পাঁচ বছৰ) একেটা চি এ ফাৰ্মকে নিয়োগ কৰিছিল।

3.7.2 কাৰ্য্যবাহী সমিতিৰ গঠন

ফেব্ৰুৱাৰী 2018ত অনুষ্ঠিত হোৱা এছ এ ইউৰ প্ৰথমখন জি বি বৈঠকৰ 7 নং প্ৰস্তাৱ অনুসৰি এন আই আৰ ডি পি আৰ, ডব্লিউ পি টি বি চি-ৰ সদস্য, অসম ছ'চাইটি ফৰ ছ'চিয়েল অডিটৰ বিত্তীয় উপদেষ্টা, আয়ুক্ত আৰু সঞ্চালকেৰে এখন কাৰ্যবাহী সমিতি গঠন কৰিবলৈ জি বিয়ে পৰামৰ্শ আগবঢ়ায়। কিন্তু উক্ত প্ৰস্তাৱৰ পৰা ছবছৰতকৈ অধিক সময় অতিবাহিত হোৱাৰ পিছতো এছ এ ইউৰ কাৰ্যবাহী সমিতি গঠন হোৱা নাই (মে' 2024)।

3.7.3 অভিযোগ নিষ্পত্তি

সামাজিক হিচাপ পৰীক্ষাৰ অডিটিং ষ্টেণ্ডার্ডৰ দফা 2.1ৰ উপ-ধাৰা (v)(a) ত উল্লেখ আছে যে অভিযোগ নিষ্পত্তিৰ বাবে, এছ এ ইউৰ কৰ্মচাৰী আৰু কাৰ্যপ্ৰণালীৰ বিষয়ে নাগৰিকৰ অভিযোগ গ্ৰহণ কৰিবলৈ এছ এ ইউয়ে অভিযোগ নিষ্পত্তি বিষয়া নিযুক্তি দিব লাগে। অভিযোগ নিষ্পত্তি বিষয়াই জি বিক কৰিব লাগিব। হিচাপ পৰীক্ষাত দেখা গৈছিল যে মে' 2024লৈকে কোনো অভিযোগ নিষ্পত্তি বিষয়া নিযুক্তি দিয়া হোৱা নাছিল। নিয়মীয়াকৈ শাসকীয় নিকায়ৰ সভা অনুষ্ঠিত নকৰাটো ইয়াৰ কাৰণ হ'ব পাৰে, কিয়নো অভিযোগ নিষ্পত্তি বিষয়া নিযুক্তিৰ বাবে জি বি-ৰ সিদ্ধান্তলৈ অপেক্ষা কৰা হৈছে।

3.7.4 সামাজিক হিচাপ পৰীক্ষাৰ বাবে ৰাজ্যিক নিয়ম আৰু নীতি

জি বি-ৰ প্ৰথমখন বৈঠকত (ফেব্ৰুৱাৰী 2018) জি বিৰ ওচৰত দাখিল কৰিবৰ বাবে ৰাষ্ট্ৰীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (এন আই আৰ ডি পি)ৰ দৰে তৃতীয় পক্ষ বা অন্যান্যৰ জৰিয়তে ৰাজ্যৰ বাবে সামাজিক হিচাপ পৰীক্ষাৰ খচৰা প্ৰস্তুত কৰাৰ বাবে জি বিয়ে পৰামৰ্শ আগবঢ়ায়। হিচাপ পৰীক্ষাত দেখা গৈছিল যে, মে' 2024 লৈকে অসমৰ বাবে সামাজিক হিচাপ পৰীক্ষাৰ নিয়ম/ নীতিৰ খচৰা প্ৰস্তুত কৰাটো এতিয়াও বাস্তৱায়িত হোৱা নাই।

3.8 জনশক্তিৰ উপলব্ধতা আৰু এছ এ ইউ-ৰ কৰ্মীসকলৰ কার্য্যকৰী দক্ষতা

হিচাপ পৰীক্ষাত দেখা গৈছিল যে আগষ্ট 2017ত অনুমোদনৰ বাবে পি এণ্ড আৰ ডি বিভাগে বিত্ত বিভাগলৈ মানৱ সম্পদ নীতিৰ খচৰা প্ৰেৰণ কৰিছিল। বিত্ত বিভাগে ইয়াৰ ওপৰত কিছুমান পর্যবেক্ষণ কৰিছিল আৰু তাৰ ওপৰত কিছু স্পষ্টীকৰণ বিচাৰিছিল, যিবোৰ পি এণ্ড আৰ ডি বিভাগে এছ এ ইউলৈ প্ৰেৰণ (মার্চ 2018) কৰিছিল। অৱশ্যে, এছ এ ইউ-এ বর্তমানলৈকে পি এণ্ড আৰ ডি/ বিত্তলৈ তেওঁলোকৰ সঁহাৰি প্ৰেৰণ কৰা নাছিল। ফলত কোনো অনুমোদিত জনশক্তি নীতি অবিহনে এছ এ ইউয়ে কাম কৰি আছে।

30 এপ্ৰিল 2024লৈকে এছ এ ইউৰ অধীনত মানৱ সম্পদ নিয়োগৰ অৱস্থান তলৰ **সাৰণী 3.2**ত দিয়া হৈছে:

সাৰণী 3.2: এছ এ ইউ-ত অনুমোদিত পদ আৰু পদত নিয়োজিত ব্যক্তিৰ সংখ্যা

পদৰ শ্ৰেণী	পদৰ নাম	অনুমোদিত পদ (সংখ্যাত)	পদত নিয়োজিত ব্যক্তি (সংখ্যাত)	খালী পদ (সংখ্যাত)	ঘাটি (শতাংশ)	মন্তব্য
ৰাজ্যিক সম্পদ ব্যক্তি (এছ আৰ পি)	সঞ্চালক	1	1	0		সম্পদ ব্যক্তিৰ নিযুক্তিৰ বাবে এছ এ ইউ-ৰ সঞ্চালকে সময়ে সময়ে অসম চৰকাৰক প্ৰস্তাৱ দাখিল কৰিছিল যদিও এতিয়ালৈকে জি অ' এ-এ এই সন্দর্ভত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই।
	সামাজিক উন্নয়ন বিশেষজ্ঞ	1	0	1		
	ৰাজ্যিক হিচাপ পৰীক্ষা বিশেষজ্ঞ	5	2	3		
	আই টি বিশেষজ্ঞ	1	0	1		
	গাণনিক তথা কার্যালয় সহায়ক	1	0	1		
এছ আৰ পি-ৰ উপ মুঠ		*9*	*3*	*6*	*67%*	
জিলা সম্পদ ব্যক্তি (ডি আৰ পি)	ডি আৰ পি	35	30	5	14%	
ব্লক সম্পদ ব্যক্তি (বি আৰ পি)	বি আৰ পি	219	120	99	45%	
সামগ্ৰিক মুঠ		**272**	**156**	**116**	**43%**	

বিশেষকৈ ৰাজ্যিক সম্পদ ব্যক্তি (এছ আৰ পি) আৰু ব্লক সম্পদ ব্যক্তিৰ (বি আৰ পি) অত্যাধিক নাটনিৰ বাবে এছ এ ইউৰ কার্য্যকলাপ অক্ষম হৈ পৰিছে, যাৰ ফলত উপলব্ধ কর্মচাৰীৰ ওপৰত অতিৰিক্ত বোজা পৰিছে। এম অ' আৰ ডিৰ দ্বাৰা নিয়মীয়াকৈ ধন আবণ্টন কৰা আৰু 2021-22 চনৰ পৰা 2023-24 চনলৈকে যথেষ্ট পৰিমাণৰ পুঁজি ব্যয় নোহোৱা হৈ থকাৰ পিছতো ৰাজ্য চৰকাৰে এছ আৰ পি, ডি আৰ পি আৰু বি আৰ পি নিযুক্তি দিয়া নাছিল। অৱশ্যে, এছ এ ইউৰ অধীনত ভি আৰ পি সমূহ নিয়োজিত কৰাৰ বাবে এটা মানক পৰিচালন পদ্ধতি (এছ অ' পি) প্ৰস্তুত কৰা হৈছে আৰু অসম চৰকাৰৰ পি এণ্ড আৰ ডিৰ আয়ুক্তই এইটো অধিসূচিত (মার্চ 2022) কৰিছে।

3.8.1 প্ৰয়োজনীয় সংখ্যক ভি আৰ পি অনুমোদন নকৰা

এছ এইচ জি, ভি আৰ পি প্ৰশিক্ষণ কাৰ্যসূচীৰ ৰোল আউটৰ বাবে, এম অ' আৰ ডি (জি অ' আই)-এ জাৰি কৰা এছ অ' পি অনুসৰি অসমত 3441জন ভি আৰ পি-ৰ প্ৰয়োজনীয়তা আছিল। ইয়াৰ বিপৰীতে ৰাজ্য চৰকাৰে দৈনন্দিন মজুৰিৰ ভিত্তিত 100 জন ভি আৰ পি অনুমোদন জনাইছিল। হিচাপ পৰীক্ষাত দেখা গৈছিল যে সামাজিক হিচাপ পৰীক্ষা সঞ্চালন কৰাৰ বাবে মাত্ৰ 85জন ভি আৰ পিহে নিয়োগ কৰা হৈছিল আৰু তাৰ ফলত অনুমোদিত শক্তিৰ তুলনাত ভি আৰ পি নিয়োগত ক্ৰমে 15 জন (15 শতাংশ) আৰু এম অ' আৰ ডি-ৰ এছ অ' পি বিড অনুসৰি 3,356 সংখ্যক (98 শতাংশ) ঘাটি আছিল।

জনশক্তিৰ অভাৱৰ বাবে অডিটিং ষ্টেণ্ডার্ডৰ মানদণ্ডত উল্লেখ কৰা অনুসৰি ছমাহৰ ভিত্তিত সকলো ইউনিটৰ সামাজিক হিচাপ পৰীক্ষা কৰিব পৰা নগ'ল। তদুপৰি এছ এ ইউত গাণনিক তথা কাৰ্যালয় সহায়ক পদটো হিচাপ পৰীক্ষাৰ তাৰিখলৈকে (মে'/2024) খালী হৈ আছিল। কিন্তু এপ্ৰিল 2018ৰ পৰা কাছাৰ জিলাৰ জিলা সম্পদ ব্যক্তিজন গুৱাহাটী এছ এ ইউৰ সঞ্চালকালয়ত গাণনিক তথা কাৰ্যালয় সহায়কৰ দায়িত্বভাৰ পালনৰ বাবে নিয়োজিত হৈ আছিল।

সঞ্চালকগৰাকীয়ে উত্তৰত উল্লেখ কৰে যে কাছাৰ জিলাত জি পি পৰ্যায়ত ছয়জন ব্লক সম্পদ ব্যক্তিয়ে (বি আৰ পি) মুঠ 162 টা জি পি-ৰ ভিতৰত 16টা জি পি (পি এণ্ড আৰ ডি, অসমৰ দ্বাৰা অধিসূচিত)ত সামাজিক হিচাপ পৰীক্ষা সঞ্চালন কৰি আছিল। কাছাৰ জিলাৰ ডি আৰ পিয়ে মাহেকীয়া ভিত্তিত পৰিদৰ্শন কৰি জিলা কাৰ্যসূচী সমন্বয়ক (ডি পি চি)ৰ কৰ্তব্য পালন কৰি আছিল, যাৰ ফলত কাছাৰ জিলাৰ সামাজিক হিচাপ পৰীক্ষা প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি হয়।

3.9 এছ এ ইউৰ দ্বাৰা সামাজিক হিচাপ পৰীক্ষা পৰিকল্পনা আৰু নিষ্পাদন

এম জি এনৰেগা আঁচনি নিয়ম 2011ৰ খণ্ড 6ৰ সৈতে পঠিতব্য গ্ৰামোন্নয়ন মন্ত্ৰালয়ে সামাজিক হিচাপ পৰীক্ষাৰ বাবে জাৰী কৰা 19 ডিচেম্বৰ 2016 তাৰিখৰ অ' এমৰ যোগেদি জাৰি কৰা অডিটিং ষ্টেণ্ডার্ডৰ দফা 1.7ৰ উপ-দফা i আৰু দফা 3.1ৰ উপ-দফা 3110 অনুসৰি, এছ এ ইউয়ে প্ৰতিখন জি পিক ছমাহৰ ভিতৰত সামৰি বাৰ্ষিক সামাজিক হিচাপ পৰীক্ষা কেলেণ্ডাৰ প্ৰস্তুত কৰিব লাগে আৰু পৰিকল্পনাটো ডি পি চিসকলক সুবিধাৰ বাবে উপলব্ধ কৰাব লাগে। পৰিকল্পনাটো একত্ৰিত কৰাৰ বাবে প্ৰতিখন জিলাৰ সামাজিক হিচাপ পৰীক্ষাৰ বাবে নিজ নিজ জিলা সম্পদ ব্যক্তিয়ে কেলেণ্ডাৰ প্ৰস্তুত কৰি অনুমোদনৰ বাবে এছ এ ইউলৈ প্ৰেৰণ কৰি আছিল। এই ক্ষেত্ৰত হিচাপ পৰীক্ষাত নিম্নলিখিতসমূহ পৰ্যবেক্ষণ কৰা হৈছিল:

3.9.1 সামাজিক হিচাপ পৰীক্ষাৰ লক্ষ্য, পৰিকল্পনা আৰু কভাৰেজ:

পৰিকল্পিত ইউনিটসমূহ হিচাপ পৰীক্ষা কৰাৰ ক্ষেত্ৰত 2017-18ৰ 2023-24ৰ সময়ছোৱাত এছ এ ইউৰ কৃতিত্ব তলৰ সাৰণীত দেখুওৱা হৈছে:

সাৰণী 3.3: অধিকাৰক্ষেত্ৰৰ অধীনত থকা গোটসমূহ, পৰিকল্পিত গোটসমূহ আৰু এছ এ ইউৰ দ্বাৰা সামৰি লোৱা গোটসমূহ

বৰ্ষ	এছ এ ইউৰ অধিকাৰক্ষেত্ৰৰ অধীনত থকা মুঠ গোটৰ সংখ্যা	এছ এ ইউৰ দ্বাৰা সামাজিক হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত গোটসমূহ	হিচাপ পৰীক্ষা কৰা গোট	মন্তব্য
2017-18	2661	1111	418	• পৰিকল্পিত গোটতকৈ 62% কম • মুঠ গোটতকৈ 84% কম
2018-19	2661	1740	1378	• পৰিকল্পিত গোটতকৈ 21% কম • মুঠ গোটতকৈ 48% কম
2019-20	2661	1584	1542	• পৰিকল্পিত গোটতকৈ 3% কম • মুঠ গোটতকৈ 42% কম
2020-21	2661	702	542	পৰিকল্পিত গোটৰ সংখ্যা হ্ৰাস পোৱা আৰু 160টা গোট (বছৰৰ বাবে পৰিকল্পিত গোটতকৈ 23% কম) আৰু 2,119টা গোট (বছৰৰ বাবে এছ এ ইউৰ অধীনত মুঠ গোটতকৈ 80% কম) সামৰি নোলোৱাৰ কাৰণ কোভিড 19 মহামাৰী আছিল।
2021-22	2661	1626	1626	• বছৰটোৰ ভিতৰত পৰিকল্পনাৰ বিপৰীতে কোনো অভাৱ নাছিল। • অৱশ্যে, বছৰটোত এছ এ ইউৰ অধীনৰ মুঠ গোটতকৈ 39% কম আছিল।
2022-23	2661	2661	2661	• বছৰটোৰ ভিতৰত কোনো অভাৱ নাছিল।
2023-24	2661	2661	2593	• 2024 চনৰ সাধাৰণ (লোকসভা) নিৰ্বাচনৰ বাবে আৰ্হি আচৰণ বিধি বলবৎ কৰাৰ ফলত এই অভাৱ হৈছিল।
মুঠ	**18627**	**12085**	**10760**	• **পৰিকল্পিত গোটতকৈ 1,325টা গোট কম** • **মুঠ গোটতকৈ 7,867 টা গোট কম**

উৎস: অসম ছ'চাইটি ফৰ ছ'চিয়েল অডিটৰ তথ্য

দেখা যায় যে সামাজিক হিচাপ পৰীক্ষাৰ অধীনত সামৰি লোৱা গোটৰ সংখ্যা বৃদ্ধি হৈছে, অৱশ্যে ছমাহৰ পৰিৱৰ্তে বছৰি সামাজিক হিচাপ পৰীক্ষাৰ গ্ৰামসভাৰ বৈঠক অনুষ্ঠিত কৰাৰ ফলত সামাজিক হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ ফলপ্ৰসূ অনুসৰণ ব্যৱস্থাৰ প্ৰভাৱ হ্ৰাস হৈছে।

3.9.2 সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদন আপলোড কৰা

সামাজিক হিচাপ পৰীক্ষাৰ অধীনত সামৰি লোৱা 2018-23ৰ সময়ছোৱাত 8,167টা এম জি এনৰেগা ইউনিটৰ ভিতৰত মাত্ৰ 4,275টা সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদন (এছ এ আৰ) এনৰেগা চফ্‌ট এম আই এছত আপলোড কৰা হৈছিল। এনৰেগা চফ্‌ট এম আই এছত এছ এ আৰ আপলোড কৰাৰ প্ৰক্ৰিয়া এছ এ ইউ-এ 2021-22ৰ পৰাহে আৰম্ভ কৰিছিল। অৰ্থাৎ, 2017-18ৰ পৰা 2020-21লৈকে চাৰি বছৰৰ সময়ছোৱাত এছ এ ইউ-এ এছ এ আৰ আপলোড কৰা নাছিল।

3.9.3 সামাজিক হিচাপ পৰীক্ষাৰ ওপৰত অপৰ্যাপ্ত সজাগতা

এম জি এন আৰ ই জি আঁচনিৰ হিচাপ পৰীক্ষা নিয়ম, 2011 (দফা 4 (2) (c)) আৰু সামাজিক হিচাপ পৰীক্ষাৰ অডিটিং ষ্টেণ্ডার্ড (দফা 3.3) অনুসৰি, সামাজিক হিচাপ পৰীক্ষাৰ ফলপ্ৰসূ পৰিচালনাৰ বাবে বিভিন্ন সামাজিক খণ্ডৰ আঁচনিৰ হিতাধিকাৰীসকলক সামাজিক হিচাপ পৰীক্ষাৰ অস্তিত্ব আৰু উদ্দেশ্যৰ বিষয়ে অৱগত কৰাটো অতি গুৰুত্বপূৰ্ণ আছিল। সজাগতা সৃষ্টি কৰাৰ বাবে নিৰ্দেশনাৱলীত[13] থিম ছং, চুটি ভিডিঅ', বেনাৰ আৰু পোষ্টাৰ, বাল্ক এছ এম এছ, ৱাল পেইন্টিং, বাটৰ নাট, ৱেবছাইট ডিজাইন আদিৰ জৰিয়তে সজাগতা কাৰ্যসূচীৰ কল্পনা কৰা হৈছিল।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে সামাজিক হিচাপ পৰীক্ষাৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে আই ই চিৰ কাম-কাজ অকাৰ্যকৰী আৰু অপৰ্যাপ্ত আছিল কাৰণ এছ এ ইউয়ে এতিয়াও অসমত ওপৰত উল্লেখ কৰা সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাকী। সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদনসমূহৰ বিষয়ে গ্ৰাম সভাত জি পি পৰ্যায়ত আলোচনা কৰা হৈছিল যদিও 2017-18ৰ পৰা 2022-23 চনলৈকে ব্লক/ জিলা মুখ্য কাৰ্যালয়ত ৰাজহুৱা শুনানিৰ আয়োজন প্ৰায় শূন্য আছিল *(দফা 6.4.3ত অধিক বিশদভাৱে উল্লেখ কৰা হৈছে)* আৰু এইদৰে, জবাবদিহিতা আৰু স্বচ্ছতাৰ লক্ষ্যসমূহ সেই পৰিসৰলৈকে পূৰণ নোহোৱাকৈ আছিল।

3.9.4 আচৰণ সংহিতা

সামাজিক হিচাপ পৰীক্ষাৰ বাবে অডিটিং ষ্টেণ্ডার্ড (দফা 2.1, ক্ৰমাংক 2110)ত এছ এ ইউৰ সামাজিক হিচাপ পৰীক্ষা সুবিধা প্ৰদানকাৰী আৰু অন্যান্য কৰ্মীসকলৰ বাবে "***আচৰণ সংহিতা***" বিকাশ আৰু নিয়োগ কৰাৰ কথা নিৰ্ধাৰণ কৰা হৈছিল যদিও এছ এ ইউয়ে এছ এ ইউৰ সামাজিক হিচাপ পৰীক্ষা সুবিধা প্ৰদানকাৰী আৰু অন্যান্য কৰ্মীসকলৰ বাবে কোনো "***আচৰণ সংহিতা***" প্ৰস্তুত কৰা নাছিল।

3.9.5 অন্যান্য ত্ৰুটীসমূহ:

- এছ এ ইউৰ সঞ্চালকক আৰ্থিক ক্ষমতা অৰ্পণ কৰাৰ প্ৰস্তাৱ এছ এ ইউৰ দ্বাৰা দিয়া হৈছিল আৰু জি বিৰ সন্মুখত অনুমোদনৰ বাবে নিয়মাৱলীৰ এটা খচৰাও ৰখা হৈছিল। কিন্তু বৰ্তমানলৈকে (মে' 2024লৈকে) উক্ত বিষয়ত চৰকাৰৰ অনুমোদন প্ৰাপ্ত হোৱা নাই।
- গ্ৰাম সভাৰ সামাজিক হিচাপ পৰীক্ষাৰ সময়ৰ আলোকচিত্ৰ এম আই এছত আপলোড কৰা হোৱা নাছিল।
- কিছুমান পি আৰ আইয়ে[14] নিজৰ নথি-পত্ৰ প্ৰদান কৰা নাছিল আৰু সামাজিক হিচাপ পৰীক্ষা গোটক নিজৰ কাম-কাজ দেখুৱাই দিয়া নাছিল।

সামাজিক হিচাপ পৰীক্ষা প্ৰক্ৰিয়াৰ বাবে নিৰ্ধাৰিত নিয়মসমূহ পালন নকৰাৰ বাবে স্বচ্ছতা আৰু জবাবদিহিতা নিশ্চিত কৰাৰ উদ্দেশ্য প্ৰাপ্ত নহ'ল।

3.10 সামাজিক হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ ওপৰত অনুসৰণমূলক ব্যৱস্থা

নিয়মাৱলীত উল্লেখ কৰা হৈছিল যে সামাজিক হিচাপ পৰীক্ষাৰ দ্বাৰা আপত্তিৰ অধীনত থকা ধনৰাশি আদায়ৰ নিৰীক্ষণ আৰু অনুসৰণৰ বাবে মাহেকীয়া পৰ্যালোচনা সভা অনুষ্ঠিত কৰাকে ধৰি জি পি, ব্লক, জিলা আৰু ৰাজ্যিক পৰ্যায়ত

---

[13] ভাৰত চৰকাৰৰ আৰ ডি মন্ত্ৰালয়ৰ 30-06-2011ৰ অধিসূচনাৰ দফা 4(2)(c) আৰু সামাজিক হিচাপ পৰীক্ষাৰ অডিটিং ষ্টেণ্ডার্ডৰ দফা 3.31 ক্ৰমাংক 3305ৰ ভিত্তিত।

[14] 39 নং উত্তৰ বালিগাঁও পাৰ্বতীয়া জি পি, 40 নং উত্তৰ পাৰ্বতিয়া জনজাতি জি পি, 41 নং মধ্য পাৰ্বতীয়া জি পি যোৰহাট জিলাৰ উত্তৰ পশ্চিম যোৰহাট এ পি-ৰ অধীনত; শিৱসাগৰ জিলাৰ আমগুৰি এ পি-ৰ অধীনত বৰুৱা আলী জি পি, ভুৱনহাট জি পি, ৰৰৱাম জি পি।

অনুসৰণ সভা হ'ব লাগে। অৱশ্যে, বিগত ছয় বছৰত সামাজিক হিচাপ পৰীক্ষাৰ অধীনত সামৰি লোৱা 8,167টা ইউনিটৰ ভিতৰত সামাজিক হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষনত এম জি এনৰেগাৰ মুঠ 254.80 লাখ টকা অপব্যৱহাৰ/ আদায়যোগ্য বুলি চিনাক্ত কৰা আছিল। সামাজিক হিচাপ পৰীক্ষাৰ ভিত্তিত আদায়যোগ্য পৰিমানৰ ভিতৰত প্ৰকৃততে মাত্ৰ 9.76 লাখ টকাহে আদায় হৈছিল। ইয়াৰ ফলত যোৱা ছয় বছৰত চাৰি শতাংশতকৈও কম পৰিমাণ আদায় হৈছিল, যিয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ফলপ্ৰসূ প্ৰচেষ্টাৰ অভাৱ আৰু শাসকীয় সংস্থা আৰু ৰাজ্য চৰকাৰৰ নিৰীক্ষণৰ অনুপস্থিতিৰ ইংগিত দিয়ে।

3.10.1 ৰাজ্য চৰকাৰৰ নিৰীক্ষণৰ অভাৱ

প্ৰকৃত আদায়ৰ পৰিসৰ আৰু শাসকীয় সংস্থাৰ নিয়মীয়া বৈঠকৰ অনুপস্থিতিৰ পৰা এইটো স্পষ্ট যে ৰাজ্য চৰকাৰৰ ফালৰ পৰা নিৰীক্ষণৰ অভাৱ আছিল। ৰাজ্যিক নিয়োগ নিশ্চিত পৰিষদে (এছ ই জি চি) ৰাজ্যিক পৰ্যায়ত সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদনৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ নিৰীক্ষণ কৰা নাছিল। ৰাজ্যিক বিধানসভাত উপস্থাপন কৰিবলগীয়া বাৰ্ষিক প্ৰতিবেদনত একচন টেকেন ৰিপৰ্ট (এ টি আৰ) অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। দৰাচলতে হিচাপ পৰীক্ষাৰ অধীনত সামৰি লোৱা সময়ছোৱাত (2017-23) এছ ই জি চি আগষ্ট 2022 আৰু মে' 2023ত মাত্ৰ দুবাৰহে বৈঠকত মিলিত হৈছিল। বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত আৰু দাখিলৰ স্থিতি তলৰ **সাৰণী 3.4**ত দেখুওৱা হৈছে:

সাৰণী 3.4: এছ এ ইউৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত আৰু দাখিলৰ স্থিতি

বৰ্ষ	বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে নে	বিধানসভাত বাৰ্ষিক প্ৰতিবেদন উপস্থাপন কৰা হৈছে নে	প্ৰস্তুত আৰু উপস্থাপন নকৰাৰ কাৰণ
2017-18	নাই	নাই	জনশক্তিৰ অভাৱত 2017-18ৰ পৰা 19-20লৈ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰা নহ'ল। অৱশ্যে, বাৰ্ষিক প্ৰতিবেদন দাখিল নকৰাৰ কাৰণ এছ এ ইউয়ে অৱগত নকৰিলে।
2018-19	নাই	নাই	
2019-20	নাই	নাই	
2020-21	হৈছে	নাই	
2021-22	হৈছে	নাই	
2022-23	হৈছে	নাই	
2023-34	হৈছে	নাই	

ইয়াৰ দ্বাৰা ৰাজ্যিক পৰ্যায়ত এছ এ আৱসমূহৰ সন্দৰ্ভত গ্ৰহণ কৰা ব্যৱস্থাৰ ওপৰত দুৰ্বল নিৰীক্ষণৰ ইংগিত পোৱা গৈছিল।

অসম চৰকাৰে বৰ্তমানলৈকে (মে' 2024) এছ এ ইউৰ গাঁথনি আৰু সামাজিক নিৰীক্ষণৰ তথ্যৰ ওপৰত অনুসৰণমূলক ব্যৱস্থা সম্পৰ্কে কোনো ধৰণৰ কাৰ্যসম্পাদন সমীক্ষা সমিতিৰ বৈঠক আৰু ক্ষমতাপ্ৰাপ্ত সমিতিৰ বৈঠকো অনুষ্ঠিত কৰা নাছিল।

এম অ' আৰ ডিয়ে প্ৰতি বছৰে জাৰি কৰা মাষ্টাৰ চাৰ্কুলাৰ অনুসৰি, আৰ ডি পি আৰ-ৰ অতিৰিক্ত মুখ্য সচিব/ প্ৰধান সচিব/ সচিবে সামাজিক হিচাপ পৰীক্ষাৰ সন্দৰ্ভত মাহেকীয়া পৰ্যালোচনা কৰিব লাগিব য'ত এছ এ আৱত চিনাক্ত কৰা অনিয়ম আৰু এইসমূহৰ সমাধানৰ ক্ষেত্ৰত কাৰ্যকৰী সংস্থাসমূহে গ্ৰহণ কৰা একচন টেকেন ৰিপৰ্ট (এ টি আৰ)ৰ ওপৰত অগ্ৰগতিৰ স্থিতি পৰ্যালোচনা কৰা হ'ব। কিন্তু ৰাজ্যত এছ এ আৰৰ মাহেকীয়া পৰ্যালোচনা কৰা হোৱা নাছিল।

3.10.2 ৰাজহুৱা শুনানি

জি পিৰ বাসিন্দাসকলৰ দ্বাৰা স্বীকৃতিৰ বাবে গ্ৰামসভাত সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদন পাঠৰ যোগেদি কৰা ৰাজহুৱা শুনানি সামাজিক হিচাপ পৰীক্ষা প্ৰক্ৰিয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। ইয়াৰ দ্বাৰা কোনো প্ৰকল্পৰ

ৰূপায়ণকাৰী অধিকাৰীক জবাবদিহি কৰিবলৈ সামূহিক মঞ্চ ঠন ধৰি উঠিব। হিচাপ পৰীক্ষাত দেখা গ'ল যে জি পিসমূহত গাঁও পৰ্যায়ত আয়োজন কৰা গ্ৰামসভাত ৰাজহুৱা শুনানি কৰা হৈছিল। অৱশ্যে, 2018-19 বৰ্ষত কামৰূপ জিলাৰ দুটা ব্লক (ছয়গাঁও আৰু বকো)ত ৰাজহুৱা শুনানি আয়োজন কৰাৰ বাহিৰে 2017-18ৰ পৰা 2022-23 চনলৈকে ব্লক/ জিলা মুখ্য কাৰ্যালয়ত পি অ' বা ডি পি চি কোনোৱেই ৰাজহুৱা শুনানিৰ ব্যৱস্থা কৰা নাছিল। দেখা গ'ল যে এছ এ ইউয়ে (পলমকৈ হ'লেও, জুন 2023ত) পি অ'/ ডি পি চিসকলক নিৰ্ধাৰিত পদ্ধতি নিখুঁতভাৱে পালন কৰিবলৈ জোৰ দিছিল। সামাজিক হিচাপ পৰীক্ষাৰ পিছত অনুসৰণমূলক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ ব্লক পৰ্যায়ত ৰাজহুৱা শুনানিৰ অনুপস্থিতি আৰু জিলা পৰ্যায়ত সামাজিক হিচাপ পৰীক্ষা সন্দৰ্ভত গ্ৰহণ কৰা নিৰীক্ষণ ব্যৱস্থাৰ অভাৱ, সামাজিক হিচাপ পৰীক্ষা প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু জবাবদিহিতাৰ উদ্দেশ্যৰ বিপৰীতে আছিল।

3.10.3 মহাগাণনিকক ত্ৰৈমাসিক প্ৰতিবেদন দাখিল

ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগে (এম জি এনৰেগা বিভাগ) গ্ৰামোন্নয়ন বিভাগৰ মুৰব্বী আৰু সকলো ৰাজ্যৰ ৰাজ্যিক এছ এ ইউৰ মুৰব্বীক নিজ নিজ ৰাজ্যৰ মহাগাণনিকক নিৰ্দিষ্ট আৰ্হিত ত্ৰৈমাসিক প্ৰতিবেদন দাখিল কৰিবলৈ অনুৰোধ জনায়। এই আৰ্হিত সামাজিক হিচাপ পৰীক্ষা গোট আৰু ইয়াৰ অধিকাৰীসকলৰ স্থিতি, প্ৰতিবেদিত ত্ৰৈমাসিকত সামাজিক হিচাপ পৰীক্ষা গোটে কৰা ব্যয় আৰু প্ৰতিবেদিত ত্ৰৈমাসিকত কেলেণ্ডাৰ অনুসৰি সামাজিক হিচাপ পৰীক্ষাৰ সময়সূচী আৰু পৰিচালনাৰ তথ্য সন্নিবিষ্ট থাকে। হিচাপ পৰীক্ষাত দেখা গৈছিল যে 2017-24ৰ সময়ছোৱাত এছ এ ইউ (এ এছ এছ এ)য়ে প্ৰধান মহাগাননিক/ মহাগাননিক, অসমলৈ এনে কোনো ত্ৰৈমাসিক প্ৰতিবেদন দাখিল কৰা নাছিল।

3.11 সামৰণি

অসমৰ সামাজিক হিচাপ পৰীক্ষা ব্যৱস্থাই এতিয়াও আকাংক্ষিত অগ্ৰাধিকাৰ লাভ কৰা নাই যিটো তলৰ কথাখিনিৰ পৰা স্পষ্ট

- ডিচেম্বৰ, 2019ৰ পৰা প্ৰায় পাঁচ বছৰ ধৰি ছ'চাইটিছ এক্টৰ অধীনত এছ এ ইউৰ পঞ্জীয়ন অবৈধ হৈ আছিল;
- শাসকীয় নিকায়ৰ সভা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সামগ্ৰিক অভাৱৰ অৰ্থ হ'ল চৰকাৰী পৰ্যায়ত নিৰীক্ষণৰ অভাৱ।
- প্ৰস্তাৱ (আগষ্ট 2017) আগবঢ়োৱাৰ পিছটো আৰু বিত্ত বিভাগে ইয়াক পৰ্যালোচনা কৰাৰ পিছতো এছ এ ইউৰ জনশক্তি নীতি এতিয়াও দৃঢ় কৰা হোৱা নাই। অপৰ্যাপ্ত জনশক্তিৰ সৈতে এছ এ ইউয়ে সামাজিক হিচাপ পৰীক্ষাৰ কাম কাজ আগবঢ়াই নিছে। সামাজিক হিচাপ পৰীক্ষাৰ অডিটিং ষ্টেণ্ডাৰ্ডৰ অধীনত প্ৰয়োজনীয় যদিও আচৰণ সংহিতা প্ৰৱৰ্তন কৰা হোৱা নাছিল।
- ৰাজ্য চৰকাৰে সামাজিক হিচাপ পৰীক্ষা প্ৰতিবেদন সন্দৰ্ভত গ্ৰহণ কৰা ব্যৱস্থা আৰু একচন টেকেন ৰিপৰ্টৰ ওপৰত গ্ৰহণ কৰা ব্যৱস্থাৰ ওপৰত ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক নিয়োগ নিশ্চিত পৰিষদে (এছ ই জি চি) নজৰ ৰখা নাছিল।
- এম অ' আৰ ডি নিৰ্দিষ্ট কৰা আৰ্হিত এছ এ ইউয়ে ৰাজ্যৰ প্ৰধান মহাগাননিক/ মহাগাননিকক ত্ৰিমাসিক প্ৰতিবেদন দাখিল কৰা নাছিল।

- ব্লক আৰু জিলা পর্যায়ত অপর্যাপ্ত ৰাজহুৱা শুনানি, সামাজিক হিচাপ পৰীক্ষা প্রতিবেদন অনুসৰি আপত্তিৰ অধীনত থকা ধনৰাশিৰ দুর্বল আদায়ৰ দৰে ত্রুটীপূর্ণ অনুসৰণ ব্যৱস্থাই সামাজিক হিচাপ পৰীক্ষাৰ প্রভাৱ হ্রাস কৰে। কিছুমান গাঁও পঞ্চায়তে সামাজিক হিচাপ পৰীক্ষা গোটক তথ্যসমূহো প্রদান কৰা নাছিল, যি পি আৰ আইসমূহৰ মাজত সামাজিক হিচাপ পৰীক্ষাৰ সন্দর্ভত অসংবেদনশীলতাৰ ইংগিত দিয়ে।

3.12 পৰামর্শ

- *এছ এ ইউৰ শাসকীয় নিকায়ৰ বৈঠক নির্দিষ্ট ব্যৱধানত অনুষ্ঠিত কৰাটো প্রয়োজন, যাতে এছ এ ইউৰ বাজেট আৰু বার্ষিক হিচাপৰ অনুমোদন নিশ্চিত কৰিব পৰা যায় আৰু এছ এ ইউৰ কার্যকলাপ নিৰীক্ষণ কৰিব পৰা যায়।*
- *পলম নকৰাকৈ জনশক্তি নীতি ৰূপায়ণ কৰাৰ প্রয়োজন আৰু প্রয়োজনীয় সংখ্যক সম্পদ ব্যক্তি নিযুক্তিৰ বাবে উদ্যোগ লোৱাৰ প্রয়োজন।*
- *সামাজিক হিচাপ পৰীক্ষা সুবিধা প্রদানকাৰীসকলৰ বাবে এছ এ ইউৰ দ্বাৰা আচৰণ সংহিতা প্রস্তুত আৰু নিয়োগ কৰা প্রয়োজন।*
- *সকলো স্তৰতে ৰাজহুৱা শুনানি অনুষ্ঠিত কৰি, আপত্তিৰ অধীনত থকা ধনৰাশি আদায়ৰ বাবে প্রচেষ্টাৰ জৰিয়তে সামাজিক হিচাপ পৰীক্ষা প্রতিবেদনৰ ওপৰত অনুসৰণমূলক ব্যৱস্থা কঠোৰ কৰাৰ প্রয়োজন।*

অধ্যায়-IV

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ কাৰ্যভিত্তিক হিচাপ পৰীক্ষা

অধ্যায়-IV

পি আৰ আইৰ কার্যভিত্তিক হিচাপ পৰীক্ষা

4.1 সূচনা:

জিলাকেন্দ্রিক দৃষ্টিভঙ্গীৰ সৈতে কার্যভিত্তিক হিচাপ পৰীক্ষা: ই হৈছে জিলা পর্যায়ত বিভিন্ন কার্যসূচী আৰু সেৱাৰ প্রদর্শন আৰু ফলপ্রসূতা মূল্যায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হিচাপ পৰীক্ষাৰ এক বিস্তৃত পদ্ধতি। সম্পদসমূহৰ দক্ষ ব্যৱহাৰ আৰু ৰাজহুৱা সেৱাসমূহৰ দ্বাৰা জনতাৰ প্রয়োজনীয়তা পূৰণ কৰাটো নিশ্চিত কৰি এই পদ্ধতিয়ে স্থানীয়কৃত মূল্যায়ন প্রদান কৰে।

স্থানীয় পর্যায়ত ফলপ্রসূ প্রশাসন আৰু বহনক্ষম উন্নয়নৰ বাবে জিলাকেন্দ্রিক দৃষ্টিভঙ্গীৰ সৈতে কার্য্যভিত্তিক হিচাপ পৰীক্ষা অতি প্রয়োজনীয়। নির্দিষ্ট জিলাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি এনে হিচাপ পৰীক্ষাৰ দ্বাৰা সম্পদৰ ব্যৱহাৰ, সেৱা প্রদান, আৰু আর্থ-সামাজিক কার্যসূচী ৰূপায়ণৰ বিশদ মূল্যায়ন প্রদান কৰা হয়। এনে হিচাপ পৰীক্ষাই ৰাজহুৱা ধনৰ দক্ষ আৰু উদ্দেশ্যপ্রণোদিত ব্যৱহাৰ নিশ্চিত কৰি স্থানীয় কর্তৃপক্ষৰ মাজত জবাবদিহিতা আৰু স্বচ্ছতা প্রসাৰিত কৰে। ইয়াৰ উপৰিও এনে দৃষ্টিভঙ্গীয়ে ব্যৱধান আৰু অদক্ষতা চিনাক্ত কৰি ৰাজহুৱা সেৱাৰ লক্ষ্যনির্ধাৰিত উন্নয়নত সহায় কৰে।

4.2 হিচাপ পৰীক্ষাৰ পৰিসৰ আৰু কার্যপ্রণালী

4.2.1 জিলা কেন্দ্রিক দৃষ্টিভঙ্গীৰ সৈতে নির্বাচিত কার্য্য আৰু কার্য্যকলাপ

অসমত পুঁজি, কার্য্য আৰু কর্মচাৰী এতিয়াও সম্পূর্ণৰূপে পি আৰ আইলৈ হস্তান্তৰ হোৱা নাছিল। পি আৰ আইৰ সমান্তৰালভাৱে কাম কৰা লাইন বিভাগ আৰু অন্যান্য সংস্থাসমূহে সেই কামসমূহ সম্পন্ন কৰি আছে।

যদিও কিছুমান বিষয়ৰ ক্ষেত্রত বিভাজনৰ আদেশ জাৰি কৰা হৈছিল, কিন্তু কোনো কার্য্য পি আৰ আইলৈ হস্তান্তৰ হোৱা নাছিল, আৰু সেয়েহে, কার্য্যভিত্তিক হিচাপ পৰীক্ষা ন্যায্য নাছিল, সেয়েহে ক্রছ কাটিং বিষয় যেনে "নির্মাণ আৰু সম্পত্তি সৃষ্টি"ক জিলা কেন্দ্রিক হিচাপ পৰীক্ষা (ডি চি এ)ৰ বাবে বিষয় হিচাপে লোৱা হৈছিল। পি আৰ আইৰ হিচাপ পৰীক্ষা জিলা কেন্দ্রিক দৃষ্টিভঙ্গীৰ সৈতে কৰা হৈছিল য'ত ক্রছ-কাটিং কার্য্যকলাপ (সম্পত্তি ব্যৱস্থাপনা, সম্পত্তি কৰ, নির্মাণ আদি) সামৰি লোৱা হৈছিল যিবোৰ পি আৰ আইৰ একাধিক অনুভূমিত সম্পন্ন কৰা হৈছিল। আকাংক্ষিত নীতি অনুসৰি নির্মাণ সম্পূর্ণ হৈছে নে নাই আৰু দীর্ঘস্থায়ী সম্পত্তি সৃষ্টি হৈছে নে নাই আৰু সম্পত্তি ব্যৱস্থাপনাৰ বাবে কোনো প্রতিষ্ঠিত ব্যৱস্থা আছে নে নাই সেইটো মূল্যায়ন কৰাত গুৰুত্ব দিয়া হৈছিল।

4.2.2 হিচাপ পৰীক্ষাৰ পৰিসৰ

অসমৰ তিনিখন জিলাত (তিনচুকীয়া, যোৰহাট আৰু কামৰূপ (মেট্র')) 2020-21ৰ পৰা 2022-23 লৈকে জিলাকেন্দ্রিক হিচাপ পৰীক্ষা কৰা হৈছিল। **চিত্র 4.1**ত তিনিখন জিলাৰ ভৌগোলিক প্রতিনিধিত্ব দেখুওৱা অসমৰ মানচিত্র চিত্রিত কৰা হৈছে:

চিত্ৰ-4.1: নিৰ্বাচিত তিনিখন জিলাৰ ভৌগোলিক প্ৰতিনিধিত্ব দেখুওৱা মানচিত্ৰ



সাধাৰণ অঞ্চলৰ 27 খন জিলাক তিনিটা স্তৰত ভাগ কৰি প্ৰতিটো স্তৰৰ পৰা এখন জিলাক ব্যয়ৰ ওপৰত ভিত্তি কৰি চিম্পল ৰেণ্ডম চেম্পলিং উইডাউট ৰিপ্লেচমেণ্ট (এছ আৰ এছ ডব্লিউ অ' আৰ) পদ্ধতি ব্যৱহাৰ কৰি জিলা বাছনি কৰা হৈছিল। প্ৰতিখন জিলাৰ পৰা দুখন এ পি আৰু 14 খন জি পি বাছনি কৰা হৈছিল। ডি চি এত সামৰি লোৱা ইউনিটসমূহ 3খন জেড পি, 7খন এ পি[15] আৰু 42খন জি পি আছিল। 2020-21ৰ পৰা 2022-23 চনলৈ তিনি বছৰৰ বাবে জিলা কেন্দ্ৰিক হিচাপ পৰীক্ষা কৰা হৈছিল।

ডি চি এ-ৰ বাবে নিৰ্বাচিত পি আৰ আইসমূহ **সাৰণী 4.1ত** দেখুওৱা হৈছে:

সাৰণী 4.1: ডি চি এ-ৰ বাবে নিৰ্বাচিত পি আৰ আইসমূহ

পি আৰ আইৰ জিলা/ স্তৰ	জিলা পঞ্চায়ত (3)	আঞ্চলিক পঞ্চায়ত (7)	গাওঁ পঞ্চায়ত (42)
তিনিচুকীয়া	তিনিচুকীয়া	কাকপথাৰ আৰু সাপজান	**কাকপথাৰ এ পিৰ অধীনত -** ৰৰডুবি, গাভৰুভেটি, কৈলাশপুৰ, কুমচাঙ, কাকজান, কাকপথাৰ, ৰঙাজান। **সাপজান এ পিৰ অধীনত -** কৰ্দৈগুৰি, বাঘজান, ৰৰসাপজান, হাঁহচৰা, হাতীজান, হাপজান, টিংৰাই জি

[15] কামৰূপ (মেট্ৰ')ত 2 টা নিৰ্বাচিত এ পি-ত জি পি-ৰ সংখ্যা 14তকৈ কম আছিল, সেয়েহে 3টা এ পি নিৰ্বাচিত কৰা হৈছিল।

পি আৰ আইৰ জিলা/ স্তৰ	জিলা পঞ্চায়ত (3)	আঞ্চলিক পঞ্চায়ত (7)	গাওঁ পঞ্চায়ত (42)
যোৰহাট	যোৰহাট	যোৰহাট আৰু তিতাবৰ	**যোৰহাট এ পিৰ অধীনত -** বাঘচোঙ, চিনামাৰা, দক্ষিন টেঙালখণ্ডিয়া বাগিচা, মধ্য নমনি চৰাইবাহী, উত্তৰ গৰামুৰ, উত্তৰ খণ্ডিয়া আৰু উত্তৰ নামনি চৰাইবাহী জি পি **তিতাবৰ এ পিৰ অধীনত -** বিৰিণাশায়েক, বৰহোলা, চৰাইপানী, কাকডুঙা, বেকাজান, মাধপুৰ আৰু নামচুঙী আৰু ৰঙাজান জি পি
কামৰূপ (মেট্ৰ')	কামৰূপ (মেট্ৰ')	ডিমৰিয়া, ৰানী আৰু চন্দ্রপুৰ এ পি	**ডিমৰিয়া এ পিৰ অধীনত:** সোনাপুৰ, ক্ষেত্রী, বৰুৱাবাৰী, তপাতলি, মালৈবাৰী, হহৰা, ধূপগুৰি জি পি **ৰানী এ পিৰ অধীনত:** আজাৰা, ধাৰাপুৰ, গৰল, কাঁহিকুছি, মাজিৰগাঁও জি পি **চন্দ্রপুৰ এ পিৰ অধীনত:** পানীখেতি আৰু আমছিং জি পি

4.2.3 হিচাপ পৰীক্ষাৰ মাপকাঠী আৰু কার্যপ্রণালী

এই অধ্যায়ত হিচাপ পৰীক্ষাৰ তথ্যসমূহো তলত দিয়া মাপকাঠীসমূহৰ সৈতে তুলনা কৰা হৈছে:

- অসম পঞ্চায়ত আইন 1994
- অসম পঞ্চায়ত (বিত্তীয়) বিধি 2002
- কেন্দ্রীয় বিত্ত আয়োগৰ বিস্তৃত নির্দেশনা
- অসম চৰকাৰৰ পৰা অনুমোদন/ মুক্তিৰ আদেশ
- অসম বিত্তীয় নিয়ম
- শ্যেড্যুল অফ ৰেট্চ, অসম লোকনির্মাণ বিভাগ (ভৱন)
- অসম জি এছ টি/ চি জি এছ টি আইন আৰু আই জি এছ টি আইন

স্থানীয় নিকায়ৰ হিচাপ পৰীক্ষাৰ অধীনত পি আৰ আইৰ তিনিটা স্তৰ সামৰি লোৱা হৈছিল আৰু হিচাপ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত প্রতিটো অডিটি একককহিচাপ পৰীক্ষা প্রতিবেদন প্রদান কৰা হৈছিল। ক্ষেত্র হিচাপ পৰীক্ষা গোটসমূহে এল বি-ৰ হিচাপ পৰীক্ষাৰ সৈতে জড়িত ৰেকর্ড/ তথ্য সংগ্রহৰ বাবে বিভাগ (পি এণ্ড আৰ ডি) আৰু অন্যান্য নিম্ন পর্যায়ৰ গোটটসমূহ (জিলা/ ব্লক পর্যায়ত) ভ্রমণ কৰিছিল।

4.3 নির্বাচিত কার্য্যকলাপ আৰু জিলাসমূহৰ আভাস

4.3.1 ক্রছ-কাটিং কার্য্যকলাপসমূহৰ আভাস

এই অধ্যায়ত কেন্দ্রীয় বিত্ত অনুদান আৰু ৰাজ্যিক বিত্ত আয়োগে পৰামর্শ দিয়া বিভাজন পুঁজিৰ পৰা আয় উপার্জনকাৰী আঁচনিৰ ওপৰত ব্যয়, পি আৰ আইৰ বাবে বহুমুখী হল আৰু সামূহিক সম্পত্তিৰ সৈতে জড়িত কিছুমান হিচাপ পৰীক্ষাৰ তথ্য সন্নিবিষ্ট কৰা হৈছে। সম্পত্তি ব্যৱস্থাপনা, সম্পত্তি কৰ, নির্মাণ আদি স্থানীয় নিকায়সমূহৰ ক্রছ কাটিং

কার্য্যকলাপ যিটো হস্তান্তৰিত কার্য্যৰ অন্যতম নহয় কিন্তু পি আৰ আইত একাধিক অনুভূমিক গোটত সম্পন্ন কৰা হয়। সেয়েহে ক্ৰছ কাটিং ভিত্তিত ডি চি এৰ বাবে নির্মাণ কায্যকলাপ নির্বাচন কৰা হৈছিল।

4.3.2 নির্বাচিত জিলাসমূহৰ আভাস

প্রশাসনিক আৰু অর্থনৈতিক তথ্য, লগতে নির্বাচিত জিলাসমূহত সেৱা প্রদানৰ বিষয়ে বুজিবলৈ প্রাসংগিক তথ্যসমূহ **সাৰণী 4.2**ত দেখুওৱা হৈছে:

সাৰণী 4.2:নির্বাচিত জিলাসমূহৰ প্রশাসনিক আৰু অর্থনৈতিক তথ্য

মাপকাঠী	তিনিচুকীয়া	যোৰহাট	কামৰূপ (মেট্ৰ')
এলেকা	3790 বর্গ কিঃমিঃ	2851 বর্গ কিঃমিঃ	1527 বর্গ কিঃমিঃ
জনসংখ্যা	13.28 লাখ	10.92 লাখ	12.54 লাখ
গ্রাম্য জনসংখ্যা *(মুঠ জনসংখ্যাৰ শতাংশ)*	10.63 লাখ (80%)	8.72 লাখ (80%)	2.17 লাখ (17%)
জি পি-ৰ সংখ্যা	85	90	21
লিংগ-অনুপাত *(প্রতি 1000 পুৰুষত মহিলাৰ সংখ্যা)*	964	968	953
গ্রাম্য সাক্ষৰতাৰ হাৰ	76%	80%	65%
দৰিদ্রতা অনুপাত	41.50%	38.50%	36.50%
নিয়োগ আৰু জীৱিকাৰ মানদণ্ড সূচকাংক (ৰাজ্যৰ ভিতৰত স্থান)	0.40 (ষষ্ঠ স্থান)	0.53 (দ্বিতীয় স্থান)	1.00 (প্রথম স্থান)

উৎস: পৰিসংখ্যা হাতপুথি, অসম 2024 আৰু বিভাগে প্রদান কৰা তথ্য।

2020-21ৰ পৰা 2023-24 চনলৈ 15 নং এফ চিৰ অধীনত নির্বাচিত তিনিখন জিলালৈ পুঁজি মুকলিৰ স্থিতি তলৰ সাৰণীত দেখুওৱা হৈছে:

চিত্র 4.1: নির্বাচিত তিনিখন জিলাই প্রাপ্ত কৰা 15 নং এফ চি অনুদান



4.4 হিচাপ পৰীক্ষা পর্যবেক্ষনসমূহ

সম্পত্তি ব্যৱস্থাপনা, সম্পত্তি কৰ, নির্মাণ আদি স্থানীয় নিকায়সমূহৰ ক্ৰছ কাটিং কার্য্যকলাপ যি হস্তান্তৰিত কার্য্যকলাপৰ অন্যতম নহয়, কিন্তু পি আৰ আইত একাধিক অনুভূমিক গোটত সম্পন্ন কৰা হয়। সেয়েহে ক্ৰছ কাটিং

ভিত্তিত ডি চি এৰ বাবে নির্মাণ কার্য্যকলাপ বাচনি কৰা হৈছিল। জিলা কেন্দ্রিক পৰিদর্শন প্রতিবেদনৰ পৰা পোৱা তথ্যৰ সাৰাংশৰ লগতে উল্লেখযোগ্য হিচাপ পৰীক্ষা পর্যবেক্ষণসমূহ তলত বিশদভাৱে উল্লেখ কৰা হৈছে।

4.4.1 মৰিগাঁৱৰ ভূৰবন্ধাত বহুমুখী হল নির্মাণত ব্যয় বন্ধ

মৰিগাঁও জিলা পৰিষদৰ উদাসীনতাৰ লগতে বিভাগে প্রয়োজনীয় ধন মুকলি নকৰাৰ বাবে ভূৰবন্ধা আঞ্চলিক পঞ্চায়তত বহুমুখী হল নির্মাণৰ কাম সাত বছৰতকৈও অধিক সময় আধৰুৱা হৈ আছিল। অসমাপ্ত প্রকল্পটোত 62.50 লাখ টকাৰ ব্যয় অৱৰুদ্ধ হৈ থাকিল।

বিত্ত (অর্থনৈতিক পৰিক্রমা) বিভাগ[16], অসম চৰকাৰে (মার্চ 2012) চতুর্থ অসম বাজ্যিক বিত্ত আয়োগৰ (চতুর্থ এ এছ এফ চি) আৱণ্টনৰ অধীনত সহায়ক অনুদানৰ পৰা মৰিগাঁও জিলা পৰিষদ (এম জেড পি)ৰ ভূৰবন্ধা আঞ্চলিক পঞ্চায়ত (এ পি)ত বহুমুখী হল নির্মাণৰ বাবে 2011-12 চনত 125.00 লাখ টকাৰ অনুমোদন জনাইছে। সেই অনুসৰি, অসম চৰকাৰে ভূৰবন্ধা এ পিত বহুমুখী হল নির্মাণৰ বাবে মুখ্য কার্যবাহী বিষয়া (চি ই অ'), এম জেড পি-ক অনুমোদিত ধনৰ 50 শতাংশ, অর্থাৎ 62.50 লাখ টকা মুকলি কৰি দিয়ে। অনুমোদন আদেশ অনুসৰি পি এণ্ড আৰ ডিয়ে সময়ে সময়ে ভৌতিক আৰু আর্থিক অগ্রগতি নিৰীক্ষণ কৰিব পাৰে। জেড পি-ৰ মুখ্য কার্যবাহী বিষয়াই লাইন বিভাগৰ প্রতিস্বাক্ষৰসহ ব্যৱহাৰ প্রমাণপত্র আৰু অগ্রগতিৰ প্রতিবেদন পি এণ্ড আৰ ডি, অসমৰ আয়ুক্তক জমা দিব লাগিব আৰু তাৰ পিছত পি এণ্ড আৰ ডি বিভাগে পৰৱর্তী কিস্তিৰ বাবে বিত্ত বিভাগক অনুৰোধ কৰিব। অনুমোদন আদেশত আৰু উল্লেখ কৰা হৈছে যে সংশ্লিষ্ট এ পি আৰু জি পিয়ে নির্দিষ্ট সময়ৰ ভিতৰত, নিজৰ অধীনস্থ প্রকল্প/ আঁচনি ৰূপায়ণৰ বাবে জেড পিৰ সংশ্লিষ্ট চি ই অ' আৰু স্থায়ী সমিতিৰ সৈতে সমন্বয় স্থাপন কৰিব লাগিব। নিবিদাৰ আনুষ্ঠানিকতা পালন কৰাৰ পিছত মুখ্য কার্যবাহী বিষয়াগৰাকীয়ে আঁচনিখনক প্রশাসনিক অনুমোদন (নৱেম্বৰ 2012) প্রদান কৰি এজন ঠিকাদাৰক 1.10 কোটি টকাত কামটো (নৱেম্বৰ 2012) প্রদান কৰে। ৰর্ক অর্ডাৰত উল্লেখ কৰা অনুসৰি ৰর্ক অর্ডাৰ জাৰি কৰাৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত (অর্থাৎ 2013 চনৰ মে' মাহৰ ভিতৰত) সকলো দিশতে কাম সম্পূর্ণ হ'ব লাগিছিল।

এম জে ডি পিৰ চি ই অ'ৰ ৰেকর্ড পৰীক্ষা কৰি দেখা গ'ল যে কামৰ নিষ্পাদন অতি লেহেমীয়া আছিল; কিন্তু ঠিকাদাৰে সম্প্রসাৰণৰ বাবে কৰা কোনো অনুৰোধ বা কাম সম্পূর্ণ কৰাৰ ক্ষেত্রত এম জে ডি পি কর্তৃপক্ষই কৰা কোনো ধৰণৰ অনুসৰণ ৰেকর্ডত নাছিল। এম জে ডি পি কর্তৃপক্ষই প্রদান কৰা ৰেকর্ড আৰু তথ্যৰ পৰা জানিব পৰা গৈছে যে ঠিকাদাৰে ডিচেম্বৰ 2016লৈকে কাম অব্যাহত ৰাখিছিল। মুকলি কৰা 62.50 লাখ টকা ডিচেম্বৰ 2016ৰ ভিতৰত এম জে ডি পিয়ে সম্পূর্ণৰূপে ব্যৱহাৰ কৰিছিল। ইয়াৰ পিছত চৰকাৰে পৰৱর্তী সময়ত কোনো ধন মুকলি নকৰাৰ বাবে নির্মাণৰ ক্ষেত্রত আৰু কোনো অগ্রগতি হোৱা নাছিল।

উক্ত কামটোৰ যৌথ কায়িক পৰীক্ষণ (নৱেম্বৰ 2023)ত দেখা গ'ল যে অট্টালিকাটো (তিনি মহলালৈকে, চাল আৰু কাষৰ বেৰৰ অংশ) ফটোত দেখুওৱাৰ দৰে অসম্পূর্ণ আৰু পৰিত্যক্ত হৈ পৰি আছে।

[16] চতুর্থ বাজ্যিক বিত্ত আয়োগৰ অধীনত পুঁজি মুকলি কৰাৰ বাবে ন'ডেল বিভাগ

ভূৰবন্ধা এ পি-ৰ অসম্পূৰ্ণ আৰু পৰিত্যক্ত বহুমুখী হলৰ জিঅ' টেগ কৰা ফটো



পিছফালৰ দৃশ্য



সন্মুখৰ দৃশ্য

চৰকাৰৰ দ্বাৰা অনুমোদিত ধনৰ বাকী 50 শতাংশ মুকলি নকৰাটোৱে ইয়াৰ কাৰণ বুলি মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে (ডিচেম্বৰ 2023) জনায়। তেওঁ আৰু কয় যে মূল্যবৃদ্ধিৰ বাবে অনুমোদিত প্ৰাক্কলনৰ ভিতৰত প্ৰকল্পটো সম্পূৰ্ণ কৰাটো সম্ভৱ নহ'ল।

এই ক্ষেত্ৰত দেখা গ'ল যে মৰিগাঁও জেড পি বা ভূৰবন্ধা এ পিয়ে বহুমুখী হল নিৰ্মাণৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা নাছিল আৰু বিত্ত (ই এণ্ড এ) বিভাগে প্ৰদান কৰা অনুমোদনৰ ভিত্তিত কামটো গ্ৰহণ কৰা হৈছিল।

স্পষ্টভাৱে এম জে ডি পি কৰ্তৃপক্ষৰ অনুসৰণৰ অভাৱ আছিল, যাৰ ফলত ঠিকাদাৰে কামত পলম কৰিছিল। তদুপৰি, ঠিকাদাৰৰ বিৰুদ্ধে এম জে ডি পি কৰ্তৃপক্ষই আনুষ্ঠানিক জাননী বা শাস্তিমূলক ব্যৱস্থাও আৰম্ভ কৰা নাছিল, যি প্ৰকল্পটো সম্পূৰ্ণ কৰাত তৎপৰতাৰ অভাৱৰ ইংগিত দিয়ে। মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে জানুৱাৰী 2021ত অধিক ধন মুকলি কৰাৰ প্ৰস্তাৱ দাখিল কৰিছিল যদিও এতিয়ালৈকে (ডিচেম্বৰ, 2023) চৰকাৰে কোনো পুঁজি মুকলি কৰা নাছিল। প্ৰকল্পটো চৰকাৰে (সংশ্লিষ্ট এ পি বা জে ডি পিয়ে নহয়) আৰম্ভ কৰিছিল যদিও পি এণ্ড আৰ ডি বিভাগৰ ফালৰ পৰা নিষ্ক্ৰিয়তা দেখা গৈছিল।

এইদৰে, সকলো স্তৰতে প্ৰকল্প ব্যৱস্থাপনাত উদাসীনতাৰ লগতে কাৰ্যকৰীকৰণৰ সময়ত এম জে ডি পিৰ দ্বাৰা অনুসৰণৰ অভাৱ আৰু বাকী থকা 50 শতাংশ অনুমোদিত ধন চৰকাৰে মুকলি নকৰাৰ ফলত ভূৰবন্ধা এ পিৰ বহুমুখী হলটো সম্পূৰ্ণ নহ'ল। ইয়াৰ ফলত সাত বছৰতকৈ অধিক সময় ধৰি সম্পূৰ্ণ নোহোৱা প্ৰকল্পটোত 62.50 লাখ টকা অৱৰুদ্ধ হৈ আছে।

আগষ্ট 2024ত এই বিষয়টো চৰকাৰক জনোৱা হৈছিল; উত্তৰ প্ৰাপ্ত হোৱা নাই (জুলাই 2025)।

4.4.2 আয় উপাৰ্জনকাৰী আঁচনিৰ ওপৰত নিষ্ফল ব্যয়

পেভাৰ ব্লক কাৰখানা স্থাপন কৰি সাপজান গাঁও পঞ্চায়তৰ নিজা উৎসৰ ৰাজহ বৃদ্ধিৰ উদ্দেশ্য সাধন নহ'ল কিয়নো 14 নং এফ চিৰ পুঁজিৰ পৰা 36.19 লাখ টকা ব্যয়েৰে সৃষ্টি হোৱা কাৰখানাটোৰ কাম অপৰিকল্পিতভাৱে কাৰ্যকৰী কৰা হৈছিল আৰু সম্ভাৱনীয়তা অধ্যয়নৰ অভাৱ আছিল, যাৰ ফলত নিৰ্মাণৰ পৰা চাৰি বছৰতকৈও অধিক সময় ধৰি কাৰখানাটো আৰম্ভ নহ'ল।

চতুৰ্দশ বিত্ত আয়োগে (14 নং এফ চি) প্ৰদান কৰা পাৰফৰমেন্স গ্ৰাণ্টৰ অন্যতম প্ৰধান উদ্দেশ্য আছিল পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ নিজা ৰাজহ বৃদ্ধি কৰা। 14 নং এফ চি-ৰ অধীনত প্ৰদান কৰা পাৰফৰমেন্স গ্ৰাণ্টৰ সহায়ত তিনিচুকীয়া

জিলাৰ সাপজান গাঁও পঞ্চায়তে (জি পি) (জুন 2020) সাপজান উন্নয়ন খণ্ড কার্যালয় পৰিসৰৰ সমীপত 36.19 লাখ টকাৰ আনুমানিক ব্যয়েৰে পেভাৰ ব্লক ফেক্টৰী (পি বি এফ) নির্মাণেৰে আয় উপার্জনকাৰী আঁচনি আৰম্ভ কৰে। মে' 2020ত মাহত এই প্রকল্পটোৰ সন্দর্ভত গ্রামসভাই ছুপাৰিছ/ অনুমোদন আগবঢ়াই আৰু 2020 চনৰ জুন মাহত প্রাক্কলনটো প্রস্তুত কৰা হৈছিল। প্রকল্পৰ কাম নির্মাণ সমিতিৰ[17] দ্বাৰা সম্পন্ন হ'বলগীয়া আছিল আৰু এই কামত এটা কাৰখানাৰ চেড নির্মাণ আৰু পেভাৰ ব্লক নির্মাণ মেচিন ক্রয় আৰু ইন্ষ্টলেচন অন্তর্ভূক্ত আছিল। জুলাইৰ 2020 পৰা আগষ্ট 2021ৰ ভিতৰত 36.19 লাখ টকা[18] ব্যয় কৰি এই প্রকল্পটো সম্পন্ন কৰা হৈছিল।

সাপজান জি পি-ৰ ৰেকর্ডসমূহৰ পৰীক্ষাত (ডিচেম্বৰ 2023) আৰু পি বি এফ-ৰ যৌথ কায়িক পৰীক্ষণ (ডিচেম্বৰ 2023)ত হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে ফটোখনত দেখুওৱাৰ দৰে কিছুমান মেচিন বন্ধ/ পেক কৰা অৱস্থাত আছিল আৰু কাৰখানাটো অচল হৈ পৰি আছিল। জি পি সচিবে কয় যে 440 ভল্টৰ বিদ্যুৎ পৰিবাহী লাইন উপলব্ধ নোহোৱা, মেচিন অপাৰেটৰ নিযুক্তি নোহোৱা আৰু বজাৰত ইয়াৰ সামগ্রীৰ চাহিদাৰ অভাৱৰ বাবে নির্মাণৰ পিছতো (আগষ্ট 2021) পি বি এফ-ৰ কাম আৰম্ভ হোৱা নাছিল।



ইয়াৰ উপৰিও দেখা গ'ল যে ওপৰোক্ত পৰিমাণত পেভাৰ ব্লক উৎপাদনৰ বাবে প্রয়োজনীয় 5.92 লাখ টকা মূল্যৰ চিমেণ্ট, ষ্টোন ডাষ্ট আদি কেঁচামাল অন্তর্ভুক্ত আছিল, যিবোৰ পি বি এফ কমিচন নকৰাকৈয়ে ক্রয় কৰা হৈছিল। দীর্ঘদিন ধৰি ব্যৱহাৰ নকৰাৰ বাবে কেঁচামালৰ অৱস্থাৰ অৱনতি ঘটাৰ সম্ভাৱনা যথেষ্ট আছিল।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে প্রকল্পটো গ্রাম সভাৰ পৰামর্শ অনুসৰি সাপজান জি পিয়ে গ্রহণ কৰিছিল যদিও প্রকল্পটো ৰূপায়ণৰ পূর্বে অঞ্চলটোত পেভাৰ ব্লকৰ প্রকৃত চাহিদা/ প্রয়োজনীয়তাৰ কোনো মূল্যায়ন কৰা হোৱা নাছিল। তদুপৰি প্রাক্কলনত পি বি এফলৈ বিদ্যুৎ যোগানৰ কোনো ব্যৱস্থা নাছিল, যিয়ে প্রকল্পৰ পৰিকল্পনাত অভাৱৰ ইংগিত দিছিল। তদুপৰি, জি পিয়ে কাৰখানাটো কার্যক্ষম কৰিবলৈ বিদ্যুৎ সংযোগ, অপাৰেটৰক নিয়োজিত কৰা আদিৰ বাবে উচ্চ কর্তৃপক্ষৰ ওচৰত বিষয়টো উত্থাপন কৰাৰ কোনো তথ্য পোৱা নগ'ল। বিদ্যুৎ সংযোগৰ অভাৱত জি পি কর্তৃপক্ষই পি বি এফ চলাবলৈ আত্ম স হায়ক গ্রুপৰ বাবে কোনো ব্যৱহাৰকাৰী সমিতি গঠন কৰা নাছিল নাইবা ভাড়াৰ ভিত্তিত পি বি এফ ব্যৱহাৰৰ বাবে কোনো ব্যক্তিগত পক্ষও আগবাঢ়ি অহা নাছিল।

---

17 14 এফ চি-ৰ বিস্তৃত নির্দেশনা অনুসৰি 14 এফ চি-ৰ অধীনত প্রকল্প/ আঁচনি জিলা পৰিষদৰ মুখ্য কার্যবাহী বিষয়াই গঠন কৰা নির্মাণ সমিতিৰ জৰিয়তে ৰূপায়ণ কৰিব লাগিব। সমিতিৰ অধ্যক্ষ ব্যৱহাৰকাৰী গোটে নির্বাচন কৰিব লাগে কিন্তু পি আৰ আইৰ প্রতিনিধি হ'ব নালাগে। জি পি-ৰ সম্পাদকজন সদস্য সম্পাদক হয় আৰু সদস্যসকলৰ ভিতৰত সংশ্লিষ্ট কনিষ্ঠ অভিযন্তা, সংশ্লিষ্ট জি পি সভাপতি, জি পিৰ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ সদস্য অন্তর্ভুক্ত। নির্মাণ সমিতিখনে সংশ্লিষ্ট এ ই/ জে ই-ৰ জৰিয়তে পৰিকল্পনা আৰু প্রাক্কলন প্রস্তুত কৰি প্রশাসনিক' অনুমোদন আৰু কাৰিকৰী অনুমোদনৰ প্রস্তাৱ যোগ্য কর্তৃপক্ষক দাখিল কৰিব আৰু কাম সম্পন্ন কৰাৰ বাবে মানুহ, সামগ্রী, আৰু মেচিনসমূহ সংগঠিত কৰিব।

18 যন্ত্রপাতি আৰু সঁজুলি: 14.37 লাখ টকা; সীমাৰ দেৱাল: 6.78 লাখ টকা, ফেক্টৰী শ্বেড আৰু অফিচ: 7.12 লাখ টকা, শৌচাগাৰ: 2.00 লাখ টকা আৰু কেঁচামাল: 5.92 লাখ টকা

উত্তৰত জি পিৰ কৰ্তৃপক্ষই (ডিচেম্বৰ 2023) ওপৰৰ সকলো তথ্য স্বীকাৰ কৰি কয় যে মেচিন অপাৰেটৰ নিযুক্তি, বিদ্যুৎ পৰিবাহী তাঁৰ প্ৰদানৰ বাবে আৰু ব্যৱহাৰকাৰী সমিতি গঠনৰ বাবে বিষয়টো উচ্চ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰা হ'ব। পি বি এফ কাৰ্যকৰী কৰাৰ বাবে জি পিয়ে এতিয়ালৈকে গ্ৰহণ কৰা পদক্ষেপৰ ক্ষেত্ৰত অৱশ্যে উত্তৰতো নীৰৱ। অধিক তথ্যৰ বাবে অপেক্ষা কৰা হৈছে (অক্টোবৰ 2024)।

এইদৰে, 14 নং এফ চিৰ অধীনত 36.19 লাখ টকা ব্যয় কৰি স্থাপন কৰা কাৰখানাটো নিৰ্মাণৰ পৰা চাৰি বছৰতকৈও অধিক সময় ধৰি কাৰ্যক্ষম হৈ নুঠাৰ বাবে পেভাৰ ব্লক কাৰখানা স্থাপন কৰি সাপজান জি পিৰ নিজা উৎসৰ ৰাজহ বৃদ্ধিৰ লক্ষ্য সাধন নহ'ল। সম্ভাব্যতা অধ্যয়নৰ অভাৱ আৰু অপৰিকল্পিত নিষ্পাদনে সম্পত্তিটোক অসাৰ্থক কৰি তুলিছিল।

আগষ্ট 2024ত বিষয়টো চৰকাৰক জনোৱা হৈছিল; উত্তৰ প্ৰাপ্ত হোৱা নাই (জুলাই 2025)।

4.4.3 কামৰ সন্দেহজনক নিষ্পাদনৰ বিৰুদ্ধে পৰিশোধ

বহুমুখী হলত অভ্যন্তৰীণ সজ্জাৰ এটা কামৰ বাবে সন্দেহযুক্ত ভুৱা প্ৰমাণপত্ৰ জাৰি কৰি কামৰ সন্দেহজনকভাৱে নিষ্পাদনৰ বিৰুদ্ধে তিনিচুকীয়া জিলা পৰিষদে এজন ঠিকাদাৰক 10.36 লাখ টকা পৰিশোধ কৰাৰ অনুমতি দিয়ে।

অসম বিত্তীয় নিয়ম 1939ৰ নিয়ম 234 অনুসৰি ধন পৰিশোধ কৰাৰ আগতে ঠিকাদাৰে কৰা সকলো কাম[19] আৰু যোগান ধৰা সামগ্ৰীৰ হিচাপ হ'ব লাগে। জোখ-মাখৰ সবিশেষ পৰিমাপ বুকত পদ্ধতিগতভাৱে লিপিবদ্ধ কৰিব লাগে।

চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগৰ আৱণ্টনৰ অধীনত 2011-12ৰ সময়ছোৱাত গুইজান আঞ্চলিক পঞ্চায়তত বহুমুখী হল (এম পি এইচ) নিৰ্মাণৰ বাবে অসম চৰকাৰৰ বিত্ত (অৰ্থনৈতিক পৰিক্ৰমা) বিভাগৰ এছ এফ চি চেলে (মাৰ্চ 2012) তিনিচুকীয়া জিলা পৰিষদক 1.25 কোটি টকাৰ অনুমোদন জনায়।

টি জেড পিৰ ৰেকৰ্ডসমূহৰ পৰীক্ষা (আগষ্ট 2023)ত দেখা গ'ল যে টি জেড পি কৰ্তৃপক্ষই অভ্যন্তৰীণ সজ্জাকে ধৰি গুইজানত এম পি এইচ নিৰ্মাণৰ বাবে নিবিদাৰ জৰিয়তে (জুন 2012) এজন ঠিকাদাৰক[20] কামটো (অক্টোবৰ 2012) প্ৰদান কৰিছিল। নিবিদাৰ পৰিমাণ 1.05 কোটি টকা আছিল য'ত অভ্যন্তৰীণ সজ্জাৰ বাবে 21.71 লাখ টকাৰ উপ-প্ৰাক্কলন অন্তৰ্ভুক্ত আছিল। অভ্যন্তৰীণ সজ্জাত অন্য বিষয়ৰ লগতে প্ৰথম মহলাৰ হলঘৰৰ কাঠৰ চিলিং আৰু দেৱালৰ কাম অন্তৰ্ভুক্ত আছিল, যাৰ মূল্য 10.36 লাখ টকা (350 টকা প্ৰতি বৰ্গফুটৰ হাৰত 2,960 বৰ্গফুট) আছিল। জানুৱাৰী 2013ত ঠিকাদাৰে কাম আৰম্ভ কৰি নৱেম্বৰ 2021ত কাম সম্পূৰ্ণ কৰে। সেই অনুসৰি মাৰ্চ 2013ৰ পৰা জানুৱাৰী 2022ৰ ভিতৰত ঠিকাদাৰক 1.05 কোটি টকাৰ (ডিচেম্বৰ 2021ত গৃহীত হোৱা কাঠৰ চিলিং আৰু বেৰৰ বাবে 10.36 লাখ টকাৰ বিলকে ধৰি) সম্পূৰ্ণ পৰিমাণ পৰিশোধ কৰা হয়। উক্ত কাঠৰ কামৰ বাবে আৰ এ বিলত টি জে ডি পিৰ জুনিয়ৰ ইঞ্জিনিয়াৰ আৰু টি জে পিৰ চি ই অ'ই কামটো সম্পন্ন আৰু জোখা হৈছে বুলি প্ৰমাণিত (ডিচেম্বৰ 2021ত) কৰিছিল। এম বিৰ সংশ্লিষ্ট পৃষ্ঠাবোৰত দেখা গৈছিল যে কামৰ অন্যান্য সামগ্ৰীৰ দৰে তাত জোখৰ কোনো

[19] এককালীন চুক্তিৰ বাহিৰে অন্য

[20] মেচার্চ ট্ৰিবেনী কনষ্ট্ৰাকচন লিমিটেড, গুৱাহাটী

স্তম্ভভিত্তিক বিৱৰণ লিপিবদ্ধ কৰা হোৱা নাছিল; বৰঞ্চ প্ৰতি বৰ্গফুটৰ হাৰ আৰু মুঠ পৰিশোধৰ সৈতে কেৱল মুঠ ক্ষেত্ৰফলৰ কথাহে উল্লেখ কৰা হৈছিল।

কিন্তু টি জে ডি পিৰ সহকাৰী অভিযন্তাৰ সৈতে কৰা স্থানৰ যুটীয়া কায়িক পৰিদৰ্শনত (ছেপ্টেম্বৰ 2023) দেখা গৈছিল যে এম পি এইচৰ প্ৰথম মহলাত থকা হলটোত কাঠৰ দেৱাল/ চিলিং নাছিল। স্পষ্টভাৱে দেখা যায় যে কাঠৰ দেৱাল/ চিলিং নলগোৱাকৈয়ে ঠিকাদাৰে দাবী উত্থাপন কৰিছিল আৰু ৰানিং একাউণ্ট বিলত টি জে ডি পিৰ বিষয়াসকলে সেইটো প্ৰমাণিত কৰিছিল। তলৰ আলোকচিত্ৰসমূহত হলঘৰৰ উদং দেৱালবোৰ দেখা যায়, য'ত কোনো কাঠৰ পেনেল লগোৱা হোৱা নাই।





গুইজান আঞ্চলিক পঞ্চায়তৰ বহুমুখী হলৰ প্ৰথম মহলাত থকা হলঘৰৰ উদং দেৱালৰ আলোকচিত্ৰসমূহ, য'ত কোনো কাঠৰ পেনেল লগোৱা হোৱা নাই

এইদৰে টি জে ডি পি কৰ্তৃপক্ষই আৰ এ বিলৰ ওপৰত ভুৱা প্ৰমাণপত্ৰৰ জৰিয়তে কামৰ সন্দেহজনক নিষ্পাদনৰ বিৰুদ্ধে ঠিকাদাৰক 10.36 লাখ টকা ধন পৰিশোধ কৰাৰ অনুমতি দিছিল।

চৰকাৰে বিষয়টোৰ তদন্ত কৰি নিষ্পাদন কৰা কামৰ ভুৱা পৰীক্ষণৰ লগত জড়িত বিষয়াসকলৰ জবাবদিহিতা নিৰ্ধাৰণ কৰিব পাৰে। সন্দেহজনক কামৰ বিপৰীতে পৰিশোধ কৰা 10.36 লাখ টকা ঠিকাদাৰৰ পৰা সোনকালে আদায় কৰিব লাগে।

ডিচেম্বৰ 2024ত বিষয়টো চৰকাৰক জনোৱা হৈছিল; উত্তৰ প্ৰাপ্ত হোৱা নাই (জুলাই 2025)।

4.4.4 আয় উপাৰ্জনকাৰী আঁচনিৰ ওপৰত নিষ্ফল ব্যয়

তিনিচুকীয়া জিলাৰ অন্তৰ্গত দুখন জি পিয়ে মাটিৰ মালিকৰ পৰা আইনগতভাৱে বলবৎ কৰিব পৰা অনুমতি প্ৰাপ্ত নকৰাকৈ ব্যক্তিগত ভূমিত 32.56 লাখ টকা ব্যয় কৰি আয় উপাৰ্জনকাৰী প্ৰকল্প অনিয়মিতভাৱে সম্পন্ন কৰে। সেই সম্পত্তিসমূহৰ কিছুমানৰ চাহিদাও মূল্যায়ন কৰা হোৱা নাছিল। ফলত জি পি/ লোকৰ আয় উপাৰ্জনৰ মূল লক্ষ্য বছৰ বছৰ ধৰি সাৰ্থক হৈ নুঠিল আৰু আনহাতে এজন মাটিৰ মালিকে অযথা ব্যক্তিগত সুবিধা লাভ কৰিলে।

গাঁও পঞ্চায়তসমূহে (জি পি) নিজা ৰাজহ বৃদ্ধি আৰু হিচাপ-নিকাচত স্বচ্ছতা (পাৰফৰমেন্স গ্ৰাণ্ট) বৃদ্ধি কৰিবলৈ বা সামূহিক সম্পত্তি (আনটাইড বেচিক গ্ৰাণ্টৰ পৰা) সৃষ্টিৰ উদ্দেশ্যে প্ৰকল্পৰ বাবে বিত্ত আয়োগৰ পৰা (এফ চি) আঁচনি ৰূপায়ণৰ বাবে অনুদান লাভ কৰে নহয়। এনে জি পি প্ৰকল্পৰ নিষ্পাদন আৰু কাৰ্যকৰীকৰণৰ বাবে 14 নং এফ চিৰ

বিস্তৃত নিৰ্দেশনাত অন্যান্য বিষয়ৰ লগতে এইটোও উল্লেখ কৰা হৈছে যে কোনো ব্যক্তিৰ ব্যক্তিগত মাটিত কোনো প্ৰকল্প ৰূপায়ণ কৰিব নালাগে।

সাৰণী 4.3ত দেখুওৱাৰ দৰে তিনিচুকীয়া জিলা পৰিষদৰ অধীনস্থ হাতীজান জি পি আৰু বাঘজান জি পিৰ-নথি পৰীক্ষা (ডিচেম্বৰ 2023)ত দেখা গ'ল যে জি পিসমূহে 14 নং এফ চিৰ বিস্তৃত নিৰ্দেশনাত উল্লেখ কৰা চৰ্তসমূহ উলংঘা কৰি ব্যক্তিগত ভূমিত ৰাজহ উপাৰ্জনকাৰী আঁচনি ৰূপায়ণৰ বাবে 32.56 লাখ টকা ব্যয় কৰিছিল:

সাৰণী 4.3: 14 নং এফ চি-ৰ অধীনত লাভ কৰা অনুদান ব্যৱহাৰ কৰি ব্যক্তিগত ভূমিত ৰূপায়ণ কৰা আঁচনি

(লাখ টকাত)

	আঁচনিৰ নাম	ৰূপায়নকাৰী	পুঁজিৰ উৎস	কাৰ্যকৰীকৰণ ৰ সময়	ব্যয় কৰা পৰিমাণ
1	সামূহিক হাঁহ-কুকুৰা পাম নিৰ্মাণ কামত অন্তৰ্ভুক্ত আছিল: কাৰ্যালয় কক্ষ, ষ্ট'ৰ ৰুম আৰু হল নিৰ্মাণৰ বাবে সামগ্ৰী আৰু শ্ৰমিক	হাতীজান জি পি বাঘজান জি পি	বেচিক গ্ৰাণ্ট (বি জি) (2019-20)	2020-21	9.98
2	দীঘল তৰাং 12 নং লাইনৰ ওচৰৰ 2 খন গাঁৰত চাৰিখন দোকান।	বাঘজান জি পি	পাৰফৰমেন্স গ্ৰাণ্ট (পি জি) 2016-17	2016-17	8.00
3	দীঘল তৰাং টি ই দৈনিক বজাৰত মাৰ্কেট চেড	বাঘজান জি পি	পি জি (2016-17)	2016-17	2.03
4	ৰাজান্তিৰ ঘৰৰ ওচৰত পাঁচখন মাৰ্কেট চেড	বাঘজান জি পি	পি জি (2017-18)	2017-18	9.00
5	মৃদুল সোণোৱালৰ ঘৰৰ ওচৰৰ মাৰ্কেট চেড	বাঘজান জি পি	বি জি (2018-19)	2018-19	1.55
6	নন্দ কিশোৰৰ ঘৰৰ ওচৰৰ মাৰ্কেট চেড	বাঘজান জি পি	বি জি (2018-19)	2019-20	2.00
				মুঠ	**32.56**

হিচাপ পৰীক্ষাত দেখা গ'ল যে ওপৰৰ সকলো ক্ষেত্ৰতে সংশ্লিষ্ট জি পিয়ে কোনো চুক্তিপত্ৰত স্বাক্ষৰ নকৰাকৈ বা মাটিৰ মালিকৰ পৰা কোনো আইনীভাৱে বলবৎ কৰিব পৰা লিখিত অনুমতি/ এন অ' চি লাভ নকৰাকৈ ব্যক্তিগত মাটিত হাঁহ-কুকুৰা পামৰ আন্তঃগাঁথনি আৰু বজাৰ/ দোকান নিৰ্মাণ কৰিছিল। তদুপৰি, জি পি কৰ্তৃপক্ষই স্থানীয় লোকৰ অংশীদাৰীত্বৰ বাবে (ফাৰ্মখনৰ বাবে) প্ৰচেষ্টা লোৱা নাছিল আৰু সেই সম্পত্তিসমূহৰ সন্দৰ্ভত কোনো ধৰণৰ আয় উপাৰ্জনকাৰী কাৰ্য্যকলাপ আৰম্ভ কৰিবলৈ ব্যক্তিগত পক্ষক সম্পত্তি লিজত দিয়া নাছিল।

- হিচাপ পৰীক্ষাত দেখা গ'ল (ডিচেম্বৰ 2023ত) যে হাঁহ-কুকুৰাৰ পামখন যাৰ মাটিত নিৰ্মাণ কৰা হৈছিল, সেই মাটিৰ মালিকে পামখন দখল কৰিছিল আৰু তেওঁ জি পি কৰ্তৃপক্ষৰ সৈতে কোনো ধৰণৰ পট্টা চুক্তি নকৰাকৈয়ে নিজাকৈ হাঁহ-কুকুৰাৰ ব্যৱসায় চলাই আছিল। এইদৰে মাটিৰ মালিকে লোকৰ সম্পত্তিৰ পৰা অযথা ব্যক্তিগত সুবিধা লাভ কৰিছিল। হিচাপ পৰীক্ষাৰ প্ৰশ্নৰ উত্তৰত হাতীজান জি পি-ৰ সচিবে এই তথ্য স্বীকাৰ কৰি (ডিচেম্বৰ 2023) জনাই যে মাটিৰ মালিকৰ সৈতে পট্টা চুক্তি স্বাক্ষৰ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব।



- বাঘজান জি পিৰ দোকান/ বজাৰ চেডৰ সন্দৰ্ভত হিচাপ পৰীক্ষাত দেখা গৈছিল যে বজাৰ/ দোকানবোৰ অচল হৈ পৰি আছে আৰু দোকান/ বজাৰ চেডৰ পৰা কোনো ধৰণৰ ৰাজহ আহৰণ হোৱা নাছিল, কিয়নো কোনো পক্ষই ভাড়াৰ ভিত্তিত দোকান ল'বলৈ আগবাঢ়ি নাহিল।



বাঘজান জি পিৰ অন্তর্গত বজাৰ/ দোকান অচল হৈ পৰি থকা দেখুওৱা ফটো

বাঘজানৰ জি পি-ৰ সম্পাদকে উল্লেখ কৰে (ডিচেম্বৰ 2023) যে বজাৰ/ দোকানসমূহ লিজত দিয়াৰ বাবে প্রয়োজনীয় পদক্ষেপ গ্রহণ কৰা হ'ব।

এইদৰে হাতীজান আৰু বাঘজানৰ জি পিসমূহে বর্তমানৰ 14 নং এফ চিৰ নির্দেশনা উলংঘা কৰি মাটিৰ মালিকৰ পৰা আইনগতভাৱে বলবৎ কৰিব পৰা অনুমতি নোলোৱাকৈ ব্যক্তিগত মাটিত অনিয়মিতভাৱে প্রকল্প স্থাপন কৰিছিল। দোকান/ বজাৰৰ চেডৰ চাহিদাৰ মূল্যায়ন নকৰাকৈ এইবোৰ নির্মাণ কৰাত পৰিস্থিতি অধিক জটিল হৈ পৰিছিল। ফলত, জি পি আৰু স্থানীয় লোক, উভয়ৰে উপার্জনৰ বাবে 14 নং এফ চি অনুদানৰ দ্বাৰা সৃষ্টি কৰা সম্পত্তিসমূহ, জি পি বা স্থানীয় লোকৰ বাবে কোনো ৰাজহ আহৰণ নকৰাকৈ অব্যৱহৃত হৈ থাকিল বা কিছুমান ব্যক্তিয়ে (মাটিৰ মালিক) ব্যৱহাৰ কৰি থাকিল।

এইদৰে জি পিৰ ৰাজহ আৰু সামূহিক আয় উপার্জনৰ মৌলিক ধাৰণাটো তিনিৰ পৰা ছয় বছৰ ধৰি অসার্থক হৈ থাকিল আৰু হাঁহ-কুকুৰা পাম আৰু বজাৰ সৃষ্টিৰ বাবে কৰা 32.56 লাখ টকাৰ ব্যয়, জি পিসমূহৰ বাবে অফলপ্রসূ হৈ পৰিল।

এই বিষয়টো নৱেম্বৰ 2024ত চৰকাৰক জনোৱা হৈছিল; উত্তৰ এতিয়ালৈকে প্রাপ্ত হোৱা নাই (জুলাই 2025)।

4.4.5 ৰিভার্ছ অস্মোছিছ পানী পৰিশোধন আৰু বটলিং প্লাণ্টত অফলপ্রসূ ব্যয়

তিনিচুকীয়াৰ সাপজান গাঁও পঞ্চায়তত মুঠ 18.00 লাখ টকা ব্যয় সাপেক্ষে স্থাপন কৰা এটা বিশুদ্ধ খোৱাপানীৰ ৰিভার্ছ অস্মোছিছ (আৰ অ') মেচিন 2019 চনত স্থাপন হোৱাৰ দুমাহৰ পিছৰ পৰাই বন্ধ হৈ আছে। সেইটো মেৰামতিৰ ক্ষেত্রত জি পি কর্তৃপক্ষই কোনো প্রচেষ্টা লোৱা নাছিল। ফলত জি পিৰ বাসিন্দাসকলক বিশুদ্ধ খোৱা পানীৰ বটল যোগান ধৰা আৰু জি পিৰ বাবে আয় উপার্জনৰ উদ্দেশ্য পাঁচ বছৰ ধৰি অপূর্ণ হৈ থাকিল।

চতুর্দশ वित्त আয়োগে (14 নং এফ চি) প্রদান কৰা পাৰফৰমেন্স গ্রাণ্টৰ অন্যতম প্রধান উদ্দেশ্য আছিল পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ (পি আৰ আই) নিজা ৰাজহ বৃদ্ধি কৰা। ৰাজহৰ[21] উৎস সৃষ্টি আৰু বাসিন্দাসকলৰ বাবে খোৱা পানীৰ বটলৰ উপলব্ধতা নিশ্চিত কৰাৰ বাবে তিনিচুকীয়া জিলাৰ সাপজান গাঁও পঞ্চায়তে (জি পি) 2016-17 বর্ষত চতুর্দশ বিত্ত আয়োগৰ পাৰফৰমেন্স গ্রাণ্টৰ পৰা বিশুদ্ধ খোৱাপানী ৰিভার্ছ অস্মোছিছ (আৰ অ') প্রকল্পৰ (প্রকল্পৰ আনুমানিক ব্যয় 18.00 লাখ টকা) কাম হাতত লয়। প্রকল্পটোত তলত দিয়া উপাদানসমূহ অন্তর্ভুক্ত কৰা হৈছিল:

[21] এই আৰ অ' প্রকল্পটো বিক্রীৰ বাবে জাৰ আৰু ডিচপেন্সাৰৰ জৰিয়তে বটলত বিশুদ্ধ পানী যোগানৰ বাবে স্থাপন কৰা হৈছিল। জি পি-ৰ বাবে পোনপটীয়াকৈ বা যিকোনো সম্ভাব্য ব্যৱহাৰকাৰী গোটক উদ্যোগটো লিজত দিয়াৰ জৰিয়তে আয়ৰ সৃষ্টি হ'ব।

সাৰণী 4.4: সাপজান জি পিৰ আৰ অ' প্ৰকল্পত অন্তৰ্ভুক্ত উপাদানসমূহ

সামগ্ৰীৰ নাম	পৰিমান (লাখ টকাত)
2000 লিটাৰৰ আৰ অ' প্ৰকল্পৰ বাবে নিৰ্দিষ্ট কৰা অনুসৰি পানী পৰিশোধন প্ৰকল্পৰ যোগান, এ টি ডব্লিউ (এনি টাইম ৰাটাৰ) মেচিন, জাৰ, ডিচপেনচাৰ, কেপ, ৰাসায়নিক পদাৰ্থ, পৰিবহণ খৰচ আদিকে ধৰি।	11.64
ৰিগ থ্ৰৰ দ্বাৰা ডিপ টিউব ৱেল (ডি টি ডব্লিউ) ইনষ্টলেচন, কনচলিডেটৰ ৰকত 34 মিটাৰ গভীৰ অ'ডেক্স ড্ৰিলিং, মটৰ পাম্প আদি।	3.36
ভৱন নিৰ্মাণ	3.00
মুঠ	**18.00**

নথিসমূহৰ পৰীক্ষাত (ডিচেম্বৰ 2023) দেখা গ'ল যে আৰ অ' মেচিন স্থাপনৰ বাবে মাৰ্চ 2018ত এটা প্ৰতিষ্ঠানৰ সৈতে আৰ অ' মেচিনৰ যোগান আৰু স্থাপনৰ বাবে চুক্তিপত্ৰ স্বাক্ষৰিত হৈছিল যাৰ মুঠ মূল্য 9.95 লাখ টকা[22] আছিল। মাৰ্চ 2018ত কাম আৰম্ভ হয় আৰু মাৰ্চ 2019ত কমিচন হোৱাৰ পিছত কাম সম্পূৰ্ণ হয় আৰু গতাই দিয়া হয়।

সাপজান জি পিয়ে আগষ্ট 2018ৰ পৰা নৱেম্বৰ 2018ৰ ভিতৰত প্ৰকল্পটো সম্পন্ন কৰাৰ বিপৰীতে নিৰ্মাণ সমিতিক মুঠ 18 লাখ টকা প্ৰদান কৰিছিল।

জি পি সচিবৰ সৈতে পৰীক্ষা পৰীক্ষাই কৰা প্ৰকল্প স্থলীৰ যৌথ কায়িক পৰিদৰ্শনত (ডিচেম্বৰ 2023) দেখা গ'ল যে প্ৰকল্প স্থলীত আৰ অ' মেচিন আৰু সঁজুলি আৰু অট্টালিকাৰ অস্তিত্ব আছিল যদিও উদ্যোগটো বন্ধ হৈ আছিল।



এই সন্দৰ্ভত জি পি কৰ্তৃপক্ষ আৰু পানী পৰিশোধন প্ৰকল্পৰ তত্ত্বাৱধায়কে ইয়াৰ কাৰণ যান্ত্ৰিক বিসংগতি বুলি উল্লেখ কৰি জনাই যে 2019 চনত স্থাপন কৰা আৰ অ' মেচিনটো স্থাপনৰ দুমাহৰ পিছত বন্ধ হৈ যায়। দাবী কৰা হৈছিল যে বিষয়টো যোগানকাৰীৰ দৃষ্টিগোচৰ কৰা হৈছিল যদিও গ্যেৰাণ্টীৰ সময়সীমা (এবছৰ)ৰ ভিতৰত যোগানকাৰীয়ে ইয়াক মেৰামতি কৰা নাছিল মাৰ্চ 2020ত গ্যেৰাণ্টী উকলি গৈছিল। কিন্তু যোগানকাৰীৰ সৈতে কৰা যিকোনো চিঠিপত্ৰৰ প্ৰতিলিপি দাখিল কৰিব নোৱাৰিলে। তদুপৰি, সাপজান জি পি-ৰ সচিব আৰু যোগানকাৰীৰ মাজত হোৱা চুক্তিত জৰিমনা বিহাৰ সন্দৰ্ভত কোনো দফা নাছিল।

চুক্তিখনৰ গ্যেৰাণ্টীৰ দফা বলবৎ কৰাৰ বাবে বা উদ্যোগটো মেৰামতিৰ বাবে জি পিয়ে গ্ৰহণ কৰা অন্য কোনো পদক্ষেপ দেখুৱাব পৰাকৈ নথি উপলব্ধ নাছিল আৰু 2019 চনত প্ৰকল্পটো কাৰ্যক্ষম হোৱাৰ পিছত পাঁচ বছৰতকৈও অধিক সময় ধৰি বন্ধ হৈ আছিল।

[22] আৰ অ' প্ৰকল্প (8.65 লাখ টকা) আৰু এ টি ডব্লিউ মেচিন (1.30 লাখ টকা)

এইদৰে জি পিৰ বাবে আয় উপার্জনৰ লগতে আৰ অ' প্রকল্প স্থাপন কৰি জি পিৰ বাসিন্দাসকলক বিশুদ্ধ খোৱা পানী বটল উপলব্ধ কৰাৰ উদ্দেশ্য 18.00 টকা লাখ ব্যয় কৰাৰ পিছতো অপূর্ণ হৈ থাকিল।

এই বিষয়টো নৱেম্বৰ 2024ত চৰকাৰক জনোৱা হৈছিল; উত্তৰ প্রাপ্ত হোৱা নাই (জুলাই 2025)।

4.5 সামৰণি

ওপৰৰ পর্যবেক্ষণসমূহে সম্পত্তি ব্যৱস্থাপনা, আৰু নির্মাণৰ ক্ষেত্রত হোৱা ত্রুটীসমূহৰ অভাৱৰ ওপৰত আলোকপাত কৰে, যাৰ ফলত যথেষ্ট পৰিমাণৰ বিত্তীয় অপচয় হয় আৰু আঁচনিৰ উদ্দেশ্য পূৰণ নহয়। নির্দিষ্ট দৃষ্টান্তসমূহে এনে অপব্যৱস্থাপনাক ফুটাই তুলে, যেনে মৰিগাঁৱৰ এটা অসমাপ্ত বহুমুখী হলত অৱৰুদ্ধ হৈ থকা 62.50 লাখ টকা, যিটো দুর্বল পৰিচালনা আৰু পুঁজি পলমকৈ মুকলি কৰাৰ বাবে সাত বছৰতকৈও অধিক সময় ধৰি পৰিত্যক্ত হৈ আছে। অপর্যাপ্ত পৰিকল্পনা আৰু সম্ভাৱনীয়তা অধ্যয়নৰ অনুপস্থিতিৰ বাবে সাপজানত 36.19 লাখ টকাৰ এটা পেভাৰ ব্লক কাৰখানা চাৰি বছৰ ধৰি বন্ধ হৈ থাকিল। তদুপৰি, তিনিচুকীয়া জিলা পৰিষদে অভ্যন্তৰীণ সজ্জাৰ কাম সন্দেহজনকভাৱে সম্পন্ন কৰাৰ বিনিময়ত 10.36 লাখ টকাৰ ধন পৰিশোধ কৰিছিল, যিয়ে ভুৱা প্রমাণপত্রৰ ইংগিত দিছিল আৰু যাৰ তৎকালীন তদন্ত হ'ব লাগে আৰু শীঘ্রে আদায় হ'ব লাগে।

ব্যক্তিগত প্রকল্পৰ বাহিৰে, আয় উপার্জনকাৰী আঁচনিৰ ক্ষেত্রত এক ব্যৱস্থাগত ব্যর্থতা স্পষ্ট হৈ পৰিছিল কাৰণ তিনিচুকীয়াৰ দুখন জি পিয়ে আইনী চুক্তি অবিহনে ব্যক্তিগত মাটিত নির্মিত সম্পত্তিত 32.56 লাখ টকা ব্যয় কৰিছিল যাৰ ফলত স্থানীয় লোকৰ পৰিৱর্তে মাটিৰ মালিক লাভৱান হৈছিল। ইয়াৰ উপৰিও সাপজানৰ এটা 18.00 লাখ টকাৰ আৰ অ' পানী প্রকল্পও যান্ত্রিক সমস্যা আৰু অনুসৰণৰ অভাৱৰ ফলত বিকল হৈ পাঁচ বছৰ ধৰি বন্ধ হৈ আছিল, যাৰ ফলত বিশুদ্ধ পানী যোগান আৰু ৰাজহ আহৰণ, দুয়োটাতে বাধা আহি পৰে।

4.6 পৰামর্শসমূহ

বিত্তীয় ব্যৱস্থাপনা শক্তিশালী কৰাৰ বাবে চৰকাৰে তাৎক্ষণিক পদক্ষেপ ল'ব পাৰে আৰু:

- **অব্যৱহার্য আঁচনিসমূহত ধনৰ অপচয়ৰ পৰা হাত সাৰিবলৈ যিকোনো আয় উপার্জনকাৰী আৰু আন্তঃগাঁথনি প্রকল্প আৰম্ভ কৰাৰ পূর্বে সম্ভাৱনীয়তা অধ্যয়ন আৰু চাহিদাৰ মূল্যায়ন আৰম্ভ কৰিব পাৰে।**
- **পলম আৰু অসম্পূর্ণ কামৰ বাবে শাস্তি বলবৎ কৰাকে ধৰি সকলো স্তৰতে (জি পি, এ পি আৰু জেড পি) স্পষ্ট সময়সীমা আৰু জবাবদিহিতাৰ ব্যৱস্থা কৰি প্রকল্প নিৰীক্ষণ শক্তিশালী কৰিব পাৰে।**
- **আইনীভাৱে বলবৎ কৰিব পৰা চুক্তিৰ সৈতে অধিগ্রহণ কৰা মাটিত প্রকল্প ৰূপায়ণ কৰিব লাগে যাতে সামূহিকভাৱে সুবিধাসমূহ পায় আৰু গাইগুটীয়াকৈ কোনো ব্যক্তিয়ে যাতে নাপায়।**
- **সকলো কামৰ ক্ষেত্রত, বিশেষকৈ সন্দেহজনক কাম নিষ্পাদনৰ ক্ষেত্রত বিষয়াসকলক জবাবদিহি কৰি আৰু ঠিকাদাৰসকলৰ লগত অনুসৰণ কৰি অৱৰুদ্ধ হৈ থকা বা অপব্যৱহাৰ হোৱা ধনৰ তদন্ত কৰি উদ্ধাৰ কৰিব পাৰে।**

এই পৰামর্শসমূহ কার্যকৰী কৰি পি আৰ আইসমূহে বিত্তীয় অনিয়মৰ বিপদসমূহ যথেষ্ট পৰিমাণে হ্রাস কৰিব পাৰে, প্রকল্প কার্যকৰীকৰণ উন্নত কৰিব পাৰে আৰু নাগৰিকৰ সুবিধাৰ বাবে ৰাজহুৱা ধন দক্ষ আৰু ফলপ্রসূভাৱে ব্যৱহাৰ কৰাটো নিশ্চিত কৰিব পাৰে।

খণ্ড -II

নগৰীয়া স্থানীয় নিকায়

অধ্যায়-V

অসমৰ নগৰীয়া স্থানীয় নিকায়সমূহৰ আভাস

অধ্যায়-V

অসমৰ নগৰীয়া স্থানীয় নিকায়সমূহৰ আভাস

5.1 সূচনা

ৰাজ্যত 105টা ইউ এল বি[23] আছিল: 31 মাৰ্চ 2025লৈকে তিনিটা পৌৰ নিগম (এম চি) আৰু 102টা পৌৰসভা (এম বি)[24]। সাধাৰণ এলেকাৰ অন্তর্গত ইউ এল বি (সংখ্যাত 82) এ এম আইন, 1956ৰ বিধান অনুসৰি পৰিচালিত হয়, আনহাতে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত তালিকাভুক্ত অঞ্চলসমূহ পৰিচালিত হয় সংশ্লিষ্ট স্বায়ত্তশাসিত জিলা পৰিষদৰ দ্বাৰা প্রস্তুত কৰা নিয়ম অনুসৰি।

লোকপিয়ল 2011 অনুসৰি অসমৰ নগৰীয়া জনসংখ্যাৰ সৈতে জড়িত পৰিসংখ্যা **সাৰণী 5.1**ত দিয়া হৈছে:

সাৰণী 5.1: ৰাজ্যৰ গুৰুত্বপূর্ণ পৰিসংখ্যা (নগৰ অঞ্চল)

ক্র. নং.	সূচক	একক	মান
1	ৰাজ্যখনৰ মুঠ জনসংখ্যা	লাখ	312
2	চহৰ অঞ্চলত জনসংখ্যা	লাখ	44
3	নগৰীয়া জনসংখ্যা	শতাংশ	14
4	সামগ্রিকভাৱে জনসংখ্যাৰ ঘনত্ব	ব্যক্তি/ বর্গ কিলোমিটাৰ	398
5	নগৰীয়া লিংগ অনুপাত	প্রতি হাজাৰত	946
6	নগৰীয়া সাক্ষৰতাৰ হাৰ	শতাংশ	88.47

উৎস: লোকপিয়ল 2011 আৰু পৰিসংখ্যা হাতপুথি, অসম 2022

5.2 ইউ এল বি-ৰ কার্য্যক্ষমতা

অসমৰ ইউ এল বিসমূহে ফলপ্রসূ কার্য্যকলাপৰ বাবে প্রাসংগিক কার্য আৰু নিয়মসমূহ মানি চলিব লাগিছিল, যেনে ইউ এল বি-ৰ বিত্তীয় প্রশাসন, বাজেট, হিচাপ-নিকাচ, আৰু হিচাপ পৰীক্ষা কৰা অসম পৌৰসভাৰ হিচাপ নিকাচৰ নিয়ম, 1961; অসম পৌৰ আইন, 1956ৰ অধীনত আয়ুক্ত নির্বাচন কৰাৰ বাবে নিয়ম, 1957ৰ অধীনত উপায়ুক্ত নির্বাচনৰ নিয়ম যিয়ে ৱার্ড সদস্য আৰু অধ্যক্ষ/ মেয়ৰৰ নির্বাচন অনুষ্ঠিত কৰাৰ প্রক্রিয়া নির্দেশ কৰে, গণতান্ত্রিক প্রতিনিধিত্ব নিশ্চিত কৰে; অসম সমন্বিত বিল্ডিং নির্মাণ (নিয়ন্ত্রণ) উপ-বিধি, 2022 আৰু অসম চহৰ আৰু গ্রাম্য পৰিকল্পনা আইন, 1959, যিয়ে ভৱন নির্মাণ, ভূমি ব্যৱহাৰ, আৰু উন্নয়নমূলক কাম-কাজ নিয়ন্ত্রণ কৰে, গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষ আৰু ইউ এল বি-ৰ দৰে কর্তৃপক্ষই অনুমতি প্রদান কৰে; আৰু বিভিন্ন কৰ মূল্যায়ন, আৰোপ, আৰু সংগ্রহৰ সম্পর্কীয় অসম নগৰীয়া স্থাৱৰ সম্পত্তি কৰ আইন, 1969, বিশেষকৈ সম্পত্তি কৰ।

---

23 অক্টোবৰ 2024ত পথাৰকান্দি এম বি হোৱাৰ পিছত মার্চ 2025লৈকে ৰাজ্যত 105টা ইউ এল বি আছে। ইয়াৰ ভিতৰত আছে তিনিটা পৌৰ নিগম গুৱাহাটী পৌৰ নিগম, ডিব্রুগড় পৌৰ নিগম (এম বি-ৰ পৰা নতুনকৈ উন্নীত কৰা), শিলচৰ পৌৰ নিগম (এম বি-ৰ পৰা নতুনকৈ উন্নীত কৰা) আৰু 102টা এম বি।

24 অক্টোবৰ 2018ৰ আগতে বহুতো সৰু চহৰ অঞ্চলক টাউন কমিটি (টি চি) বুলি কোৱা হৈছিল। অসম পৌৰ সংশোধনী আইন, 2017 অনুপালন কৰি আটাইকেইটা টি চি-ক পৌৰসভা ব'ৰ্ডলৈ ৰূপান্তৰিত কৰা হয়।

5.2.1 ইউ এল বি-ৰ কৰ্মচাৰীৰ আৰ্হি

বিভিন্ন কাৰ্যসূচী, আঁচনি, আৰু প্ৰকল্পৰ অধীনত ইউ এল বিসমূহক ন্যস্ত কৰা বৰ্ধিত কামৰ বোজা বিবেচনা কৰি লাভ কৰা ধনৰ দক্ষ আৰু ফলপ্ৰসূ ব্যৱস্থাপনাৰ লগতে ইয়াৰ হিচাপ-নিকাচৰ সঠিক পদ্ধতিৰ বাবে ইউ এল বি-ৰ উপযুক্ত কৰ্মচাৰী নিয়োগ কৰাটো গুৰুত্বপূৰ্ণ।

আগষ্ট 2022ত অসম পৌৰ আইন, 1956ৰ ধাৰা 53ৰ উপধাৰা (3)ৰ অধীনত ন্যস্ত কৰা ক্ষমতাৰ অধীনত অসম চৰকাৰে অসম নগৰ বিত্তীয় সেৱা নিয়ম, 2022, অসম নগৰ অভিযান্ত্ৰিক সেৱা নিয়ম, 2022 আৰু অসম নগৰ প্ৰশাসনিক সেৱা 2022ৰ অধিসূচনা জাৰি কৰে। এই নিয়মসমূহে সংশ্লিষ্ট সেৱাত কেডাৰ সৃষ্টিৰ ব্যৱস্থা কৰিছিল আৰু নিযুক্তি আৰু সেৱাৰ চৰ্তসমূহ নিয়ন্ত্ৰন কৰা নিয়মসমূহ নিৰ্দ্ধাৰম কৰিছিল।

অধিসূচনা নিয়মসমূহে মুখ্য কাৰ্যালয় পৰ্যায়ৰ পদসমূহকে ধৰি ৰাজ্যজুৰি নগৰীয়া স্থানীয় নিকায়সমূহৰ বাবে বিভিন্ন স্তৰৰ পদ সৃষ্টিৰ কল্পনা কৰিছিল। সেই অনুসৰি, বিভিন্ন কেডাৰৰ পদ, যেনে প্ৰশাসনিক সেৱা, বিত্তীয় সেৱা আৰু অভিযান্ত্ৰিক সেৱা, যিসমূহ **সাৰণী 5.2**ত দেখুওৱা হৈছে।

সাৰণী 5.2: ইউ এল বি-ৰ বাবে নিবেদিত কেডাৰ আৰু পদ সৃষ্টি

পদৰ নাম	পদ সৃষ্টিৰ সংখ্যা		
	অসম নগৰ প্ৰশাসনিক সেৱা	অসম নগৰ বিত্তীয় সেৱা	অসম নগৰ অভিযান্ত্ৰিক সেৱা
বাছনিকৃত গ্ৰেড	2	1	1
ছিনিয়ৰ গ্ৰেড-I	7	7	2
ছিনিয়ৰ গ্ৰেড-II	16	16	5
জুনিয়ৰ গ্ৰেড-I	27	27	16
জুনিয়ৰ গ্ৰেড-II	103	103	27
জুনিয়ৰ গ্ৰেড-III	-	-	103

বিভাগৰ চিঠি-পত্ৰসমূহৰ পৰা দেখা গৈছিল (অক্টোবৰ 2024) যে মাৰ্চ 2024ৰ পৰা বিভিন্ন ইউ এল বিসমূহত মুঠ 96 জন কাৰ্যবাহী বিষয়া নিযুক্তি দিয়া হৈছিল। ইয়াৰ উপৰিও নগৰীয়া কাৰিকৰী বিষয়া আৰু বিত্তীয় ব্যৱস্থাপনা বিষয়া নিয়োগ কৰাৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছিল।

ষষ্ঠ এ এছ এফ চি-য়ে পৰামৰ্শ দিছিল যে ইউ এল বিসমূহৰ বাবে কৰ্মচাৰীৰ আৰ্হি জৰুৰীভাৱে গ্ৰহণ কৰা প্ৰয়োজন আৰু ইউ এল বি-ৰ কৰ্মচাৰীসকলৰ সেৱাৰ নিয়মসমূহ অতি শীঘ্ৰে চূড়ান্ত কৰিব লাগে। আয়োগে পৌৰ সেৱাত কাৰিকৰী আৰু উপযুক্ত ব্যক্তি নিয়োগ কৰাৰ উপৰিও ইউ এল বি-ৰ কৰ্মচাৰীৰ আৰ্হি সুশৃংখলিত কৰাৰ বাবে বিধিগত স্বায়ত্তশাসিত "অসম পৌৰ সেৱা আয়োগ" গঠন কৰিবলৈয়ো পৰামৰ্শ আগবঢ়াইছিল।

বিভাগে জনাইছিল (নৱেম্বৰ 2024) যে ইউ এল বি-ৰ কৰ্মচাৰীৰ আৰ্হিৰ খচৰা প্ৰস্তাৱ প্ৰস্তুত প্ৰক্ৰিয়া চলি আছে।

5.2.2 পুঁজি, কাৰ্য্য আৰু কৰ্মচাৰীসকলৰ বিকেন্দ্ৰীকৰণৰ স্থিতি

74 সংখ্যক সাংবিধানিক (সংশোধনী) আইন, 1992, ভাৰতীয় সংবিধানৰ দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা কাৰ্য সম্পাদন কৰিবলৈ ইউ এল বিসমূহক ক্ষমতা প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় বিত্ত আয়োগ (চি এফ চি) আৰু ৰাজ্যিক বিত্ত

আয়োগে (এছ্ এফ চি) অর্থপূর্ণ বিভাজনৰ বাবে, ওপৰৰ কার্য্যসমূহৰ সৈতে জড়িত ইউ এল বিসমূহলৈ পুঁজি, কার্য্য, আৰু কর্মচাৰীৰ সম্পূর্ণৰূপে হস্তান্তৰ কৰাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

5ম অসম ৰাজ্যিক বিত্ত আয়োগে পৰামর্শ দিছিল যে সকলো বিষয়ৰ এক্টিভিটি মেপিং সম্পূর্ণ কৰাৰ বাবে জৰুৰী পদক্ষেপ গ্রহণ কৰি ইউ এল বি-লৈ কাম-কাজ, কর্মচাৰী আৰু পুঁজি হস্তান্তৰ কৰাটো নিশ্চিত কৰিব লাগে।

সংবিধানৰ দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা কার্যৰ ভিতৰত 17টা কার্য হস্তান্তৰ কৰাৰ বাবে জি অ' এ-য়ে অসম পৌৰ আইন, 1956ত ব্যৱস্থা কৰিছিল। কিন্তু মার্চ 2024লৈকে সেই 17টা কার্যৰ কোনো এটাকে ইউ এল বি-লৈ হস্তান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে অধিসূচনা জাৰি কৰা নাছিল। 17টা কার্যৰ ভিতৰত বিভাগে জনোৱা অৱস্থা অনুসৰি (অক্টোবৰ 2024) তিনিটা কার্যৰ বাবে কেৱল ইউ এল বি-হে দায়বদ্ধ আছিল; চাৰিটা কার্য্যত কোনো ভূমিকা নাছিল আৰু বাকী 10টা কার্য্যত ইউ এল বি-ৰ ভূমিকা হিতাধিকাৰী চিনাক্তকৰণ আৰু নির্বাচনত সীমাবদ্ধ আছিল নাইবা ৰাজ্যিক বিভাগ আৰু অর্ধৰাজ্যিক সংস্থাসমূহৰ সৈতে ওভাৰলেপিং ক্ষেত্রসমূহ আছিল। মার্চ 2024লৈকে অসমৰ ইউ এল বিসমূহত কার্য্যসমূহৰ হস্তান্তৰৰ প্রকৃত অৱস্থান ***পৰিশিষ্ট-5.1***ত দেখুওৱাৰ দৰে।

5.3 ইউ এল বিসমূহৰ সাংগঠনিক গাঠনি

ইউ এল বিসমূহৰ সাংগঠনিক গাঠনি **চিত্র তালিকা 5.1**ত দেখুওৱা হৈছে:

চিত্র তালিকা 5.1: ইউ এল বি-ৰ সাংগঠনিক গাঠনি



অসম চৰকাৰে (জুলাই 2021) গুৱাহাটী উন্নয়ন বিভাগ (জি ডি ডি) আৰু নগৰ উন্নয়ন বিভাগ (ইউ ডি ডি) একত্রিত কৰি গৃহ নির্মাণ আৰু নগৰ পৰিক্রমা বিভাগ (ডি এইচ ইউ এ) নামেৰে নামাকৰণ কৰে। আয়ুক্ত আৰু সচিব ডি এইচ ইউ এ-ৰ প্রশাসনিক মুৰব্বী, যিয়ে ইউ এল বিসমূহৰ প্রশাসন, পুঁজি আবণ্টনৰ লগতে ৰাজ্যিক পর্যায়ত আঁচনি ৰূপায়ণৰ সৈতে জড়িত বিষয়সমূহ চোৱাচিতা কৰে। উপায়ুক্ত আৰু সচিবক সহায় কৰে সচিব, ডি এইচ এ আৰু যিজনক আকৌ সহায় কৰে পৌৰ প্রশাসনৰ সঞ্চালক (ডি এম এ) যিয়ে ৰাজ্য চৰকাৰ আৰু ইউ এল বিসমূহৰ মাজত সমন্বয়ক হিচাপে কাম কৰে। সঞ্চালক, চহৰ আৰু নগৰ পৰিকল্পনা (টি এণ্ড চি পি)ৰ দায়িত্ব হৈছে গুৱাহাটী মহানগৰ এলেকাৰ বাহিৰে আন নগৰ অঞ্চলত মাষ্টাৰ প্লেন/ উন্নয়ন প্রকল্প/ আঞ্চলিক প্রকল্প আৰু মাষ্টাৰ প্লেনক নিয়ম বলবৎ কৰা। আয়ুক্তগৰাকী গুৱাহাটী পৌৰ নিগম (জি এম চি)ৰ কার্যবাহী মুৰব্বী। জি এম চি মেয়ৰৰ নেতৃত্বত নির্বাচিত সমিতিৰ দ্বাৰা পৰিচালিত হয় আৰু স্থায়ী সমিতিসমূহে সহায় কৰে।

ষষ্ঠ অনুসূচী এলেকাৰ ইউ এল বিসমূহৰ ক্ষেত্ৰত সংশ্লিষ্ট স্বায়ত্তশাসিত জিলা পৰিষদৰ প্ৰধান সচিবৰ জৰিয়তে পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকললৈ ধন প্ৰেৰণ কৰা হয়।

জবাবদিহিতা ব্যৱস্থা আৰু বিত্তীয় প্ৰতিবেদনৰ বিষয়সমূহ

5.4 বিভিন্ন সমিতি গঠন

5.4.1 পুঁজি, কার্য আৰু কর্মচাৰীৰ হস্তান্তৰৰ বাবে সমিতি

1956 চনৰ এ এম আইনৰ 53 (A) (2) ধাৰা অনুসৰি পুঁজি, কার্য আৰু কর্মচাৰীসকলৰ পৌৰসভালৈ সোণকালে আৰু মসৃণভাৱে হস্তান্তৰ কৰাৰ বিষয়টো নিৰীক্ষণ কৰিবলৈ ইউ ডি ডি-ৰ ভাৰপ্ৰাপ্ত মন্ত্ৰীক, অধ্যক্ষ ইউ ডি ডি-ৰ আটাইতকৈ জ্যেষ্ঠ সচিবক, উপাধ্যক্ষ, ডি এম এ-ক সদস্য সচিব আৰু অন্যান্য বিভাগৰ সদস্যৰে গঠিত এখন সমিতি থাকিব। পৌৰসভাসমূহলৈ পুঁজি, কার্য আৰু কর্মচাৰীসকলৰ হস্তান্তৰৰ অগ্ৰগতি নিৰীক্ষণ কৰিবলৈ আৰু এই ধাৰাটো ফলপ্ৰসূ ৰূপায়ণৰ বাবে সংশ্লিষ্ট বিভাগসমূহক পৰামর্শ দিবলৈ সমিটীয়ে সময়ে সময়ে বৈঠকত মিলিত হ'ব লাগিছিল।

অৱশ্যে, পুঁজি, কার্য্য আৰু কর্মচাৰীৰ বিষয়টো চোৱাচিতা কৰিবলৈ এনে কোনোধৰণৰ সমিতি গঠন কৰা হোৱা নাই (নৱেম্বৰ 2024)।

5.4.2 ইউ এল বি-ৰ স্থায়ী সমিতিসমূহ

এ এম আইন, 1956ত ইউ এল বি-ত কোনো স্থায়ী সমিতি গঠনৰ ব্যৱস্থাৰ উল্লেখ নাই।

জি এম চি আইন, 1971ৰ 20 নং ধাৰাত কৰ আৰু বিত্ত, আৰু পৰিকল্পনা আৰু উন্নয়ন (বা স্থায়ী বিত্ত সমিতি)ৰ সৈতে মোকাবিলা কৰিবলৈ স্থায়ী সমিতি[25] গঠনৰ ব্যৱস্থা কৰা হৈছিল; যদিও লোকনির্মাণ; জনস্বাস্থ্য, সংৰক্ষণ আৰু পানী যোগান; মূল্যায়ন, বজাৰ আৰু বাণিজ্য; আৰু আপীল, জি এম চি-য়ে এনে কোনো কমিটী গঠন কৰা নাছিল।

5.4.3 সম্পত্তি কৰ ব'র্ড

ত্ৰয়োদশ এফ চি-ৰ অনুচ্ছেদ 10.161 (vii)ৰ অধীনত পৰামর্শ দিয়া অনুসৰি, মার্চ 2011ত জি অ' এ-ই এখন সম্পত্তি কৰ ব'র্ড (পি টি বি) গঠন কৰিছিল, য'ত (i) প্ৰধান সচিব, ইউ ডি ডি-ক অধ্যক্ষ, (ii) আয়ুক্ত আৰু সচিব, জি ডি ডি-ক উপ-সভাপতি, (iii) পৌৰ প্ৰশাসনৰ সঞ্চালক-ক সদস্য সচিব (iv) আয়ুক্ত, জি এম চি আৰু (v) নগৰ আৰু চহৰ পৰিকল্পনাৰ সঞ্চালক সদস্য হিচাপে আছিল। এই সমিতিৰ উদ্দেশ্য আছিল ৰাজ্যৰ সাধাৰণ এলেকাৰ সকলো পৌৰসভাক সম্পত্তি কৰ মূল্যায়নৰ বাবে এক স্বতন্ত্ৰ আৰু স্বচ্ছ পদ্ধতি প্ৰৱর্ত্তন কৰাত সহায় কৰা। অসম পৌৰ আইন, 1956 অনুসৰি নগৰীয়া স্থানীয় নিকায়সমূহে সকলো ধৰণৰ সম্পত্তিৰ গণনা আৰু মূল্যায়নৰ বিষয়টো নিৰীক্ষণ কৰিব লাগিছিল। সেই অনুসৰি পৌৰ প্ৰশাসন সঞ্চালকে এটা বিশেষ বছৰত সংগ্ৰহৰ হাৰ আৰু সংগ্ৰহৰ বাবে লোৱা সময় নিৰীক্ষণ কৰিবলৈ ক্ষেত্ৰখনত মুখ্য মূল্যায়ন বিষয়া (চি ভি অ') আৰু অন্যান্য মূল্যায়ন বিষয়া (ভি অ')ক নিয়োগ কৰিব লাগিছিল।

এটা বিশেষ বছৰত সংগ্ৰহৰ হাৰ আৰু সংগ্ৰহৰ বাবে লোৱা সময় নিৰীক্ষণ কৰিবলৈ ডি এম এ-ৰ অধীনত দুজন ভি অ' নিয়োগ কৰা হৈছিল, যদিও এই ক্ষেত্ৰত কোনো চি ভি অ' নিয়োগ কৰা হোৱা নাছিল।

[25] প্ৰতিখন স্থায়ী সমিতিত নিগমে মেয়ৰৰ বাহিৰেও নিজৰ সদস্যৰ পৰা নির্বাচিত কৰা পাঁচজন সদস্যৰে গঠিত হ'ব।

ডি এম এ-য়ে জনাইছিল (অক্টোবৰ 2024) যে অসমৰ সকলো ইউ এল বি-তে সম্পত্তি কৰ মূল্যায়নৰ কাম চলি আছে আৰু এটা "সংস্কাৰ কোষ" গঠন কৰা হৈছে। তদুপৰি অসম পৌৰ আইন, 1956ৰ সংশোধিত আইন অনুসৰি অনলাইন সম্পত্তি কৰ মূল্যায়ন আৰু পৰিশোধ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে।

5.5 পুঁজিৰ উৎস

ইউ এল বিসমূহৰ ৰাজহৰ মূল উৎসসমূহ হ'ল (i) সংশ্লিষ্ট আইনৰ অধীনত তেওঁলোকক আবণ্টিত কৰ আৰু অনাকৰ উৎসৰ পৰা সংগ্ৰহ; (ii) ৰাজ্যৰ পৰা অংশীদাৰী কৰ আৰু শুল্ক হস্তান্তৰৰ ৰূপত সম্পদ; (iii) জি অ' এ-ৰ পৰা পোৱা সহায়ক অনুদান আৰু (iv) বিভিন্ন কেন্দ্ৰীয় পৃষ্ঠপোষকতাপ্ৰাপ্ত আঁচনি (চি এছ এছ)ৰ অধীনত আৰু ক্ৰমাগত এফ চি-ৰ অধীনত চৰকাৰৰ পৰা লাভ কৰা সহায়ক অনুদান। ইয়াৰ উপৰিও ইউ এল বিসমূহে নগৰ উন্নয়ন, পানী যোগান আৰু পথ আদিৰ সৈতে জড়িত বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে বিত্তীয় প্ৰতিষ্ঠানৰ পৰাও ঋণ লাভ কৰে। ইউ এল বি-ৰ পুঁজিৰ প্ৰবাহ ***চিত্ৰ তালিকা 5.2***ত দেখুওৱা হৈছে:

চিত্ৰ তালিকা 5.2: ইউ এল বি-ৰ পুঁজিৰ প্ৰবাহ



আইনসমূহৰ বিধানৰ অধীনত সকলো সংগ্ৰহ যেনে হোল্ডিঙ কৰ, পানীৰ কৰ, লেট্ৰিন কৰ আদি কৰ ৰাজহৰ উৎস, আনহাতে বিল্ডিং প্লেন অনুমোদন মাচুল, দোকান আৰু ভৱনৰ পৰা ভাড়া, টোল আৰু অন্যান্য মাচুল আৰু চার্জসমূহে অনাকৰ ৰাজহৰ মূল উৎস গঠন কৰিছিল।

ৰাজ্য চৰকাৰে ইউ এল বিসমূহক তেওঁলোকৰ প্ৰতিষ্ঠানৰ ব্যয়ৰ ক্ষতিপূৰ হিচাপে সহায়ক অনুদান আৰু ঋণ মুকলি কৰে। ইউ এল বিসমূহে বিভিন্ন আঁচনি আৰু প্ৰকল্প ৰূপায়ণৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰাও অনুদান আৰু সাহায্য লাভ কৰে।

2019-20ৰ পৰা 2023-24লৈকে সময়ছোৱাত বিভিন্ন উৎসৰ পৰা ইউ এল বিসমূহলৈ ধনৰ প্ৰবাহ, তলৰ **সাৰণী 5.3**ত দেখুওৱা হৈছে।

সাৰণী 5.3: ইউ এল বি-ৰ সম্পদৰ সময়-শৃংখলাৰ তথ্য

(কোটি টকাত)

ক্ৰ নং	শিতান	2019-20	2020-21	2021-22	2022-23	2023-24	মুঠ
1	নিজা ৰাজহ	156.28	164.40	170.83	192.31	324.70	1008.52
2	চি এফ চি হস্তান্তৰ (বিত্ত আয়োগৰ হস্তান্তৰ)	189.80	250.20	345.04	770.85	543.48	2099.67
3	এছ এফ চি হস্তান্তৰ (ৰাজ্যিক বিত্ত আয়োগৰ হস্তান্তৰ)	109.99	0.00	39.50	159.18	251.07	559.74
4	চি এছ এছ-ৰ বাবে জি অ' আই-ৰ অনুদান	344.16	448.09	373.13	371.98	45.61	1582.97
5	ৰাজ্যিক আঁচনিৰ বাবে ৰাজ্য চৰকাৰৰ অনুদান	83.62	102.65	216.06	160.37	51.22	613.92
6	অন্যান্য ৰচিদ (বিলম্বিত আদায়ৰ বাবে সুত পৰিশোধৰ)	0.97	0.13	16.94	7.90	66.10	92.04
মুঠ		**884.82**	**965.47**	**1161.50**	**1662.59**	**1282.18**	**5956.86**

উৎস: বিত্ত (অৰ্থনৈতিক পৰিক্ৰমা) বিভাগ, জি অ' এ, ডি এম এ আৰু জি এম চি-য়ে প্ৰদান কৰা তথ্য।

তলৰ **চিত্ৰ তালিকা 5.3**ত 2019-20ৰ পৰা 2023-24লৈকে ইউ এল বিসমূহৰ উপাদান-ভিত্তিক সম্পদসমূহ দেখুওৱা হৈছে।

চিত্ৰ তালিকা 5.3: ইউ এল বিসমূহৰ সম্পদৰ উপাদানসমূহ (কোটি টকাত, %)



অসমৰ ইউ এল বিসমূহে মিশ্ৰিত ৰাজহ ৰূপ-ৰেখা প্ৰদৰ্শন কৰে। নিজা ৰাজহৰ বৃদ্ধি হোৱাৰ বিপৰীতে চি এফ চি হস্তান্তৰ আৰু জি অ' আই-ৰ অনুদান (চি এছ এছ)ৰ কাৰ্য্যসমূহৰ ওপৰত যথেষ্ট নিৰ্ভৰশীলতা আৰু ৰাজ্যিক আঁচনিৰ উঠা-নমাৰ বাবে অনুদানসমূহে অধিক সুস্থিৰ আৰু বৈচিত্ৰ্যপূৰ্ণ পুঁজি ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ আলোকপাত কৰে। 2023-24ত কেন্দ্ৰীয় আৰু ৰাজ্যিক অনুদানৰ যথেষ্ট হ্ৰাসৰ ফলত বছৰটোৰ বাবে মুঠ ৰাজহ হ্ৰাস পোৱাৰ ফলত বিত্তীয় পৰিকল্পনা আৰু সেৱা প্ৰদানৰ সম্ভাব্য প্ৰত্যাহ্বানৰ ইংগিত পোৱা যায় যদি এই ধাৰাটো অব্যাহত থাকে।

সাৰণী 5.4ত 2019-20ৰ পৰা 2023-24লৈকে পি আৰ আইসমূহে কৰা সম্পদৰ প্ৰয়োগ দেখুওৱা হৈছে।

সাৰণী-5.4: সম্পদৰ ব্যৱহাৰ-ইউ এল বি

(কোটি টকা)

ক্ৰ নং	শিতান	2019-20	2020-21	2021-22	2022-23	2023-24	মুঠ
1	নিজা ৰাজহৰ পৰা ব্যয়	85.33	69.18	82.72	190.92	461.04	889.19
2	চি এফ চি হস্তান্তৰৰ পৰা ব্যয় (বিত্ত আয়োগৰ হস্তান্তৰ)	189.80	250.20	345.04	770.85	372.19	1928.08
3	এছ এফ চি হস্তান্তৰৰ পৰা ব্যয় (ৰাজ্যিক বিত্ত আয়োগৰ বিভাজন)	109.99	0.00	39.50	159.18	100.20	408.87
4	চি এছ এছ-ৰ বাবে জি অ' আই অনুদান	255.76	116.29	185.38	230.69	16.95	805.07
5	ৰাজ্যিক আঁচনিৰ বাবে ৰাজ্য চৰকাৰৰ অনুদান	83.62	102.65	216.06	160.37	31.24	593.94
6	সুত	0.93	0.02	0.97	0.43	0.00	2.35
মুঠ		**725.43**	**538.34**	**869.67**	**1512.44**	**981.62**	**4627.50**

উৎস: ডি এম এ আৰু জি এম চি-ৰ পৰা লাভ কৰা তথ্য

সাৰণী 5.5ত 2019-20ৰ পৰা 2023-24লৈকে ইউ এল বি-ৰ প্ৰাপ্তি আৰু ব্যয়ৰ মাজত তুলনা দেখুওৱা হৈছে।

সাৰণী-5.5: 2019-24ৰ সময়ছোৱাত ইউ এল বি-ৰ প্ৰাপ্তি আৰু ব্যয়

(কোটি টকাত)

বৰ্ষ	প্ৰাপ্তি	ব্যয়	সম্পদৰ কম ব্যৱহাৰ (শতাংশত)
2019-20	883.85	725.43	158.42 (18)
2020-21	965.34	538.34	427 (44)
2021-22	1144.56	869.67	274.89 (24)
2022-23	1654.69	1512.44	142.25 (9)
2023-24	1216.38	981.62	234.76 (19)
মুঠ	**5864.82**	**4627.50**	1237.32 (21)

উৎস: অসম চৰকাৰৰ বিত্ত হিচাপ, বিতং বিনিয়োগ হিচাপ

ওপৰৰ সাৰণীখনত 2019-20ৰ পৰা 2023-24লৈকে বিত্তীয় প্ৰদৰ্শনৰ সাৰাংশ উল্লেখ কৰা হৈছে। এই সময়ছোৱাত মুঠ প্ৰাপ্ত হোৱা পৰিমানৰ 5864.82 কোটি টকাৰ বিপৰীতে ব্যয় হৈছিল 4627.50 কোটি টকা। ইয়াৰ ফলত ইউ এল বিসমূহে মুঠ 1237.32 কোটি টকা (21 শতাংশ) সম্পদৰ কম ব্যৱহাৰ কৰে। বিত্তীয় বৰ্ষ 2020-21ত সৰ্বাধিক 427 কোটি টকা (44 শতাংশ) কম ব্যৱহাৰ হৈছিল, যিটো মহামাৰীৰ বাবে আছিল। আনহাতে, 2022-23ত মাত্ৰ 9 শতাংশ কম ব্যৱহাৰেৰে সৰ্বাধিক কাৰ্যক্ষম সম্পদৰ ব্যৱহাৰ দেখা গৈছিল।

5.5.1 অবাস্তৱ বাজেট প্ৰস্তুত

1956ৰ এ এম আইনৰ ধাৰা 43Aত ইউ এল বিসমূহে বাৰ্ষিক বাজেটৰ প্ৰাক্কলন প্ৰস্তুত আৰু অনুমোদনৰ ব্যৱস্থা কৰিছে। ব্যয়ৰ অনুমান স্থানীয় চৰকাৰে প্ৰদান কৰিবলগীয়া সেৱা আৰু এই সেৱাসমূহ প্ৰদানৰ লগত জড়িত খৰচৰ ওপৰত নিৰ্ভৰ কৰে। পৌৰসভাৰ সেৱা প্ৰদানৰ বাবে আৰ্থিক সম্পদৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি, পুঁজিৰ প্ৰয়োজনীয়তাৰ সঠিক মূল্যায়ন আৰু দক্ষ সম্পদ আৱন্টনৰ বাবে উপযুক্ত উৎস চিনাক্তকৰণ কৰিবলৈ সেৱাৰ ব্যয়ৰ বৈজ্ঞানিক মূল্যায়ণ কৰাটো অতি প্ৰয়োজনীয়।

2020-21ৰ পৰা 2022-23লৈকে বাচনিকৃত ইউ এল বিসমূহৰ বাজেটৰ পৰীক্ষামূলক আৰু প্ৰকৃত পৰিসংখ্যাই বাজেট আৰু প্ৰকৃত লাভ আৰু ব্যয়ৰ মাজত যথেষ্ট পাৰ্থক্য উন্মোচন কৰে, যিয়ে অবাস্তৱ বাজেট প্ৰস্তুতৰ ইংগিত দিয়ে। 2021-22ৰ ভিতৰত উত্তৰ গুৱাহাটী এম বি-ত এই পাৰ্থক্য অস্বাভাৱিকভাৱে বেছি আছিল, য'ত প্ৰকৃত প্ৰাপ্তি (805.66 লাখ টকা) বাজেটৰ আনুমানিক (175.31 লাখ টকা) 361.27 শতাংশ অতিক্ৰম কৰাৰ বিপৰীতে 2020-

21ত ব্যয়ৰ অতিৰিক্ত অনুমান 15.05 শতাংশ আছিল। গুৱাহাটী পৌৰ নিগমে 2021-22ত বাজেটতকৈ প্ৰকৃত প্ৰাপ্তিৰ 156.76 শতাংশ অতিৰিক্ত আৰু 2020-21ত বাজেট ব্যয়ৰ 50.24 শতাংশ কম ব্যৱহাৰকে ধৰি ব্যাপক উঠা-নমা দেখুৱাইছে। যোৰহাট এম বি, তিতাবৰ এম বি, মাৰ্ঘেৰিটা এম বি, ডিগবৈ এম বি আদি ইউ এল বিসমূহে একাধিক বছৰত প্ৰাপ্ত আৰু ব্যয় দুয়োটাৰে ধাৰাবাহিকভাৱে 60-90 শতাংশ অতিৰিক্ত অনুমান কৰিছিল, আনহাতে কিছুমান বছৰত প্ৰকৃত আদায় অনুমানৰ এক তৃতীয়াংশতকৈও কম আছিল। কিছুমান বিশেষ ক্ষেত্ৰত (যেনে, 2022-23ত ডিগবৈ এম বি আৰু মাৰ্ঘেৰিটা এম বি) প্ৰকৃত পৰিসংখ্যা উপলব্ধ নাছিল, যিয়ে দুৰ্বল নিৰীক্ষণৰ ইংগিত দিয়ে। বাজেট কৰা পৰিসংখ্যাৰ পৰা এনে ব্যাপক আৰু পুনৰাবৃত্তিমূলক পাৰ্থক্যই ৰাজহৰ সম্ভাৱনা আৰু ব্যয়ৰ প্ৰয়োজনীয়তাৰ বাস্তৱিক মূল্যায়নৰ অনুপস্থিতিৰ দিশটো আঙুলিয়াই দিয়ে, যিয়ে বাজেটৰ বিত্তীয় পৰিকল্পনা আৰু নিয়ন্ত্ৰণ প্ৰণালিৰ কাৰ্যকাৰিতাক ক্ষতিগ্ৰস্ত কৰে। বাচনিকৃত ইউ এল বিসমূহে অবাস্তৱ বাজেট প্ৰস্তুত কৰাৰ সবিশেষ ***পৰিশিষ্ট 5.2***ত দেখুওৱা হৈছে।

5.5.2 সম্পত্তি কৰ সংগ্ৰহৰ বকেয়া

অসম পৌৰ আইন, 1956 আৰু অসম নগৰীয়া স্থাৱৰ সম্পত্তি কৰ আইন, 1969ৰ ধাৰা 68ত অসমৰ পৌৰসভাসমূহক নিজা অধিকাৰক্ষেত্ৰৰ ভিতৰত থকা মাটি আৰু অট্টালিকাসমূহৰ ওপৰত সম্পত্তি কৰৰ মূল্যায়ন, আৰোপ আৰু সংগ্ৰহৰ ক্ষমতা প্ৰদান কৰা হৈছে। গুৱাহাটী পৌৰনিগম (জি এম চি), গুৱাহাটী পৌৰ নিগম আইন, 1971ৰ অধীনত কাম কৰে। বাচনিকৃত তিনিখন জিলাৰ নিৰ্বাচিত ইউ এল বি-য়ে প্ৰদান কৰা তথ্যত দেখা গৈছে যে 31 মাৰ্চ 2023 তাৰিখলৈকে সম্পত্তি কৰ সংগ্ৰহত বৃহৎ বকেয়া দেখা গৈছিল। বাকী থকা সম্পত্তি কৰৰ সাৰাংশ তলত **সাৰণী 5.6**ত দেখুওৱা হৈছে:

সাৰণী 5.6: নিৰ্বাচিত ইউ এল বিসমূহত বাকী থকা সম্পত্তি কৰৰ স্থিতি

(কোটি টকাত)

ক্ৰ নং	ইউ এল বি-ৰ নাম	বকেয়াৰ সৈতে দাবী	সংগ্ৰহ	ঘাটি	ঘাটিৰ শতাংশ
1	তিনিচুকীয়া এম বি	8.96	4.33	4.63	51.67
2	মাৰ্ঘেৰিটা এম বি	0.57	0.38	0.19	33.33
3	ডিগবৈ এম বি	0.86	0.76	0.10	11.63
4	যোৰহাট এম বি	10.23	3.92	6.31	61.68
5	মৰিয়নী এম বি	0.33	0.21	0.12	36.36
6	তিতাবৰ এম বি	0.32	0.26	0.06	18.75
7	উত্তৰ গুৱাহাটী এম বি	2.53	1.10	1.43	56.52
8	জি এম চি	370.40	116.69	253.71	68.50

ওপৰৰ তালিকাখনে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত যথেষ্ট ঘাটিৰ ইংগিত দিয়ে, বিশেষকৈ গুৱাহাটী পৌৰ নিগমৰ বাবে, তাৰ পিছতে যোৰহাট এম বি, উত্তৰ গুৱাহাটী এম বি আৰু তিনিচুকীয়া এম বি, যিবোৰৰ যথেষ্ট পৰিমাণে বকেয়া লগতে দাবী আছিল। অন্যান্য পৌৰসভাৰ বকেয়া দাবী কম হলেও মুঠ দাবীৰ সংশ্লিষ্ট শতাংশ 11.38ৰ পৰা 36.36 শতাংশলৈকে ভিন্ন আছিল।

ইয়াৰ দ্বাৰা সংগ্রহ প্রক্রিয়া আৰু অতিৰিক্ত ধন পৰিশোধ পৰিচালনাৰ ব্যৱস্থাত সম্ভাব্য দুর্বলতাসমূহৰ সৈতে এক উল্লেখযোগ্য বিষয়ৰ ইংগীত পোৱা যায়, যাৰ ফলত সংস্থাটোৰ বিত্তীয় স্থিতিশীলতা আৰু ইয়াৰ বিধিগত বাধ্যবাধকতাসমূহ পালন কৰাৰ ক্ষমতাত প্রভাৱ পেলায়।

5.5.3 ট্রেড লাইচেন্স সংগ্রহত বকেয়া

অসম পৌৰ আইন, 1956ৰ ধাৰা 68, 228, 229 আৰু 230ত অসমৰ পৌৰসভাসমূহক দোকান-পোহাৰ, ব্যৱসায়িক প্রতিষ্ঠান আৰু ব্যৱসায়িক কার্যকলাপৰ সৈতে জড়িত সকলো ব্যৱসায়িক প্রতিষ্ঠানৰ পৰা বাণিজ্যিক অনুজ্ঞাপত্রৰ মূল্যায়ন, বলবৎ আৰু সংগ্রহৰ ক্ষমতা প্রদান কৰা হৈছে। নির্বাচিত তিনিখন জিলাৰ নির্বাচিত ইউ এল বিসমূহে প্রদান কৰা তথ্যই প্রকাশ কৰিছে যে তলৰ **সাৰণী-5.7**ত দেখুওৱাৰ দৰে বাণিজ্য অনুজ্ঞাপত্র সংগ্রহৰ ক্ষেত্রত বৃহৎ বকেয়া আছে:

সাৰণী 5.7: নির্বাচিত ইউ এল বিসমূহত বাকী থকা বাণিজ্যিক অনুজ্ঞাপত্র মাচুলৰ স্থিতি

(কোটি টকাত)

ক্র নং	ইউ এল বি-ৰ নাম	বকেয়াৰ সৈতে দাবী	সংগ্রহ	ঘাটি	ঘাটিৰ শতাংশ
1	তিনিচুকীয়া এম বি	4.48	0.50	3.98	88.84
2	মার্ঘেৰিটা এম বি	0.91	0.06	0.85	92.91
3	ডিগবৈ এম বি	0.15	0.14	0.02	12.43
4	উত্তৰ গুৱাহাটী এম বি	0.12	0.02	0.10	82.29
5	জি এম চি	48.96	29.41	19.55	39.93
6	যোৰহাট এম বি	1.62	1.10	0.53	32.42
7	মৰিয়নী এম বি	0.20	0.01	0.13	66.73
8	তিতাবৰ এম বি	0.14	0.08	0.05	38.00

বৈধ বাণিজ্যিক অনুজ্ঞাপত্রৰ অনুপস্থিতিয়ে ইউ এল বিসমূহৰ সম্ভাব্য ৰাজহৰ ক্ষতিৰ লগতে স্থানীয় পৌৰসভাৰ আইন আৰু নিয়মসমূহ অমান্য হোৱাৰ ইংগিত দিয়ে।

5.5.4 ভাড়া সংগ্রহত বকেয়া

পৌৰসভাসমূহে বিশেষকৈ তেওঁলোকৰ পৰিচালনাৰ অধীনত থকা তেওঁলোকৰ নিজৰ সম্পত্তি বা সম্পত্তিৰ বাবে ভাড়া সংগ্রহ নিয়ন্ত্রণ কৰা প্রাথমিক আইনী কাঠামো অসম পৌৰ আইন, 1956ৰ ধাৰা 148 আৰু 149ৰ দ্বাৰা পৰিচালিত হয়। নির্বাচিত তিনিখন জিলাৰ নির্বাচিত ইউ এল বিসমূহে প্রদান কৰা তথ্যই প্রকাশ কৰে যে **সাৰণী-5.8**ত দেখুওৱাৰ দৰে ব্যৱসায়িক অনুজ্ঞাপত্র সংগ্রহৰ ক্ষেত্রত বৃহৎ বকেয়া আছে তলত:

সাৰণী 5.8: নির্বাচিত ইউ এল বিসমূহত বাকী থকা ভাড়াৰ স্থিতি (কোটি টকাত)

ক্র নং	ইউ এল বি-ৰ নাম	বকেয়াৰ সৈত দাবী	সংগ্রহ	ঘাটি	ঘাটিৰ শতাংশ
1	তিনিচুকীয়া এম বি	1.65	0.82	0.84	50.64
2	ডিগবৈ এম বি	0.09	0.08	0.01	14.21
3	মার্ঘেৰিটা এম বি	0.04	0.02	0.02	46.13
4	যোৰহাট এম বি	1.86	0.52	1.34	71.83
5	মৰিয়নী এম বি	0.36	0.11	0.25	70.36
6	তিতাবৰ এম বি	0.09	0.09	0.00	0.00

ওপৰৰ তালিকাখনে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত যথেষ্ট অভাৱৰ ইংগিত দিয়ে, বিশেষকৈ যোৰহাট এম বি, মৰিয়নী এম বি, তিনিচুকীয়া এম বি আৰু মাৰ্ঘেৰিটা এম বিৰ বাবে যিবোৰৰ ভাড়াৰ যথেষ্ট বকেয়া আছে। আনহাতে ডিগবৈ এম বিৰ বকেয়া চাহিদা তুলনামূলকভাৱে কম। উল্লেখ কৰিব পাৰি যে তিতাবৰ এম বিৰ ক্ষেত্ৰত কোনো বাকী থকা নাই।

ইয়াৰ পৰা সংগ্ৰহ প্ৰক্ৰিয়াৰ সৈতে এটা উল্লেখযোগ্য সমস্যা আৰু অতিৰিক্ত ধন পৰিশোধ পৰিচালনাৰ বাবে ব্যৱস্থাটোৰ সম্ভাব্য দুৰ্বলতাসমূহৰ কথা অনুমান কৰিব পাৰি, যিয়ে সংস্থাটোৰ আৰ্থিক স্থিতিশীলতা আৰু ইয়াৰ বিধিগত বাধ্যবাধকতাসমূহ পালন কৰাৰ ক্ষমতাত প্ৰভাৱ পেলায়।

5.6 ৰাজ্যিক বিত্ত আয়োগ (এছ এফ চি)ৰ পৰামৰ্শ আৰু এছ এফ চি পুঁজিৰ ব্যৱহাৰ

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 243 I আৰু 243 Y অনুসৰি 73 আৰু 74 নং সাংবিধানিক সংশোধনীৰ চৰ্ত অনুযায়ী যথাক্ৰমে পঞ্চায়ত আৰু পৌৰসভাৰ বিত্তীয় অৱস্থা পুনৰীক্ষণৰ বাবে ৰাজ্যিক বিত্ত আয়োগ (এছ এফ চি) প্ৰতি পাঁচ বছৰৰ ম্যাদ উকলি যোৱাৰ লগে লগে নিযুক্তি দিব লাগে। মূল পৰামৰ্শসমূহে সাধাৰণতে ৰাজ্যিক কৰ, শুল্ক, টোল, আৰু মাচুলৰ বিতৰণ আৰু নিযুক্তি, সাহায্যৰ পৰিমাণ, স্থানীয় সংস্থাসমূহৰ বিত্তীয় অৱস্থা বৃদ্ধিৰ ব্যৱস্থা আৰু অন্যান্য প্ৰাসংগিক বিত্তীয় বিষয়সমূহ সামৰি লয়। প্ৰত্যেকৰে নিৰ্দিষ্ট পৰামৰ্শৰ সৈতে অসমত এই পৰ্যন্ত ছটা এছ এফ চি[26] হৈছিল। এছ এফ চি-ৰ পৰামৰ্শৰ ভিত্তিত বিভক্ত কৰা ধনসমূহ অত্যাৱশ্যকীয় সেৱা, উন্নয়নমূলক কাৰ্য্যকলাপ, দৰমহা আৰু কাৰ্য্যকৰী খৰচ, আন্তঃগাঁথনি উন্নয়ন, নিৰ্দিষ্ট প্ৰকল্প, আৰু পি আৰ আই আৰু ইউ এল বিসমূহত সামৰ্থ্য বিকাশৰ উদ্দেশ্য কৰা হৈছে। ইউ এল বিসমূহলৈ এছ এফ চি-ৰ ধন হস্তান্তৰৰ অৱস্থা তলৰ ***সাৰণী 5.9***ত দেখুওৱা হৈছে:

সাৰণী 5.9: ইউ এল বি-ৰ এছ এফ চি পুঁজিৰ হস্তান্তৰ **(কোটি টকাত)**

ক্ৰ. নং.	বৰ্ষ	ৰাজ্য চৰকাৰৰ কৰ ৰাজহৰ নিকা উপাৰ্জন	হস্তান্তৰ হ'বলগীয়া ধন	হস্তান্তৰ হোৱা পুঁজি	কম হস্তান্তৰ (বন্ধনীত শতাংশ)
1	2019-20	16528.69	198.20	109.98	88.22 (45)
2	2020-21	17133.61	68.64	0.00	68.64 (100)
3	2021-22	19533.10	123.14	39.50	83.64 (65)
4	2022-23	24502.02	133.63	159.18	নাই
5	2023-24	28020.00	175.06	69.93	60.05 (60)

উৎস: বিভাগে প্ৰদান কৰা তথ্য

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে 2022-23ৰ বাহিৰে 2019-20ৰ পৰা 2023-24লৈকে চৰকাৰে এছ এফ চি-ৰ ধনৰ ধাৰাবাহিকভাৱে কম হস্তান্তৰ (60ৰ পৰা 100 শতাংশ) কৰিছিল। স্থানীয় শাসন ব্যৱস্থা শক্তিশালী কৰাৰ লগতে অসমত এই সম্পদসমূহৰ সুবিধাসমূহে যাতে তৃণমূল পৰ্যায়ত উপনীত হয় তাৰ বাবে এছ এফ চি-ৰ পুঁজিৰ সময়োপযোগী আৰু ফলপ্ৰসূ ব্যৱহাৰ অতি গুৰুত্বপূৰ্ণ আছিল।

5.7 কেন্দ্ৰীয় বিত্ত আয়োগৰ পৰামৰ্শ (চি এফ চি) আৰু চি এফ চি পুঁজিৰ ব্যৱহাৰ

কেন্দ্ৰীয় বিত্ত আয়োগ (চি এফ চি) হৈছে এক সাংবিধানিক সংস্থা যিয়ে ৰাজ্যিক বিত্ত আয়োগৰ (এছ এফ চি) পৰামৰ্শৰ ভিত্তিত স্থানীয় সংস্থাসমূহক (পি আৰ আই আৰু ইউ এল বি) অনুদানকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বিত্তীয় সম্পদ বিতৰণৰ পৰামৰ্শ দিয়ে। অসমৰ বাবে পঞ্চদশ বিত্ত আয়োগ (2021-2026)ৰ দৰে চি এফ চি-য়ে কেন্দ্ৰীয় কৰ আৰু বিভিন্ন সহায়ক অনুদানৰ ৰাজ্যৰ অংশ নিৰ্দিষ্ট কৰি দিয়ে।

[26] সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগ এতিয়াও কাৰ্যকৰী হৈ আছে আৰু এতিয়াও প্ৰতিবেদন দাখিল কৰিব পৰা নাই

স্থানীয় নিকায়সমূহৰ বাবে চি এফ চি অনুদানসমূহ নিৰীক্ষণ কৰা ব্যৱহাৰৰ সৈতে মৌলিক সেৱা আৰু আন্তঃগাঁথনিৰ বাবে পি আৰ আই আৰু ইউ এল বিসমূহলৈ হস্তান্তৰ কৰা হৈছিল। খণ্ড নির্দিষ্ট আৰু বিশেষ অনুদান কেন্দ্রীয় নির্দেশনা অনুসৰি নিজৰ উদ্দেশ্য প্রণোদিত উদ্দেশ্যত ব্যৱহাৰ কৰিবলগীয়া হৈছিল। ইউ এল বিসমূহে চি এফ চি অনুদান গ্রহণ আৰু ব্যৱহাৰ তলৰ **চিত্র তালিকা 5.4**ত দেখুওৱা হৈছে:

চিত্র তালিকা 5.4: ইউ এল বিসমূহৰ দ্বাৰা চি এফ চি অনুদান গ্রহণ আৰু ব্যৱহাৰ



2019-20ৰ পৰা 2022-23লৈ প্রাপ্ত কৰা অনুদানসমূহে বৃদ্ধি পোৱাৰ ধাৰা দেখুৱাইছে, তাৰ পিছত 2023-24ত হ্রাস পাইছে। প্রথম চাৰি বছৰৰ বাবে প্রাপ্তিৰ মিল থকাৰ বিপৰীতে 2023-24ত যথেষ্ট পৰিমাণে (171.59 কোটি টকা) অব্যৱহৃত হৈ আছিল।

5.8 তথ্যৰ ৰক্ষণাবেক্ষণ

তথ্য আৰু পঞ্জীৰ ৰক্ষণাবেক্ষণ আভ্যন্তৰীণ নিয়ন্ত্রণ ব্যৱস্থাৰ অন্যতম গুৰুত্বপূর্ণ আহিলা। কিন্তু পৰীক্ষা কৰা 21টা ইউ এল বি-ৰ নথি-পত্র ৰক্ষণাবেক্ষণৰ ক্ষেত্রত নিম্নোক্ত অনিয়মসমূহ দেখা গৈছিল:

5.8.1 মৌলিক নথি-পত্রৰ ৰক্ষণাবেক্ষণ নকৰা

2023-24ৰ ভিতৰত হিচাপ পৰীক্ষা কৰা 21টা ইউ এল বি-ৰ ভিতৰত 12টা ইউ এল বি-য়ে ***পৰিশিষ্ট-5.3***ত বিতংভাৱে উল্লেখ কৰা অনুসৰি কেছ বুক, চার্ভিচ বুক, ডিমাণ্ড ৰেজিষ্টাৰ, মেজাৰমেণ্ট বুক, ৰচিদ বুক, সংগ্রহ পঞ্জীয়ন, এচেট ৰেজিষ্টাৰ আৰু ষ্টক ৰেজিষ্টাৰৰ দৰে মৌলিক নথি-পত্র ৰখা নাছিল। এই নথি-পত্রসমূহৰ অভাৱ ইউ এল বিসমূহে সামগ্রীৰ প্রকৃত প্রাপ্তি আৰু ব্যৱহাৰ নিৰীক্ষণ কৰিব পৰা নাছিল। ইয়াৰ ফলত আঁচনিসমূহ ৰূপায়ণৰ উদ্দেশ্যে ব্যৱহৃত সামগ্রীৰ অপব্যৱহাৰৰ সম্ভাৱনা বৃদ্ধি পাব পাৰে। ইয়াৰ উপৰিও, ৰচিদ বহী আৰু সংগ্রহ পঞ্জীৰ পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰাটোৱে ইউ এল বিসমূহৰ নিজা প্রাপ্তি আত্মসাৎ/ অপব্যৱহাৰৰ আশংকাৰ বিপৰীতে ইউ এল বি প্রশাসনসমূহৰ অস্তিত্বহীন নিয়ন্ত্রণৰ ইংগিত দিয়ে।

5.8.2 নগদ ধন আৰু বেংক উদ্বৃত্তৰ সমিলমিল নকৰা

ৰাষ্ট্রীয় পৌৰসভাৰ একাউণ্ট মেনুৱেলৰ অধ্যায় 30ত বেংক একাউণ্টৰ সৈতে কেছ বুক সমিলমিল কৰাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

হিচাপ পৰীক্ষাৰ সময়ত দেখা গ'ল যে 2023-24ৰ ভিতৰত আঠটা ইউ এল বি[27]-য়ে কেছ বুকত থকা উদ্বৃত্ত বেংক পাছবুকৰ সৈতে সমিলমিল কৰা নাছিল ফলত 0.14 লাখ টকাৰ পৰা 50.22 লাখ টকালৈকে পাৰ্থক্যৰ সৃষ্টি হৈছিল।

যিহেতু ইউ এল বিসমূহৰ কোনো সমিলমিল কৰা নাছিল, সেয়েহে কেছ বুক আৰু বেংক পাছবুকৰ সংখ্যাৰ পাৰ্থক্য হিচাপ পৰীক্ষাই একেখিনি কথা আঙুলিয়াই নিদিয়ালৈকে ধৰা পৰা নাছিল আৰু অমিল হৈ আছিল। ই চৰকাৰৰ ধনৰ প্ৰৱঞ্চনা আৰু আত্মসাৎৰ আশংকাৰ বিপৰীতে ব্যৱস্থাটোৰ অন্তর্নির্মিত নিয়ন্ত্রণ ব্যৱস্থাটোক শিথিল কৰি তুলিছিল।

সকলো ইউ এল বি-য়ে যাতে মাহিলী ভিত্তিত তেওঁলোকৰ কেছ বুক আৰু বেংক একাউণ্টৰ সমিলমিল কৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

5.9 ইউ এল বি-ৰ দ্বাৰা একাউণ্ট ৰক্ষণাবেক্ষণ

অসম চৰকাৰে (জি অ' এ) ৰাষ্ট্ৰীয় পৌৰ হিচাপ-নিকাচৰ হাতপুথি (এন এম এ এম) গ্ৰহণ কৰিছিল (মাৰ্চ 2011) য'ত এক্ৰুৱেল ভিত্তিক ডাবল এণ্ট্ৰি ব্যৱস্থা আৰু সকলো ইউ এল বি-তে উন্নত বিত্তীয় ব্যৱস্থাপনা প্ৰৱৰ্তনৰ পৰামৰ্শ আগবঢ়াইছিল। এন এম এ এম অনুসৰি ইউ এল বিসমূহে এক্ৰুৱেল ভিত্তিত একাউণ্ট ৰক্ষণাবেক্ষণ কৰিব লাগিব আৰু প্ৰতিটো ত্ৰৈমাসিকৰ শেষত বেলেন্স শ্বীট, আয় আৰু ব্যয়ৰ বিৱৰণী, নগদ ধনৰ প্ৰবাহৰ বিৱৰণ আৰু প্ৰাপ্তি আৰু আদায় হিচাপৰ দৰে বিত্তীয় বিৱৰণ প্ৰস্তুত কৰিব লাগিব।

কিন্তু, হিচাপ পৰীক্ষাত[28] দেখা গ'ল যে কেৱল শিলচৰ আৰু বঙাইগাঁও এম বি-য়েহে যথাক্ৰমে 2019-20 আৰু 2021-22ৰ পৰা এক্ৰুৱেল ভিত্তিক একাউণ্টিং ব্যৱস্থা ৰূপায়ণ কৰিছিল আৰম্ভ কৰিছিল। হিচাপ পৰীক্ষা কৰা বাকী ইউ এল বিসমূহে এক্ৰুৱেল ভিত্তিক একাউণ্টিং ব্যৱস্থা কাৰ্যকৰী কৰা নাছিল (2023-24লৈকে) আৰু নগদ ধনৰ ভিত্তিত নিজৰ একাউণ্ট ৰক্ষণাবেক্ষণ অব্যাহত ৰাখিছিল। তদুপৰি এন এম এ এম ৰূপায়ণৰ তদাৰক কৰিবলৈ ৰাজ্যিক পৰ্যায়ত কোনো নিৰীক্ষণ ব্যৱস্থা নাছিল।

বিভাগে জনাইছিল (অক্টোবৰ 2024) যে এক্ৰুৱেল ভিত্তিক ডাবল এণ্ট্ৰি ব্যৱস্থাটো মিছন মোডত ইউ পি ৰাই জি মডিউলৰ[29] জৰিয়তে ৰূপায়ণ কৰা হৈছে। ইয়াৰ উপৰিও কোৱা হৈছিল (নৱেম্বৰ 2024) যে এন এম এ এম-ত নির্ধাৰিত ফৰ্মেট অনুসৰি একাউণ্ট প্ৰস্তুত আৰু ৰক্ষণাবেক্ষণৰ বাবে সমগ্ৰ ইউ এল বিসমূহত বিত্তীয় ব্যৱস্থাপনা বিষয়া নিযুক্তি দিয়া হৈছে।

5.10 ইউ এল বিসমূহৰ একাউণ্টৰ হিচাপ পৰীক্ষা

অসম স্থানীয় পুঁজি (একাউন্ট আৰু হিচাপ পৰীক্ষা) আইন, 1930ৰ অধীনত স্থাপিত হিচাপ পৰীক্ষা সঞ্চালকালয়, স্থানীয় পুঁজি (ডি এ এল এফ), অসম ৰাজ্যৰ সকলো স্তৰৰ ইউ এল বি-ৰ প্ৰাথমিক হিচাপ পৰীক্ষক। বিত্ত বিভাগৰ সৈতে প্ৰশাসনিকভাৱে জড়িত সঞ্চালকালয়ৰ দায়িত্ব (i) 20টা চক্ৰ কাৰ্যালয়ৰ সহায়ত স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা কৰা, যাৰ প্ৰত্যেকৰে নেতৃত্বত থাকে জিলা পৰ্যায়ত এজন সহকাৰী সঞ্চালক; আৰু (ii) প্ৰশাসনিক বিভাগসমূহৰ

---

27 গোসাঁইগাঁও এম বি, ওদালগুৰি এম বি, টংলা এম বি, বিজনী এম বি, কোকৰাঝাৰ এম বি, মাকুম এম বি, ধেমাজি এম বি আৰু জামুগুৰিঘাট এম বি

28 এই প্ৰতিবেদনৰ অধ্যায় VIত অন্তর্ভুক্ত কৰা পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰাৰ বিষয় নির্দিষ্ট অনপালন হিচাপ পৰীক্ষাৰ অধীনত সামৰি লোৱা 22টা ইউ এল বি-ৰ হিচাপ পৰীক্ষা অন্তর্ভুক্ত ।

29 অনলাইন শাসন ব্যৱস্থা প্ৰদানৰ বাবে নগৰীয়া মঞ্চ: ইউ পি আই অ' জি হৈছে অনলাইন পৌৰসভা সেৱা প্ৰদানৰ বাবে সৃষ্টি কৰা ৰাষ্ট্ৰীয় ৰেফাৰেন্স মঞ্চ।

হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দাখিল কৰাত সহায় কৰা। চৰকাৰে সময়ে সময়ে জাৰি কৰা অসম হিচাপ পৰীক্ষা মেনুৱেল, 2002 আৰু ইয়াৰ অন্যান্য নিৰ্ধাৰিত নিয়ম আৰু সংশোধনী অনুসৰি হিচাপ পৰীক্ষা কৰা হয়।

5.10.1 ডি এ এল এফ-ৰ দ্বাৰা হিচাপ পৰীক্ষা কভাৰেজ

হিচাপ পৰীক্ষা কৰিবলৈ পৰিকল্পনা কৰা ইউনিটসমূহৰ বছৰেকীয়া স্থিতি আৰু প্ৰকৃততে হিচাপ পৰীক্ষা কৰা ইউনিটসমূহৰ বিষয়ে **সাৰণী 5.10**ত বিতংভাৱে উল্লেখ কৰা হৈছে।

সাৰণী 5.10: ডি এ এল এফ-ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত ইউ এল বিসমূহৰ কভাৰেজ

বৰ্ষ	হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত ইউনিটৰ সংখ্যা	হিচাপ পৰীক্ষা কৰা ইউনিটৰ সংখ্যা	ঘাটি (শতাংশ)
2019-20	69	31	38 (55)
2020-21	69	37	32 (46)
2021-22	57	15	42 (74)
2022-23	57	31	26 (46)
2023-24	83	28	55(66)

উৎস: ডি এ এল এফ, অসম-ৰ দ্বাৰা প্ৰদান কৰা তথ্য

ওপৰৰ সাৰণীখনে দেখাইছে যে 2019-20ৰ পৰা 2023-24 বৰ্ষৰ ভিতৰত ডি এ এল এফ-ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ কভাৰেজত 46 শতাংশৰ পৰা 74 শতাংশলৈকে ঘাটি আছিল।

ডি এ এল এফে জনাইছিল (ছেপ্টেম্বৰ 2024) যে হিচাপ পৰীক্ষা কভাৰেজৰ ঘাটিৰ কাৰণ হৈছে অপৰ্যাপ্ত হিচাপ পৰীক্ষা কৰ্মচাৰী, হিচাপ পৰীক্ষা কৰ্মীৰ বৃহৎ খালী পদ, বিত্ত বিভাগে নিৰ্দ্ধাৰণ কৰা অনুসৰি হিচাপ পৰীক্ষা কৰিবলগীয়া যথেষ্ট সংখ্যক অন্যান্য একাউণ্ট, চৰকাৰে বিশেষভাৱে অৰ্পণ কৰা একাউণ্ট, অন্যান্য বিশেষ কৰ্তব্য যেনে নিৰ্বাচন, *গুনোৎসৱ*[30], ইত্যাদি।

5.10.2 ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা

ৰাজ্য চৰকাৰে মে' 2002ত অৰ্পণ কৰা কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ) ব্যৱস্থা অনুসৰি চি এ জি (কৰ্তব্য, ক্ষমতা আৰু সেৱাৰ চৰ্তাৱলী) আইন, 1971ৰ ধাৰা 20(1)ৰ অধীনত ইউ এল বি-ৰ হিচাপ পৰীক্ষা কৰে আৰু ইয়াৰ পিছত টি জি এছ-ৰ (মে' 2011) চৰ্ত আৰু নিয়মসমূহ 13 নং এফ চি-ৰ পৰামৰ্শ অনুসৰি গ্ৰহণ কৰে। সেয়েহে চি এ জি-এ টি জি এছ-ৰ অধীনত ইউ এল বি-সমূহৰ নিৰ্বাচিত হিচাপ পৰীক্ষাহে কৰে। এপ্ৰিল 2023ৰ পৰা মাৰ্চ 2024লৈকে 22টা ইউ এল বি-ৰ একাউণ্ট বাচনিমূলক হিচাপ পৰীক্ষা কৰা হৈছিল।

5.11 হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ প্ৰতি সঁহাৰি

অসমৰ মহাহিচাপ পৰীক্ষক (হিচাপ পৰীক্ষা)ৰ কাৰ্যালয়ৰ দ্বাৰা পৰিদৰ্শন প্ৰতিবেদন (আই আৰ)ৰ প্ৰতিলিপি ৰাজ্য চৰকাৰক দিয়াৰ লগতে হিচাপ পৰীক্ষা কৰা ইউ এল বিসমূহলৈ প্ৰেৰণ কৰা হৈছিল। ইউ এল বিসমূহে আই আৰসমূহত থকা পৰ্যবেক্ষণসমূহ মানি চলিব লাগিছিল, অশুদ্ধ আৰু বাদ পৰাসমূহ শুধৰণি কৰিব লাগিছিল আৰু আই আৰ জাৰি কৰাৰ পিছত সেইবোৰ মানি চলাৰ বিষয়ে তৎক্ষণাত ৰিপৰ্ট কৰিব লাগিছিল। গুৰুত্বপূৰ্ণ হিচাপ পৰীক্ষাৰ

[30] *গুনোৎসৱ* হৈছে চৰকাৰী আৰু প্ৰাদেশিক বিদ্যালয়ৰ বিভিন্ন দিশৰ মূল্যায়নৰ বাবে অসম চৰকাৰে আৰম্ভ কৰা এক বিস্তৃত মূল্যায়ন কাৰ্যসূচী।

পৰ্যবেক্ষণসমূহ স্থানীয় নিকায়সমূহৰ সন্দৰ্ভত চি এ জি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰক্ৰিয়াকৰণ কৰা হৈছিল।

ইউ এল বিসমূহৰ ক্ষেত্ৰত (মাৰ্চ 2024লৈকে) বাকী থকা দফাসমূহৰ বিৱৰণ **সাৰণী 5.11**ত দেখুওৱা হৈছে।

সাৰণী 5.11: ইউ এল বি-ৰ সন্দৰ্ভত বাকী থকা আই আৰ আৰু দফাসমূহৰ বিৱৰণ

বৰ্ষ	জাৰি কৰা আই আৰ-ৰ সংখ্যা	দফাৰ সংখ্যা	প্ৰথম উত্তৰ দাখিল
2019-20	15	132	0
2020-21	04	23	0
2021-22	04	118	0
2022-23	07	26	0
2023-24	20	188	0
মুঠ	**50**	**487**	**0**

উৎস: মহাহিচাপ পৰীক্ষক (হিচাপ পৰীক্ষা), অসমৰ প্ৰগতি পঞ্জী

মাৰ্চ 2024লৈকে সংশ্লিষ্ট ইউ এল বিসমূহৰ পৰা উত্তৰ নোপোৱাৰ বাবে 487টা দফাৰ নিষ্পত্তি হ'বলৈ বাকী থকাটো এইটো সূচায় যে হিচাপ পৰীক্ষা পৰ্যবেক্ষণ মানি চলাটো গুৰুত্ব সহকাৰে লোৱা নাছিল। সংশ্লিষ্ট বিভাগসমূহৰ প্ৰশাসনিক মুৰব্বীসকলেও ইউ এল বি-ৰ সংশ্লিষ্ট বিষয়াসকলে আই আৰসমূহক উত্তৰ প্ৰদানৰ ক্ষেত্ৰত তৎকালীন আৰু সময়মতে ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা নাছিল, যাৰ ফলত ইউ এল বি-ৰ জবাব দিহিতাৰ ব্যৱস্থা দুৰ্বল হৈ পৰিছিল।

অধ্যায়-VI

পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰা সন্দৰ্ভত এছ এছ চি এ আৰু ইউ এল বি-সমূহৰ অনুদানৰ ব্যৱহাৰ

অধ্যায়-VI

বিষয় নির্দিষ্ট অনুপালন হিচাপ পৰীক্ষা

পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ পৰামৰ্শসমূহ কার্যকৰী কৰা আৰু ইউ এল বিসমূহ-ৰ অনুদানৰ ব্যৱহাৰ

6.1 সূচনা

ভাৰতীয় সংবিধানৰ 243 I আৰু 243 Y অনুচ্ছেদ অনুসৰি 73 আৰু 74 নং সাংবিধানিক সংশোধনীৰ চর্ত অনুসৰি ক্রমে পঞ্চায়ত আৰু পৌৰসভাৰ বিত্তীয় অৱস্থা পুনৰীক্ষণৰ বাবে প্রতি পঞ্চম বছৰৰ ম্যাদ উকলি যোৱাৰ লগে লগে ৰাজ্যিক বিত্ত আয়োগ (এছ এফ চি) নিযুক্তি দিব লাগে। এছ এফ চি-য়ে শুল্ক, টোল আৰু মাচুল আদিৰ বিভাজনকে ধৰি পৌৰ নিগমসমূহলৈ ইয়াৰ আবণ্টন আৰু পৌৰ নিগমমূহলৈ সহায়ক অনুদান আদিকে ধৰি মজবুত বিত্তীয় ব্যৱস্থাৰ বাবে প্রয়োজনীয় ব্যৱস্থাৰ ওপৰত পৰামর্শ আগবঢ়াব। পূর্বতে উল্লেখ কৰা সাংবিধানিক বিধানসমূহৰ ভিত্তিত অসম চৰকাৰে এতিয়ালৈকে ছটা ৰাজ্যিক বিত্ত আয়োগ[31] গঠন কৰিছে। পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ গঠন প্রথম বাৰৰ বাবে মার্চ 2013ত অধিসূচনা কৰা হৈছিল। নতুন অধ্যক্ষৰ যোগদানৰ লগে লগে অক্টোবৰ 2013ত চৰকাৰী অধিসূচনাৰ জৰিয়তে পুনৰ গঠন কৰা হৈছিল। আয়োগে সাধাৰণ অঞ্চলসমূহৰ[32] পঞ্চায়ত আৰু পৌৰ নিগমসমূহৰ আর্থিক অৱস্থাৰ পর্যালোচনা কৰাৰ লগতে 2015-16ৰ পৰা 2019-20লৈকে পাঁচ বছৰীয়া সময়ছোৱা সামৰি ইয়াৰ সর্বাংগীন উন্নয়নৰ বাবে পৰামর্শ আগবঢ়াব লাগিছিল। প্রতিবেদন দাখিল কৰাত পলম হোৱাৰ বাবে কার্যকৰী ম্যাদ 2016-17ৰ পৰা 2019-20লৈ পৰিণত হয়।

6.2 পঞ্চম এ এছ এফ চি-ৰ টার্ম্চ অফ ৰেফাৰেঞ্চ

তলত উল্লেখ কৰা বিষয়সমূহৰ ওপৰত পৰামর্শ দিবলৈ আয়োগ কর্তৃত্বশীল:

- স্থানীয় নিকায়সমূহৰ সৈতে ৰাজ্য চৰকাৰে আৰোপ কৰিবলগীয়া কৰ, শুল্ক, টোল আৰু মাচুলৰ শুদ্ধ উপার্জনৰ ভাগ-বতৰা।
- স্থানীয় নিকায়সমূহক আৱণ্টন কৰিব পৰা কৰ, শুল্ক, টোল আৰু মাচুল।
- ৰাজ্যিক সঞ্চিত পুঁজিৰ পৰা স্থানীয় নিকায়সমূহলৈ দিয়া সবায়ক অনুদান।

টার্মছ অৱ ৰেফাৰেন্স (টি অ' আৰ) অনুসৰি পঞ্চম এ এছ এফ চি-ক 30 এপ্রিল 2016ত প্রতিবেদন দাখিল কৰিবলৈ বাধ্যতামূলক কৰা হৈছিল আৰু ইয়াৰ ম্যাদ 1 এপ্রিল 2015ৰ পৰা 31 মার্চ 2020লৈকে পাঁচ বছৰৰ আছিল।

---

31 প্রথম এছ এফ চি, 1996-97 চনৰ পৰা 2000-01 চনলৈকে সামৰি; দ্বিতীয়তে, 2001-02 চনৰ পৰা 2005-06 চনলৈকে সামৰি; তৃতীয়তে, 2006-07 চনৰ পৰা 2010-11 চনলৈকে সামৰি; চতুর্থতে, 2011-12 চনৰ পৰা 2015-16 চনলৈকে সামৰি; পঞ্চমতে, 2016-17ৰ পৰা 2019-20লৈকে সামৰি; আৰু ষষ্ঠ, 2020-21ৰ পৰা 2024-25 চনলৈকে সামৰি।

32 'সাধাৰণ এলেকা' মানে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত অধিসূচনা কৰা অঞ্চলৰ বাহিৰে অন্য অঞ্চলক বুজায় (ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অসম, মেঘালয়, ত্রিপুৰা, আৰু মিজোৰাম ৰাজ্যৰ জনজাতীয় এলেকাৰ প্রশাসনৰ সৈতে জড়িত বিধান আছে)।

6.3 প্ৰতিবেদন দাখিল

যদিও পঞ্চম এ এছ এফ চি-এ 2015-16ৰ পৰা 2019-20লৈকে পাঁচ বছৰৰ সময়সীমা সামৰি ল'বলগীয়া আছিল, আনকি জুলাই 2016ত অন্তৰ্বৰ্তীকালীন প্ৰতিবেদন দাখিল কৰাৰ সময়লৈকে মূল ম্যাদৰ প্ৰথম বছৰটো ইতিমধ্যে শেষ হৈ গৈছিল। অন্তৰ্বৰ্তীকালীন প্ৰতিবেদনত 2016-17ৰ বাজেট আবণ্টনৰ কথা উল্লেখ কৰা হৈছিল।

পঞ্চম এ এছ এফ চি-য়ে 30 প্ৰতিবেদন দাখিল কৰাৰ নিৰ্ধাৰিত তাৰিখৰ পৰা (30.04.2016) সাত মাহৰ পলম কৰি নৱেম্বৰ 2016ত চূড়ান্ত প্ৰতিবেদন অসম চৰকাৰক দাখিল কৰিছিল। আয়োগৰ পৰামৰ্শৰ ওপৰত একচন টেকেন ৰিপ'ৰ্ট (এ টি আৰ) জুন 2017ত অৰ্থাৎ পঞ্চম এ এছ এফ চি-য়ে প্ৰতিবেদন দাখিল কৰাৰ ছমাহৰ পিছত ৰাজ্য চৰকাৰে দাখিল কৰিছিল।

পঞ্চম এ এছ এফ চি-য়ে চূড়ান্ত প্ৰতিবেদনত মুঠ 118টা পৰামৰ্শ আগবঢ়াইছিল ইয়াৰে 46টা পৰামৰ্শ নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)ৰ সৈতে জড়িত।

6.4 সাংগঠনিক গাথনি

জুলাই 2021ত নগৰ উন্নয়ন বিভাগ আৰু গুৱাহাটী উন্নয়ন বিভাগক একক বিভাগত (অৰ্থাৎ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ) একত্ৰিত কৰাৰ পূৰ্বে প্ৰধান সচিব নগৰ উন্নয়ন বিভাগৰ প্ৰশাসনিক মুৰব্বী আছিল, যি এম বিসমূহৰ প্ৰশাসনৰ দায়িত্বত আছিল। তেওঁক পৌৰ প্ৰশাসনৰ সঞ্চালক আৰু চহৰ আৰু গ্ৰাম্য পৰিকল্পনাৰ সঞ্চালকে সহায় কৰিছিল। গুৱাহাটী উন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব গুৱাহাটী উন্নয়ন বিভাগৰ প্ৰশাসনিক মুৰব্বী আছিল, যাক জি এম চি-ৰ আয়ুক্তই ৰিপোৰ্ট কৰিছিল।

একত্ৰীকৰণৰ পিছত আয়ুক্ত আৰু সচিব অসমৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ (ডি এইচ ইউ এ)[33]ৰ প্ৰশাসনিক মুৰব্বী ।

- পৌৰ প্ৰশাসনৰ সঞ্চালকে (ডি এম এ) ইউ এল বি (এম বি)সমূহৰ প্ৰশাসনৰ সৈতে জড়িত বিষয়সমূহ চোৱাচিতা কৰে আৰু
- জি এম চি-ৰ বাহিৰে ইউ এল বিসমূহৰ বাবে মাষ্টাৰ আৰু জ'নেল প্লেন প্ৰস্তুত কৰাৰ বাবে নগৰ আৰু গ্ৰাম্য পৰিকল্পনা (টি এণ্ড চি পি)ৰ সঞ্চালক দায়বদ্ধ।

আয়ুক্তই জি এম চি-ৰ প্ৰশাসন চোৱাচিতা কৰে আৰু ডি এইচ ইউ এ-ৰ আয়ুক্ত আৰু সচিবক ৰিপোৰ্ট কৰে। ইউ এল বিসমূহৰ সাংগঠনিক গঠন তলৰ **চিত্ৰ তালিকা 6.1**ত দেখুওৱা হৈছে:

[33] পূৰ্বৰ গুৱাহাটী উন্নয়ন বিভাগ (জানুৱাৰী 1994ৰ পৰা অস্তিত্বত) আৰু নগৰ উন্নয়ন বিভাগ (জুন 2002ৰ আগতে পৌৰ প্ৰশাসন আৰু নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগ হিচাপে জনাজাত) জুলাই 2021ত একত্ৰিত কৰি "গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ" নামেৰে নামাকৰণ কৰা হয়।

চিত্ৰ তালিকা 6.1: ইউ এল বি সম্পৰ্কীয় বিষয়সমূহ তদাৰক আৰু পৰিচালনা কৰিবলৈ ৰাজ্যিক পৰ্যায়ৰ বিষয়ৱৰীয়া সাংগঠনিক গঠন।



6.5 হিচাপ পৰীক্ষাৰ উদ্দেশ্য

এছ এছ চি এ-ৰ উদ্দেশ্য আছিল নিম্নলিখিতসমূহ মূল্যায়ন কৰা:

- ইউ এল বি-ৰ ক্ষেত্ৰত পঞ্চম এ এছ এফ চি-ৰ পৰামৰ্শৰ ওপৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা।
- অনুদানৰ বিভাজনৰ স্থিতি আৰু পঞ্চম এ এছ এফ চি অনুদানৰ ব্যৱহাৰ।
- এ এছ এফ চি-ৰ পৰামৰ্শসমূহৰ ৰূপায়ণ আৰু ইয়াৰ অধীনত ইউ এল বিসমূহৰ প্ৰকল্পসমূহ নিষ্পাদন কৰাৰ ক্ষেত্ৰত স্থাপন কৰা নিৰীক্ষণ ব্যৱস্থাৰ ফলপ্ৰসূতা।

6.6 হিচাপ পৰীক্ষাৰ মাপকাঠী

হিচাপ পৰীক্ষাৰ বাবে মাপকাঠীসমূহ নিম্নলিখিতসমূহৰ পৰা আহৰণ কৰা হৈছিল:

i) পঞ্চম এ এছ এফ চি-ৰ প্ৰতিবেদন;

ii) অসম পৌৰ আইন, 1956;

iii) গুৱাহাটী পৌৰ নিগম আইন, 1971;

iv) অসম পৌৰসভা (একাউণ্ট) বিধি, 1961 আৰু

v) জি অ' এ-ৰ দ্বাৰা জাৰি কৰা আদেশ আৰু নিৰ্দেশনাৱলী।

6.7 হিচাপ পৰীক্ষাৰ পৰিসৰ, নমুনা সংগ্ৰহ আৰু পদ্ধতি

2016-17ৰ পৰা 2019-20লৈকে চাৰি বছৰ সামৰি কৰা এছ এছ চি এ জুন-অক্টোবৰ, 2023ৰ ভিতৰত কৰা হৈছিল। এছ এছ চি এ-টো বিত্ত বিভাগ আৰু ডি এইচ ইউ এ, জি অ' এ-ৰ সৈতে 19 জুন, 2023ত আৰম্ভণি বৈঠকৰ সৈতে আৰম্ভ হৈছিল। বৈঠকত হিচাপ পৰীক্ষাৰ উদ্দেশ্য, মাপকাঠী, পদ্ধতি আদিৰ বিষয়ে আলোচনা কৰা হৈছিল। ষষ্ঠ অনুসূচীৰ এলেকাসমূহৰ ওপৰত এটা সুকীয়া অধ্যায়ৰ সৈতে পঞ্চম এ এছ এফ চি-ৰ পৰামৰ্শসমূহে অসমৰ সাধাৰণ অঞ্চলসমূহ বিতংভাৱে সামৰি লৈছে। অৱশ্যে, হিচাপ পৰীক্ষা নমুনা কেৱল সাধাৰণ এলেকাসমূহৰ পৰাহে সংগ্ৰহ কৰা

হৈছিল, কিয়নো ষষ্ঠ অনুসূচীৰ এলেকাসমূহৰ ওপৰত পৰ্যবেক্ষণ এই প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰিব নালাগে । ইয়াৰ বাবে সাধাৰণ এলেকাৰ ইউ এল বিসমূহক[34] দৰমহাৰ বাহিৰে অন্য ব্যয়ৰ শতাংশৰ মাপকাঠীৰ ভিত্তিত আঠটা স্তৰত ভাগ কৰা হৈছিল। আঁচনিৰ যৌথ কায়িক পৰীক্ষণকে ধৰি ইউ এল বি-ক মুকলি কৰা মুঠ পুঁজিৰ 50.47 শতাংশ সামৰি চিম্পল ৰেণ্ডম চেম্পলিং মেঠড ব্যৱহাৰ কৰি গুৱাহাটী পৌৰ নিগম (জি এম চি - পঞ্চম এছ এফ চি-ৰ সময়ছোৱাত অসমৰ একমাত্ৰ পৌৰ নিগম)কে ধৰি 22টা ইউ এল বি[35] (28 শতাংশ) হিচাপ পৰীক্ষাত সামৰি লোৱা হৈছিল। ইয়াৰ উপৰিও এছ এছ চি এ-ৰ সময়ত ডি এইচ ইউ এ, জি অ' এ, পৌৰ প্ৰশাসন আৰু বিত্ত (অৰ্থনৈতিক পৰিক্ৰমা) বিভাগৰ সঞ্চালকৰো অভিলেখ পৰীক্ষা কৰা হৈছিল।

খচৰা প্ৰতিবেদনখন 03 অক্টোবৰ 2024ত ডি অ' এইচ ইউ এ-ৰ সৈতে এক সামৰণি বৈঠকত আলোচনা কৰা হৈছিল য'ত ডি এইচ ইউ এ-ৰ সচিব, পৌৰ প্ৰশাসনৰ সঞ্চালক আৰু বিত্ত বিভাগৰ প্ৰতিনিধি উপস্থিত আছিল। সামৰণি বৈঠকৰ সময়ত আৰু আনুষ্ঠানিক উত্তৰৰ জৰিয়তে বিভাগসমূহে প্ৰকাশ কৰা মতামতসমূহো প্ৰতিবেদনত উপযুক্তভাৱে অন্তৰ্ভুক্ত কৰা হৈছে।

হিচাপ পৰীক্ষাৰ তথ্য

6.8 পঞ্চম এ এছ এফ চি-ৰ পৰামৰ্শৰ ওপৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা

পঞ্চম এ এছ এফ চি-য়ে মুঠ 118টা পৰামৰ্শ আগবঢ়াইছিল, ইয়াৰে 46টা পৰামৰ্শ ইউ এল বি-ৰ সৈতে জড়িত। ৰাজ্য চৰকাৰে আনুষ্ঠানিকভাৱে (জুন 2017) ইউ এল বি-ৰ সৈতে জড়িত 46টা পৰামৰ্শৰ সকলোবোৰ গ্ৰহণ কৰিছিল। কিন্তু 46টা পৰামৰ্শৰ ভিতৰত বেছিভাগ পৰামৰ্শ কাৰ্যকৰী কৰা নাছিল। 46টা পৰামৰ্শৰ কাৰ্যকৰীকৰণৰ অৱস্থান **সাৰণী-6.1**ত দেখুওৱা হৈছে:

সাৰণী-6.1: পঞ্চম এ এছ এফ চি-ৰ উল্লেখযোগ্য পৰামৰ্শসমূহ ৰূপায়ণৰ সংক্ষিপ্ত স্থিতি

ৰূপায়ণৰ স্থিতি	পৰামৰ্শৰ সংখ্যা	উল্লেখযোগ্য পৰামৰ্শ
পৰামৰ্শসমূহ কাৰ্যকৰী কৰা হৈছে	11	**i)** ভাৰত চৰকাৰৰ বিবেচনাৰ বাবে অসমৰ সকলো এম বি আৰু টাউন কমিটী (অক্টোবৰ 2018ত পৌৰসভালৈ ৰূপান্তৰিত) ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযান (এন ইউ এল এম)ৰ অধীনত অন্তৰ্ভুক্ত কৰা। **ii)** ইউ এল বিসমূহক অট্টালিকা নিৰ্মাণৰ বাবে অনুমতি প্ৰদান কৰিবলৈ অনুমোদন দিয়া। **iii)** সাধাৰণ এলেকাসমূহৰ বিভাজ্য পুল (ডি পি)ৰ অনুদান উপাদান আৰু ৰাজহৰ ব্যৱধানৰ উপাদান পৃথক কৰা হৈছে।
আংশিকভাৱে কাৰ্যকৰী কৰা পৰামৰ্শসমূহ	14	**i)** পি আৰ আই আৰু ইউ এল বি-ৰ ফালৰ পৰা আৰ্থিক জবাবদিহিতা নিশ্চিত কৰিবলৈ দফা 5.28 (i)ৰ পৰা (xiii)[36]ত দিয়া পৰামৰ্শৰ ব্যৱস্থাসমূহ কঠোৰভাৱে বলবৎ কৰা উচিত। **ii)** বাহন আস্থান চিনাক্ত কৰিব পাৰি আৰু নিৰ্ধাৰিত নিয়ম অনুসৰি মাচুল সংগ্ৰহ কৰিব

34 সাধাৰণ এলেকাৰ অধীনত 82 ইউ এল বি-ৰ ভিতৰত 79টা ইউ এল বি যাৰ বিপৰীতে ধন মুকলি কৰা হৈছিল।

35 **যোৰহাটঃ** যোৰহাট এম বি, তিতাবৰ এম বি, মৰিয়নি এম বি; **বিশ্বনাথঃ** বিশ্বনাথ এম বি, গহপুৰ এম বি; **শিৱসাগৰঃ** নাজিৰা এম বি ডিমৌ এম বি; **লখিমপুৰঃ** উত্তৰ লখিমপুৰ এম বি, নাৰায়ণপুৰ এম বি; **ধুবুৰীঃ** সপতগ্ৰাম এম বি; **নগাঁওঃ** নগাঁও এম বি; **বঙাইগাঁওঃ** বঙাইগাঁও এম বি; **ৰৰপেটাঃ** ৰৰপেটা ৰোড এম বি; **হোজাইঃ** লামডিং এম বি; **তিনিচুকীয়াঃ** চাপাখোৱা এম বি, ডিগবৈ এম বি, মাৰ্ঘেৰিটা এম বি; **ডিব্ৰুগড়ঃ** নামৰূপ এম বি; **শিলচৰ:** শিলচৰ এম বি; **চৰাইদেউ:** সোণাৰি এম বি; **ধেমাজিঃ** চিলাপথাৰ এম বি।

36 এই পদক্ষেপসমূহৰ ভিতৰত ৰেকৰ্ড আৰু একাউণ্ট বহুণাবেক্ষণ, প্ৰতিষ্ঠানিক শক্তিশালীকৰণ, হিচাপ পৰীক্ষা ব্যৱস্থাৰ নিখুঁততা আদিৰ বাবে বিভিন্ন পদক্ষেপ অন্তৰ্ভুক্ত। এই পদক্ষেপসমূহ চি এণ্ড এ জি হিচাপ পৰীক্ষাই কৰা স্থায়ী আৰু ব্যাপক পৰ্যবেক্ষণৰ পৰাই উদ্ভৱ হৈছিল।

ৰূপায়ণৰ স্থিতি	পৰামৰ্শৰ সংখ্যা	উল্লেখযোগ্য পৰামৰ্শ
		পাৰি **iii)** লাইন বিভাগৰ জৰিয়তে ইউ এল বিসমূহক 2016-17ৰ 250.16 কোটি টকাকে ধৰি 4 বছৰৰ বাবে 1,000.81 কোটি টকাৰ অনুদানৰ পৰামৰ্শ দিয়া হৈছিল।
অধিসূচনা জাৰি কৰা হৈছে যদিও এতিয়াও কাৰ্যকৰী হোৱা নাই	5	**i)** পেছাদাৰিত্ব নিশ্চিত কৰিবলৈ ইউ এল বিসমূহত কুশলী জনশক্তি নিয়োগ কৰাটো অতি প্ৰয়োজনীয়। **ii)** ইউ এল বিসমূহে অতি স্বচ্ছ হিচাপ-নিকাচৰ মানদণ্ড গ্ৰহণ কৰিব লাগে। **iii)** জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰিব লাগে।
একেবাৰে কাৰ্যকৰী হোৱা নাই	16	**i)** কাৰ্য্য, বিষয়ববীয়া আৰু পুঁজি ইউ এল বিসমূহলৈ হস্তান্তৰ কৰা। **ii)** ইউ এল বি-ৰ ন'ডেল বিভাগে নগৰ এলেকাৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে আৰু সামগ্ৰিকভাৱে জিলাখনৰ উন্নয়ন পৰিকল্পনাৰ সৈতে ইয়াৰ একত্ৰীকৰণৰ বাবে নিৰ্দেশনা প্ৰদান কৰিব লাগে। **iii)** স্থানীয় নিকায়সমূহৰ চি এফ চি অনুদান, এছ এফ চি অনুদান আৰু অন্যান্য উন্নয়নমূলক কাম-কাজৰ নিৰীক্ষণৰ বাবে ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি পুনৰ গঠন কৰা উচিত।

চিত্ৰ তালিকা 6.2: পঞ্চম এ এছ এফ চি-ৰ 46টা পৰামৰ্শৰ স্থিতি



46টা পৰামৰ্শৰ বিৱৰণ ***চিত্ৰ তালিকা-6.2***ত আৰু ইয়াৰ কাৰ্যকৰীকৰণৰ স্থিতি ***পৰিশিষ্ট-6.1***ত দেখুওৱা হৈছে।

মূল পৰামৰ্শসমূহৰ কাৰ্যকৰীকৰণৰ স্থিতি তলত দিয়া অনুচ্ছেদসমূহত আলোচনা কৰা হৈছে:

6.9 কাৰ্য্য আৰু বিষয়ববীয়াৰ হস্তান্তৰ

জি এম চি, বৰপেটা ৰোড এম বি আৰু নগাঁও এম বি-য়ে অসম লোক নিৰ্মাণ বিভাগ, 2016-17 আৰু 2017-18ৰ হাৰৰ সূচী (এছ অ' আৰ)ৰ ভিত্তিত পঞ্চম এ এছ এফ চি অনুদানৰ অধীনত সম্পন্ন কৰা কামৰ পৰিকল্পনা আৰু প্ৰাক্কলনন প্ৰস্তুত কৰে। এছ অ' আৰ-ৰ মূল হাৰত লোডিং আৰু আনলোডিংকে ধৰি সকলো অক্ট্ৰ'ই মাচুল, টোল টেক্স, বিক্ৰী কৰ, ভেট (5 শতাংশ হাৰত), পৌৰ কৰ, বন ৱয়েল্টি আৰু অন্যান্য স্থানীয় কৰ আদি অন্তৰ্ভূক্ত আছিল।

কিন্তু হিচাপ পৰীক্ষাত দেখা গ'ল যে ইউ এল বিসমূহে এছ অ' আৰ-ত অন্তৰ্ভুক্ত 5 শতাংশ ভেটক আওকাণ কৰি ভেট অন্তৰ্ভুক্ত কৰা কামৰ বস্তুসমূহৰ ওপৰত 12 শতাংশ হাৰত জি এছ টি যোগ কৰি পৰিকল্পনা আৰু প্ৰাক্কলন প্ৰস্তুত কৰিছিল। ইয়াৰ ফলত তলৰ **সাৰণী-6.13**ত বিশদভাৱে উল্লেখ কৰা অনুসৰি প্ৰাক্কলনটোত 7.03 লাখ টকা বেছি যোগ হৈছিল:

সাৰণী-6.13 নিৰ্বাচিত ইউ এল বিসমূহে প্ৰস্তুত কৰা ইনফ্লেটেড প্ৰাক্কলনৰ বিৱৰণ

(লাখ টকাত)

ইউ এল বি-ৰ নাম আৰু (কামৰ সংখ্যা)	বিবেচনা কৰা এ পি ডব্লিউ ডি এছ অ' আৰ হৈছে	5 % ভেট ধৰি মূল হাৰ	5 % ভেট বাদ দি সমাযোজিত মৌলিক হাৰ	ভেট অন্তৰ্ভুক্ত হাৰত 12% জি এছ টি আৰোপ কৰি প্ৰস্তুত কৰা প্ৰাক্কলন (স্তম্ভ 3)	সমাযোজিত হাৰত 12 শতাংশ জি এছ টি আৰোপ কৰি প্ৰস্তুত কৰা প্ৰাক্কলন (স্তম্ভ 4)	অতিৰিক্ত প্ৰাক্কলন (স্তম্ভ 5 - স্তম্ভ 6)
(1)	(2)	(3)	(4)	(5)	(6)	(7)
জি এম চি (9টা কাম)	2017-18	38.65	36.81	43.29	41.23	2.06
বৰপেটা ৰোড (1টা কাম)	2016-17	12.33	11.74	13.81	13.15	0.66
নগাঁও এম বি (5টা কাম)	2018-19	80.74	76.90	90.43	86.12	4.31
		131.72	**125.45**	**147.53**	**140.50**	**7.03**

অতিৰিক্তভাৱ প্ৰাক্কলন প্ৰস্তুত কৰাৰ বাবে এই ইউ এল বিসমূহে 15টা কামৰ ক্ষেত্ৰত ঠিকাদাৰসকলক 7.03 লাখ টকাৰ অযথা আৰ্থিক সুবিধা প্ৰদান কৰিছিল, যাৰ ৰেকৰ্ড হিচাপ পৰীক্ষাৰ বাবে উপলব্ধ কৰা হৈছিল। অতিৰিক্তভাৱে প্ৰাক্কলন প্ৰস্তুত কৰাৰ ফলত অতিৰিক্ত ব্যয় হোৱাৰ বাবে জগৰীয়া বিষয়াৰ ওপৰত সমশ্লিষ্ট কৰ্তৃপক্ষই দায়বদ্ধতা নিৰ্ধাৰণ কৰিব পাৰে।

বিভাগে উল্লেখ কৰিছে (অক্টোবৰ 2024) যে সংশ্লিষ্ট ইউ এল বি-লৈ পত্ৰ জাৰি কৰা হৈছে আৰু অধিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

6.15.3.4 প্ৰতিযোগিতামূলক নিবিদা অবিহনে কামৰ আ�ৱণ্টন

পঞ্চম এ এছ এফ চি-ৰ অধীনত অনুদানৰ ব্যৱহাৰৰ বাবে অসম চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ যুটীয়া সচিবে প্ৰদান কৰা প্ৰশাসনিক অনুমোদন আৰু আৰ্থিক অনুমোদনৰ চৰ্তত আছিল যে অন্যান্য বিষয়ৰ লগতে অসম বিত্তীয় নিয়ম, 1939 আৰু প্ৰাসংগিক নিয়ম আৰু পদ্ধতি অনুসৰি হাৰ নিৰ্ধাৰণৰ বাবে এন আই টি আহ্বান কৰাৰ ব্যৱস্থা আছে।

(i) একক নিবিদাৰ ভিত্তিত কাম প্ৰদান: গুৱাহাটী উন্নয়ন বিভাগৰ[50] যুটীয়া সচিবে পঞ্চম এ এছ এফ চি-ৰ অধীনত 2017-18ৰ ভিতৰত সম্পন্ন হ'বলগীয়া কাম "পথ আৰু নলা"ৰ বাবে জি এম চি-ৰ আয়ুক্তই (মাৰ্চ 2018) 21.00 কোটি টকাৰ এ এ প্ৰদান কৰে। উক্ত এ এ-ৰ ভিত্তিত জি এম চি কৰ্তৃপক্ষই 65টা কামৰ পৰিকল্পনা আৰু প্ৰাক্কলন প্ৰস্তুত কৰে আৰু জুলাই 2018ত জি এম চি-ৰ মুখ্য অভিযন্তাই কাৰিকৰী অনুমোদন প্ৰদান কৰে।

বিভিন্ন কামৰ নিবিদা মূল্যায়ন সাৰাংশ অনুসৰি ই-ক্ৰয় ব্যৱস্থাৰ জৰিয়তে নিবিদা আহ্বান কৰা হৈছিল। 10/09/2018 ত অনুষ্ঠিত নিবিদা মূল্যায়ন সমিতিৰ বৈঠকৰ কাৰ্য্যবিৱৰণী অনুসৰি মুঠ 24টা কামেৰে গঠিত আঠটা পেকেজৰ ক্ষেত্ৰত মাত্ৰ এটা নিবিদা লাভ হৈছিল। সমিতিখনে প্ৰতিটো কামৰ বিপৰীতে লাভ কৰা একক নিবিদা মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু কামসমূহ অগ্ৰাধিকাৰ ভিত্তিত কৰিব লাগিব বুলি মন্তব্য কৰি একক নিবিদাকাৰীক মুঠ 220.97 লাখ টকাত কামটো আ�ৱণ্টন (ছেপ্টেম্বৰ 2018) কৰে।

কামটোৰ জৰুৰীতাৰ ভাৱটো অৱশ্যে ৰেকৰ্ডৰ পৰা বুজা নাযায় কাৰণ এ এ-ৰ তাৰিখৰ পৰা কামটো প্ৰদান কৰালৈকে প্ৰায় সাত মাহৰ ব্যৱধান আছিল।

[50] পিছলৈ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত একত্ৰিত হয়

এইদৰে পুনৰ নিবিদাৰ আশ্ৰয় নোলোৱাৰ ফলত প্ৰতিযোগিতামূলক হাৰৰ উপলব্ধতা নিশ্চিত নহ'ল।

ii) নিবিদাৰ আনুষ্ঠানিকতা অবিহনে কাম: চিলাপথাৰ এম বি (এঘাৰটা কাম) আৰু মৰিয়নী এম বি (এটা কাম)ৰ দ্বাৰা কোনো নিবিদা আহ্বান কৰা হোৱা নাছিল যিবোৰ ঠিকাদাৰৰ জৰিয়তে সম্পন্ন কৰা হৈছিল আৰু পঞ্চম এ এছ এফ চি-ৰ অধীনত লাভ কৰা ধনৰ পৰা মুঠ 37.10 লাখ টকা ব্যয় কৰা হৈছিল। নিবিদা আহ্বান নকৰাকৈয়ে কাম প্ৰদান কৰাটো অনিয়মিত আছিল আৰু ফলস্বৰূপে প্ৰতিযোগিতামূলক নিবিদাৰ জৰিয়তে কাৰ্যকৰী হোৱা মিতব্যয়িতা নিশ্চিত কৰিব পৰা নগ'ল।

iii) সৰ্বনিম্ন নিবিদাকাৰীক বাচনি নকৰা: লখিমপুৰ এম বি-য়ে সৰ্বাধিক নিবিদাকাৰীক বৈধ কাৰণ নোহোৱাকৈ আঠটা কাম প্ৰদান কৰি সৰ্বনিম্ন নিবিদা মূল্যক আওকাণ কৰাৰ বাবে মুঠ 2.50 লাখ টকা লোকচান হয়। এম বি-ৰ অধ্যক্ষ আৰু কাৰ্যবাহী বিষয়া (ই অ') দুয়োজনে তুলনামূলক বিবৃতিত অনুমোদন জনায় যাৰ ভিত্তিত ৰৰ্ক অৰ্ডাৰ জাৰি কৰা হৈছিল যাৰ ফলত 2.50 লাখ টকাৰ অতিৰিক্ত ব্যয় হৈছিল।

6.15.3.5 অনিয়মিত ব্যয়

অসম চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ যুটীয়া সচিবে প্ৰদান কৰা প্ৰশাসনিক অনুমোদন আৰু বিত্তীয় অনুমোদনৰ চৰ্ত অনুসৰি কাম সম্পন্ন কৰাৰ পূৰ্বে উপযুক্ত কাৰিকৰী কৰ্তৃপক্ষৰ[51] পৰা কাৰিকৰী অনুমোদন লাভ কৰিব লাগিছিল ।

হিচাপ পৰীক্ষাত দেখা গ'ল যে ডিগবৈ এম বি-য়ে কেৱল পৰিকল্পনা আৰু প্ৰাক্কলনত কাৰিকৰী অনুমোদন লাভ নকৰাৰ বাবে 1.05 কোটি টকাৰ মূল কামটো বিভক্ত কৰি 46খন আঁচনি (পথ উন্নয়ন) কাৰ্যকৰী কৰিছিল। কাৰিকৰী অনুমোদন নোপোৱাকৈ কাম বিভাজন কৰাটো প্ৰশাসনিক অনুমোদন আৰু আৰ্থিক অনুমোদনৰ চৰ্ত উলংঘা কৰা হৈছিল, যাৰ ফলত এই কামসমূহৰ বিৰুদ্ধে 104.88 লাখ টকাৰ অনিয়মিত ব্যয় হৈছিল।

6.15.3.6 ডাষ্টবিনৰ সন্দেহযুক্ত যোগান

কাৰ্যবাহী বিষয়া, মাৰিয়নি এম বি-য়ে 2017-18 বৰ্ষৰ ভিতৰত পঞ্চম এ এছ এফ চি-ৰ পুঁজিৰ পৰা মুঠ 13.71 লাখ টকা ব্যয় কৰি যোগানকাৰীৰ জৰিয়তে 154টা ডাষ্টবিন ক্ৰয় কৰে। কিন্তু ডাষ্টবিন ডেলিভাৰীৰ সমৰ্থনত ডেলিভাৰী চালান (যিটোৰ মুখত বাহনৰ পঞ্জীয়ন নং, সামগ্ৰী লাভৰ প্ৰমাণপত্ৰ, ষ্টক প্ৰৱেশৰ প্ৰমাণপত্ৰ আদি থাকিব লাগিছিল) বা কোনো ষ্টক বুক উপলব্ধ নাছিল। সামগ্ৰী যোগানৰ চালান, মজুতৰ অন্তৰ্ভুক্তি সামগ্ৰী প্ৰাপ্যৰ প্ৰমাণ পত্ৰ আদিৰ অভাৱত 13.71 লাখ টকাৰ ডাষ্টবিনৰ প্ৰকৃত যোগান হিচাপ পৰীক্ষা কৰিব পৰা নগ'ল।

বিভাগে উল্লেখ কৰিছে (অক্টোবৰ 2024) যে প্ৰকল্পটো ৰূপায়ণৰ বাবে ব'ৰ্ডৰ সিদ্ধান্ত অনুসৰি ৱাৰ্ড পৰ্যায়ৰ সমিতিখনক নিৰ্দেশ দিয়া হৈছিল; কিন্তু, তদাৰকীৰ বাবে বাহনৰ পঞ্জীয়ন নম্বৰ লিপিবদ্ধ কৰা হোৱা নাছিল যদিও ডাষ্টবিন ডেলিভাৰীৰ চালান হিচাপ পৰীক্ষা কৰিবলৈ উপস্থাপন কৰা হ'ব। এইদৰে ছবছৰতকৈ অধিক সময় পাৰ হোৱাৰ পিছতো ইউ এল বি/ বিভাগে চালান উৎপাদন কৰিব পৰা নাছিল।

[51] নিজ নিজ বিভাগৰ কাৰ্যবাহী অভিযন্তা হৈছে 10 লাখ টকা পৰ্যন্ত মূল কামৰ কাৰিকৰী অনুমোদনৰ বাবে যোগ্য কৰ্তৃপক্ষ

6.15.3.7 পঞ্চম এ এছ এফ চি-ৰ অধীনত দায়বদ্ধতা সৃষ্টি

ইউ এল বি আৰু ইউ এল বি বজাৰ সমূহত বাছ-আস্থান নির্মাণ/ উন্নয়নৰ বাবে পঞ্চম এ এছ এফ চি-য়ে বছৰি 955.00 লাখ টকা হাৰত মুঠ 3,820.00 লাখ টকা পৰামর্শ দিছিল। পঞ্চম এ এছ এফ চি প্রতিবেদনৰ পৰিশিষ্ট 8.8 অনুসৰি বৰপেটা ৰোড এম বি-ক বজাৰ নির্মাণ/ উন্নয়নৰ বাবে 75.00 লাখ টকা আৰু 100.00 লাখ টকা হাৰত বজাৰ কমপ্লেক্স আৰু বাছ ষ্টেণ্ড নির্মাণৰ বাবে 200.00 লাখ টকা আবণ্টন দিব লাগিছিল।

অসম চৰকাৰৰ নগৰ উন্নয়ন বিভাগে পূর্বতে উল্লেখ কৰা কামবোৰক প্রশাসনিক অনুমোদন প্রদান কৰে আৰু সংশ্লিষ্ট ইউ এল বি (বৰপেটা ৰোড এম বি আৰু বঙাইগাঁও এম বি)সমূহে নিবিদা আহ্বান কৰিছিল আৰু তলৰ **সাৰণী-6.14**ত দেখুওৱাৰ দৰে ঠিকাদাৰসকলক কামসমূহ প্রদান কৰে:

সাৰণী-6.14: অনুমোদন আৰু কাম আৱণ্টনৰ সবিশেষ

(লাখ টকাত)

ক্র নং	কামৰ নাম	প্রশাসনিক অনুমোদনৰ তাৰিখ	নিবিদা আহ্বানৰ তাৰিখ	কাম প্রদানৰ তাৰিখ	নিবিদা মূল্য
1	বৰপেটা ৰোড এম বি-ত বজাৰ ভৱন নির্মাণ/ উন্নীতকৰণ	06/12/2019	07/03/2020	06/08/2020	30.00
2	বঙাইগাঁও এম বি-ত আৰ চি চি তিনিমহলীয়া বাছ ষ্টেণ্ড নির্মাণ	16/11/2019	29/02/2020	19/03/2020	48.15
3	বঙাইগাঁও এম বি-ত ভূমি মহলত বজাৰ কমপ্লেক্সৰ নির্মাণ/ উন্নয়ন	06/12/2019	05/02/2020	25/02/2020	39.96
	মুঠ				**118.11**

ওপৰৰ পৰা দেখা যায় যে এ এ অনুমোদন কৰাত আৰু পৰৱর্তী সময়ত ঠিকা চূড়ান্ত কৰি কাম প্রদান কৰাত পলম হৈছিল। যদিও, তিনিওটা কামতে 100 শতাংশ কায়িক অগ্রগতি লাভ কৰা হৈছিল, তথাপিও কামৰ বিপৰীতে ডি এইচ ইউ এ-য়ে ধন মুকলি নকৰাৰ বাবে ঠিকাদাৰক কোনো ধন দিয়া হোৱা নাছিল। ফলত পঞ্চম এ এছ এফ চি-ৰ অধীনত কামসমূহ সম্পন্ন কৰাৰ দিশত মুঠ 118.11 লাখ টকাৰ দায়বদ্ধতা সৃষ্টি হয়।

ই এ এছ এফ চি-ৰ পুঁজিৰ বিত্তীয় ব্যৱস্থাপনাৰ অভাৰক প্রতিনিধিত্ব কৰিছিল। বজাৰ/ বাছ ষ্টেণ্ড নির্মাণৰ বাবে পঞ্চম এ এছ এফ চি-ৰ বিশেষ অনুমোদন লাভ কৰাৰ পিছতো চৰকাৰে সময়সীমাৰ ভিতৰত সেইবোৰ সম্পূর্ণ কৰাৰ বাবে ক্ষিপ্রতাৰে কার্যকৰী হোৱা আৰু সময়মতে ধনৰ প্রবাহ নিশ্চিত কৰাত ব্যর্থ হয়। ডি অ' এইচ ইউ এ-য়ে ইংগিত দিছিল (অক্টোবৰ 2024) যে ম্যাদ উকলি যোৱা এ এসমূহৰ পুনৰ বৈধতাৰ বাবে চৰকাৰক প্রস্তাৱ দাখিল কৰা হৈছে। কিন্তু সামৰণি সভাত বিত্ত বিভাগে জনাই যে এছ এফ চি প্রকল্পসমূহৰ সময়মতে নিষ্পাদন নিশ্চিত কৰাৰ বাবে পৰৱর্তী এছ এফ চি-ৰ পৰা এটা এছ এফ চি-ৰ অসমাপ্ত কামৰ বাবে অধিক ধন মুকলি নকৰাৰ সিদ্ধান্ত লোৱা হৈছে। এইদৰে পঞ্চম এ এছ এফ চি প্রকল্পৰ সৈতে জড়িত ওপৰত উল্লেখ কৰা দায়বদ্ধতাসমূহ থাকি গ'ল।

6.16 নিৰীক্ষণ ব্যৱস্থা

অসম পৌৰ আইন, 1956 আৰু জি এম চি আইন, 1971ত এনেধৰণৰ বিধান আছে যিয়ে নগৰীয়া স্থানীয় নিকায়সমূহৰ সঠিক কাম-কাজ নিৰীক্ষণ আৰু সুনিশ্চিত কৰিব পৰাকৈ জি অ' এ-ক কর্তৃত্ব প্রদান কৰে। পঞ্চম এ এছ এফ চি-ৰ মতামত আছিল যে নিজা ৰাজহৰ ৰূপত পুঁজিৰ প্রবাহ বৃদ্ধি, এছ এফ চি আৰু চি এফ চি অনুদানৰ পৰা হস্তান্তৰৰ প্রতি লক্ষ্য ৰাখি ইউ এল বিসমূহৰ সামগ্রিক কার্য্যকলাপৰ তদাৰক কৰাৰ উপৰিও বিভিন্ন আঁচনিসমূহ

ফলপ্ৰসূভাৱে ৰূপায়ণৰ পথ প্ৰদৰ্শনৰ বাবে বহুস্তৰীয় বহুমুখী সু-গাঁথনিযুক্ত নিৰীক্ষণ ব্যৱস্থাৰ প্ৰয়োজন। ইউ এল বিসমূহত নিৰীক্ষণ ব্যৱস্থাৰ সম্পৰ্কে পৰামৰ্শসমূহ ৰূপায়ণৰ স্থিতি তলত দিয়া দফাসমূহত আলোচনা কৰা হৈছে:

6.16.1 উচ্চ ক্ষমতাসম্পন্ন ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ পুনৰ্গঠন

উচ্চ পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠনৰ বাবে পূৰ্বৰ এছ এফ চি (চতুৰ্থ এ এছ এফ চি)ৰ পৰামৰ্শ পুনৰবাৰ উল্লেখ কৰি পঞ্চম এ এছ এফ চি-য়ে অধিক সদস্য অন্তৰ্ভুক্ত কৰা আৰু ইয়াৰ পৰিসৰত অতিৰিক্ত বিষয়সমূহ সামৰি লোৱাৰ পৰামৰ্শ দিয়ে। আয়োগে সংশ্লিষ্ট বিভাগৰ মুৰব্বীক সামৰি অধিক সদস্যক অন্তৰ্ভুক্ত কৰাৰ জৰিয়তে বিত্ত সচিব আৰু সংশ্লিষ্ট বিভাগৰ সচিবক সদস্য হিচাপে লৈ মুখ্য সচিবৰ নেতৃত্বত বৰ্তমানৰ উচ্চ পৰ্যায়ৰ নিৰীক্ষণ সমিতিখন পুনৰ গঠন কৰাৰ পৰামৰ্শ দিয়ে। চি এফ চি অনুদানসমূহ নিৰীক্ষণ কৰাৰ উপৰিও ইয়াত এছ এফ চি অনুদান আৰু স্থানীয় নিকায়সমূহৰ অন্যান্য উন্নয়নমূলক কাৰ্য্যকলাপসমূহ সামৰি ল'ব লাগে।

যদিও কেন্দ্ৰীয় বিত্ত আয়োগৰ অনুদানৰ নিৰীক্ষণৰ বাবে বিত্ত সচিব আৰু সংশ্লিষ্ট বিভাগৰ সচিবক সদস্য হিচাপে লৈ মুখ্য সচিবৰ নেতৃত্বত এখন উচ্চ পৰ্যায়ৰ নিৰীক্ষণ সমিতি আছিল, তথাপিও সংশ্লিষ্ট বিভাগৰ মুৰব্বীকে ধৰি অধিক সদস্যক সামৰি ৰাজ্য চৰকাৰে সমিতিখন পুনৰ গঠন কৰা নাছিল। ইয়াৰ উপৰিও ৰাজ্যিক বিত্ত আয়োগৰ অনুদান আৰু ইউ এল বিসমূহৰ অন্যান্য উন্নয়নমূলক কাৰ্য্যকলাপৰ নিৰীক্ষণ সমিতিৰ পৰিসৰৰ বাহিৰত আছিল। ৰাজ্য চৰকাৰে উচ্চ ক্ষমতাৰ ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিখন পুনৰ গঠন নকৰাৰ বাবে এছ এফ চি অনুদানৰ সঠিক নিৰীক্ষণৰ অভাৱ আছিল, যাৰ ফলত পূৰ্বৰ দফা 6.15.3.1ৰ পৰা 6.15.3.7ত বিশদভাৱে উল্লেখ কৰা ধৰণে অতিৰিক্ত ব্যয়, অনিয়মিত ব্যয়, অসম্পূৰ্ণ কাম, এ এ অনমোদন কৰাত পলম আৰু পুঁজি মুকলি কৰাত পলম হৈছিল।

6.16.2 জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ গঠন

পঞ্চম এ এছ এফ চি-য়ে ইউ এল বিসমূহত অনুষ্ঠিত হোৱা পৰ্যালোচনা বৈঠকৰ প্ৰতিবেদন আৰু পৰামৰ্শসমূহৰ স্থিতি পৰ্যালোচনা কৰিবলৈ জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। এই সমিতিখনত ইউ এল বি-ৰ উপৰিও স্বতন্ত্ৰ সংস্থাৰ প্ৰতিনিধি অন্তৰ্ভুক্ত হ'ব লাগে আৰু এপ্ৰিল আৰু অক্টোবৰৰ ভিতৰত বছৰত দুবাৰকৈ বৈঠকত বহিব লাগে। মতামত আৰু পৰামৰ্শসহ বৈঠকৰ কাৰ্য্যবিৱৰণী ইউ এল বি-ৰ কাম-কাজ নিৰীক্ষণৰ বাবে উচ্চ পৰ্যায়ৰ ৰাজ্যিক সমিতিৰ ওচৰত দাখিল কৰিব লাগে।

ডি এম এ-ৰ প্ৰতিবেদন অনুসৰি, বিত্ত (অৰ্থনৈতিক পৰিক্ৰমা) বিভাগে অধ্যক্ষ হিচাপে উপায়ুক্তৰ নেতৃত্বত আৰু সদস্য হিচাপে ইউ এল বি-ৰ বিষয়া আৰু নিৰ্বাচিত প্ৰতিনিধিৰ নেতৃত্বত এখন জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰা হৈছিল। কিন্তু পৰীক্ষা কৰা 22খন জিলাৰ ভিতৰত পোন্ধৰখন জিলাত এনে সমিতিৰ অস্তিত্ব নাছিল আৰু বাকী সাতখন পৰীক্ষা কৰা জিলাত এনে সমিতিৰ অস্তিত্ব আছিল যদিও এই সমিতিসমূহে কোনো কাৰ্যকলাপ/ বৈঠক কৰা নাছিল।

6.16.3 কায়িক পৰীক্ষণ আৰু কামৰ তত্বাৱধানৰ বাবে কাৰিকৰী ব্যক্তি নিয়োগ কৰা

পঞ্চম এ এছ এফ চি-য়ে পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ (ডি এম এ) কাৰিকৰী কৰ্মীসকলে ইউ এল বি-ৰ সৈতে জড়িত কামসমূহ সম্পন্ন কৰাৰ ক্ষেত্ৰত কায়িক পৰীক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ডি এম এ, অসমৰ কনিষ্ঠ অভিযন্তাৰ সৈতে অধীক্ষক অভিযন্তা আৰু অনাময় অভিযান্ত্ৰিক উপদেষ্টা, সহকাৰী অভিযন্তাই ব্যৱহাৰৰ প্ৰমাণ পত্ৰ প্ৰদানৰ সুবিধাৰ বাবে আঁচনিসমূহৰ নিষ্পাদনৰ কায়িক পৰীক্ষণৰ জৰিয়তে ক্ষেত্ৰভিত্তিক কামসমূহ ব্যাপকভাৱে তদাৰক কৰিব লাগে। নগৰ আৰু গ্ৰাম্য পৰিকল্পনাৰ উপ-সঞ্চালকৰ কাৰ্যালয়ৰ কাৰিকৰী কৰ্মীসকলেও নিজৰ অধিকাৰক্ষেত্ৰত এম বি-ৰ কাৰ্যকলাপৰ তদাৰক আৰু নিৰীক্ষণ কৰিব লাগে।

ডি এম এ আৰু নগৰ আৰু গ্ৰাম্য পৰিকল্পনা সঞ্চালকালয়ৰ কাৰিকৰী ব্যক্তিসকলে ইউ এল বিসমূহে সম্পন্ন কৰা কামসমূহৰ তত্বাৱধান আৰু নিৰীক্ষণ কৰা বুলি ডি এম এ-এ প্ৰতিবেদন দাখিল কৰিছিল (জুন 2023) যদিও এই সন্দৰ্ভত কোনো নিৰীক্ষণ প্ৰতিবেদন উপলব্ধ নাছিল। এই প্ৰতিবেদনত পূৰ্বে বিশদভাৱে উল্লেখ কৰা অলম্পূৰ্ণ কামসমূহৰ পপিপেক্ষিতত নিৰীক্ষণৰ অনুপস্থিতি চাব পাৰি (দফা 6.15.3.2 চাওক)।

ডি এম এ-এ উল্লেখ কৰিছে (অক্টোবৰ 2024) যে সহকাৰী অভিযন্তা, কনিষ্ঠ অভিযন্তা, আৰু নগৰ কাৰিকৰী বিষয়া নিযুক্তি দিয়া হৈছে আৰু সময়ে সময়ে ক্ষেত্ৰ ভ্ৰমণ কৰা হৈছে। এইদৰে পঞ্চম এ এছ এফ চি-ৰ অধীনত প্ৰকল্পসমূহৰ নিষ্পাদনত ইউ এল বি পৰ্যায়ত অভিযান্ত্ৰিক কৰ্মচাৰীৰ অনুপস্থিতিৰ বাবে পঞ্চম এ এছ এফ চি-ৰ গোটেই সময়ছোৱা আৰু ষ্ঠ এ এছ এফ চি-ৰ অধিকাংশ সময়ছোৱাত প্ৰভাৱিত হৈছিল।

6.16.4 সামাজিক হিচাপ পৰীক্ষাৰ জৰিয়তে পৰীক্ষণ

পঞ্চম এ এছ এফ চি-ৰ মতে এটা মূল নিৰীক্ষণ ব্যৱস্থা হৈছে ইউ এল বি-ৰ কৰ্মক্ষমতাৰ নিৰন্তৰ সামাজিক হিচাপ পৰীক্ষা। সামাজিক হিচাপ পৰীক্ষাৰ ধাৰণা আৰু মানুহৰ অংশগ্ৰহণক উৎসাহিত কৰিব লাগে আৰু ৱাৰ্ড কমিটি/ এলকা সভাক ইউ এল বিসমূহৰ সামাজিক হিচাপ পৰীক্ষাৰ দায়িত্ব প্ৰদান কৰিব লাগে। সামাজিক হিচাপ পৰীক্ষাৰ উদ্দেশ্য হৈছে ইউ এল বি-ৰ কাৰ্য্যকলাপৰ বিষয়ে জনসাধাৰণক সজাগ কৰা, ইয়াৰ ৰেকৰ্ড আৰু নথি-পত্ৰসমূহ লাভ কৰিবলৈ সক্ষম কৰা, যাৰ ফলত স্থানীয় নিকায়সমূহৰ কাৰ্য্যকলাপত স্বচ্ছতা আৰু জবাবদিহিতা বৃদ্ধি কৰিব পৰা যায়।

পৰীক্ষা কৰা কোনো এটা ইউ এল বি-তে "আঞ্চলিক সভা"/ ৱাৰ্ড সমিতি গঠন কৰা হোৱা নাছিল। "আঞ্চলিক সভা"/ ৱাৰ্ড সমিতিসমূহ গঠন নোহোৱাৰ বাবে সামাজিক হিচাপ পৰীক্ষাৰ জৰিয়তে আঁচনি/ কাৰ্য্যৰ অগ্ৰগতিৰ নিৰীক্ষণ বাস্তৱায়িত নহ'ল। সামাজিক হিচাপ পৰীক্ষাৰ অনুপস্থিতিত পঞ্চম এ এছ এফ চি-ৰ কামৰ অগ্ৰগতিৰ লগতে পি এম এ ৱাই (ইউ)[52]ৰ দৰে আন এটা হিতাধিকাৰীমুখী ফ্লেগশ্বিপ কাৰ্যসূচীৰ ওপৰত পৰ্যাপ্ত নিৰীক্ষণ কৰা হোৱা নাছিল।

6.17 সামৰণি

অসম চৰকাৰে পঞ্চম এ এছ এফ চি-ৰ ইউ এল বি সম্পৰ্কীয় সকলো পৰামৰ্শ মানি লৈছিল যদিও প্ৰায়বোৰ পৰামৰ্শ কাৰ্যকৰী কৰাৰ বাবে আইনী বিধান সন্নিৱিষ্ট কৰি ইয়াক বিধিগতভাৱে বাধ্যতামূলক কৰা নাছিল। যিবোৰ পৰামৰ্শৰ বাবেও অধিসূচনা জাৰি কৰা হৈছিল, তাৰ ভিতৰত মাত্ৰ কেইটামান পৰামৰ্শহে কাৰ্যকৰী কৰা হৈছিল। কাৰ্য্য আৰু কাৰ্য্যকৰীসকলৰ হস্তান্তৰ নকৰা আৰু ইউ এল বিসমূহলৈ পুঁজিৰ অপৰ্যাপ্ত হস্তান্তৰৰ বাবে পৌৰসভাসমূহক স্ব চৰকাৰৰ স্বায়ত্তশাসিত প্ৰতিষ্ঠান হিচাপে কাম কৰিবলৈ সক্ষম কৰিবলৈ পৰ্যাপ্ত ক্ষমতা, কাৰ্য্য, সম্পদ আৰু দায়িত্ব প্ৰদান কৰাৰ সংবিধানৰ উদ্দেশ্য বাস্তৱায়িত নহ'ল।

এছ এফ চি অনুদানৰ ব্যৱহাৰৰ ক্ষেত্ৰত ইউ এল বিসমূহৰ সামগ্ৰিক অপ্ৰস্তুততা দৰমহা ব্যয়ৰ বাবে সম্পত্তি সৃষ্টিৰ বাবে নিৰ্ধাৰিত ডিভল্যুচন অনুদান (ৰাজহ ব্যৱধান)ৰ ডাইভাৰচন, প্ৰকল্প আৰম্ভ কৰাত অত্যধিক পলম আৰু প্ৰকল্প স্থবিৰ/ সম্পূৰ্ণ নোহোৱা আদিৰ দৃষ্টান্তৰ পৰা স্পষ্ট হৈ পৰিছিল।

একেৰাহে এছ এফ চি-য়ে ইউ এল বিসমূহৰ নিজা উৎসৰ ৰাজহ বৃদ্ধিৰ বাবে আয় উপাৰ্জকাৰী আঁচনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল যদিও এই দিশত পদক্ষেপ কম আছিল আৰু ইউ এল বিসমূহ চি এফ চি/ এছ এফ চি/ বিভাগৰ অনুদানৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল হৈ আছিল।

---

52 পি এম এ ৱাই (জি)ৰ অধীনত কামৰ অগ্ৰগতি সন্তোষজনক নাছিল কাৰণ ইউ এল বি-ত অনুমোদিত ঘৰৰ অনুপাতে সম্পূৰ্ণ হোৱা ঘৰৰ শতকৰা হাৰ 17ৰ পৰা 93 শতাংশৰ ভিতৰত আছিল আৰু মাত্ৰ তিনিটা ইউ এল বি-য়েহে অনুমোদিত ঘৰৰ 100 শতাংশ সম্পূৰ্ণতা লাভ কৰিছিল।

পঞ্চম এছ এফ চি-য়ে পৰামৰ্শ দিয়া অনুদানৰ মাত্ৰ এটা সৰু অংশহে (ৰাজহৰ ব্যৱধান দূৰ কৰাৰ বাবে অনুদান আৰু বিশেষ উদ্দেশ্যৰ অনুদান দুয়োটা) প্ৰকৃততে ইউ এল বিসমূহে পাইছিল। ইয়াৰ পিছতো ৰাজহৰ ব্যৱধান অনুদানৰ যথেষ্ট অংশ আঁচনিৰ নিৰ্দেশনাৰ পৰা বিচ্যুত হৈ দৰমহা ব্যয় পূৰণৰ বাবে ব্যৱহাৰ কৰা হৈছিল। বিভাগে ধন মুকলি নকৰাৰ বাবে পঞ্চম এ এছ এফ চি-ৰ অধীনত অনুমোদিত কামসমূহ অসম্পূৰ্ণ হৈ থকাৰ দৃষ্টান্তই পৰিস্থিতি আৰু অধিক ভয়াৱহ কৰি তোলা দেখা গৈছিল।

ইউ এল বিসমূহৰ বিত্তীয় জবাবদিহিতা আৰু স্বচ্ছতাৰ ক্ষেত্ৰত হিচাপ পৰীক্ষাই ত্ৰুটীপূৰ্ণ বিষয়সমূহ আঙুলিয়াই দিয়াৰ পিছত ইতিবাচক পৰিৱৰ্তন হৈছে যদিও হিচাপ-নিকাচৰ ৰেকৰ্ড ৰখা, নতুন হিচাপ-নিকাচ পদ্ধতি গ্ৰহণ আদিৰ বাবে স্থায়ী অনুসৰণৰ প্ৰয়োজন আছে।

এ এছ এফ চি-ৰ পৰামৰ্শসমূহ ৰূপায়ণ আৰু ইউ এল বি-ৰ কাৰ্য্যকলাপৰ ক্ষেত্ৰত হোৱা বাধাসমূহ বিশ্লেষণ আৰু সমাধানৰ বাবে এটা সু-গাঁথনিযুক্ত বহুস্তৰীয় নিৰীক্ষণ ব্যৱস্থা (যেনে উচ্চ শক্তিৰ ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি, জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি আদি) এতিয়াও সম্পূৰ্ণৰূপে কাৰ্যক্ষম হোৱা নাই। ইয়াৰ ফলত পঞ্চম এ এছ এফ চি-ৰ অধীনত প্ৰকল্পসমূহ ৰূপায়ণত বিৰূপ প্ৰভাৱ পৰিছিল আৰু লগতে স্ব চৰকাৰী প্ৰতিষ্ঠান হিচাপে কাম কৰিবলৈ প্ৰয়োজনীয় ক্ষমতা গ্ৰহণ কৰিবলৈ ইউ এল বিসমূহক শক্তিশালী কৰাৰ ক্ষেত্ৰত সামগ্ৰিক অগ্ৰগতিত প্ৰভাৱ পৰিছিল।

6.18 পৰামৰ্শসমূহ

চৰকাৰে তলত দিয়া ব্যৱস্থাসমূহ ৰূপায়ণৰ কথা বিবেচনা কৰিব পাৰে:

i) **কাৰ্য্যসমূহৰ বিভাজনৰ বাবে আনুষ্ঠানিক অধিসূচনাসমূহ জাৰী কৰা আৰু পুঁজি আৰু বিষয়ববীয়াসকলৰ বিভাজন বিধিগতভাৱে বাধ্যতামূলক কৰি তোলা;**

ii) **পঞ্চম এ এছ এফ চি-য়ে পৰামৰ্শ দিয়া জবাবদিহিতা আৰু বিত্তীয় স্বচ্ছতা সম্পৰ্কীয় ব্যৱস্থা গ্ৰহণৰ বাবে ইউ এল বিসমূহৰ বাবে লক্ষ্য / মাইলৰ খুঁটি নিৰ্ধাৰণ কৰা আৰু অধিক সক্ৰিয় পদ্ধতিৰে সেইবোৰ অনুসৰণ কৰা;**

iii) **খালী পদ পূৰণৰ জৰিয়তে ডি এল এফ-ক শক্তিশালী কৰা;**

iv) **ইউ এল বিসমূহক নিজা ৰাজহৰ সম্ভাব্য উৎসসমূহ টেপ কৰাৰ বাবে পথ প্ৰদৰ্শন কৰা আৰু ইউ এল বিসমূহৰ আৰ্থিক শক্তিশালীকৰণ নিশ্চিত কৰাৰ বাবে ইয়াৰ ৰূপায়ণ নিৰন্তৰ নিবিড়ভাৱে অনুসৰণ কৰা। পুঁজিৰ অভাৱৰ বাবে আধাতে স্থবিৰ হৈ পৰা পঞ্চম এ এছ এফ চি প্ৰকল্পসমূহৰ স্থিতি প্ৰাথমিকতা ভিত্তিত পৰ্যালোচনা কৰাৰ প্ৰয়োজন আৰু সময়সীমা সম্পূৰ্ণ হোৱাৰ বাবে এটা ৰোডমেপ তৈয়াৰ কৰা প্ৰয়োজন;**

v) **ইউ এল বিসমূহে ৰাজহ উপাৰ্জনকাৰী সম্পত্তিৰ কাম হাতত লোৱা, নিষ্পাদন আৰু কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সৰ্বোচ্চ প্ৰাথমিকতা দিব লাগে;**

vi) **পঞ্চম এ এছ এফ চি-য়ে পৰিকল্পনা কৰা বহুস্তৰীয় নিৰীক্ষণ ব্যৱস্থা সক্ৰিয় কৰা (যেনে উচ্চ ক্ষমতাসম্পন্ন ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি, জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি আদি)।**

অধ্যায়-VII

পৌৰ নিগমৰ হিচাপ পৰীক্ষা

অধ্যায়-VII

পৌৰ নিগমৰ হিচাপ পৰীক্ষা

7.1 প'ক্লেন মেচিন ভাড়াত লঁওতে যোগানকাৰীক অযথা লাভালাভ প্রদান কৰা

গুৱাহাটী পৌৰ নিগমে প'ক্লেন মেচিন ভাড়াৰ বাবে ৰৰ্ক অর্ডাৰ জাৰি কৰাৰ সময়ত নিবিদাৰ চর্ত আৰু নিয়মসমূহ উলংঘা কৰিছিল আৰু ভাড়াত লোৱা মেচিনসমূহৰ বাবে জি এম চি-য়ে পৰিশোধ কৰা ইন্ধনৰ মূল্য আদায় নকৰি যোগানকাৰীক 65.19 লাখ টকাৰ অযথা আর্থিক লাভালাভ প্রদান কৰে।

গুৱাহাটী পৌৰ নিগম আইন, 1971ৰ ধাৰা 98 অনুসৰি যিকোনো কাম সম্পাদন কৰাৰ বাবে বা সা-সামগ্রী বা বস্তু যোগানৰ বাবে প্রতিটো চুক্তিত অন্যান্য বিষয়ৰ লগতে কৰিবলগীয়া কাম বা যোগান ধৰিবলগীয়া সামগ্রী বা বস্তুৰ পৰিমান আৰু এনে কাম, সামগ্রী বা বস্তুৰ বাবে প্রদান কৰিবলগীয়া ধনৰাশি উল্লেখ কৰিব লাগিব। ৰাষ্ট্রীয় পৌৰসভাৰ একাউণ্টছ মেনুৱেল[53]ৰ দফা 5.8ৰ ভিত্তিত, নগৰীয়া স্থানীয় নিকায়সমূহৰ কার্য্যকৰী বিভাগ আৰু একাউণ্ট বিভাগৰ দ্বাৰা দাবীসমূহৰ পৰিশোধৰ পূর্বে প্রয়োজনীয় পৰীক্ষাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

গুৱাহাটী পৌৰ নিগমে গুৱাহাটীৰ বৰাগাওঁ ডাম্পিং গ্রাউণ্ডত ডাম্প-ছাইট ড্রেছিঙৰ বাবে প'ক্লেন মেচিন (এক্সকেভেটৰ মেচিন) ভাড়াৰ বাবে (ডিচেম্বৰ 2021) নিবিদা আহ্বান জনাইছিল। নিবিদা নথিপত্রৰ খণ্ড 2(h)ত উল্লেখ কৰা হৈছিল যে উদ্ধৃতি দিবলগীয়া সকলো হাৰ পি অ' এল[54] অন্তর্ভুক্ত থাকিব লাগে আৰু জি এম চি-ৰ দ্বাৰা কোনো পি অ' এল জাৰি কৰা নহ'ব। দুটা প'ক্লেন মেচিন যোগানৰ বাবে প্রতি মেচিনৰ বাবে 25,560 টকা প্রতি দিনৰ হাৰত জি এম চি-য়ে মেছার্ছ ৰান টু টেন ছলিউচন প্রাইভেট লিমিটেডক (যোগানকাৰী) নির্বাচিত কৰে।

যদিও প্রস্তাৱিত হাৰত পি অ' এল অন্তর্ভুক্ত আছিল, মার্চ 2022ত ৰৰ্ক অ'র্ডাৰ[55] জাৰি কঁৰোতে জি এম চি-ৰ ডিভিজন IVৰ অভিযান্ত্রিক শাখাই নিবিদাৰ চর্ত আৰু নিয়ম উলংঘন কৰিছিল আৰু উল্লেখ কৰিছিল যে জি এম চি-য়ে (জি এম চি-ৰ জনশালা শাখা[56]) সেই ভাড়াত লোৱা মেচিনসমূহক ইন্ধন প্রদান কৰিব আৰু যোগানকাৰীয়ে দাখিল কৰা বিলৰ পৰা ইন্ধনৰ মূল্য কর্তন কৰা হ'ব।

জি এম চি-ৰ আয়ুক্তৰ অভিলেখসমূহৰ পৰীক্ষাত (ডিচেম্বৰ 2023)ত দেখা গ'ল যে এপ্রিল 2022ৰ পৰা নৱেম্বৰ 2022লৈকে দুটা প'ক্লেন মেচিন ব্যৱহাৰ কৰা হৈছিল আৰু ওপৰত উল্লেখ কৰা সময়ছোৱাত 97,790 লিটাৰ ডিজেল প্রদান কৰা হৈছিল। যোগানকাৰীয়ে প'ক্লেন মেচিন যোগানৰ বিপৰীতে 1.96 কোটি টকা দাবী কৰিছিল, যিটো জুন 2022ৰ পৰা ফেব্রুৱাৰী 2023ৰ ভিতৰত জি এম চি-য়ে সম্পূর্ণৰূপে পৰিশোধ কৰিছিল।

---

53 ভাৰত চৰকাৰৰ নগৰ উন্নয়ন মন্ত্রালয়ে নৱেম্বৰ 2004ত ইউ এল বি-ৰ একাউণ্ট ৰক্ষণাবেক্ষণৰ নীতি, পদ্ধতি, নির্দেশনাৰ বিস্তৃত বিৱৰণ দি প্রস্তুত কৰিছিল।

54 পেট্রলিয়াম, তেল আৰু লুব্রিকেণ্ট

55 জি এম চি-ৰ আয়ুক্তই স্বাক্ষৰ কৰিছিল

56 পূর্বৰ গেৰেজ শাখা, জি এম চি

পক্লেন মেচিনসমূহৰ বিল আৰু লগ-বুকসমূহৰ পৰীক্ষাত দেখা গ'ল যে এপ্ৰিল আৰু মে' 2022ৰ বাবে বিল দাখিল কৰাৰ সময়ত যোগানকাৰীয়ে বিলসমূহত উল্লেখ কৰা হাৰত 19.90 লাখ টকা কমকৈ দাবী কৰিছিল, যিটো জি এম চি-য়ে বিভাগীয়ভাৱে জাৰি কৰা 22,035 লিটাৰ ডিজেলৰ মূল্য আছিল। এনে কৰ্তন ৰৰ্ক অৰ্ডাৰৰ নিয়ম অনুসৰি আছিল।

কিন্তু জুন 2022ৰ পৰা নৱেম্বৰ 2022লৈকে বিল দাখিল কৰাৰ সময়ত ডিজেলৰ পৰিমাণ আৰু মূল্য (65.19 লাখ টকাৰ 75,755 লিটাৰ ডিজেল) যোগানকাৰীয়ে বিলত উল্লেখ কৰা নাছিল, জি এম চি-য়েও বিলৰ পৰা একেখিনি কৰ্তন কৰা নাছিল। জি এম চি-ৰ ভেৰিফাইং কৰ্তৃপক্ষই (অভিযান্ত্রিক শাখাই) জি এম চি-ৰ জনশলা শাখাত ৰক্ষণাবেক্ষণ কৰা লগ বুকসমূহৰ সৈতে বিলসমূহ ক্ৰছ ভেৰিফাই নকৰাকৈ বিলসমূহ পৰিশোধৰ বাবে একাউণ্টছ উইংলৈ প্ৰেৰণ কৰে। যোগানকাৰীয়ে দাবী কৰা ধনৰাশি, প্ৰকৃত পৰিশোধ আৰু কৰ্তন নকৰা ডিজেলৰ মূল্যৰ বিৱৰণ তলৰ **সাৰণী 7.1**ত দেখুওৱা হৈছে:

সাৰণী 7.1: যোগানকাৰীয়ে দাবী কৰা আৰু জি এম চি-য়ে পৰিশোধ কৰা বিলৰ সবিশেষ

কোন মাহৰ দাবী	প্ৰদান কৰা ডিজেলৰ পৰিমান (লিটাৰ)	প্ৰতি লিটাৰ ডিজেলৰ হাৰ (টকাত)	যোগানকাৰীয়ে দাবী কৰা পৰিমান (টকাত)	কৰ্তন নকৰা ডিজেলৰ মূল্য (টকাত)	পৰিশোধ কৰা পৰিমান (টকাত)	অতিৰিক্ত ধন পৰিশোধ (টকাত)
এপ্ৰিল 2022 মে' 2022	22,035	46 দিনৰ বাবে 91.4 10 দিনৰ বাবে 83.94 টকা	26,15,516 *(সামঞ্জস্য কৰাৰ পিছত 19,89,978)*	নাই	26,15,516	নাই
জুন 2022	13,260	96.01	26,82,202	12,73,093	26,82,202	12,73,093
জুলাই 2022	13,702	83.94	44,57,664	11,50,146	44,57,664	11,50,146
আগষ্ট 2022	13,256	83.94	26,50,891	11,12,709	26,50,891	11,12,709
ছেপ্তেম্বৰ 2022	12,754	83.94	26,00,730	10,70,571	26,00,730	10,70,571
অক্টোবৰ 2022 আৰু নবেম্বৰ 2022	22,783	83.94	45,99,522	19,12,405	45,99,522	19,12,405
মুঠ	**97,790**		**1,96,06,525**	**65,18,924**	**1,96,06,525**	**65,18,924**

এইদৰে, যোগানকাৰীয়ে নিবিদা আৰু ৰৰ্ক অৰ্ডাৰ অনুসৰি প'ক্লেন মেচিনসমূহৰ বাবে পি অ' এল-ৰ খৰচ বহন কৰিব লাগিছিল যদিও যোগানকাৰীয়ে দাবী দাখিল কৰাৰ সময়ত এপ্ৰিল আৰু মে' 2022ৰ বাহিৰে বাকী সময়ৰ বাবে বিভাগীয়ভাৱে জাৰি কৰা পি অ' এল-ৰ মূল্য কৰ্তন কৰা নাছিল। জি এম চি কৰ্তৃপক্ষইও সেই মেচিনসমূহৰ বাবে প্ৰদান কৰা পি অ' এল-ৰ ৰেকৰ্ড ক্ৰছ ভেৰিফাই কৰি পি অ' এল-ৰ মূল্য আদায় কৰা নাছিল।

এইদৰে, প্ৰথমে নিবিদাৰ চৰ্ত উলংঘন কৰি ৰৰ্ক অৰ্ডাৰ জাৰি কৰা আৰু তাৰ পিছত, পক্লেন মেচিনৰ যোগানৰ বিৰুদ্ধে বিলৰ পৰা জি এম চি-য়ে জাৰি কৰা পি অ' এল-ৰ খৰচ আদায় নকৰি যোগানকাৰীক 65.19 লাখ টকাৰ অযথা আৰ্থিক লাভালাভ প্ৰদান কৰা হৈছিল।

জি এম চি-ৰ আয়ুক্তই সামৰণি সভাত (ফেব্ৰুৱাৰী 2024) জনাই যে বিষয়টো পৰীক্ষা কৰা হ'ব আৰু প্ৰয়োজন হ'লে যোগানকাৰীৰ পৰা ধন আদায় কৰা হ'ব।

জি এম চি-ৰ আয়ুক্তই নিশ্চিত কৰিব পাৰে যে চুক্তি/ যোগানৰ চৰ্ত আৰু নিয়মৰ সৈতে বিলৰ সঠিক পৰীক্ষণ ধন পৰিশোধ কৰাৰ আগতে কৰা হয়। ইয়াৰ উপৰিও অতিৰিক্ত ধন পৰিশোধৰ বাবে উপযুক্ত স্তৰত দায়দ্ধতা নিৰ্ধাৰণ কৰিব পাৰি।

এই বিষয়টো জুলাই 2024ত চৰকাৰক জনোৱা হৈছিল; তেওঁলোকৰ উত্তৰৰ বাবে অপেক্ষা কৰা হৈছে (জুলাই 2025)।

7.2 গুৱাহাটীত বজাৰ কমপ্লেক্স নির্মাণত অফলপ্রসূ ব্যয়

গুৱাহাটী পৌৰ নিগমে কাম 3.07 কোটি টকা ব্যয় কৰি কৰা দুটা মার্কেট কমপ্লেক্স নির্মাণৰ কাম আধাতে বন্ধ কৰি দিয়ে কাৰণ এই কামৰ বাবে নির্ধাৰিত ধন আৰবিট্রেল এৱার্ড পৰিশোধৰ বাবে ডাইভার্ট হৈছিল। সম্পূর্ণ হোৱাৰ নির্ধাৰিত তাৰিখৰ আঠ বছৰৰ পিছতো অসমাপ্ত নির্মাণসমূহ পৰিত্যক্ত হৈ থাকিল যাৰ ফলত ব্যয় অফলপ্রসূ হৈ পৰিল।

চতুর্থ অসম বাজ্যিক বিত্ত আয়োগ (এ এছ এফ চি)ৰ আৱণ্টনৰ অধীনত নগৰ সেৱাৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ বিত্ত (অর্থনৈতিক পৰিক্রমা) বিভাগে[57] (মার্চ 2013) গুৱাহাটী পৌৰ নিগম (জি এম চি)ক 26.00 কোটি টকা (প্রথম কিস্তি) অনুমোদন জনায়। 26 কোটি টকাৰ[58] ভিতৰত 5 কোটি টকা উলুবাৰী (3.00 কোটি টকা) আৰু গণেশগুৰি (2.00 কোটি টকা)ত দুটা বজাৰ কমপ্লেক্স নির্মাণৰ বাবে নির্ধাৰণ কৰা হৈছিল।

উলুবাৰী আৰু গণেশগুৰিৰ বজাৰ কমপ্লেক্স দুটাৰ নির্মাণৰ কাম নিবিদা প্রক্রিয়াৰ পিছত মে' 2014ত সংশ্লিষ্ট সর্বনিম্ন নিবিদাকাৰীক প্রদান কৰা হয়। ৱর্ক অর্ডাৰ জাৰি কৰাৰ তাৰিখৰ পৰা 18 মাহৰ ভিতৰত অর্থাৎ নৱেম্বৰ 2015ৰ ভিতৰত কাম সম্পূর্ণ কৰাৰ সময় নির্ধাৰণ কৰা হৈছিল।

জি এম চি-ৰ আয়ুক্তৰ তথ্যৰ পৰীক্ষা (নৱেম্বৰ 2023)ত দেখা গৈছিল যে নৱেম্বৰ 2015ৰ ভিতৰত সম্পূর্ণ হোৱাৰ কথা আছিল যদিও 3.07 কোটি টকা ব্যয় কৰাৰ পিছত আগষ্ট 2021ত কামসমূহ বন্ধ কৰাৰ সিদ্ধান্ত লোৱাৰ পূর্বে সেই দুটা বজাৰ কমপ্লেক্সৰ কোনোটোৱেই সম্পূর্ণ হোৱা নাছিল। সাৰাংশ স্থিতিটো তলত দিয়া ধৰণে আছিল:

সাৰণী 7.2: বজাৰ কমপ্লেক্সৰ দুটা নির্মাণৰ কায়িক আৰু আর্থিক অগ্রগতি

বজাৰৰ নাম	ঠিকা মূল্য	ব্যয় কৰা পৰিমান	কেতিয়াৱে পৰা নির্মাণৰ কাম বন্ধ হৈ আছে
উলুবাৰী বহুমহলীয়া বজাৰ কমপ্লেক্স	2.60 কোটি টকা	1.49 কোটি টকা (অন্তিম পৰিশোধ জানুৱাৰী 2021ত)	আগষ্ট 2021
গণেশগুৰি বহুমহলীয়া বজাৰ কমপ্লেক্স	1.85 কোটি টকা	1.58 কোটি টকা (অন্তিম পৰিশোধ নৱেম্বৰ 2021ত)	মার্চ 2021

মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে আন কিছুমান গোচৰ[59]ত আৰবিট্রেল এৱার্ড প্রদান কৰাৰ নির্দেশ দিয়াৰ বাবে জি এম চি-য়ে ছেপ্টেম্বৰ 2015ত চতুর্থ এ এছ এফ চি-আৱণ্টনৰ 26 কোটি টকাৰ ভিতৰত 7.80 কোটি টকা ডাইভার্ট কৰিছিল। আগষ্ট 2021ত ধনৰ অভাৱৰ বাবে গৃহ নির্মাণ আৰু নগৰ পৰিক্রমা বিভাগৰ অতিৰিক্ত মুখ্য সচিবৰ সভাপতিত্বত অনুষ্ঠিত এখন বৈঠকত দুয়োটা বজাৰ কমপ্লেক্সৰ[60] নির্মাণ বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হয়।

---

57 এছ এফ চি-ৰ ধন মুকলি কৰাৰ বাবে ন'ডেল বিভাগ

58 26 কোটি টকাৰ বিভাজন তলত দিয়া ধৰণৰ: (i) খণ্ড কার্যালয় নির্মাণ — 4.00 কোটি টকা (ii) গোটা আৱর্জনা ব্যৱস্থাপনা — 5.00 কোটি টকা (iii) পথ আৰু নলা — 5.00 কোটি টকা (iv) চাৰিখন বজাৰ নির্মাণ — 10.00 কোটি টকা আৰু (v) পানী যোগান উৎপাদন — 2.00 কোটি টকা।

59 ছেপ্টেম্বৰ 2015ত জি এম চি-য়ে 7.80 কোটি টকা প্রদান কৰিছিল, চতুর্থ এ এছ এফ চি অনুদানৰ পৰা তিনিটা নির্মাণ প্রতিষ্ঠানক সুতকে ধৰি আর্বিট্রেল এৱার্ড হিচাপে।

60 লগতে গুৱাহাটীৰ ফটাশিলত অন্য এটা মার্কেট কমপ্লেক্স যিটো একাধিক মামলাৰ অধীনত আছে।

উলুবাৰী বহুমহলীয়া বজাৰ কমপ্লেক্স: উলুবাৰী বজাৰ কমপ্লেক্সৰ কাম ঠিকাদাৰক (মে' 2014) 2.60 কোটি টকাত প্ৰদান কৰা হয়। ৰেকৰ্ডত দেখা গৈছে যে জি এম চি-য়ে অক্টোবৰ 2014ত ঠাইখন গতাই দিছিল আৰু সম্পূৰ্ণ হোৱাৰ তাৰিখ এপ্ৰিল 2016লৈ পিছুৱাই দিছিল। কিন্তু দ্বিতীয়টো ৰানিং একাউণ্ট বিল (0.61 কোটি টকা) পৰিশোধ নকৰাৰ বাবে 2017ৰ পৰা তিনি বছৰ ধৰি ঠিকাদাৰে কামটো সম্পূৰ্ণ কৰা নাছিল। ঠিকাদাৰে অক্টোবৰ 2020ত কামটো পুনৰ আৰম্ভ কৰিছিল আৰু দ্বিতীয় (0.61 কোটি টকা) আৰু তৃতীয় (0.25 কোটি টকা) আৰ এ বিল ক্ৰমে জানুৱাৰী 2021 আৰু ছেপ্টেম্বৰ 2021ত পৰিশোধ কৰা হৈছিল। জি এম চি-য়ে অৱশ্যে পুঁজিৰ অভাৱৰ ভিত্তিত 0.22 কোটি টকাৰ চতুৰ্থ আৰ এ বিল পৰিশোধ নকৰিলে আৰু আগষ্ট 2021ত বিভাগীয় পৰ্যায়ত লোৱা সিদ্ধান্ত অনুসৰি কাম বন্ধ কৰি দিয়া হয়। আজিলৈকে (আগষ্ট 2024ত) তিনি বছৰতকৈ অধিক সময় নিৰ্মাণ স্থবিৰ হৈ আছে।


অসম্পূৰ্ণ উলুবাৰী বজাৰ কমপ্লেক্স

(B) গণেশগুৰি বহুমহলীয়া বজাৰ কমপ্লেক্স: গণেশগুৰি বজাৰ কমপ্লেক্সৰ কাম নৱেম্বৰ 2015ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে ঠিকাদাৰক 1.85 কোটি টকাত প্ৰদান কৰা হৈছিল (মে' 2014)। অৱশ্যে, পুঁজিৰ অভাৱৰ বাবে কামটো সম্পূৰ্ণ কৰিব পৰা নগ'ল আৰু মাৰ্চ 2021ৰ পৰা কামটো বন্ধ হৈ আছে। নৱেম্বৰ 2021 লৈকে ঠিকাদাৰক 1.58 কোটি টকা প্ৰদান কৰা হৈছিল। আগষ্ট 2021ৰ বিভাগীয় পৰ্যায়ৰ সিদ্ধান্ত অনুসৰি কামটো অকালতে বন্ধ কৰি দিয়াৰ বাবে সম্পূৰ্ণ হোৱাৰ নিৰ্ধাৰিত তাৰিখৰ আঠ বছৰতকৈ অধিক সময়ৰ পিছতো কামটো আগষ্ট 2024লৈকে পৰিত্যক্ত হৈ আছিল। এইদৰে নিৰ্দিষ্ট আঁচনিৰ[61] বাবে নিৰ্ধাৰিত এ এছ এফ চি-ৰ পুঁজি ডাইভাৰ্ট কৰি আদালতে ৰায়দান দিয়া আৰবিট্ৰেল এৱাৰ্ড পৰিশোধ কৰাটো অনিয়মিত আছিল। এই কথাটো ইয়াৰ পৰিপেক্ষিতত চাব পাৰি যে বিত্তীয় বৰ্ষ 2015-16ত জি এম চি-ৰ নিজা পুঁজি হিচাপে কৰ ৰাজহ, পৌৰসভাৰ বজাৰৰ পৰা আয়, ব্যৱহাৰকাৰী মাচুল আদিৰ পৰা যথেষ্ট পৰিমাণৰ[62] ধন জমা হৈছিল। কিন্তু জি এম চিৰ নিজৰ সঞ্চিত ধনৰ পৰা বা আন কোনো উৎসৰ পৰা আৰবিট্ৰেল এৱাৰ্ডৰ বোজা পূৰণ কৰাৰ পৰিৱৰ্তে বজাৰ কমপ্লেক্সৰ চলি থকা নিৰ্মাণৰ বাবে নিৰ্ধাৰিত চতুৰ্থ এ এছ এফ চিৰ পুঁজিসমূহ ডাইভাৰ্ট কৰা হৈছিল। জি এম চি-য়ে পৰৱৰ্তী ছবছৰত নিজৰ সম্পদৰ পৰা অধিক ধন সংগ্ৰহ কৰা নাছিল, আৰু লগতে অৱশেষত আগষ্ট 2021ত কামসমূহ বন্ধ কৰাৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে বিভাগে প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা নাছিল। এইদৰে দুটা বজাৰ কমপ্লেক্স নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ নিৰ্ধাৰিত তাৰিখৰ আঠ বছৰৰ পিছতো পৰিত্যক্ত হৈ থাকিল। ফলত চতুৰ্থ এ এছ এফ চি আৱণ্টনৰ পৰা জি এম চি-য়ে এতিয়ালৈকে কৰা 3.07 কোটি টকাৰ ব্যয় অফলপ্ৰসূ হৈ থাকিল।


অসম্পূৰ্ণ গণেশগুৰী বজাৰ কমপ্লেক্স

ডিচেম্বৰ 2024ত এই বিষয়টো চৰকাৰক জনোৱা হৈছিল; তেওঁলোকৰ উত্তৰৰ বাবে অপেক্ষা (জুলাই 2025)কৰা হৈছে।

---

61 মণ্ডল কার্যালয়, পথ আৰু নলা, বজাৰ কমপ্লেক্স নিৰ্মাণ আৰু বৰ্তমানৰ পানী যোগান আঁচনিৰ উন্নীতকৰণ।

62 80.34 কোটি টকা।

অধ্যায়-VIII

নগৰীয় স্থানীয় নিকায়সমূহৰ কার্য ভিত্তিক হিচাপ পৰীক্ষা

অধ্যায় -VIII

নগৰীয় স্থানীয় নিকায়সমূহৰ কার্য ভিত্তিক হিচাপ পৰীক্ষা

8.1 সূচনা

জিলা কেন্দ্রিক দৃষ্টিভঙ্গীৰ সৈতে কার্য্য ভিত্তিক হিচাপ পৰীক্ষা হৈছে হিচাপ পৰীক্ষাৰ এক ব্যাপক পদ্ধতি যিয়ে জিলা পর্যায়ত বিভিন্ন কার্যসূচী আৰু সেৱাৰ কর্মক্ষমতা আৰু ফলপ্রসূতা মূল্যায়ন কৰাত গুৰুত্ব আৰোপ কৰে। এই পদ্ধতিয়ে স্থানীয়ভাৱে মূল্যায়ন কৰে, যাতে সম্পদসমূহ দক্ষতাৰে ব্যৱহাৰ কৰা হয় আৰু ৰাজহুৱা সেৱাসমূহে জনসাধাৰণৰ প্রয়োজনীয়তা পূৰণ কৰাটো নিশ্চিত কৰে।

স্থানীয় পর্যায়ত ফলপ্রসূ শাসন আৰু বহনক্ষম উন্নয়নক লাভান্বিত কৰাৰ বাবে জিলাকেন্দ্রিক হিচাপ পৰীক্ষা অতি প্রয়োজনীয়। নির্দিষ্ট জিলাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই হিচাপ পৰীক্ষাসমূহে সম্পদৰ ব্যৱহাৰ, সেৱা প্রদান, আৰু আর্থ-সামাজিক কার্যসূচী ৰূপায়ণৰ বিশদ মূল্যায়ন কৰে। সেইসমূহে স্থানীয় কর্তৃপক্ষসমূহৰ মাজত জবাবদিহিতা আৰু স্বচ্ছতাক প্রসাৰিত কৰে, ৰাজহুৱা ধন যাতে দক্ষতাৰে আৰু ইয়াৰ উদ্দেশ্য প্রণোদিত উদ্দেশ্যত ব্যৱহাৰ হোৱাটো নিশ্চিত কৰে। ইয়াৰ উপৰিও জিলাকেন্দ্রিক হিচাপ পৰীক্ষাই ব্যৱধান আৰু অদক্ষতা চিনাক্ত কৰাত সহায় কৰে, যাৰ ফলত ৰাজহুৱা সেৱাৰ নিদ্ধাৰিত লক্ষ্য উন্নীত হয়।

8.2 হিচাপ পৰীক্ষাৰ পৰিসৰ আৰু পদ্ধতি

8.2.1 জিলাকেন্দ্রিক হিচাপ পৰীক্ষা (ডি চি এ)ৰ বাবে নির্বাচিত কার্য্য আৰু কার্য্যকলাপসমূহ

74 সংখ্যক সংবিধান (সংশোধনী) আইন, 1992 চনত সংবিধানৰ 12তম অনুসূচীত উল্লেখ কৰা 18টা কাম হস্তান্তৰৰ পৰিকল্পনা কৰা হৈছিল। ভাৰতীয় সংবিধানৰ 12তম অনুসূচী অনুসৰি 18টা কামৰ ভিতৰত অসমৰ ইউ এল বিসমূহে তিনিটা কামৰ[63] বাবে একমাত্র দায়বদ্ধ; পাঁচটা কার্য্যত[64] কোনো ভূমিকা নাছিল আৰু বাকী 10টা কার্য্যত[65] ইউ এল বিসমূহ নূন্যতম ভূমিকা থকা কেৱল কার্যকৰী সংস্থা আছিল বা ৰাজ্যিক বিভাগ আৰু অর্ধৰাজ্যিক সংস্থাসমূহৰ সৈতে ওপৰা ওপৰি ক্ষেত্রসমূহ আছিল।

গুৱাহাটী পৌৰ নিগমৰ ক্ষেত্রত যদিও অনাময় আৰু এছ ডব্লিউ এম সম্পর্কীয় কামসমূহ জি এম চি-য়ে কৰে, অনাময়ৰ কামসমূহ পি এইচ ই বিভাগেও কৰে, আৰু চহৰৰ বিভিন্ন প্রান্তত গুৱাহাটী জল ব'র্ড, জি এম ডি এ, পি এইচ ই বিভাগ আৰু জি এম চি-য়ে পানী যোগানৰ ব্যৱস্থা কৰে। তদুপৰি দোকান/ ৰেষ্টুৰেণ্ট আৰু সম্পত্তি কৰ আদিৰ অনুজ্ঞাপত্র জি এম চি-য়ে কৰে।

সেয়েহে কার্য্য ভিত্তিক হিচাপ পৰীক্ষা উপযুক্ত নাছিল। গতিকে, আন্তঃসম্পর্কীয় বিষয় অর্থাৎ, "নির্মাণ আৰু সম্পত্তি সৃষ্টি"ক ডি চি এ-ৰ বাবে বিষয় হিচাপে লোৱা হৈছিল। ইউ এল বি-ৰ হিচাপ পৰীক্ষা জিলা কেন্দ্রিক পদ্ধতিৰে কৰা

---

63 (i) সমাধি আৰু সমাধিস্থল, শ্মশান, শ্মশানস্থল, বৈদ্যুতিক শ্মশান স্থল, বৈদ্যুতিক শ্মশান; (ii) গৰুৰ পাউণ্ড, জীৱ-জন্তুৰ ওপৰত হোৱা নিষ্ঠুৰতা প্রতিৰোধ; (iii) কচাই খানা আৰু চামৰাৰ কাৰখানাৰ নিয়ন্ত্রণ।

64 (i) নগৰ পৰিকল্পনা আৰু (ii) অগ্নিনির্বাপক সেৱাকে ধৰি নগৰ পৰিকল্পনা (iii) প্রতিবন্ধী আৰু মানসিকভাৱে মন্থৰ লোককে ধৰি সমাজৰ দুর্বল শ্রেণীৰ স্বার্থ সুৰক্ষিত কৰা, (iv) সাংস্কৃতিক, শৈক্ষিক, আৰু নান্দনিক দিশসমূহৰ প্রসাৰ, (v) জন্ম আৰু মৃত্যুৰ পঞ্জীয়নকে ধৰি গুৰুত্বপূর্ণ পৰিসংখ্যা।

65 (i) ভূমি ব্যৱহাৰ আৰু অট্টালিকা নির্মাণৰ নিয়ন্ত্রণ (ii) বস্তি উন্নয়ন আৰু উন্নীতকৰণ (iii) পথ আৰু দলং (iv) নগৰীয়া বন, পৰিৱেশ সুৰক্ষা আৰু পৰিৱেশগত দিশসমূহৰ প্রসাৰ (v) অর্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে পৰিকল্পনা (vi) নগৰীয়া দৰিদ্রতা নিৰাময় (vii) ঘৰুৱা, উদ্যোগিক, আৰু বাণিজ্যিক উদ্দেশ্যৰ বাবে পানী যোগান, (viii) জনস্বাস্থ্য, অনাময়, সংৰক্ষণ, কঠিন আৱর্জনা ব্যৱস্থাপনা, (ix) নগৰীয়া সুবিধা আৰু সুবিধা যেনে উদ্যান, বাগিচা, খেলপথাৰ, (x) ৰাস্তাৰ পোহৰ, পার্কিং লট, বাছ ষ্টপ আৰু ৰাজহুৱা সুবিধাকে ধৰি ৰাজহুৱা সুবিধাসমূহৰ ব্যৱস্থা।

হৈছিল য'ত আন্তঃসম্পৰ্কীয় কাৰ্য্যকলাপ (সম্পত্তি ব্যৱস্থাপনা, সম্পত্তি কৰ, নিৰ্মাণ আদি) সামৰি লোৱা হৈছিল যিবোৰ ইউ এল বি-ৰ একাধিক অনুভূমিক ইউনিটত কৰা হৈছিল। আকাংক্ষিত নীতি অনুসৰি নিৰ্মাণ সম্পূৰ্ণ হৈছে নে নাই আৰু কৰ সম্পত্তি সৃষ্টি হৈছে নে নাই আৰু সম্পত্তি ব্যৱস্থাপনাৰ বাবে কোনো প্ৰতিষ্ঠিত ব্যৱস্থা আছে নেকি সেইটো মূল্যায়ন কৰাটোৱেই গুৰুত্ব দিয়া হৈছিল।

8.2.2 হিচাপ পৰীক্ষাৰ পৰিসৰ

অসমৰ তিনিখন জিলাত (তিনচুকীয়া, যোৰহাট আৰু কামৰূপ (মেট্ৰ')) 2020-21ৰ পৰা 2022-23লৈকে সময়ছোৱাৰ জিলাকেন্দ্ৰিক হিচাপ পৰীক্ষা কৰা হৈছিল। তলত তিনিখন জিলাৰ ভৌগোলিক প্ৰতিনিধিত্ব দেখুওৱা অসমৰ মানচিত্ৰখন চিত্ৰ 8.1ত দেখুওৱা হৈছে:

চিত্ৰ-8.1: নিৰ্বাচিত তিনিখন জিলাৰ ভৌগোলিক প্ৰতিনিধিত্ব দেখুওৱা মানচিত্ৰ।



কাৰ্যভিত্তিক হিচাপ পৰীক্ষাত 2020-21ৰ পৰা 2022-23লৈকে তিনি বছৰ সামৰি লোৱা হৈছিল।

সাৰণী 8.1: ইউ এল বিসমূহৰ নিৰ্বাচন

জিলা/ ইউ এল বি-ৰ শ্ৰেণী	পৌৰ নিগম (1)	পৌৰ সভা (7)
তিনিচুকীয়া	নাই	তিনিচুকীয়া, ডিগবৈ আৰু মাৰ্ঘেৰিটা
যোৰহাট	নাই	যোৰহাট, মৰিয়নি আৰু তিতাবৰ
কামৰূপ (মেট্ৰ')	গুৱাহাটী পৌৰ নিগম	উত্তৰ গুৱাহাটী এম বি

8.2.3 হিচাপ পৰীক্ষাৰ মাপকাঠী আৰু পদ্ধতি

এই অধ্যায়ত হিচাপ পৰীক্ষাৰ ফলাফলসমূহ অন্যান্য বিষয়ৰ লগতে তলত দিয়া মাপকাঠীসমূহৰ বিপৰীতেও তুলনা কৰা হৈছে:

- অসম পৌৰ আইন, 1956
- গুৱাহাটী পৌৰ নিগম আইন, 1971
- অসম পৌৰ (হিচাপ) নিয়মাৱলী 1961
- ৰাষ্ট্ৰীয় পৌৰসভাৰ হিচাপ মেনুৱেল
- কেন্দ্ৰীয় বিত্ত আয়োগৰ বিস্তৃত নিৰ্দেশনা
- অসম চৰকাৰৰ অনুমোদন/ আৱণ্টন আদেশ

- অসম বিত্তীয় নিয়মাৱলী

জিলা নির্বাচনৰ বাবে সাধাৰণ অঞ্চলৰ 27 খন জিলাক তিনিটা স্তৰত ভাগ কৰি প্রতিটো স্তৰৰ পৰা এখন জিলাক ব্যয়ৰ ওপৰত ভিত্তি কৰি সালসলনি অবিহনে সৰল যাদৃচ্ছিক নমুনা সংগ্রহ (এছ আৰ এছ ডব্লিউ অ' আৰ) পদ্ধতি ব্যৱহাৰ কৰি বাছনি কৰা হৈছিল। প্রতিখন জিলাৰ পৰা 03টা ইউ এল বি ইউনিট (প্রতিটো ধৰণৰ ইউ এল বি ইউনিটৰ পৰা এটা অর্থাৎ এম চি আৰু এম বি) নির্বাচন কৰা হৈছিল। ডি চি এ-ত সামৰি লোৱা ইউনিটসমূহ আছিল বাচনিকৃত জিলাসমূহৰ অধীনত সাতটা এম বি আৰু এটা এম চি। কামৰূপ (মেট্র')ত উপলব্ধ মাত্র দুটা ইউ এল বি ইউনিট, অর্থাৎ এটা এম চি আৰু এটা এম বি বাছনি কৰা হৈছিল। হিচাপ পৰীক্ষা কৰা প্রতিখন জিলাৰ বাবে জিলাকেন্দ্রিক পৰিদর্শন প্রতিবেদন (ডি চি আই আৰ) প্রস্তুত কৰা হৈছে, পৰিদর্শন প্রতিবেদনসমূহৰ নির্বাচিত তথ্য আৰু ফলাফলসমূহ বিভাগৰ এইচ অ' ডি-লৈ প্রেৰণ কৰা হৈছে।

8.3 নির্বাচিত কার্য্যকলাপ আৰু জিলাসমূহৰ আভাস

8.3.1 আন্তঃসম্পর্কীয় কার্য্যকলাপসমূহৰ আভাস

স্থানীয় নিকায়সমূহৰ হাতত অর্পণ কৰা কার্য্যসমূহৰ লগতে যিবোৰ কার্য্যত হস্তান্তৰ নূন্যতম বা অর্ধৰাজ্যিক বা ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহৰ সৈতে দায়িত্ব ভাগ কৰা হয়, সেইসমূহৰ আন্তঃগাথনি চোৱাচিতা কৰা হয়। এই অধ্যায়ত আয় সৃষ্টিকাৰী আঁচনি সৃষ্টিৰ ব্যয়, ইউ এল বিসমূহৰ বাবে বহুমুখী হল আৰু কেন্দ্রীয় বিত্ত অনুদান আৰু ৰাজ্যিক বিত্ত আয়োগে পৰামর্শ দিয়া বিভাজিত পুঁজিৰ পৰা সামূহিক সম্পত্তিৰ সৈতে জড়িত কিছুমান হিচাপ পৰীক্ষাৰ ফলাফল সন্নিবিষ্ট কৰা হৈছে। সম্পত্তি ব্যৱস্থাপনা, সম্পত্তি কৰ, নির্মাণ আদি স্থানীয় সংস্থাসমূহৰ আন্তঃসম্পর্কীয় কার্য্যকলাপ যিটো বিভক্ত কার্য্যৰ অন্যতম নহয় কিন্তু ইউ এল বি-ত একাধিক অনুভূমিক ইউনিটত সম্পন্ন কৰা হয়। সেয়েহে ডি চি এ-ৰ বাবে আন্তঃসম্পর্কীয় ভিত্তিত নির্মাণৰ কার্য্যকলাপ নির্বাচন কৰা হৈছিল।

8.3.2 বাচনিকৃত জিলাসমূহৰ আভাস

প্রশাসনিক আৰু অর্থনৈতিক তথ্য, লগতে বাচনিকৃত জিলাসমূহত সেৱা প্রদান সম্পর্কে বুজিবলৈ প্রাসংগিক তথ্যসমূহ তলৰ **সাৰণী 8.2**ত দেখুওৱা হৈছে:

সাৰণী-8.2: বাচনিকৃত তিনিখন জিলাত বিভিন্ন পৰিমাপৰ তুলনা

পেৰামিটাৰ	তিনিচুকীয়া	যোৰাহাট	কামৰূপ (মেট্র')
এলেকা	3790 বর্গ কিঃ মিঃ	2851 বর্গ কিঃ মিঃ	1527 বর্গ কিঃ মিঃ
জনসংখ্যা	13.28 লাখ	10.92 লাখ	12.54 লাখ
নগৰীয়া জনসংখ্যা *(মুঠ জনসংখ্যাৰ %)*	2.65 লাখ (20%)	2.21 লাখ (20%)	10.37 লাখ (82.70%)
ইউ এল বি-ৰ সংখ্যা	6	4	2
লিংগ-অনুপাত *(প্রতি 1000 পুৰুষৰ বিপৰীতে মহিলা)*	907	938	933
নগৰীয়া সাক্ষৰতাৰ হাৰ	87.22%	90.39%	82.57%
দৰিদ্রতাৰ অনুপাত	14%	15%	3.50%
নিয়োগ আৰু জীৱিকাৰ মানদণ্ড সূচকাংক (ৰাজ্যৰ ভিতৰত অৱস্থান)	0.40 (11তম স্থান)	0.53 (2য় স্থান)	1.00 (1ম স্থান)

উৎস: পৰিসংখ্যাগত হাতপুথি, অসম 2024 আৰু বিভাগে প্রদান কৰা তথ্য।

2020-21ৰ পৰা 2022-23লৈকে বাচনিকৃত তিনিখন জিলালৈ পুঁজি আবণ্টন আৰু মোকলাই দিয়াৰ স্থিতি তলৰ **চিত্ৰ তালিকা-8.1**ত দেখুওৱা হৈছে:

চিত্ৰ তালিকা 8.1: 2020-21ৰ পৰা 2023-24লৈকে নিৰ্বাচিত তিনিখন জিলাই লাভ কৰা চি এফ চি আৰু এছ এফ চি অনুদান

(কোটি টকাত)



ওপৰৰ তথ্যসমূহে জিলাসমূহৰ মাজত অনুদানৰ বিতৰণ দেখুৱাইছে যত কামৰূপ মেট্ৰ'ই সৰ্বাধিক নগৰীয়া জনসংখ্যাৰে সিংহ ভাগ লাভ কৰিছে। তিনিওটা ইউ এল বি-ৰ পৌৰসভাৰ বিত্তীয় সাহায্য প্ৰধানকৈ চি এফ চি অনুদান আছিল।

8.4 হিচাপ পৰীক্ষাৰ ফলাফল

আন্তঃসম্পৰ্কীয় কাৰ্য্যকলাপৰ সৈতে জড়িত উল্লেখযোগ্য হিচাপ পৰীক্ষাৰ ফলাফল

হিচাপ পৰীক্ষাৰ কিছুমান উল্লেখযোগ্য ফলাফল তলত দিয়া দফাসমূহত বিশদভাৱে উল্লেখ কৰা হৈছে:

8.4.1 সোণাৰি পৌৰসভাত সন্দেহজনক অপব্যৱহাৰ

সোণাৰি এম বি কৰ্তৃপক্ষৰ ৰাজহ সংগ্ৰহ আৰু সংগ্ৰহ কৰা ৰাজহৰ ক্ৰছ ভেৰিফিকেচনৰ বাবে একেজন বিষয়াক নিযুক্তি দিয়াৰ দীৰ্ঘদিনীয়া প্ৰথা, লগতে সংগ্ৰহীত ৰাজহ আৰু জমাৰ হিচাপ পৰীক্ষা নকৰাৰ ফলত 1.06 কোটি টকাৰ ৰাজহৰ সন্দেহজনক অপব্যৱহাৰৰ সুবিধাৰ সৃষ্টি হৈছিল।

ৰাষ্ট্ৰীয় পৌৰসভাৰ একাউণ্টছ মেনুৱেলৰ (এন এম এ এম) দফা 5.7 অনুসৰি সংগ্ৰহসমূহৰ প্ৰাপ্তি, জমা আৰু হিচাপ-নিকাচৰ সাধাৰণ পদ্ধতি তলত দিয়া ধৰণৰ হ'ব:

- **নগদ ধন বা চেক/ ড্ৰাফ্টৰ ৰূপত লাভ কৰা যিকোনো ধনৰ বাবে যথাযথভাৱে স্বাক্ষৰিত আৰু তাৰিখযুক্ত ৰচিদ জাৰি কৰা হ'ব**
- **সংগ্ৰহ কৰা ধনৰাশি (নগদ ধন, চেক লগতে খচৰা) নিৰ্দিষ্ট বেংক একাউণ্টত বা ইউ এল বি-ৰ অন্যান্য নিৰ্দিষ্ট সংগ্ৰহ কাৰ্যালয়ত, দিনটোৰ ভিতৰত বা পিছৰ কৰ্মদিনত জমা কৰিব লাগিব।**
- **সংগ্ৰহ কৰা কাৰ্যালয়সমূহে প্ৰতিটো সংগ্ৰহৰ বিৱৰণ, সংগ্ৰহ পঞ্জীত দৈনিক লিপিবদ্ধ কৰিব লাগিব।**

উল্লেখত মেনুৱেলত বেংক ৰচিদ ভাউচাৰ প্ৰস্তুত কৰা আৰু হিচাপ বিভাগে এনে জমা ধন নগদ ধনৰ বহীত প্ৰবৃষ্টি কৰা প্ৰক্ৰিয়াৰ ৰূপৰেখাও উল্লেখ কৰা হৈছে। প্ৰক্ৰিয়াটোৰ ক্ৰছ ভেৰিফিকেশনৰ দায়িত্ব হিচাপ শাখাৰ ওপৰত ন্যস্ত কৰা হৈছিল।

তদুপৰি অসম পৌৰ হিচাপ (এ এম এ) নিয়মাৱলী, 1961ৰ 117 নং নিয়মৰ অধীনত ৰচিদ বহীৰ ৰক্ষণাবেক্ষণ আৰু ইছ্যু যিকোনো এম বি-ৰ উপাধ্যক্ষ বা কার্যবাহী বিষয়াৰ হাতত থাকিব লাগে আৰু ব্যৱহৃত বিহীখন শেষ নোহোৱালৈকে কোনো নতুন ৰচিদ বিহী জাৰি কৰিব নালাগে। 1961ৰ এ এম এ নিয়মৰ পৰিশিষ্ট Aত ইউ এল বি-ৰ কৰ সংগ্ৰাহক, কৰ দাৰোগা[66] আৰু একাউণ্টেণ্টৰ ভূমিকাৰ পার্থক্যৰ ওপৰতো আলোকপাত কৰা হৈছে।

চৰাইদেউ জিলাৰ সোণাৰি পৌৰসভা (এম বি)ৰ অধ্যক্ষই জনোৱা মতে (অক্টোবৰ 2023) পৌৰসভাৰ কৰ[67] সংগ্ৰহ আৰু জমা ব্যৱস্থাত দেখা গ'ল যে কৰদাতাৰ পৰা অনুজ্ঞাপত্ৰ সহায়ক (এল এ) আৰু কৰ সংগ্ৰাহক (টি চি) হিচাপে নিযুক্তি দিয়া বিষয়াসকলে কৰ সংগ্ৰহ কৰে আৰু সংগ্ৰহ কৰা ধনৰ সবিশেষ চালান পঞ্জীত লিপিবদ্ধ কৰি এইসমূহ কৰ দাৰোগাক জমা দিয়াৰ বাবে দায়বদ্ধ আছিল। 1961ৰ এ এম এ নিয়মৰ পৰিশিষ্ট Aৰ সৈতে পঠিতব্য ওপৰত উল্লেখ কৰা নিয়ম 117ৰ পৰা বিচ্যুতি ঘটাই এল এ আৰু টি চিসমূহক ৰচিদ বহী প্ৰদানৰ দায়িত্ব কৰ দাৰোগাক অর্পণ কৰা হৈছিল। অধ্যক্ষ, সোণাৰি এম বি-য়ে প্ৰদান কৰা তথ্য অনুসৰি কৰ দাৰোগাই সংগ্ৰহ কৰা ৰাজহ আৰু ৰচিদ বহীৰ সৈতে চালান পঞ্জী পৰীক্ষা কৰাৰ পিছত এইসমূহ একেদিনাই সংগ্ৰহ পঞ্জীত প্ৰবৃষ্টি কৰে। কৰ দাৰোগাই সংগ্ৰহ কৰা সকলো ধন সোণাৰি এম বি-ৰ বেংক একাউণ্টত জমা দিব লাগিছিল আৰু বেংকৰ স্ক্ৰলটো কেছ বুকত লিপিবদ্ধ কৰিবলৈ কেচিয়াৰ/ একাউণ্টেণ্টৰ হাতত গতাই দিব লাগিছিল।

হিচাপ পৰীক্ষাত দেখা গৈছে (অক্টোবৰ 2023) যে 2019ৰ পৰা সোণাৰি এম বি-ৰ এজন অনুজ্ঞাপ্ৰাপ্ত সহায়কেও[68] কৰ দাৰোগাৰ দায়িত্ব লৈছিল আৰু কৰদাতাৰ পৰা ৰাজহ সংগ্ৰহৰ বাবে 23[69]খন ৰচিদ বহী হাতত আছিল। উক্ত অনুজ্ঞাপাপ্ত সহকাৰী সহ ভাৰপ্ৰাপ্ত কৰ দাৰোগাই (এল এ চি টি ডি) ব্যৱহাৰ কৰা ৰচিদ বহীৰ কাউণ্টাৰফয়েল (মার্চ 2019ৰ পৰা ফেব্ৰুৱাৰী 2021লৈকে)ৰ পৰীক্ষাত (অক্টোবৰ 2023)ত দেখা গ'ল যে উক্ত এল এ চি টি ডি-য়ে মার্চ 2019ৰ পৰা ফেব্ৰুৱাৰী 2021লৈকে 53.80 লাখ টকাৰ ধন সংগ্ৰহ কৰিছিল। কিন্তু দেখা গৈছিল যে চালান পঞ্জী আৰু দৈনিক সংগ্ৰহ পঞ্জীত 53.80 লাখ টকা লিপিবদ্ধ কৰাৰ পৰিৱর্তে মাত্ৰ 18.95 লাখ টকাহে এল এ চি টি ডি-য়ে ৰাজহ ৰচিদ হিচাপে লিপিবদ্ধ কৰিছিল। বাকী 34.86 লাখ টকাৰ চালান পঞ্জী আৰু দৈনিক সংগ্ৰহ পঞ্জীত লিপিবদ্ধ কৰা হোৱা নাছিল, নাইবা হিচাপ পৰীক্ষাৰ তাৰিখলৈকে (অক্টোবৰ 2023) সোণাৰি এম বি-ৰ বেংক একাউণ্টত জমা কৰা হোৱা নাছিল। এইটো 34.86 লাখ টকাৰ সন্দেহজনক অপব্যৱহাৰৰ সমান আছিল।

সোণাৰি এম বি-ৰ অধ্যক্ষগৰাকীয়ে এল এ চি টি ডি-ৰ দ্বাৰা ৰাজহৰ কমকে জমা হোৱাৰ বিষয়ে অৱগত নাছিল, নাইবা জমা নোহোৱা ৰাজহ 34.86 লাখ টকাৰ অৱস্থানো তেওঁ নাজানিছিল। হিচাপ পৰীক্ষাৰ

---

66 এম বি প্ৰশাসনৰ এনে এটা পদ যিটো কৰ সংগ্ৰাহক আৰু অনুজ্ঞাপত্ৰ সহায়কতকৈ উচ্চ খাপৰ, আৰু প্ৰাৰম্ভিক পৰীক্ষাৰ পিছত কৰ সংগ্ৰাহক আৰু অনুজ্ঞাপত্ৰ সহায়কৰ পৰা সংগ্ৰহ কৰা ৰাজহ প্ৰাপ্ত কৰাৰ বাবে দায়বদ্ধ

67 ট্ৰেড লাইচেন্স, বিল্ডিং পার্মিচন মাচুল, বজাৰ নিষ্পত্তিৰ বাবে কিষ্টি ধন, বজাৰ ভাড়া, ঘৰৰ ভাড়া, ব্যক্তিগত বাহ ষ্টেণ্ড মাচুল আদিৰে গঠিত পৌৰসভাৰ কৰ।

68 এজন অনুজ্ঞাপত্ৰ সহায়ক আৰু তিনিজন কৰ সংগ্ৰাহক (এজন চুক্তিবদ্ধ টি চি-কে ধৰি) আছিল।

69 ৰচিদ বুক নং. 1007ৰ পৰা 1029লৈ

ভিত্তিত সংশ্লিষ্ট এল এ চি টি ডি-ক কাৰণ দৰ্শোৱাৰ জাননী (অক্টোবৰ 2023) প্ৰেৰণ কৰা হয় আৰু সোণাৰি এম বি-ৰ অধ্যক্ষই প্ৰাৰম্ভিক তদন্ত কৰিছিল। প্ৰাথমিক তদন্তত প্ৰকাশ পাইছে যে, হিচাপ পৰীক্ষাই আঙুলিয়াই দিয়া 34.86 লাখ টকাৰ অপব্যৱহাৰৰ ওপৰিও, এপ্ৰিল 2021ৰ পৰা জুলাই 2023ৰ ভিতৰত একে ধৰণেৰে একেজন এল এ চি টি ডি-য়ে আন 70.97 লাখ টকাও অপব্যৱহাৰ কৰিছিল। এল এ চি টি ডিজনে এপ্ৰিল 2021ৰ পৰা জুলাই 2023ৰ ভিতৰত 24খন ৰচিদ বহী ব্যৱহাৰ কৰি কৰদাতাসকলৰ পৰা 82.27 লাখ টকা সংগ্ৰহ কৰিছিল যদিও প্ৰকৃত সংগ্ৰহৰ বিপৰীতে বেংক একাউণ্টত মাত্ৰ 11.30 লাখ টকাহে জমা কৰিছিল। সোণাৰি এম বি-ৰ অধ্যক্ষই সোণাৰি থানাত এখন এফ আই আৰ দাখিল কৰিছিল (নৱেম্বৰ 2023) আৰু এল এ চি টি ডিক নিলম্বন কৰিছিল (জুন 2024)। কিন্তু সচিবগৰাকীয়ে জনাইছিল (ডিচেম্বৰ 2024) যে এফ আই আৰ দাখিল কৰাৰ পিছৰে পৰা সংশ্লিষ্ট এল এ চি টি ডি-ৰ কোনো সন্ধান পোৱা নাই আৰু তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নগ'ল।

স্পষ্টভাৱে অনুজ্ঞাপ্ৰাপ্ত সহায়ক (অৰ্থাৎ ৰাজহ সংগ্ৰাহক)ৰ লগতে কৰ দাৱোগা (অনুজ্ঞাপ্ৰাপ্ত সহায়কৰ পৰা সংগ্ৰহ কৰা ৰাজহৰ প্ৰাৰম্ভিক গ্ৰাহক আৰু ক্ৰছ-ভেৰিফায়াৰ)ৰ কৰ্তব্য একেজন বিষয়াক দীৰ্ঘ সময়ৰ বাবে অৰ্পণ কৰিলে মেনুৱেল/ নিয়মত নিৰ্দ্ধাৰণ কৰা অন্তনিৰ্মিত নিয়ন্ত্ৰণ ব্যৱস্থাটো শীথিল হৈ পৰিব। ৰচিদ বহীৰ জাৰীৰ ক্ষেত্ৰত সোণাৰি এম বি-ত নিৰ্ধাৰিত নিয়ন্ত্ৰণও নোহোৱা হৈছিল কাৰণ কৰ দাৱোগাৰ জিম্মাত কেইবাখনো ৰচিদ বহী থকা দেখা পোৱা গৈছিল। এই সকলো ত্ৰুটি, লগতে সংগ্ৰহীত পৰিমানৰ প্ৰাপ্তি আৰু জমা হিচাপ শাখাৰ দ্বাৰা ক্ৰচ-ভেৰিফিকেচনৰ অভাৱে ওপৰত উল্লেখ কৰা গুৰুতৰ অনিয়মটো অব্যাহত ৰখাৰ সুবিধা কৰি দিছিল।

এইদৰে কৰ দাৱোগা আৰু অনুজ্ঞাপ্ৰাপ্ত সহায়কৰ কৰ্তব্য একেজন ব্যক্তিকে নিযুক্তি দিয়াৰ দীৰ্ঘদিনীয়া অবিবেচক প্ৰথাৰ লগতে ৰচিদ বহীৰ প্ৰদানৰ ক্ষেত্ৰত শিথিলতা আৰু সোণাৰি এম বি কৰ্তৃপক্ষই ৰাজহ সংগ্ৰহ আৰু জমা কৰাৰ ওপৰত নিৰীক্ষণ নকৰাৰ ফলত 1.06 কোটি টকাৰ[70] ৰাজহৰ সন্দেহযুক্ত অপব্যৱহাৰৰ সুবিধা হৈছিল।

অপব্যৱহাৰ কৰা ধন আদায়কে ধৰি দায়ী বিষয়াসকলৰ বিৰুদ্ধে দায়িত্ব নিৰ্দ্ধাৰণ আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিব পাৰে।

8.4.2 যোৰহাট পৌৰসভাত বহুমহলীয়া কাৰ পাৰ্কিং সহ চিটি হ'ল নিৰ্মাণৰ বাবে নিস্ক্ৰিয় ব্যয়

যোৰহাট এম বি-য়ে ঠিকাদাৰক স্পষ্ট স্থান আৰু গাঁথনিগত অংকন অৰ্পণ কৰাত ব্যৰ্থ হোৱাৰ পিছত ক্ষুদ্ৰ অজুহাতত চুক্তি বাতিল কৰাৰ ফলত যোৰহাটত বহুমহলীয়া কাৰ পাৰ্কিং সহ চিটি হলৰ নিৰ্মাণ কাম সম্পূৰ্ণ হোৱাৰ মূল লক্ষ্য নিৰ্দ্ধাৰিত তাৰিখৰ পৰা ন বছৰৰ পিছতো সম্পূৰ্ণ নহল। ফলত 5.08 কোটি টকাৰ ব্যয় নিস্ক্ৰিয় হৈ থকাৰ বিপৰীতে যোৰহাট চহৰৰ প্ৰয়োজনীয়তা পূৰণ নহ'ল।

ভাৰত চৰকাৰ (জি অ' আই), উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰালয়ে (ডি অ' এন ই আৰ) যোৰহাটত মুঠ 10.52 কোটি টকা ব্যয় সাপেক্ষে বহুমহলীয়া কাৰ পাৰ্কিং সহ চিটি হল নিৰ্মাণৰ বাবে তামাদী বিহী কেন্দ্ৰীয় পুঁজিৰ উৎস (এন এল চি পি আৰ)ৰ অধীনত প্ৰশাসনিক আৰু বিত্তীয় অনুমোদন (ডিচেম্বৰ 2010) প্ৰদান কৰে। অসম চৰকাৰৰ নগৰ উন্নয়ন

[70] 34.86 লাখ টকা হিচাপ পৰীক্ষাৰ দ্বাৰা আঙুলিয়াই দিয়া হৈছে আৰু 70.97 লাখ টকা এম বি-য়ে ধৰা পেলাইছে।

বিভাগে ফেব্রুৱাৰী 2012ত এই কামৰ বাবে প্রশাসনিক অনুমোদন প্রদান কৰিছিল। প্রকল্পটোৰ উদ্দেশ্য আছিল মহানগৰীৰ এটা বৃহৎ সভাকক্ষৰ চাহিদা পূৰণ কৰা আৰু অঞ্চলটোৰ ৰাইজৰ পার্কিঙৰ প্রয়োজনীয়তা পূৰণ কৰা।

প্রকল্পটোৰ বাবে কাৰিকৰী অনুমোদন (মে' 2013) লোকনির্মাণ বিভাগৰ মুখ্য অভিযন্তা, বিল্ডিং বিভাগ, অসম, গুৱাহাটীয়ে প্রদান কৰে। যোৰহাট পৌৰসভাই জুন 2013ত এজন ঠিকাদাৰক (মেচার্চ ইঞ্জীনিয়ার্চ গিল্ড, খানাপাৰা, গুৱাহাটী) কামটো প্রদান কৰে। ঠিকাদাৰৰ সৈতে এখন চুক্তি স্বাক্ষৰিত হয় (ছেপ্টেম্বৰ 2013 আৰু কামৰ আদেশ লাভ কৰাৰ দুবছৰৰ ভিতৰত (অর্থাৎ ছেপ্টেম্বৰ 2015ৰ ভিতৰত) কাম সম্পূর্ণ কৰাৰ নির্দেশনাৰে কামৰ আদেশ জাৰি কৰা হয় (ছেপ্টেম্বৰ 2013)।

হিচাপ পৰীক্ষাত দেখা গ'ল যে যোৰহাট এম বি-য়ে ঠিকাদাৰক বাধা[71]-মুক্ত স্থান আৰু গাঁথনিগত অংকন[72] গতাই দিয়াত পলম হৈছে। এই বিলম্বৰ বাবে গাঁথনিগত অংকন আৰু স্থান ক্ষীপ্রতাৰে মুকলিৰ বাবে ঠিকাদাৰে একাধিকবাৰ যোগাযোগ[73] কৰিছিল। যোৰহাট এম বি-য়ে জানুৱাৰী 2016হে (কামৰ আদেশ জাৰি কৰাৰ তাৰিখৰ পৰা 28 মাহ) অর্থাৎ প্রকল্প সম্পূর্ণ হোৱাৰ নির্ধাৰিত তাৰিখৰ চাৰি মাহৰ পিছতহে মুকলি স্থান ঠিকাদাৰক গতাই দিছিল। তদুপৰি, সম্পূর্ণ গাঁথনিগত অংকন এপ্রিল 2018হে (কামৰ আদেশ জাৰি কৰাৰ তাৰিখৰ পৰা 55 মাহ) গতাই দিয়া হৈছিল। কিন্তু এম বি-য়ে বাৰে বাৰে সোঁৱৰাই[74] দিয়াৰ পিছতো কামৰ লেহেমীয়া অগ্রগতি আৰু কাম সম্পূর্ণ কৰিব নোৱাৰাৰ কথা উল্লেখ কৰি ছেপ্টেম্বৰ 2019ত এম বি-য়ে চুক্তিখন বাতিল কৰিছিল।

এম বি-ৰ নথি-পত্রত দেখা গৈছে যে ছেপ্টেম্বৰ 2019লৈকে যোৰহাট এম বি-য়ে এই প্রকল্পৰ বাবে চৰকাৰৰ পৰা 5.47 কোটি টকা লাভ কৰিছিল, ইয়াৰে 4.25 কোটি টকা ঠিকাদাৰক প্রদান কৰা হৈছিল। প্রকল্পটো সম্পূর্ণ কৰাৰ ক্ষেত্রত যোৰহাট এম বি-য়ে গ্রহণ কৰা আৰু কোনো পদক্ষেপ দেখুৱাবলৈ নথি-পত্রত একোৱেই নাছিল। ইয়াৰ পৰিবর্তে ব্যয় নোহোৱা পৰিমান (1.22 কোটি টকা)ও যোৰহাট এম বি-য়ে বিভাগক ঘূৰাই দিছিল। তলৰ ছবিসমূহত দেখুওৱাৰ দৰে আৰু কোনো অগ্রগতি নোহোৱাকৈ ডিচেম্বৰ 2023লৈকে প্রকল্পটো অসম্পূর্ণ হৈ আছিল।



71 ঠাইখনত বিদ্যুতৰ খুঁটা, গছ, সীমাৰ দেৱাল, শৌচাগাৰৰ ব্লক, দোকান, পকী ফলক আদি আছিল, যিবোৰ ঠাইৰ পৰা পৰিষ্কাৰ কৰিবলগীয়া হৈছিল।

72 গাঁথনিগত অংকনৰ বাবে এম বি-য়ে আন এজন পৰামর্শদাতা (গাঁথনি অভিযন্তা) নিয়োগ কৰিছিল।

73 16.06.2014, 03.09.2014, 12.09.2014, 10.10.2014, 15.06.2015, 10.07.2015, 14.08.2015, 07.01.21016 আৰু 20.04.2018 তাৰিখৰ পত্র।

74 যোৰহাট এম বি-য়ে চুক্তি বাতিল কৰাৰ পত্রত 10.08.2018, 01.10.2018 আৰু 04.10.2018 তাৰিখে সোঁৱৰাই দিয়াৰ কথা উল্লেখ কৰিছে।

ঠিকাদাৰে চুক্তি বাতিল হোৱাৰ বিৰুদ্ধে মধ্যস্ততাৰ এক গোচৰ দাখিল কৰে (ডিচেম্বৰ 2019)। মধ্যবস্ততাৰ ৰায় অনুসৰি (অক্টোবৰ 2023) সময়মতে সম্পূৰ্ণ স্থান ঠিকাদাৰক গতাই দিয়াত ব্যৰ্থ হোৱা আৰু গাঁথনিগত অংকন প্ৰদানত যোৰহাট এম বি-ৰ ত্ৰুটিৰ বাবে কাৰ্যকৰীকৰণত পলম হৈছিল। মধ্যস্ততাৰ ৰায়ত প্ৰকাশ পাইছিল যে যোৰহাট এম বি-য়ে ঠিকাদাৰক নিৰ্দ্ধাৰিত স্থান হস্তান্তৰ কৰিব নোৱাৰিলে কাৰণ প্ৰস্তাৰিত স্থানৰ এটা অংশ যোৰহাট এম বি-য়ে সময়মতে উচ্ছেদ কৰিব নোৱাৰা এখন দোকানে দাখিল কৰি আছিল যাৰ বাবে ঠিকাদাৰে 2013 আৰু 2018ৰ ভিতৰত কেবাবাৰো যোগাযোগ কৰিছিল। মধ্যস্ততাৰ ৰায় অনুসৰি, যোৰহাট এম বি-ক ঠিকাদাৰৰ প্ৰাপ্য ধন[75] তিনি মাহৰ ভিতৰত আদায় দিবলৈ নিৰ্দেশ দিয়া হৈছিল, যিটো ব্যৰ্থ হ'লে ধনৰাশি আদায় নোহোৱালৈকে বছৰি 10 শতাংশ হাৰত সুদ পৰিশোধ কৰিব লাগিব। হিচাপ পৰীক্ষাত দেখা গ'ল যে যোৰহাট এম বি-য়ে মধ্যস্ততাৰ মানি চলি জানুৱাৰী 2014ৰ পৰা নৱেম্বৰ 2024ৰ ভিতৰত ঠিকাদাৰক 54.00 লাখ টকা আদায় দিছিল। কিন্তু আৰু 29.00 লাখ টকাৰ দায়বদ্ধতা থাকি গল।

এইদৰে যোৰহাট এম বি-য়ে বাধামুক্ত স্থান আৰু গাঁথনিগত অংকন সময়মতে ঠিকাদাৰৰ হাতত গতাই দিয়াত ব্যৰ্থ হোৱাৰ পিছতে চুক্তি বাতিল কৰাৰ ফলত যোৰহাটত বহুমহলীয়া কাৰ পাৰ্কিংসহ চিটি হলৰ নিৰ্মাণ কাম সম্পূৰ্ণ হোৱাৰ মূল লক্ষ্য নিৰ্দ্ধাৰিত তাৰিখৰ পৰা ন বছৰ পৰ্যন্ত সম্পূৰ্ণ নহল। ফলত 4.25 কোটি টকাৰ ব্যয় নিস্ক্ৰিয় হৈ থাকিল আৰু যোৰহাট চহৰৰ প্ৰয়োজনীয়তা পূৰণ নোহোৱাকৈয়ে ৰৈ গল। ইয়াৰ উপৰিও, মধ্যস্ততাৰ ৰায়ৰ বাবে ঠিকাদাৰক 0.54 কোটি টকা দিয়া হৈছিল, একেটা ৰায়ৰ পৰা ঠিকাদাৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ দায়বদ্ধতা হিচাপে আৰু 0.29 কোটি টকা বাকী আছিল।

কাম সম্পূৰ্ণ নোহোৱাৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশমতে (জুলাই 2023) প্ৰকল্পটো (আগষ্ট 2023) অসম লোকনিৰ্মাণ বিভাগ (বিল্ডিং), যোৰহাটৰ হাতত অৰ্পণ কৰা হয়। এই বিষয়ত আৰু কোনো উন্নয়ন হোৱা নাছিল (ডিচেম্বৰ 2024)।

8.4.3 তিনিচুকীয়াত এটা বাণিজ্যিক-তথা-কাৰ্যালয় চৌহদত অনুৎপাদনমূলক ব্যয়

তিনিচুকীয়া পৌৰসভা বৰ্ডৰ অধীনত ৰাজহৰ আয় আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ বাবে নিৰ্মিত চাৰি মহলীয়া বাণিজ্যিক-তথা-কাৰ্যালয় চৌহদৰ তিনিটা মহলা সাত বছৰ ধৰিসম্পূৰ্ণ হোৱাৰ পিছটো ব্যৱহাৰ নোহোৱাকৈয়ে থাকিল কাৰণ মহলাসমূহ ঠিকাদাৰে গতাই দিয়া নাছিল আৰু সম্পূৰ্ণ ধন এম বি-য়ে পৰিশোধ কৰা নাছিল।

তিনিচুকীয়া পৌৰসভাৰ অধ্যক্ষই 7.33 কোটি টকাৰ[76] প্ৰাক্কলন ব্যয় সাপেক্ষে চাৰি মহলীয়া অট্টালিকা নিৰ্মাণৰ প্ৰকল্প হাতত লৈছিল। প্ৰকল্পটোত পাৰ্কিঙৰ সুবিধা থকা চাৰি মহলীয়া অট্টালিকা, উপ-আস্থানৰ সুবিধা থকা কেম্পাছ লাইটিং, অগ্নিনিৰ্বাপক ব্যৱস্থা আদি বানিজ্যিক ব্যৱহাৰৰ বাবে ব্যৱস্থা কৰা হৈছিল। এই প্ৰকল্পৰ লক্ষ্য আৰু উদ্দেশ্য আছিল পৌৰসভাৰ (এম বি)ৰ আয় সৃষ্টিৰ লগতে এম বি-ৰ বাসিন্দাসকলৰ বাবে কৰ্মসংস্থাপন সৃষ্টি।

---

75 1) ঠিকাদাৰে দাখিল কৰা চাৰিটা আৰ এ বিলৰ বিপৰীতে পলমকৈ পৰিশোধ কৰাৰ সুতৰ বিপৰীতে 20.36 লাখ টকা পৰিশোধ কৰা। 2) 33.58 লাখ টকাৰ প্ৰতিভূতি জমা ঠিকাদাৰক মুকলি কৰি দিব লাগিছিল যিটো যোৰহাট এম বিয়ে ধৰি ৰাখিছিল। 3) পঞ্চম আৰ এ বিলৰ বিপৰীতে গণনা কৰিবলগীয়া গ্ৰহণযোগ্য পৰিমান অতিৰিক্ত কামৰ বস্তুৰ বাবে সংগ্ৰহ কৰা পৰিমান কৰ্তন কৰাৰ পিছত পোৱা যায় আৰু ডিচেম্বৰ 2019ৰ পৰা কাৰ্যকৰী হোৱাকৈ একে সুতৰ হাৰত পৰিশোধ কৰা হ'ব।

76 প্ৰকল্পটোৰ বাবে ব্যয় প্ৰৰেশ কৰ আৰু চতুৰ্থ এ এছ এফ চি-ৰ পৰা লাভ কৰা অনুদানৰ পৰা কৰা হৈছিল।

প্রকল্পটোৰ কাম এজন ঠিকাদাৰক[77] আনুষ্ঠানিক কামৰ মূল্য 7.33 কোটি টকাত প্রদান কৰা হৈছিল (ফেব্রুৱাৰী 2012)। চাৰি মহলীয়া অট্টালিকাৰ প্রকল্পটোত তলত দিয়া ধৰণৰ ব্যৱস্থা আছিল:

সাৰণী 8.3: চাৰিমহলীয়া ভৱন প্রকল্পৰ বিৱৰণ

ভূমি মহলা	12750 বৰ্গফুট	17টা ষ্টল আৰু এটা সভাকক্ষ
প্রথম মহলা	11247 বৰ্গফুট	13টা ষ্টল আৰু এটা সভাকক্ষ
দ্বিতীয় মহলা	12994 বৰ্গফুট	তিনিচুকীয়া এম বি-ৰ কার্যালয়
তৃতীয় মহলা	12994 বৰ্গফুট	অফিচ/ বেংক/ কোম্পানী ইত্যাদিলৈ ভাড়া দিয়াৰ বাবে ঠাই

ঠিকাদাৰে জুন 2012ৰ পৰা এপ্রিল 2014ৰ ভিতৰত 5.73 কোটি টকাৰ[78] ধন লাভ কৰিছিল। টি এম বি-ৰ অনুৰোধত ঠিকাদাৰে আগষ্ট 2017ত অসমৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে টি এম বি-ৰ কার্যালয় উদ্বোধন কৰা দ্বিতীয় মহলাটো গতাই দিয়ে। ঠিকাদাৰে তেওঁলোকৰ বাকী থকা পৰিমান মুকলি[79] কৰিবলৈ টি এম বি-ক অনুৰোধ জনায় (আগষ্ট 2017ত)। দেখা গ'ল যে ঠিকাদাৰৰ ধন আদায়ৰ অনুৰোধ মর্মে, অক্টোবৰ 2017ত ঠিকাদাৰক আৰু 30 লাখ টকা (মুঠ পৰিশোধ 6.03 কোটি টকা হৈছিল) প্রদান কৰা হৈছিল। বর্তমান পৌৰসভাৰ কাম দ্বিতীয় মহলাৰ পৰাই চলি আছে। কিন্তু, অক্টোবৰ 2023লৈকে চাৰি মহলীয়া ভৱনটোৰ বাকী তিনিটা মহলা যদিও সম্পূর্ণ হৈছিল, তথাপিও অব্যৱহৃত হৈ পৰি আছিল। ঠিকাদাৰক আৰু কোনো ধৰণৰ ধন প্রদান কৰা হোৱা নাই আৰু আনুষ্ঠানিক কামৰ মূল্য আৰু এতিয়ালৈকে প্রদান কৰা ধনৰ ওপৰত ভিত্তি কৰি 1.30 কোটি টকা এতিয়াও প্রদান কৰিবলগীয়া আছিল (অর্থাৎ আগবঢ়োৱা মূল্য 7.33 কোটি টকা বিয়োগ প্রদান কৰা 6.03 কোটি টকা)।

দেখা গ'ল যে 2017ত ভৱনটো নির্মাণ সম্পূর্ণ হোৱাৰ পিছৰে পৰা আৰু অক্টোবৰ 2023লৈকে এই অচলাৱস্থা অব্যাহত আছে কাৰণ ঠিকাদাৰে বহুমহলীয়া ভৱনটোৰ তিনিটা মহলা (দ্বিতীয় মহলাৰ বাহিৰে) বাকী 1.30 কোটি টকা পৰিশোধ নকৰাৰ বাবে গতাই দিয়া নাছিল। এম বি-য়েও নিজৰ সম্পদৰ পৰা ধন আদায় দিব পৰা নাছিল। ইয়াৰ পৰিৱর্তে টি এম বি-য়ে ডিচেম্বৰ 2019ত ঠিকাদাৰক সম্পূর্ণ হোৱা অট্টালিকাৰ ভূমি মহলা, প্রথম মহলা আৰু দ্বিতীয় মহলা গতাই দিবলৈ অনুৰোধ কৰিছিল আৰু জনাইছিল যে ঠিকাদাৰৰ বাকী থকা ষ্টল আৰু হলৰ পৰা ভাড়াৰ পৰা সংগ্রহ কৰিবলগীয়া সুৰক্ষা অমানত ধনৰ পৰা মুকলি কৰা হ'ব।

এই বিষয়ত আৰু কোনো ধৰণৰ অগ্রগতি হোৱা নাই আৰু ফলস্বৰূপে এম বি-য়ে নির্মাণ সম্পূর্ণ হোৱাৰ সাত বছৰৰ পাছতো ৰাজহ আহৰণ আৰু নিয়োগৰ সুযোগ সৃষ্টিৰ বাবে বাণিজ্যিক স্থানসমূহ লিজ/ ভাড়া দিবলৈ আৰম্ভ কৰিব নোৱাৰিলে। ঠিকাদাৰক ধন পৰিশোধ কৰিবলৈ বা সম্পূর্ণ হোৱা অট্টালিকাৰ বাকী মহলাসমূহ ব্যৱসায়িক ভিত্তিত ভাড়াত দিবলৈ গ্রহণ কৰা কোনো ধৰণৰ প্রচেষ্টা[80]ৰ বিষয়ে নথি-পত্রৰ পৰা পৰিলক্ষিত নহ'ল।

---

77 এই কামটো প্রথমে অক্টোবৰ 2003ত লোৱা হৈছিল; কিন্তু ঠিকাদাৰৰ নির্বাচন প্রক্রিয়াৰ সময়ত মামলা আৰম্ভ হৈছিল। আদালতে ফেব্রুৱাৰী 2012ত গোচৰটো নিষ্পত্তি কৰে, এটা নির্দেশ দি যে কামটো বর্তমানৰ ঠিকাদাৰক দিয়া হ'ব।

78 **প্রৱেশ কৰ পুঁজিৰ পৰা :** জুন 2012 : 85.28 লাখ টকা; অক্টোবৰ 2013: 201.44 লাখ টকা; আগষ্ট 2014: 102.31 লাখ টকা **চতুর্থ এ এছ এফ চি আৱণ্টনৰ পৰা:** অক্টোবৰ 2012: 141.44 লাখ টকা; ফেব্রুৱাৰী 2013: 42.62 লাখ টকা।

79 মুঠ বকেয়া: 1.60 কোটি টকা (চুক্তিৰ পৰিমাণ: 7.33 কোটি টকা - 5.73 কোটি টকা (এপ্রিল 2014লৈকে পৰিশোধ কৰা হৈছে))

80 ঠিকাদাৰৰ বকেয়া পৰিশোধ কৰিবলৈ 1.50 কোটি টকাৰ বিকল্প উৎসৰ ব্যৱস্থা কৰাৰ বাবে তিনিচুকীয়াৰ বিধায়কে বাজ্যিক মন্ত্রী, নগৰ উন্নয়নলৈ লিখা এখন পত্র (জুন 2019) বাদ দি।

এক ৰক্ষণশীল অনুমান অনুসৰি অট্টালিকাটোৰ তিনিটা অব্যৱহৃত মহলাত 3.19 কোটি টকা[81] (এতিয়ালৈকে নির্মাণৰ বাবে ব্যয় কৰা 6.03 কোটি টকাৰ ভিতৰত) ব্যয় কৰা হৈছিল, যিটো প্রায় সাত বছৰ ধৰি অনুৎপাদনশীল হৈ আছিল আৰু ৰাজহ আৰু নিয়োগৰ সুযোগ সৃষ্টিৰ লক্ষ্যক প্রতিহত কৰিছিল।



তিনিচুকীয়া এম বি অধীনস্থ বানিজ্যিক তথা কার্যালয় চৌহদৰ অব্যৱহৃত মহলাৰ বর্তমানৰ অৱস্থা

এই বিষয়টো অক্টোবৰ 2024ত চৰকাৰক জনোৱা হৈছে; তেওঁলোকৰ উত্তৰ পোৱা নাই (জুন 2025)।

8.4.4 লামডিং পৌৰসভাৰ অধীনত গোটা আৱর্জনা ব্যৱস্থাপনা প্রকল্পত অ-ফলপ্রসূ ব্যয়

হোজাই জিলাৰ লামডিং পৌৰসভাত এটা গোটা আৱর্জনা ব্যৱস্থাপনা প্রকল্প স্থাপনৰ উদ্দেশ্য স্বচ্ছ ভাৰত মিছন-আর্বানৰ অধীনত ধন উপলব্ধ হোৱাৰ পিছতো পাঁচ বছৰ ধৰি অসপূর্ণ হৈ থাকে। লামডিং পৌৰসভাই প্রকল্পটোৰ ঠিকাদাৰক অসুবক্ষিত অগ্রিম ধন প্রদান কৰাৰ লগতে সক্রিয়তাৰ অভাৱৰ ফলত 30.51 লাখ টকা ব্যয় অনুৎপাদনশীল হৈ থাকিল, ইয়াৰে 4.68 লাখ টকা ঠিকাদাৰৰ হাতত থাকিল।

অসম বিত্তীয় বিধি[82], 1939 অনুসৰি ঠিকাদাৰক অগ্রিম ধন আগবঢ়োৱাটো নিয়ম মতে বন্ধ। কিন্তু যেতিয়া বিশেষ পৰিস্থিতিত অগ্রিম পৰিশোধ কৰাটো অবশ্যম্ভাবী হয়, সেই ক্ষেত্রত ইয়াক কেৱল কর্তৃপক্ষৰ আদেশৰ অধীনত আৰু চৰকাৰক ক্ষতিৰ পৰা ৰক্ষা কৰিবলৈ সকলো প্রয়োজনীয় সতর্কতা গ্রহণ কৰাৰ পাছতহে কৰিব পাৰি।

স্বচ্ছ ভাৰত মিছন-আর্বান (এছ বি এম-ইউ)ৰ অধীনত মিছন সঞ্চালক (এছ বি এম-ইউ), অসমে এক গোটা আৱর্জনা ব্যৱস্থাপনা (এছ ডব্লিউ এম) প্রকল্পৰ বাবে হোজাই জিলাৰ লামডিং পৌৰসভা (এল এম বি)ক 65.10 লাখ টকা[83] অনুমোদন (মে' 2018) আৰু মুকলাই দিয়ে (জুলাই 2018)। ডি পি আৰ অনুসৰি এই এছ ডব্লিউ এম প্রকল্পটোৰে এম বি-ৰ বাবেও ৰাজহ[84] আহৰণ কৰিব।

---

81 মজিয়াৰ ক্ষেত্রফলৰ হিচাপত মুঠ সমানুপাতিক পৰিমাণ = (পৰিশোধ কৰা হৈছে: 6.03 কোটি টকা *বিয়োগ* ৰাজমিস্ত্রীৰ কামৰ পূর্বে ব্যয়: 1.73 কোটি টকা)। মজিয়াৰ ক্ষেত্রফলৰ ভিত্তিত মজিয়া অনুসৰি ব্যয় প্রাপ্ত হৈছিল।

82 অসম বিত্তীয় নিয়মৰ 274 নং নিয়মৰ সৈতে পঠিতব্য 236 নং নিয়ম অনুসৰি ঠিকাদাৰক আগধন দিব পাৰি কিন্তু কৰা কামৰ বিপৰীতে ইয়াক সমাযোজন নকৰিলে প্রতিভূতিৰ পৰা কর্তন কৰিব লাগিব।

83 এছ ডব্লিউ এম প্রকল্পৰ বাবে ব্যয় 61.58 লাখ টকা আৰু ডি পি আৰ প্রস্তুতৰ বাবে পৰামর্শ মাচুল 3.52 লাখ টকা।

84 ডি পি আৰত মূল্যায়ন কৰা অনুসৰি প্রতিদিনে 7051 কিলোগ্রাম জৈৱিক প্রক্রিয়াৰে পচন হোৱা আৱর্জনা প্রক্রিয়াকৰণ কৰাৰ কথা আছিল যাৰ পৰা প্রতিদিনে 2115 কিলোগ্রাম পচন সাৰ উৎপাদন হ'লহেঁতেন। ডি পি আৰ-ত প্রতিমাহে 9.34 লাখ টকা (6.64 লাখ টকাৰ প্রকল্পি ব্যয়ৰ বিপৰীতে) সম্ভাব্য ৰাজহ আহৰণৰ কথাও পৰিকল্পনা কৰা হৈছিল।

এল এম বি কর্তৃপক্ষই জুলাই 2019ত গোটা আৱর্জনা ব্যৱস্থাপনা (এছ ডব্লিউ এম) উদ্যোগৰ যোগান আৰু স্থাপনৰ বাবে নিবিদা আহ্বান কৰিছিল আৰু তলৰ **সাৰণী 8.4**ত দেখুওৱাৰ দৰে এছ ডব্লিউ এম উদ্যোগৰ যোগান আৰু স্থাপনৰ বাবে আটাইতকৈ কম নিবিদাকাৰী এজন ঠিকাদাৰ[85] বাচনি কৰিছিল।

সাৰণী 8.4: এছ ডব্লিউ এম প্রকল্পৰ যোগান আৰু স্থাপনৰ উপাদান অনুসৰি হাৰ

ক্র. নং.	উপাদান/ সামগ্রী	পৰিমাণ (সমূহ)	মূল্য/ একক (লাখ টকাত)
01	স্বয়ংক্রিয় 300 কেজি ক্ষমতাৰ কম্পক্সষ্টিং মেচিন	01	20.58
02	দুটা চেম্বাৰৰ সৈতে এপে টিপাৰ (বায়'ডিগ্রেডেবল আৰু নন-বায়'ডিগ্রেডেবল)	02	10.50
03	প্লাষ্টিক আৱর্জনা শ্বেডিং মেচিন 700 কিলোগ্রাম/ ঘণ্টা।	01	16.75
04	শ্রমিকৰ বাবে সুৰক্ষা সামগ্রী	30 যোৰ	1.00
05	চেস্পুল ক্লিনাৰ 3500 এল	01	9.99
06	ঔদ্যোগিক শ্বেড নির্মাণ	01	2.20
	মুঠ		**61.02**

কামৰ আদেশ জাৰি কৰা হয় আৰু চুক্তি স্বাক্ষৰ কৰাৰ 45-60 দিনৰ ভিতৰত এছ ডব্লিউ এম প্লাণ্টৰ যোগান আৰু স্থাপনৰ বাবে ঠিকাদাৰ আৰু এল এম বি-ৰ মাজত জুলাই 2019ত আনুষ্ঠানিক চুক্তি কৰা হয়। কিন্তু চুক্তিখনে তলত আলোচনা কৰা ধৰণে এম বি-ৰ স্বার্থ সুৰক্ষিত কৰা নাছিল।

ঠিকাদাৰৰ সৈতে হোৱা চুক্তিত (জুলাই 2019) লক্ষ্য কৰা হৈছিল যে এল এম বি-য়ে চুক্তিৰ মূল্যৰ 50 শতাংশ কোনো ধৰণৰ নিৰাপত্তা লাভ নকৰাকৈ অগ্রিম হিচাপে দিবলৈ সন্মত হৈছিল। সেই অনুসৰি এল এম বি-য়ে জুলাই 2019ত ঠিকাদাৰক আগধন হিচাপে 30.51 লাখ টকা (60.02 লাখ টকাৰ 50 শতাংশ) অগ্রিম হিচাপে দিছিল। কিন্তু উর্দ্ধতন কর্তৃপক্ষৰ কোনোধৰণৰ অনুমোদন বা ঠিকাদাৰৰ পৰা কোনো ধৰণৰ নিৰাপত্তা লাভ কৰা নাছিল। তদুপৰি ঠিকাদাৰে অসমর্থ হ'লে বাধ্য কৰিব পৰাকৈ চুক্তিখনত একো নাছিল।

যদিও এল এম বি-য়ে অগ্রিম ধন দিছিল, ঠিকাদাৰে পাঁচ বছৰৰ পাছতো (জুলাই 2024লৈকে) উপাদানসমূহ সম্পূর্ণৰূপে যোগান ধৰা নাছিল আৰু এছ ডব্লিউ এম স্থাপন কৰা নাছিল, যদিও চুক্তিবদ্ধ সময়সীমা আছিল কামৰ আদেশ জাৰি কৰাৰ তাৰিখৰ পৰা 60 দিন। অধ্যক্ষ, লামডিং এম বি-য়ে ঠিকাদাৰক অক্টোবৰ 2019, ডিচেম্বৰ 2019 আৰু ফেব্রুৱাৰী 2020ত তিনিবাৰ সোঁৱৰাই দিছিল। আগষ্ট 2020ত ঠিকাদাৰে কেৱল কম্পোষ্টিং মেচিন (20.58 লাখ টকা) আৰু দুটা চেম্বাৰযুক্ত এটা এপে টিপাৰ (5.25 লাখ টকা) যোগান ধৰিছিল। বাকী থকা উপাদানসমূহৰ যোগান বা উদ্যোগটো কার্যক্ষম কৰাৰ ক্ষেত্রত আৰু কোনোধৰণৰ অগ্রগতি নহ'ল। কিন্তু আগষ্ট 2020ৰ পৰা এপ্রিল 2023ৰ ভিতৰত (হিচাপ পৰীক্ষাৰ তাৰিখ) এল এম বি-ৰ ফালৰ পৰা ঠিকাদাৰৰ সৈতে কোনোধৰণৰ সক্রিয়তা আৰু হস্তক্ষেপ পৰিলক্ষিত হোৱা নাছিল। ঠিকাদাৰে যোগান ধৰা কম্পোষ্টিং মেচিনটো জুলাই 2024লৈকে মুকলি ঠাইত যোগান ধৰাৰ পৰাই অচল হৈ পৰি আছে, যিটো ফটোখনত দেখুওৱা হৈছে।



[85] মেচার্হ এডভান্স ষ্টীল বর্ল্ড, যোৱহাট

অগ্ৰিম ধনৰ বিপৰীতে কোনোৱণৰ নিৰাপত্তাৰ অভাৱত ঠিকাদাৰে এছ ডব্লিউ এম যোগান আৰু স্থাপনৰ নিৰ্ধাৰিত সময়সীমাক আওকাণ কৰি আনকি উদ্বৃত্তৰ পৰিমাণ 4.68 লাখ টকা (30.5 লাখ টকা অগ্ৰিম বিয়োগ কৰি 25.83 লাখ টকা মূল্যৰ যোগান ধৰা সামগ্ৰী) ৰাখিছিল। তদুপৰি, কম্পোজিত মেচিনটোৰ অৱস্থা আৰু ব্যৱহাৰযোগ্যতাও অনিশ্চিত হৈ থাকিল কাৰণ এইটো কেতিয়াও ব্যৱহাৰ কৰা হোৱা নাছিল আৰু বছৰ বছৰ ধৰি মুকলি ঠাইত অচল হৈ পৰি আছিল।

এইদৰে পুঁজিৰ উপলব্ধতা সত্ত্বেও লমডিং পৌৰসভাত এটা গোটা আৱৰ্জনা ব্যৱস্থাপনা প্ৰকল্প স্থাপনৰ মৌলিক লক্ষ্য পাঁচ বছৰ ধৰি অপূৰ্ণ হৈ থাকিল যিহেতু কামটো প্ৰদান কৰি 30.51 লাখ টকাৰ অগ্ৰিম ধন পৰিশোধ কৰাৰ পিছত ঠিকাদাৰৰ হাতত 4.68 লাখ টকা থাকিল। প্ৰকল্পটোৰ বাবে লাভ কৰা এছ বি এম-ইউৰ ধনৰ বাকী অংশ, এল এম বি-ত পৰি আছিল। ইয়াৰ কাৰণ আছিল এল এম বি কৰ্তৃপক্ষই ঠিকাদাৰক অসুৰক্ষিত অগ্ৰিম ধন দিয়াৰ ক্ষেত্ৰত দেখুওৱা অযথা নম্ৰতা আৰু তাৰ পিছত আইনী দিশৰ ক্ষেত্ৰত সক্ৰিয়তাৰ অভাৱ। প্ৰকল্পটো কাৰ্যক্ষম হ'লে ই এম বি-ক ইয়াৰ ৰাজহ বৃদ্ধিত সহায় কৰিব পাৰিলেহেঁতেন।

অধ্যক্ষ, এল এম বি-য়ে জনাইছিল (জুলাই 2024) যে ঠিকাদাৰৰ সন্ধান উলিয়াব নোৱাৰাৰ বাবে লামডিং থানাত এফ আই আৰ দাখিল কৰিবলৈ ঠিকাদাৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰা হৈছিল (অক্টোবৰ 2023)। উত্তৰটো গ্ৰহণযোগ্য নাছিল কিয়নো ঠিকাদাৰে সামগ্ৰী যোগান ধৰাত ব্যৰ্থ হোৱাৰ চাৰি বছৰৰ পাছত আৰু বিষয়টো হিচাপ পৰীক্ষাই দৃষ্টি গোচৰ কৰাৰ ছমাহৰ পাছতহে এল এম বি কৰ্তৃপক্ষই অভিযোগ দাখিল কৰিছিল। কিন্তু ডিচেম্বৰ 2024ত চৰকাৰে এল এম বি-ৰ আন এটা উত্তৰৰ সমৰ্থনত কৈছিল যে ঠিকাদাৰে বাকী থকা কাম সম্পূৰ্ণ কৰাৰ আশ্বাস দিছে।

চৰকাৰে কামৰ প্ৰকৃত অগ্ৰগতি পৰীক্ষা কৰি ঠিকাদাৰক এল এম বি-য়ে অসুৰক্ষিত অগ্ৰিম দিয়াৰ উপযুক্ত দায়িত্ব নিৰ্ধাৰণ কৰি ঠিকাদাৰৰ পৰা ধনৰাশি সোনকালে আদায় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

8.5 হিচাপ পৰীক্ষাৰ সামৰণি

ওপৰৰ পৰ্যবেক্ষণসমূহে পৌৰসভাসমূহৰ ভিতৰত উল্লেখযোগ্য আৰ্থিক অনিয়ম আৰু অ-ব্যৱস্থাপনাকে প্ৰকাশ কৰিছে। এটা পুনৰাবৃত্তিমূলক বিষয়বস্তু হৈছে ফলপ্ৰসূ তদাৰকী, আভ্যন্তৰীণ নিয়ন্ত্ৰণ আৰু সময়মতে প্ৰকল্প সম্পূৰ্ণ নোহোৱাটো, যিয়ে সামগ্ৰীকভাৱে যথেষ্ট আৰ্থিক লোকচান আৰু ৰাজহুৱা লক্ষ্য পূৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছিল।

ৰাজহ সংগ্ৰহ আৰু পৰীক্ষণৰ অভাৱ আৰু বকেয়াই সোণাৰি এম বি-ত 1.06 কোটি টকাৰ সন্দেহজনক অপব্যৱহাৰৰ সুবিধা প্ৰদান কৰিছিল। এই উদ্বেগসমূহৰ লগতে তিনিচুকীয়া পৌৰসভাই ৰাজহ আহৰণ আৰু নিয়োগৰ বাবে নিৰ্মিত বাণিজ্যিক-তথা-কাৰ্যালয় চৌহদৰ হস্তান্তৰ আৰু ধন আদায় চূড়ান্ত কৰাত ব্যৰ্থ হোৱাৰ বাবে তিনিটা মহলা সাত বছৰ ধৰি অব্যৱহৃত হৈ পৰিছে, যিয়ে ৰাজহুৱা বিনিয়োগৰ যথেষ্ট কম ব্যৱহাৰকে প্ৰতিনিধিত্ব কৰে।

8.6 হিচাপ পৰীক্ষাৰ পৰামৰ্শ

চৰকাৰে বিত্তীয় ব্যৱস্থাপনা শক্তিশালী কৰাৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিব লাগে আৰু:

- **ৰাজহ সংগ্ৰহ, ৰেকৰ্ডিং, আৰু পৰীক্ষণৰ বাবে শুল্কৰ কঠোৰ পৃথকীকৰণ তৎক্ষণাত কাৰ্যকৰী কৰা। কোনো এজন বিষয়াই ৰাজহ সংগ্ৰহ আৰু ক্ৰছ ভেৰিফাই দুয়োটাৰে বাবে দায়বদ্ধ হ'ব নালাগে। ইয়াৰ ফলত অপব্যৱহাৰৰ সুযোগ বহু পৰিমাণে হ্ৰাস পায়।**
- **অগ্ৰিম ধন প্ৰদানৰ সম্পৰ্কে স্পষ্ট নীতি বিকশিত কৰা আৰু কঠোৰভাৱে বলবৎকৰণৰ ক্ষেত্ৰত চৰ্ত, অনুমোদনৰ পৰ্যায় আৰু পৰিশোধৰ সময়সূচী নিৰ্দিষ্ট কৰা।**

- সম্পূর্ণ হোৱা কামৰ বিপৰীতে অগ্রিম ধনৰ সমাযোজনৰ বাবে এক কঠোৰ সময়সীমা ৰূপায়ণ কৰা বা পলম হোৱাৰ বাবে জৰিমনা বিহাৰ লগতে অৱহৃত পৰিমাণ আদায় কৰা।
- যিকোনো প্রকল্প আৰম্ভ কৰাৰ আগতে বাস্তৱিক খৰচৰ অনুমান, বিপদৰ মূল্যায়ন, আৰু স্পষ্ট লাভ বিশ্লেষণকে ধৰি সম্পূর্ণ সম্ভাৱনীয়তা অধ্যয়ন কৰা।
- স্থান পৰিদর্শন, কাম-কাজৰ মূল্যায়ন আৰু বিতং প্রতিবেদনকে ধৰি প্রকল্প কার্যকৰীকৰণৰ বিভিন্ন পর্যায়ত নিয়মীয়া অগ্রগতি পর্যালোচনাৰ বাবে এক শক্তিশালী ব্যৱস্থা ৰূপায়ণ কৰা।
- সম্পূর্ণ হোৱা প্রকল্পসমূহৰ সময়মতে পৰিদর্শন, গ্রহণ আৰু হস্তান্তৰৰ বাবে কার্যকৰী পদ্ধতি প্রতিষ্ঠা কৰা যাতে তাৎক্ষণিক ব্যৱহাৰ আৰু ৰাজহ আহৰণ সুনিশ্চিত কৰিব পৰা যায়।

এই পৰামর্শসমূহ কার্যকৰী কৰি পৌৰসভাসমূহে বিত্তীয় অনিয়মৰ বিপদসমূহ যথেষ্ট পৰিমাণে হ্রাস কৰিব পাৰে, প্রকল্পৰ সেৱা প্রদান উন্নতি সাধন কৰিব পাৰে, আৰু নাগৰিকৰ সুবিধাৰ বাবে ৰাজহুৱা ধন দক্ষতাৰে আৰু ফলপ্রসূভাৱে ব্যৱহাৰ কৰাটো নিশ্চিত কৰিব পাৰে।

গুৱাহাটী
তাৰিখ: 16/02/2026

(কুমাৰ অভয়)
মহাগাণনিক (হিচাপ পৰীক্ষা), অসম

প্রতিস্বাক্ষৰিত

নতুন দিল্লী
তাৰিখ: 19 FEB 2026

(কে সঞ্জয় মূর্তি)
ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষক

পৰিশিষ্ট

পৰিশিষ্ট-1.1

(দ্রষ্টব্য : দফা 1.1)

অসমত গ্রাম্য আৰু নগৰীয়া স্থানীয় নিকায়সমূহৰ জিলা ভিত্তিক সংখ্যা

ক্ৰ. নং	জিলাৰ নাম	পি আৰ আই					ইউ এল বি		
		জনসংখ্যা	জেড পি	এ পি	জে পি	মুঠ পি আৰ আই	এম চি	এম বি	মুঠ ইউ এল বি
1	বজালী	253,816	1	2	27	30	0	2	2
2	বৰপেটা	1693622	1	9	102	112	0	5	5
3	বিশ্বনাথ	612491	1	6	73	80	0	3	3
4	বঙাইগাঁও	738804	1	5	65	71	0	2	2
5	কাছাৰ	1736319	1	15	162	178	1	2	3
6	চৰাইদেউ	471418	1	4	36	41	0	2	2
7	দৰং	928500	1	5	75	81	0	3	3
8	ধেমাজী	686133	1	5	65	71	0	2	2
9	ধুবুৰী	1394144	1	10	128	139	0	6	6
10	ডিব্ৰুগড়	1326335	1	7	93	101	1	3	4
11	গোৱালপাৰা	1008183	1	8	81	90	0	2	2
12	গোলাঘাট	1066888	1	8	108	117	0	5	5
13	হাইলাকান্দি	659296	1	5	62	68	0	2	2
14	হোজাই	931218	1	5	68	74	0	4	4
15	যোৰহাট	924952	1	6	86	93	0	4	4
16	কামৰূপ	1517542	1	13	139	153	0	3	3
17	কামৰূপ (মেট্ৰ')	1253938	1	3	20	24	1	0	1
18	লক্ষীমপুৰ	1042137	1	9	83	93	0	4	4
19	মাজুলী	167304	1	2	20	23	0	0	0
20	মৰিগাঁও	957423	1	5	84	90	0	1	1
21	নগাঁও	2823768	1	13	164	178	0	4	4
22	নলবাৰী	771639	1	7	65	73	0	2	2
23	শিৱসাগৰ	679632	1	5	82	88	0	5	5
24	শোণিতপুৰ	1924110	1	8	88	97	0	4	4
25	দক্ষিণ শালমাৰা মানকাছাৰ	555114	1	2	35	38	0	0	0
26	শ্ৰীভূমি (কৰিমগঞ্জ)	1228686	1	7	95	103	0	4	4
27	তিনিচুকীয়া	1327929	1	7	86	94	0	6	6
	মুঠ		**27**	**181**	**2192**	**2400**	**3**	**80**	**83**
ষষ্ঠ অনুসূচিত এলেকা									
28	বাক্সা	950075	0	0	0	0	0	1	1
29	চিৰাং	482162	0	0	0	0	0	3	3
30	ডিমা হাচাও	214102	0	0	0	0	0	4	4
31	কাৰ্বি আংলং	660955	0	0	0	0	0	6	6
32	কোকৰাঝাৰ	887142	0	0	0	0	0	3	3
33	তামুলপুৰ	389150	0	0	0	0	0	0	0
34	ওদালগুৰি	831688	0	0	0	0	0	2	2
35	পশ্চিম কাৰ্বি আংলং	295358	0	0	0	0	0	3	3
	মুঠ		**0**	**0**	**0**	**0**	**0**	**22**	**22**

উৎস: বিভাগে প্ৰদান কৰা তথ্য

পৰিশিষ্ট-1.2

(দ্ৰষ্টব্য : দফা 1.3)

1992 চনৰ 73 সংখ্যক সংশোধনী আইনৰ দ্বাৰা ভাৰতীয় সংবিধানৰ একাদশ অনুসূচীত সংযোজন কৰা 29টা বিষয়ৰ তালিকা দিয়া হ'ল।

1. কৃষি সম্প্ৰসাৰণকে ধৰি, কৃষি।
2. ভূমি উন্নয়ন, ভূমি সংস্কাৰ ৰূপায়ণ, ভূমি একত্ৰীকৰণ আৰু ভূমি সংৰক্ষণ।
3. ক্ষুদ্ৰ জলসিঞ্চন, জল ব্যৱস্থাপনা আৰু জলাশয়ৰ উন্নয়ন।
4. পশুপালন, দুগ্ধ আৰু হাঁহ-কুকুৰা পালন।
5. মীন পালন।
6. সামাজিক বন আৰু কৃষি বনানীকৰণ।
7. ক্ষুদ্ৰ বনজ উৎপাদন।
8. খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগকে ধৰি ক্ষুদ্ৰ উদ্যোগ।
9. খাদী, গ্ৰাম আৰু কুটিৰ উদ্যোগ।
10. গ্ৰাম্য গৃহ নিৰ্মাণ।
11. খোৱা পানী।
12. ইন্ধন আৰু পশু খাদ্য।
13. পথ, কালভাৰ্ট, দলং, ফেৰী, জলপথ আৰু অন্যান্য যোগাযোগৰ মাধ্যম।
14. বিদ্যুৎ বিতৰণকে ধৰি গ্ৰাম্য বিদ্যুতিকৰণ।
15. অগতানুগতিক শক্তিৰ উৎস।
16. দৰিদ্ৰতা নিৰাময় কাৰ্যসূচী।
17. প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়কে ধৰি শিক্ষা।
18. কাৰিকৰী প্ৰশিক্ষণ আৰু বৃত্তিমূলক শিক্ষা।
19. প্ৰাপ্তবয়স্ক আৰু অনানুষ্ঠানিক শিক্ষা।
20. পুথিভঁৰাল।
21. সাংস্কৃতিক কাৰ্য্যকলাপ।
22. বজাৰ আৰু মেলা।
23. চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ঔষধালয়কে ধৰি স্বাস্থ্য আৰু অনাময় ব্যৱস্থা।
24. পৰিয়াল কল্যাণ।
25. মহিলা আৰু শিশুৰ বিকাশ।
26. বিশেষভাৱে সক্ষম আৰু মানসিক বাধাগ্ৰস্ত লোকৰ কল্যাণকে ধৰি সমাজ কল্যাণ।
27. দুৰ্বল শ্ৰেণীৰ, আৰু বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ।
28. ৰাজহুৱা বিতৰণ ব্যৱস্থা।
29. সম্প্ৰদায়ৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণ।

পৰিশিষ্ট-1.3
(দ্ৰষ্টব্য : দফা 1.3)

ভাৰতৰ সংবিধানৰ দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা বিষয়ৰ তালিকা

ক্ৰমিক নং	কাম-কাজৰ নাম
1	টাউন প্লেনিংকে ধৰি নগৰ পৰিকল্পনা
2	অগ্নিনির্বাপক সেৱা
3	ভূমিৰ ব্যৱহাৰ আৰু অট্টালিকা নির্মাণৰ নিয়ামক
4	বস্তি উন্নয়ন আৰু উন্নীতকৰণ
5	পথ আৰু দলং
6	নগৰীয়া বন, পৰিৱেশ সুৰক্ষা আৰু পৰিৱেশগত দিশসমূহৰ প্ৰসাৰ
7	বিশেষভাৱে সক্ষম আৰু মানসিকভাৱে বাধাগ্ৰস্তকে ধৰি সমাজৰ দুৰ্বল শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰা
8	জন্ম আৰু মৃত্যুৰ পঞ্জীয়নকে ধৰি গুৰুত্বপূৰ্ণ পৰিসংখ্যা
9	অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে পৰিকল্পনা কৰা
10	নগৰীয়া দৰিদ্ৰতা দূৰীকৰণ
11	ঘৰুৱা, উদ্যোগিক, আৰু বাণিজ্যিক উদ্দেশ্যৰ বাবে পানী যোগান
12	জনস্বাস্থ্য, অনাময়, সংৰক্ষণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা
13	নগৰীয়া সা-সুবিধা আৰু উদ্যান, বাগিচা, খেলপথাৰ আদিৰ দৰে সুবিধাসমূহৰ ব্যৱস্থা
14	সাংস্কৃতিক, শৈক্ষিক, আৰু নান্দনিক দিশসমূহৰ প্ৰসাৰ
15	ষ্ট্ৰীট লাইটিং, পার্কিং লট, বাছ ষ্টপ আৰু ৰাজহুৱা সুবিধাকে ধৰি ৰাজহুৱা সুবিধা
16	সমাধি আৰু সমাধিস্থল, শ্মশান, শ্মশানশালী, বৈদ্যুতিক শ্মশান, বৈদ্যুতিক শ্মশানশালী
17	গৰুৰ খোৱাৰ, জীৱ-জন্তুৰ প্ৰতি নিষ্ঠুৰতা প্ৰতিৰোধ
18	কচাইখানা আৰু চামৰাৰ কাৰখানাৰ নিয়ন্ত্ৰণ

পৰিশিষ্ট – 2.1
(দ্ৰষ্টব্য : দফা 2.4.1)

পি আৰ আই-ৰ স্থায়ী সমিতিৰ ভূমিকা আৰু দায়িত্ব

ক্ৰ. নং	পি আৰ আইৰ শ্ৰেণী	ৰাজনৈতিক কাৰ্যবাহী	স্থায়ী সমিতিৰ নাম	দায়িত্ব
1.	জি পি	সভাপতি হৈছে তিনিখন সমিতিৰ প্ৰতিখনৰে অধ্যক্ষ	i) উন্নয়ন সমিতি	কৃষি উৎপাদন, পশুপালন আৰু গ্ৰাম্য উদ্যোগ আৰু দৰিদ্ৰতা নিৰাময় কাৰ্যসূচীৰ সৈতে জড়িত কাম।
			ii) সামাজিক ন্যায় সমিতি	(ক) অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অন্যান্য স্বাৰ্থৰ বিকাশ; (খ) এনে জাতি আৰু শ্ৰেণীক সামাজিক অন্যায় আৰু যিকোনো ধৰণৰ শোষণৰ পৰা ৰক্ষা কৰা; (গ) মহিলা আৰু শিশুৰ কল্যাণ।
			iii) সমাজ কল্যাণ সমিতি	জি পি-ৰ শিক্ষা, জনস্বাস্থ্য, ৰাজহুৱা কাম-কাজ আৰু অন্যান্য কাম-কাজৰ ক্ষেত্ৰত কাৰ্য্যসমূহ।
2.	এ পি	সভাপতি হৈছে প্ৰতিখন সমিতিৰ অধ্যক্ষ	i) সাধাৰণ স্থায়ী সমিতি	প্ৰতিষ্ঠাৰ বিষয়, যোগাযোগ, অট্টালিকা, গ্ৰাম্য গৃহ নিৰ্মাণ, প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে সকাহ, পানী যোগান আৰু সকলোধৰণৰ বিভিন্ন অৱশিষ্ট বিষয়সমূহ।
			ii) বিত্ত, হিচাপ পৰীক্ষা আৰু পৰিকল্পনা সমিতি	এ পি-ৰ বিত্তীয় সাহায্য, প্ৰশিক্ষণ, ৰাজহ বৃদ্ধিৰ বাবে বাজেট পৰীক্ষাৰ প্ৰস্তাৱসমূহ, প্ৰাপ্তি আৰু ব্যয়ৰ বিৱৰণী পৰীক্ষা, এ পি-ৰ বিত্তক প্ৰভাৱিতে কৰা সকলো প্ৰস্তাৱৰ বিবেচনা আৰু এ পি-ৰ ৰাজহ আৰু ব্যয়ৰ সাধাৰণ তত্বাৱধান আৰু পৰিকল্পনা আৰু এ পি পৰিকল্পনা, সহযোগিতা, ক্ষুদ্ৰ সঞ্চয় আঁচনি আৰু এ পি এলেকাৰ উন্নয়নৰ সৈতে জড়িত আন যিকোনো কাম একত্ৰিত কৰা।
		উপ-সভাপতি হৈছে অধ্যক্ষ	iii) সামাজিক ন্যায় সমিতি	জিপিৰ ক্ষেত্ৰতো একেই
3.	জেড পি	সভাপতি হৈছে প্ৰতিখন সমিতিৰ অধ্যক্ষ	i) সাধাৰণ স্থায়ী সমিতি	এ পি-ৰ ক্ষেত্ৰতো একেই
			ii) বিত্ত, হিচাপ পৰীক্ষা আৰু পৰিকল্পনা সমিতি	এ পি-ৰ ক্ষেত্ৰতো একেই
		প্ৰতিখন সমিতিৰ নিৰ্বাচিত সদস্যৰ মাজৰ পৰা অধ্যক্ষ নিৰ্বাচিত হয়।	iii) সামাজিক ন্যায় সমিতি	এ পি-ৰ ক্ষেত্ৰতো একেই
			iv) পৰিকল্পনা আৰু উন্নয়ন সমিতি	শিক্ষা, প্ৰাপ্তবয়স্ক সাক্ষৰতা আৰু সাংস্কৃতিৰ সৈতে জড়িত কাৰ্যকলাপসমূহত জেড পি-য়ে তেওঁলোকক নিযুক্ত কৰিব পাৰে; স্বাস্থ্য সেৱা, চিকিৎসালয়, পানী যোগান, পৰিয়াল, কল্যাণ আৰু অন্যান্য সংশ্লিষ্ট বিষয়; কৃষি উৎপাদন, পশুপালন সমবায়, ৰূপৰেখা (“বন্ধা”) আৰু পুনৰুদ্ধাৰ; গাঁও আৰু কুটিৰ উদ্যোগ; জিলাখনৰ ঔদ্যোগিক উন্নয়নৰ প্ৰসাৰ।

পৰিশিষ্ট-2.2
(দ্ৰষ্টব্য : দফা 2.8.3)
পি আৰ আইসমূহত মৌলিক নথি-পত্ৰসমূহ ৰক্ষণাবেক্ষণ নকৰা দেখুওৱাৰ বিৱৰণ

ক্ৰমিক নং	গোটৰ নাম	ৰেকৰ্ড ৰক্ষণাবেক্ষণ কৰা হোৱা নাই
1	বিদ্যাৰদাববি জি পি	জোখ-মাপ (এম বি)ৰ বহী ৰখা নাছিল।
2	বৰবাম জি পি	এম জি এনৰেগা আদিৰ গুৰুত্বপূৰ্ণ ৰেকৰ্ডসমূহ নৰখা/ ভালদৰে ৰক্ষণাবেক্ষণ নকৰা।
3	মাধপুৰ জি পি	নগদ ধনৰ বহীৰ অনুচিত ৰক্ষণাবেক্ষণ আৰু ইয়াৰ পৰ্যবেক্ষণ
4	টিংৰাই জি পি	ৰচিদ বহী, মজুদপঞ্জী আৰু সম্পদৰ পঞ্জী নৰখা
5	দক্ষিণ ঠেংগালখাঙিয়া জি পি	সৃষ্টি কৰা সকলো সম্পদৰ বাবে পৃথক সম্পত্তি পঞ্জী নৰখা
		নগদ ধনৰ বহীৰ অনুচিত ৰক্ষণাবেক্ষণ আৰু ইয়াৰ পৰ্যবেক্ষণ
6	কাকপথাৰ জি পি	নগদ ধনৰ বহীৰ ৰক্ষণাবেক্ষণ-তাৰ পৰ্যবেক্ষণ
		ৰচিদ বহী, মজুদপঞ্জী আৰু সম্পদৰ পঞ্জী নৰখা
7	বৰচিলা জি পি	ৰেকৰ্ড/ভাউচাৰৰ অ-প্ৰডাকচন/অন-ৰক্ষণাবেক্ষণ
		এম জি এনৰেগা আদিৰ গুৰুত্বপূৰ্ণ ৰেকৰ্ডসমূহ নৰখা/ অনুচিত-ৰক্ষণাবেক্ষণ - ইয়াৰ পৰ্যবেক্ষণ
8	কাকোদঙ্গা বেকাজান জি পি	সৃষ্টি কৰা সকলো সম্পদৰ বাবে পৃথক সম্পত্তি পঞ্জী নৰখা
9	বাঘচুং চৰাইবাহী জি পি	সৃষ্টি কৰা সকলো সম্পদৰ বাবে পৃথক সম্পত্তি পঞ্জী নৰখা
10	কাকজান জি পি	নগদ ধনৰ অনুচিত ৰক্ষণাবেক্ষণ-তাৰ পৰ্যবেক্ষণ
		নগদ ধনৰ বহীৰ ৰক্ষণাবেক্ষণ-তাৰ পৰ্যবেক্ষণ
11	হাতীজান জি পি	ৰচিদ বহী, মজুদপঞ্জী আৰু সম্পদৰ পঞ্জী নৰখা
		ৰচিদ বহী, মজুদপঞ্জী আৰু সম্পদৰ পঞ্জী নৰখা
12	হাপজান জি পি	ৰচিদ বহী, মজুদপঞ্জী আৰু সম্পদৰ পঞ্জী নৰখা
13	কৰদৈগুৰি জি পি	ৰচিদ বহী, মজুদপঞ্জী আৰু সম্পদৰ পঞ্জী নৰখা
14	মালৈবাৰী জি পি	কামৰ জোখ-মাপ ৰেকৰ্ড অবিহনে ধন আদায়
15	মধ্য নামনি চৰাইবাহী জি পি	নগদ ধনৰ বহীৰ ভালদৰে ৰক্ষণাবেক্ষণ নকৰা আৰু ইয়াৰ পৰ্যবেক্ষণ
16	উত্তৰ গাৰমূৰ জি পি	সম্পত্তিৰ পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰা
		কেচ বুকৰ অনুচিত ৰক্ষণা-বেক্ষণ
17	বিৰিণাস্যাক জি পি	এম বিড জোখ-মাপৰ ৰেকৰ্ডিং নকৰা- ৰেকৰ্ডসমূহ প্ৰদান নকৰা
		কেচ বুকৰ অনুচিত ৰক্ষণা-বেক্ষণ
18	আঠগাঁৱ জি পি	কেচ বুকৰ অনুচিত ৰক্ষণা-বেক্ষণত অনিয়ম
19	গৰল জি পি	জোখ-মাপৰ বহী (এম বি)ত অসম্পূৰ্ণ ৰেকৰ্ডিং
20	ভামুনদঙ্গা জি পি	জোখ-মাপৰ বহী (এম বি) ৰক্ষণাবেক্ষণ নকৰা
21	বৰডুবী জি পি	কেচ বুকৰ ৰক্ষণা-বেক্ষণ
		ৰচিদ বহী, মজুদপঞ্জী আৰু সম্পদৰ পঞ্জী নৰখা
22	কৈলাশপুৰ জি পি	কেচ বুকৰ ৰক্ষণাবেক্ষণ
23	ৰঙাজান জি পি2	কেচ বুকৰ ৰক্ষণাবেক্ষণ
24	বটৈৰহাট জি পি	কেচ বুকৰ অনুচিত ৰক্ষণাবেক্ষণ
25	ফার্মাপাৰ জি পি	নির্মাণ সমিতিসমূহে কেচ বুক ৰক্ষণাবেক্ষণ নকৰা
26	গাভৰুভেটি জি পি	কেচ বুকৰ ৰক্ষণাবেক্ষণ ঃ ইয়াৰ পৰ্যবেক্ষণ
		ৰচিদ বহী পঞ্জীয়ন, ষ্টক পঞ্জীয়ন আৰু সম্পত্তি পঞ্জীৰ পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰা
27	ভালুকমাৰী জি পি	কেচ বুকৰ প্ৰমাণীকৰণ নোহোৱা
28	শিলাইপাৰ জি পি	কেছ বুক আৰু ভাউচাৰৰ ৰাশিৰ মাজত মিল নোহোৱা
29	গেৰাভিটা জি পি	17,500/- ৰ পেইড ভাউচাৰ অনুসৰি দেখুওৱা আৰু কেচ বুকত অন্তৰ্ভুক্ত ৰাশিৰ

ক্ৰমিক নং	গোটৰ নাম	ৰেকৰ্ড ৰক্ষণাবেক্ষণ কৰা হোৱা নাই
		মাজত অমিল
		চিচি বেংক ষ্টেটমেন্ট আৰু 36,939/- ৰ পেইড ভাউচাৰ অনুসৰি দেখুওৱা পৰিমানৰ মাজত চিত্ৰৰ অমিল।
		2018-19 বৰ্ষৰ কেছ বুক আৰু বেংক ষ্টেটমেণ্টৰ ৰক্ষণাবেক্ষণ নকৰা আৰু নেদেখুৱা
30	তিতাবৰ এ পি	সৃষ্টি কৰা সকলো সম্পত্তিৰ বাবে পৃথক সম্পত্তি পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰা
		ৰচিদ বহী আৰু জৰিমনা সংগ্ৰহ আদিৰ ষ্টক ৰেজিষ্টাৰ ৰক্ষণাবেক্ষণ নকৰাৰ পৰ্যবেক্ষণ
		নগদ ধন নিৰ্মাণ সমিতিৰ বেংক একাউণ্টত ৰখাই থেৱা
		নিজৰ পুঁজিৰ নগদ ধনৰ বহীৰ অনিয়মিত ৰক্ষণাবেক্ষণ- ইয়াৰ পৰ্যবেক্ষণ
31	কাকপথাৰ এ পি	সম্পত্তিৰ পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰা
		ৰচিদ বহী আৰু ষ্টক পঞ্জী ৰক্ষণাবেক্ষণ নকৰা
32	যোৰহাট এ পি	ৰচিদ বহীৰ ষ্টক ৰেজিষ্টাৰ ৰক্ষণাবেক্ষণ নকৰা
33	আগমণি এ পি	কেচ বুক আপডেট নকৰা
		কেছ বুক-ৰ অনিয়মিত ৰক্ষণাবেক্ষণ
34	চাপৰ ছালকোচা এ পি	কেছ বুক ৰক্ষণাবেক্ষণ নকৰা আৰু ৰেকৰ্ড দাখিল নকৰা
35	ডিমৰিয়া এ পি	জোখ-মাপৰ বহী (এম বি)ৰ অনুচিত ৰক্ষণাবেক্ষণ
36	শিৱসাগৰ জেড পি	কেছ বুক ৰক্ষণাবেক্ষণৰ ওপৰত পৰ্যবেক্ষণ
37	যোৰহাট জেড পি	অগ্ৰিম পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰা - ইয়াৰ পৰ্যবেক্ষণ
38	তিনিচুকীয়া জেড পি	কেচ বুক ৰক্ষণাবেক্ষণৰ ওপৰত পৰ্যবেক্ষণ
		সম্পত্তিৰ পঞ্জী ৰক্ষণাবেক্ষণ নকৰা
		ৰচিদ বহী আৰু ষ্টক ৰেজিষ্টাৰ ৰক্ষণাবেক্ষণ নকৰা
39	দৰং জেড পি	নিৰ্মাণ সমিটিৰ দ্বাৰা ৰোকড় বহী নৰখা
40	নলবাৰী জেড পি	প্ৰাক্কলন আৰু জোখ-মাপৰ বহী প্ৰস্তুত কৰাত হোৱা অনিয়ম
41	লটক জি পি	নিৰ্মাণ সমিতিৰ দ্বাৰা ৰাকড় বহী নৰখা
42	ছিপৰচাংগন জি পি	ষ্টক ৰেজিষ্টাৰ, ৰচিদ বুকৰ ষ্টক ৰেজিষ্টাৰ, সম্পত্তি পঞ্জীয়ন
43	বিৰচিং জাৰুৱা এ পি	ষ্টক বুক ৰক্ষণাবেক্ষণ নকৰা
44	ঢলপুখুৰী এ পি	ষ্টক ৰেজিষ্টাৰ, ষ্টক ৰেজিষ্টাৰৰ ৰচিদৰ বহী সম্পত্তি পঞ্জীয়ন, ৰোকড় বহী

পৰিশিষ্ট-5.1

(দ্ৰষ্টব্য : দফা 5.2.2 আৰু 6.9)

অসম পৌৰ আইন (সংশোধিত), 2011ৰ ধাৰা 53A অনুযায়ী কার্য্যসমূহ হস্তান্তৰৰ ব্যৱস্থা আৰু ইউ এল বি-সমূহলৈ হস্তান্তৰ কৰিবলগীয়া কার্যকলাপৰ প্ৰকৃত স্থিতি:

ক্ৰ. নং	কামৰ নাম	এ এম আইন অনুসৰি ব্যৱস্থা	কৰ্মসূচী	বিভাজনৰ বৰ্তমানৰ স্থিতি
1	**নগৰ পৰিকল্পনাকে ধৰি নগৰ পৰিকল্পনা**	● ইউ এল বিসমূহলৈ স্থানান্তৰিত হ'বলগীয়া ● মাষ্টাৰ প্লেন প্ৰস্তুত কৰা আৰু এইসমূহ কার্যকৰী কৰিবলৈ নগৰ উন্নয়ন বিভাগে পৌৰসভাসমূহলৈ হস্তান্তৰ কৰিব লাগিব। ● নগৰ আৰু নগৰ পৰিকল্পনা বিভাগৰ কর্মচাৰীৰ সেৱাসমূহ পৌৰসভা বা পৌৰসভাৰ সংলগ্ন গোটৰ অধীনত ৰখা হ'ব।	মাষ্টাৰ প্লেনিং নিয়ম বলবৎ কৰি মাষ্টাৰ প্লেনিং/ উন্নয়ন পৰিকল্পনা/ মণ্ডল পৰিকল্পনা	**একেবাৰেই বিভক্ত নহয়** এতিয়াও জিলাখনৰ নগৰ আৰু নগৰ পৰিকল্পনা (টি এণ্ড চি পি)ৰ উপ-সঞ্চালকে কৰি আছে।
			বিল্ডিং উপ-বিধি আৰু অনুজ্ঞাপত্ৰ বলবৎ কৰি	কেৱল উপ-বিধিসমূহহে এম বিয়ে প্ৰস্তুত কৰে।
			গ্ৰুপ হাউছিং আৰু ঔদ্যোগিক এলেকাৰ উন্নয়ন	অসম ৰাজ্যিক গৃহ নির্মাণ ব'র্ড গ্ৰুপ হাউছিং আৰু উদ্যোগিক এলেকাৰ উন্নয়নৰ কামত নিয়োজিত
2	**ভূমি ব্যৱহাৰ আৰু অট্টালিকা নির্মাণৰ নিয়ন্ত্ৰণ**	● ইউ এল বিসমূহলৈ হস্তান্তৰ কৰিব লাগিব ● মাষ্টাৰ প্লেন প্ৰস্তুত কৰা আৰু এইসমূহ কার্যকৰী কৰিবলৈ নগৰ উন্নয়ন বিভাগ পৌৰসভাসমূহলৈ হস্তান্তৰ কৰিব লাগিব। ● নগৰ আৰু নগৰ পৰিকল্পনা বিভাগৰ কর্মচাৰীৰ সেৱাসমূহ পৌৰসভা বা পৌৰসভাৰ সংলগ্ন গোটৰ অধীনত ৰখা হ'ব।	ভূমি ব্যৱহাৰ নিয়ন্ত্ৰণ	**ইউ এল বি-ৰ আংশিক অধিকাৰক্ষেত্ৰ।** ৰাজহ বিভাগে কৃষিৰ পৰা অনাকৃষিলৈ ভূমি ৰূপান্তৰ, বিভিন্ন কামত ভূমি প্ৰদান কৰে
			বিল্ডিং প্লেন/ উচ্চ অট্টালিকাৰ অনুমোদন কৰা	বিল্ডিং লাইচেন্স প্ৰদান, বিল্ডিং লাইচেন্স নবীকৰণ আৰু বিল্ডিং উপ-বিধি উলংঘা নকৰাটো নিশ্চিত কৰাৰ কামত এম বি জড়িত
			অবৈধ অট্টালিকা ভাঙি পেলোৱা	এম বি সকলক অবৈধ অট্টালিকা ভাঙিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে।
3	**বস্তি উন্নয়ন আৰু উন্নীতকৰণ**	● বস্তি উন্নয়ন আৰু উন্নীতকৰণৰ আঁচনি ৰূপায়ণৰ কাম হাতত লোৱাটো সম্পূৰ্ণৰূপে পৌৰসভাৰ বিষয় হ'ব লাগে ● প্ৰতিথন পৌৰসভাৰ বৈঠকত ব'র্ডে বিষয়টোৰ সৈতে জড়িত ব্যয়কে ধৰি যিকোনো বিষয়ৰ সন্দর্ভত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে	হিতাধিকাৰী চিনাক্ত কৰা	**ইউ এল বি-সমূহ কার্যকৰী ইউনিট হিচাপে জড়িত।** এম বিয়ে হিতাধিকাৰীৰ তালিকা নির্বাচন আৰু প্ৰস্তুত কৰাৰ দায়িত্ব লয়।
			সুলভ মূল্যৰ গৃহ প্ৰদান কৰা	মিছন সঞ্চালক, পি এম এৰাই (ইউ) পি এম এৰাই আঁচনিৰ অধীনত সুলভ মূল্যৰ ঘৰ যোগান ধৰাৰ কামত নিয়োজিত।
			বস্তিৰ উন্নীতকৰণ	
4	**পথ আৰু দলং**	● হস্তান্তৰিত বিষয় ● লোক নির্মাণ বিভাগ, অসমৰ পথ শাখাৰ প্ৰয়োজনীয় কার্যালয়ৰ লগতে উপযুক্ত স্তৰৰ এজন বিষয়াৰ সেৱাসমূহ সংশ্লিষ্ট পৌৰসভাৰ অধীনত ন্যস্ত কৰা হ'ব। ● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত কোনো পৌৰসভাৰ নির্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা। ● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'র্ডৰ সিদ্ধান্ত বৈঠকত কার্যকৰী কৰিব।	পথ নির্মাণ আৰু ৰক্ষণাবেক্ষণ	**ইউ এল বি-সমূহৰ অধিকাৰ ক্ষেত্ৰ আছে।** এম বি-ৰ অধীনত থকা পথ, দলং, নলা, উৰণীয়া সেতু আৰু ফুটপাথ নির্মাণ আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব এম বিয়ে লয়। **লোকনির্মাণ বিভাগ -**
			দলং, নলা, উৰণীয়া সেতু আৰু ফুটপাথ নির্মাণ আৰু ৰক্ষণাবেক্ষণ	

ক্ৰ. নং	কামৰ নাম	এ এম আইন অনুসৰি ব্যৱস্থা	কৰ্মসূচী	বিভাজনৰ বৰ্তমানৰ স্থিতি
				ৰাজ্যিক ঘাইপথ আৰু জিলাৰ ডাঙৰ পথৰ ৰক্ষণা-বেক্ষণ আৰু পৌৰসভাৰ অঞ্চলৰ অধীনত চৰকাৰী ভৱন নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণকে ধৰি পথৰ কামৰ বাবে দায়বদ্ধ।
5	**নগৰীয়া বন, পৰিৱেশ সুৰক্ষা আৰু পৰিৱেশগত দিশৰ প্ৰসাৰ**	● হস্তান্তৰিত বিষয় ● বন বিভাগ, অসমৰ এজন বিষয়াৰ সেৱা আংশিকভাৱে সংশ্লিষ্ট পৌৰসভাৰ অধীনত ৰখা হ'ব। ● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত কোনো পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা। ● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'ৰ্ডৰ সিদ্ধান্ত বৈঠকত কাৰ্যকৰী কৰিব।	বনানীকৰণ	**ইউ এল বি-ৰ অধিকাৰক্ষেত্ৰ ওপৰা ওপৰি হোৱা।** বনবিভাগ, সেউজীকৰণ আৰু সজাগতা সৃষ্টিৰ কামত জড়িত।
			সেউজীকৰণ	
			সজাগতা অভিযান	
			পৰিৱেশ সুৰক্ষা আৰু পৰিৱেশগত দিশসমূহৰ প্ৰসাৰ	
			জলভাগ আদিৰ দৰে প্ৰাকৃতিক সম্পদৰ ৰক্ষণাবেক্ষণ।	বন বিভাগ আৰু এম বি সমূহে প্ৰাকৃতিক সম্পদ যেনে জলভাগ আদিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব লয়।
6	**প্ৰতিবন্ধী আৰু মানসিকভাৱে বাধাগ্ৰস্থ লোককে ধৰি সমাজৰ দুৰ্বল শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰা,**	● হস্তান্তৰিত বিষয় ● লোক নিৰ্মাণ বিভাগ, অসমৰ পথ শাখাৰ প্ৰয়োজনীয় কাৰ্যালয়ৰ লগতে উপযুক্ত স্তৰৰ এজন বিষয়াৰ সেৱাসমূহ সংশ্লিষ্ট পৌৰসভাৰ অধীনত ন্যস্ত কৰা হ'ব। ● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত কোনো পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা। ● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'ৰ্ডৰ সিদ্ধান্ত বৈঠকত কাৰ্যকৰী কৰিব।	হিতাধিকাৰী চিনাক্ত কৰা	**বিভক্ত নোহোৱা; ইউ এল বি-সমূহ কাৰ্যকৰী সংস্থা হিচাপে জড়িত।** এম বি, সমাজ কল্যাণ বিভাগ, জনজাতি কল্যাণ বিভাগ নিজ নিজ আঁচনিৰ বাবে হিতাধিকাৰী চিনাক্তকৰণৰ কামত নিয়োজিত হৈ আছে।
			ট্ৰাইচাইকেলৰ দৰে সঁজুলি/ সুবিধা প্ৰদান কৰা	এম বি আৰু সমাজ কল্যাণ বিভাগৰ সঁজুলি আৰু সুবিধা প্ৰদানৰ সৈতে জড়িত
			গৃহ নিৰ্মাণৰ কাৰ্যসূচী	পি এম এৱাই (ইউ) মিছন এণ্ড ষ্টেট হাউছিং ব'ৰ্ডৰ দ্বাৰা ৰূপায়িত। ইউ এল বি-সমূহে কেৱল হিতাধিকাৰীকহে নিৰ্বাচন কৰে।
			জলপানি	সমাজ কল্যাণ বিভাগ, জনজাতি কল্যাণ বিভাগে বৃত্তি প্ৰদান কৰে আৰু এম বি-সকল কেৱল হিতাধিকাৰী চিনাক্তকৰণৰ কামত জড়িত।
7	**জন্ম আৰু মৃত্যুৰ পঞ্জীয়নকে ধৰি গুৰুত্বপূৰ্ণ পৰিসংখ্যা**	● হস্তান্তৰিত বিষয় ● স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, অসমৰ প্ৰয়োজনীয় প্ৰতিষ্ঠানৰ লগতে উপযুক্ত পৰ্যায়ৰ এজন বিষয়াৰ সেৱা আংশিকভাৱে সংশ্লিষ্ট পৌৰসভাৰ অধীনত ৰখা হ'ব। ● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত কোনো পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা।	তথ্য আহৰণৰ বাবে চিকিৎসালয়/ শ্মশান আদিৰ সৈতে সমন্বয় সাধন কৰা	**বিভক্ত নোহোৱা; ইউ এল বিসমূহে পঞ্জীয়ন প্ৰক্ৰিয়াৰ সুবিধা প্ৰদানকাৰী হিচাপে কাম কৰে।** স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে জন্ম-মৃত্যুৰ
			ডাটাবেছ ৰক্ষণাবেক্ষণ আৰু উন্নীত কৰা	

ক্ৰ. নং	কামৰ নাম	এ এম আইন অনুসৰি ব্যৱস্থা	কৰ্মসূচী	বিভাজনৰ বৰ্তমানৰ স্থিতি
		● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'ৰ্ডে লোৱা সিদ্ধান্ত কাৰ্যকৰী কৰিব।		তথ্য ৰক্ষণা-বেক্ষণ কৰি আছে। বিভাগে পঞ্জীয়ন কৰি জন্ম-মৃত্যুৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে।
8	**অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে পৰিকল্পনা**	● অন্তর্নিহিত বিষয় ● অসমৰ সমাজ কল্যাণ বিভাগৰ প্ৰয়োজনীয় প্ৰতিষ্ঠানৰ লগতে উপযুক্ত পৰ্যায়ৰ এজন বিষয়াৰ সেৱা আংশিকভাৱে সংশ্লিষ্ট পৌৰসভাৰ অধীনত ৰখা হ'ব। ● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত কোনো পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা। ● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে কাৰ্যকৰী কৰিব	অৰ্থনৈতিক কাৰ্য্যকলাপৰ বাবে কাৰ্যসূচী ৰূপায়ণ সামাজিক উন্নয়নৰ বাবে নীতি	**ইউ এল বি-সমূহ কাৰ্যকৰী সংস্থা হিচাপে জড়িত।** এম বিসমূহে কল্যাণমূলক আঁচনি (নিয়োগ, স্বাস্থ্য, শিক্ষা আৰু মৌলিক প্ৰয়োজনীয়তাসমূহেৰে গঠিত) ৰূপায়ণ কৰে। **সমাজ কল্যাণ বিভাগ** - অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আৰু জনসাধাৰণৰ অন্যান্য দুৰ্বল শ্ৰেণীৰ কল্যাণ ৰক্ষা কৰা, অনুসূচিত জাতি-জনজাতিৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক উন্নতিৰ বাবে উন্নীতকৰণৰ বিভিন্ন কাৰ্যসূচী আৰু আঁচনি ৰূপায়ণ, এছ চি পি আৰু টি এছ পি আঁচনি ৰূপায়ণ, বিভিন্ন বৃত্তি আৰু হোষ্টেলৰ চোৱাচিতা
9	**নগৰীয়া দৰিদ্ৰতা দূৰীকৰণ**	● অন্তর্নিহিত বিষয় ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। ● এই সন্দৰ্ভত চৰকাৰে সময়ে সময়ে জাৰি কৰা নিৰ্দেশনাসমূহ কাৰ্যকৰী কৰাৰ বাবে প্ৰতিখন পৌৰসভাত এটা নগৰীয়া দৰিদ্ৰতা নিৰাময় কোষ মুকলি কৰা হ'ব।	হিতাধিকাৰী চিনাক্ত কৰা জীৱিকা আৰু কৰ্মসংস্থাপন ৰাজপথৰ বিক্ৰেতা	**ইউ এল বিসমূহ কাৰ্যকৰী সংস্থা হিচাপে জড়িত।** এম বি - নিজৰ পুঁজি আৰু এছ এফ চিৰ পুঁজিৰ জৰিয়তে কল্যাণমূলক আঁচনি ৰূপায়ণ। এন ইউ এল এম - দক্ষতা বিকাশ আৰু জীৱিকা আঁচনি ৰূপায়ণ কৰে। এম বিয়ে ষ্ট্ৰীট ভেণ্ডৰৰ বাবে আঁচনি ৰূপায়ণ কৰে। এম বিত নগৰীয়া দৰিদ্ৰতা নিৰাময় কোষ গঠন হোৱা নাছিল।
10	**ঘৰুৱা, উদ্যোগিত আৰু বাণিজ্যিক উদ্দেশ্যৰ বাবে পানী যোগান,**	● অন্তর্নিহিত বিষয়। ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	পানীৰ বিতৰণ সংযোগ প্ৰদান কৰা কাৰ্যকৰী আৰু ৰক্ষণাবেক্ষন (অ' এণ্ড এম) কৰ সংগ্ৰহ	**ওপৰা ওপৰি হোৱা ক্ষেত্ৰসমূহ** পি এইচ ই এণ্ড এ ডব্লিউ এছ এছ বি ঘৰুৱা, উদ্যোগিক আৰু বাণিজ্যিক উদ্দেশ্যত পানী যোগানৰ সৈতে জড়িত
11	**জনস্বাস্থ্য, অনাময়, সংৰক্ষণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা,**	● অন্তর্নিহিত বিষয় ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ	চিকিৎসালয়, ঔষধালয়ৰ ৰক্ষণাবেক্ষণ কৰা প্ৰতিষেধক/টিকাকৰণ জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন	**ইউ এল বিৰ আংশিক অধিকাৰক্ষেত্ৰ।** স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ জন্ম আৰু মৃত্যুৰ প্ৰতিষেধক/টিকাকৰণ আৰু পঞ্জীয়নৰ সৈতে জড়িত।

ক্ৰ. নং	কামৰ নাম	এ এম আইন অনুসৰি ব্যৱস্থা	কৰ্মসূচী	বিভাজনৰ বৰ্তমানৰ স্থিতি
		বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	সংক্ৰামক ৰোগৰ দ্বাৰা আক্ৰান্ত স্থানীয় অঞ্চলসমূহ পৰিষ্কাৰ আৰু বীজাণুনাশক কৰা	এম বি স্থানীয় এলেকাত পৰিষ্কাৰ আৰু বীজাণুনাশক, গোটা-আৱৰ্জনা ব্যৱস্থাপনা নিয়ন্ত্ৰণ আৰু ৰাজহুৱা বজাৰৰ তত্বাৱধানৰ সৈতে জড়িত।
			গোটা-আৱৰ্জনা ব্যৱস্থাপনা	
			ৰাজহুৱা বজাৰ নিয়ন্ত্ৰণ আৰু তত্বাৱধান	
12	**উদ্যান, বাগিচা, খেলপথাৰ আদিৰ দৰে নগৰীয়া সা-সুবিধাৰ ব্যৱস্থা**	● অন্তর্নিহিত বিষয়। ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নির্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কার্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কার্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	উদ্যান আৰু বাগিচা স্থাপন	**ইউ এল বি আৰু এম বি ওপৰা ওপৰি হোৱা অধিকাৰক্ষেত্ৰসমূহ।** উদ্যান, বাগিচা, খেলপথাৰ, উদ্যানত খেলা-ধূলা আৰু জিমনেছিয়ামৰ সঁজুলি স্থাপন আৰু পৰিচালনা ও চোৱাচিতা। **আমৰুট মিছন** — আমৰুটৰ অধীনত চাৰিখন চহৰৰ উদ্যানৰ উন্নীতকৰণ
			কার্যকৰীকৰণ আৰু ৰক্ষণাবেক্ষণ	
13	**সাংস্কৃতিক, শৈক্ষিক আৰু নান্দনিক দিশসমূহৰ প্ৰসাৰ,**	● অন্তর্নিহিত বিষয়। ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নির্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কার্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কার্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	বিদ্যালয় আৰু শিক্ষা	**বিভাগে কৈছিল যে এই কামটো একেবাৰেই হস্তান্তৰিত হোৱা নাই; কিন্তু ইউ এল বিসমূহ আংশিকভাৱে জড়িত হোৱা দেখা গৈছে।** শিক্ষা বিভাগৰ দ্বাৰা ৰূপায়িত।
			মেলা আৰু উৎসৱ	এম বি আৰু সাংস্কৃতিক বিভাগে মেলা আৰু উৎসৱৰ ব্যৱস্থা কৰে
			সাংস্কৃতিক ভৱন/ প্ৰতিষ্ঠান	
			ঐতিহ্য	এম বি, সাংস্কৃতিক বিভাগ আৰু প্ৰত্নতত্ত্ব বিভাগ
			ৰাজহুৱা স্থানৰ সৌন্দৰ্য্যবৰ্ধন	ৰাজহুৱা স্থানৰ সৌন্দৰ্য্যবৰ্ধনৰ লগত এম বি জড়িত।
14	**সমাধি আৰু সমাধিস্থল, শ্মশানশালী, শ্মশান, বৈদ্যুতিক শ্মশানশালী, বৈদ্যুতিক শ্মশান**	● অন্তর্নিহিত বিষয়। ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নির্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কার্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কার্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	শ্মশান আৰু কবৰস্থান আৰু বৈদ্যুতিক শ্মশান নির্মাণ পৰিচালনা আৰু ৰক্ষণাবেক্ষন	**ইউ এল বিৰ সম্পূৰ্ণ অধিকাৰক্ষেত্ৰ।** শ্মশান আৰু কবৰস্থান আৰু বৈদ্যুতিক শ্মশান নির্মাণ আৰু অ' এণ্ড এমত এম বি জড়িত।
15	**গৰুৰ খোৱাৰ, জীৱ-জন্তুৰ ওপৰত নিষ্ঠুৰতা**	● অন্তর্নিহিত বিষয়। ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নির্দেশনা আৰু	গৰাকীবিহীন জীৱ-জন্তু ধৰা আৰু আৱদ্ধ কৰি ৰখা	**ইউ এল বিৰ সম্পূৰ্ণ অধিকাৰক্ষেত্ৰ।** এম বিয়ে গৰুৰ খোৱাৰ, জীৱ-জন্তুৰ ওপৰত নিষ্ঠুৰতা

ক্ৰ. নং	কামৰ নাম	এ এম আইন অনুসৰি ব্যৱস্থা	কৰ্মসূচী	বিভাজনৰ বৰ্তমানৰ স্থিতি
	প্ৰতিৰোধ,	তত্ত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	বন্ধ্যাকৰণ আৰু জলাতংক প্ৰতিৰোধী	প্ৰতিৰোধৰ সৈতে জড়িত কাৰ্য্য সম্পাদন কৰি আছে।
			পশুৰ সুৰক্ষা নিশ্চিত কৰা	
16	**ষ্ট্ৰীট লাইটিং, পাৰ্কিং লট, বাছ ষ্টপ আৰু ৰাজহুৱা পৰিবহনকে ধৰি ৰাজহুৱা সুবিধাসমূহ,**	● অন্তর্নিহিত বিষয়। ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্ত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	ষ্ট্ৰীট লাইট স্থাপন আৰু ৰক্ষণাবেক্ষণ	**ইউ এল বি-ৰ আংশিক অধিকাৰক্ষেত্ৰ।** এম বি ষ্ট্ৰীট লাইটৰ ৰক্ষণাবেক্ষণৰ লগত জড়িত। অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডে বিদ্যুতৰ যোগান আৰু বিতৰণৰ ব্যৱস্থা কৰে।
			বাছৰ পথ নিৰ্ধাৰণ আৰু পৰিচালনা কৰা	অসম ৰাজ্যিক পৰিবহণ নিগম
			পাৰ্কিং লট সৃষ্টি আৰু ৰক্ষণাবেক্ষণ	ৰাজহুৱা শৌচাগাৰ, পাৰ্কিং লট সৃষ্টি আৰু ৰক্ষণাবেক্ষণ এম বি-ৰ দ্বাৰা কৰা হয়
			ৰাজহুৱা শৌচাগাৰ সৃষ্টি আৰু ৰক্ষণাবেক্ষণ	
17	**কচাইখানা আৰু চামৰাৰ কাৰখানাৰ নিয়ন্ত্ৰণ,**	● অন্তর্নিহিত বিষয়। ● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্ত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।	জীৱ-জন্তু আৰু মাংসৰ গুণগত মান নিশ্চিত কৰা	ইউ এল বি-ৰ সম্পূৰ্ণ অধিকাৰক্ষেত্ৰ। এম বি-য়ে এই কামসমূহ অন্তর্নিহিত কাৰ্য হিচাপে কৰি আহিছে।
			আৱৰ্জনা নিষ্কাশন	
			কচাইনাৰ পৰিচালনা আৰু চোৱাচিতা	
18	অগ্নি সেৱাসমূহ	কোনো ব্যৱস্থা নাই	অগ্নিনিৰ্বাপক বাহিনী স্থাপন আৰু ৰক্ষণাবেক্ষণ কৰা	একেবাৰেই বিভক্ত নোহোৱা। অসম ৰাজ্যিক অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱাই অগ্নিনিৰ্বাপক সেৱা প্ৰদানৰ কামত নিয়োজিত।
			ওখ অট্টালিকাৰ সন্দৰ্ভত অগ্নিনিৰ্বাপক বাহিনীৰ এন অ' চি/ অনুমোদনৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা	
			অগ্নিনিৰ্বাপক বাহিনী স্থাপন আৰু ৰক্ষণাবেক্ষণ কৰা	

পৰিশিষ্ট-5.2

(দ্ৰষ্টব্য : দফা 5.5.1)

তিনিখন জিলাৰ নিৰ্বাচিত ইউ এল বি-সমূহে অবাস্তৱ বাজেট প্ৰস্তুত কৰাৰ উদাহৰণ

ইউ এল বি-ৰ নাম	বৰ্ষ	প্ৰাপ্তি		তাৰতম্যৰ শতাংশ	ব্যয়		তাৰতম্যৰ শতাংশ
		বাজেট	প্ৰকৃত		বাজেট	প্ৰকৃত	
কামৰূপ (মেট্ৰ')							
উত্তৰ গুৱাহাটী এম বি	2020-21	289.58	388.15	34.04	451.59	383.61	(-) 15.05
	2021-22	175.31	805.66	361.27	390.88	401.63	2.75
	2022-23	683.43	1051.67	53.88	620.37	569.03	(-)8.28
গুৱাহাটী পৌৰ নিগম	2020-21	55876.34	21373.75	61.75	48210.93	23987.97	50.24
	2021-22	24030.03	61700.46	156.76	22589.52	30031.64	133
	2022-23	38710.49	37520.13	3.08	35909.51	31163.81	13.22
যোৰহাট							
যোৰহাট এম বি	2020-21	7997.25	2406.68	69.91	4193.5	1721.52	58.95
	2021-22	9106.02	2475.03	72.82	6641.7	2209.77	66.73
	2022-23	9871.53	6093.02	38.28	5220.54	3391.05	35.04
মৰিয়নী এম বি	2020-21	818.63	278.51	65.98	818	181.77	77.78
	2021-22	443.29	480.33	-8.36	443	479.33	-8.20
	2022-23	484.87	516.3	-6.48	480	390.3	18.69
তিতাবৰ এম বি	2020-21	2207.56	751.45	65.96	2198.65	233.62	89.37
	2021-22	2350.65	743.13	68.39	2265.89	283.16	87.50
	2022-23	2469.87	1327.3	46.26	2369.99	398.19	83.20
তিনিচুকীয়া							
ডিগবৈ এম বি	2020-21	1800.49	414.13	76.99	1712.36	414.13	75.81
	2021-22	2094.46	405.71	80.63	2066.73	158.73	92.32
	2022-23	2228.46	-	-	2228.35	-	-
তিনিচুকীয়া এম বি	2020-21	5393.18	4850.41	10.06	4057.78	1586.77	60.89
	2021-22	5922.03	3796.26	35.89	4245.80	1228.85	71.05
	2022-23	5950.25	-	-	4398.18	-	-
মাৰ্ঘেৰিটা এম বি	2020-21	2270.65	715.11	68.51	2098.55	381.03	81.84
	2021-22	2041.73	610.29	70.11	1943.84	346.76	82.16
	2022-23	2157.10	-	-	2064.21	-	-

পৰিশিষ্ট-5.3

(দ্ৰষ্টব্য: দফা 5.8.1)

ইউ এল বি-সমূহত মৌলিক নথি-পত্ৰসমূহৰ ৰক্ষণাবেক্ষণ নকৰাৰ বিৱৰণ

ক্ৰমিক নং	গোটৰ নাম	তথ্য ৰখা নাছিল
1	টংলা এম বি	কেছ বুক, চাৰ্ভিচ বুক আৰু লিভ একাউণ্টৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ
2	গোলকগঞ্জ এম বি	কেছ বুকৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ
3	কাজলগাঁও এম বি	ডিমাণ্ড ৰেজিষ্টাৰ নৰখা
4	কোকৰাঝাৰ এম বি	জোখ-মাপৰ বহীৰ ৰক্ষণাবেক্ষণ নকৰা
5	মাৰ্ঘেৰিটা এম বি	ৰেকৰ্ডৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ - 1.24 লাখ (ষ্টক ৰচিদ প্ৰমাণপত্ৰ, বিল পাছ কৰা প্ৰমাণপত্ৰ) নগদ ধনৰ বহীৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ।
6	উত্তৰ গুৱাহাটী এম বি	নগদ ধনৰ বহী ৰক্ষণাবেক্ষণত অনিয়ম
7	মাকুম এম বি	কেছ বুকৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ
8	তিতাবৰ এম বি	কৰ আৰু জৰিমনা সংগ্ৰহৰ ৰচিদ বহী আৰু সংগ্ৰহ পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰা আৰু ইয়াৰ পৰ্যবেক্ষণ
9	মৰিয়নী এম বি	সৃষ্টি কৰা সকলো সম্পত্তিৰ বাবে পৃথক সম্পত্তি পঞ্জীয়ন ৰক্ষণাবেক্ষণ নকৰা
10	যোৰহাট এম বি	নগদ ধনৰ বহীৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ
11	তিনিচুকীয়া এম বি	নগদ ধনৰ বহীৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ।
12	ধেমাজী এম বি	কাৰ্যালয়ৰ ষ্টেচনাৰী সামগ্ৰীৰ ষ্টক ৰেজিষ্টাৰ আৰু সম্পত্তি ৰেজিষ্টাৰৰ অনিয়মীয়া ৰক্ষণাবেক্ষণ।

পৰিশিষ্ট-6.1
(দ্ৰষ্টব্য : দফা 6.8)
5ম এ এছ এফ চি-ৰ পৰামৰ্শ কাৰ্যকৰীকৰণৰ স্থিতি

ক্ৰ. নং	পৰামৰ্শ	ৰূপায়নৰ অৱস্থা
গাঁথনিগত পৰামৰ্শ		
1.	পি আৰ আই আৰু ইউ এল বি-লৈ কার্য্য, কার্য্যকৰী আৰু পুঁজিৰ হস্তান্তৰ 60 (ষাঠি) দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগে। (দফা 5.8)	এতিয়ালৈ কার্যকৰী হোৱা নাই
2.	5.28 (i)ৰ পৰা (xiii)লৈকে পি আৰ আই আৰু ইউ এল বি-ৰ ফালৰ পৰা বিত্তীয় জবাবদিহিতা নিশ্চিত কৰাৰ বাবে পৰামৰ্শ দিয়া ব্যৱস্থাসমূহ কঠোৰভাৱে বলবৎ কৰা উচিত (দফা 5.28)।	আংশিকভাৱে কার্যকৰী কৰা হৈছে। প্ৰণয়নৰ বিশদ অৱস্থা পৰিশিষ্ট-2 চাওক।
3.	য'তেই সম্ভৱ চৰকাৰৰ আবণ্টন। স্থানীয় সংস্থাসমূহৰ কার্যালয় ভৱন আৰু কর্মচাৰীৰ বাবে মাটি বিবেচনা কৰিব পাৰি (দফা 5.37)।	কার্যকৰী হোৱা নাই
4.	ইউ এল বিৰ ন'ডেল বিভাগসমূহে নগৰীয়া এলেকাৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে আৰু ইয়াক সামগ্ৰিকভাৱে জিলাখনৰ উন্নয়ন পৰিকল্পনাৰ সৈতে একত্ৰীকৰণৰ বাবে নির্দেশনা প্ৰদান কৰিব লাগে (দফা 5.45)।	কার্যকৰী হোৱা নাই
5.	আয়োগে অসমৰ সকলো এম বি আৰু টি চি-ক এন ইউ এল এম-ৰ অধীনত অন্তর্ভুক্ত কৰাৰ পৰামর্শ আগবঢ়াইছে যাতে চৰকাৰীভাৱে বিবেচনা কৰা হয়। ভাৰতৰ (দফা 8.25)।	কার্যকৰী হৈছে
6.	পেছাদাৰিত্ব নিশ্চিত কৰিবলৈ ইউ এল বি-সমূহত দক্ষ জনশক্তিৰ নিয়োগ কৰাটো অতি প্ৰয়োজনীয় (দফা 8.95)।	অধিসূচনা জাৰি কৰা হৈছে যদিও কার্যকৰী কৰা হোৱা নাই।
7.	ইউ এল বি-সমূহে অতি স্বচ্ছ হিচাপ-নিকাচৰ মানদণ্ড গ্ৰহণ কৰিব লাগে (দফা 8.97)।	অধিসূচনা জাৰি কৰা হৈছে যদিও কার্যকৰী কৰা হোৱা নাই।
8.	চৰকাৰৰ তৰফৰ পৰা অসম চৰকাৰে অসম স্থানীয় স্ব-চৰকাৰ বিত্তীয় দায়বদ্ধতা আইন, 2011 (দফা 8.99) কার্যকৰী কৰিব লাগে।	কার্যকৰী হোৱা নাই
9.	ইউ এল বি-সমূহে ৰাজহ বকেয়া সংগ্ৰহৰ ওপৰত অধিক গুৰুত্ব দিব লাগে (দফা 8.103)।	কার্যকৰী হোৱা নাই
10.	বাহন পার্কিং স্থান চিনাক্ত কৰিব পাৰি আৰু নির্ধাৰিত নিয়ম অনুসৰি মাচুল সংগ্ৰহ কৰিব পাৰি (দফা 8.104)।	আংশিকভাৱে কার্যকৰী কৰা হৈছে।
11.	অসম চৰকাৰে ইউ এল বি-সমূহক অট্টালিকা নির্মাণৰ অনুমতি প্ৰদান কৰিবলৈ অনুমোদন দিব পাৰে (দফা 8.106)।	কার্যকৰী হৈছে
12.	ট্ৰেক ভাড়া ইউ এল বি-য়ে সকলো সেৱা প্ৰদানকাৰীৰ ওপৰত আৰোপ কৰিব লাগে (দফা 8.107)।	কার্যকৰী হোৱা নাই
13.	সকলো ইউ এল বি-য়ে বিজ্ঞাপন আৰু জমা কৰ (দফা 8.108)ৰ আশ্ৰয় ল'ব লাগে।	আংশিকভাৱে কার্যকৰী কৰা হৈছে।
14.	আয় উৎপাদনকাৰী আঁচনিৰ ওপৰত অধিক গুৰুত্ব দিব লাগে ইউ এল বি-সমূহে।	আংশিকভাৱে কার্যকৰী কৰা হৈছে।
15.	স্থানীয় সংস্থাৰ কার্য্যকলাপৰ ব্যৱস্থাৰ সৈতে মানুহক পৰিচিত কৰিবলৈ সজাগতা কার্যসূচী আয়োজন কৰাটো প্ৰয়োজন (দফা 9.2)	কার্যকৰী হোৱা নাই

ক্ৰ. নং	পৰামৰ্শ	ৰূপায়নৰ অৱস্থা
16.	পি আৰ আই আৰু ইউ এল বি-য়ে অবৈধ সুৰাৰ বিপদ নিয়ন্ত্ৰণত সক্ৰিয় ভূমিকা ল'ব পাৰে (দফা 9.5)।	কাৰ্যকৰী হোৱা নাই
17.	পি আৰ আই আৰু ইউ এল বি-সমূহক কম্পিউটাৰাইজেচন আৰু ই-গভৰ্নেন্সৰ পৰিসৰৰ ভিতৰলৈ অনা উচিত (দফা 9.9)।	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
18.	স্থানীয় সংস্থাসমূহে ক্ৰীড়া আৰু যুৱ কল্যাণৰ বিকাশক উৎসাহিত কৰিব লাগে (দফা 9.16)।	কাৰ্যকৰী হোৱা নাই
19.	জি এম চি-ৰ ক্ষেত্ৰত কাৰ্য্যকলাপৰ মেপিং প্ৰস্তুত কৰিবলৈ কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই (দফা 11.4)	কাৰ্যকৰী হোৱা নাই
20.	জিলা পৰিকল্পনাৰ সৈতে তৃণমূল পৰ্যায়ৰ পৰিকল্পনা একত্ৰিত কৰা (দফা 11.5)।	কাৰ্যকৰী হোৱা নাই
21.	নিৰীক্ষণ ব্যৱস্থাটো ৰক্ষা কৰিবলৈ বৰ্তমানৰ আইন আৰু নিয়মসমূহ সঠিকভাৱে বলবৎ কৰিব পাৰি (দফা 12.2)।	অধিসূচনা জাৰি কৰা হৈছে যদিও কাৰ্যকৰী কৰা হোৱা নাই।
22.	জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰিব লাগে (দফা 12.19)।	অধিসূচনা জাৰি কৰা হৈছে যদিও কাৰ্যকৰী কৰা হোৱা নাই।
23.	ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি পুনৰ গঠন কৰিব লাগে (দফা 12.20)।	কাৰ্যকৰী হোৱা নাই
24.	নিৰীক্ষণ ব্যৱস্থাৰ উন্নতিৰ বাবে প্ৰয়োজনীয় কাৰ্য্যসমূহ (দফা 12.24)।	অধিসূচনা জাৰি কৰা হৈছে যদিও কাৰ্যকৰী কৰা হোৱা নাই।
আৰ্থিক পৰামৰ্শ		
1.	তফছিল ষষ্ঠ অঞ্চলৰ ইউ এল বি-সমূহক অনুদানৰ পৰামৰ্শ দিয়া হৈছে প্ৰতি বছৰে 94 কোটি আৰু 4 বছৰৰ বাবে 376.05 টকা (দফা 8A.44 ৰ পৰা 8A.53)	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
2.	জি এম চি লৈ পৰামৰ্শ দিয়া অনুদান 2016-17 চনত 33.20 কোটি আৰু 4 বছৰৰ বাবে 132.80 কোটি টকা (দফা 10.29ৰ পৰা 10.34 আৰু পৰিশিষ্ট 10.3)	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
3.	লাইন বিভাগৰ জৰিয়তে জি এম চি-লৈ অনুদান 2016-17 চনত 7.50 কোটি টকা আৰু 4 বছৰৰ বাবে 30 কোটি টকা (দফা 10.35 আৰু 10.36 আৰু পৰিশিষ্ট-10.3)	কাৰ্যকৰী হোৱা নাই
4.	জি এম চি-ৰ বাহিৰেও আন ইউ এল বি-সমূহক অনুদানৰ পৰামৰ্শ দিয়া হৈছে 2016-17 চনত 68.92 কোটি আৰু 4 বছৰৰ বাবে 281.18 কোটি টকা (পৰিশিষ্ট 10.3ৰ সৈতে পঢ়া দফা 10.401 পৰা 10.44)	কাৰ্যকৰী হোৱা নাই
5.	লাইন বিভাগৰ জৰিয়তে প্ৰেৰণ কৰা ইউ এল বি-সমূহলৈ অনুদান 2016-17 চনত 250.16 কোটি আৰু 4 বছৰৰ বাবে 1000.81 কোটি টকা (দফা 10.451 পৰা 10.49 আৰু পৰিশিষ্ট 10.3)।	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
6.	বাদ পৰা অঞ্চলৰ ইউ এল বি-সমূহক পৰামৰ্শ দিয়া অনুদান বছৰি 94 কোটি আৰু 4 বছৰত 376 কোটি টকা আৰু পৰিশিষ্ট 10.7ত স্বায়ত্তশাসিত পৰিষদৰ ভিত্তিক বিৱৰণ (দফা 10.65ৰ পৰা 10.74)।	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।

ক্ৰ. নং	পৰামৰ্শ	ৰূপায়নৰ অৱস্থা
7.	ৰাজ্য চৰকাৰে সংগ্ৰহ কৰা কৰ আৰু শুল্কৰ নিকা উপাৰ্জনৰ পৰা স্থানীয় সংস্থাসমূহলৈ হস্তান্তৰ কৰিবলৈ প্ৰয়োজনীয় ধনৰ সমান ডিভিজিবল পুল গঠন কৰা হৈছে। মুঠ সংগ্ৰহৰ পৰা 10% কৰ্তন কৰি নিকা উপাৰ্জন নিৰ্ণয় কৰা হৈছে (দফা 10.78)।	কাৰ্যকৰী হৈছে
8.	ডি পি-ৰ সাধাৰণ-ষষ্ঠ অনুসূচী আৰু গ্ৰাম্য— নগৰীয়া বিভাজন আয়োগে মূল্যায়ন কৰা স্থানীয় সংস্থাসমূহৰ প্ৰয়োজনীয়তাৰ ভিত্তিত নিৰ্ধাৰণ কৰা হৈছে (দফা 10.79)	কাৰ্যকৰী হৈছে
9.	ৰাজ্যিক বিত্ত বিভাগত প্ৰয়োজনীয় কৰ্মচাৰী আৰু সঁজুলিৰে এটা স্থায়ী এছ এফ চি (চেল) স্থাপন কৰিব পাৰি। (দফা 1.24 আৰু 13.3)	কাৰ্যকৰী হোৱা নাই
10.	সাধাৰণ অঞ্চলসমূহৰ ডি পি-ৰ অনুদান উপাদান আৰু ৰাজহৰ ব্যৱধান উপাদান পৃথক কৰা হৈছে (দফা 10.80)	কাৰ্যকৰী হৈছে
11.	সাধাৰণ এলেকাৰ গ্ৰাম্য আৰু নগৰীয়া অংশৰ অনুদান উপাদান সংশ্লিষ্ট পি আৰ আই আৰু ইউ এল বি-সমূহৰ মাজত পৰিশিষ্ট-10.1 আৰু 10.3 (দফা 10.81)ত দেখুওৱা বিৱৰণ অনুসৰি বিতৰণ কৰা হৈছে।	কাৰ্যকৰী হৈছে
12.	সাধাৰণ এলেকাৰ ইউ এল বি-সমূহৰ ক্ষেত্ৰত ৰাজহৰ ব্যৱধানৰ পৰা নিৰ্ধাৰিত পৰিমাণৰ সালসলনি কৰাৰ পিছত বাকী থকা ধনৰাশি সাৰণী-10.4 ত গণনা অনুসৰি ইউ এল বি-সমূহক আৰু অন্যান্য পৌৰসভা ব'ৰ্ড আৰু টাউন ± সমিতিসমূহৰ ওজনযুক্ত গড়ৰ ভিত্তিত আবণ্টন দিয়া হ'ব (i) জনসংখ্যা 50 শতাংশ (ii) ভৌগোলিক এলেকা 25 শতাংশ (iii) প্ৰতিজন ব্যক্তিৰ কৰ সংগ্ৰহ 12.5 শতাংশ আৰু (iv) আন্তঃগাঁথনিৰ সূচকাংক 12.5 শতাংশ (দফা 10.86)।	কাৰ্যকৰী হৈছে
13.	বিভাজনৰ আঁচনিখন তিনিটা উপাদানৰে গঠিত (i) কৰ বিভাজন (ii) পি আৰ আই আৰু ইউ এল বি-ৰ জৰিয়তে প্ৰেৰণ কৰা অনুদান আৰু (iii) লাইন বিভাগৰ জৰিয়তে প্ৰেৰণ কৰা অনুদান (দফা 10.87)।	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
14.	2016-20 চনৰ ভিতৰত পৰামৰ্শ দিয়া কৰ বিভাজন হৈছে 1391.87 কোটি টকা যিটো পি আৰ আই-ৰ বাবে 580.39 কোটি টকা আৰু ইউ এল বি-ৰ বাবে 811.48 কোটি টকাৰে গঠিত। নিৰ্দিষ্ট পৰিমাণৰ শুদ্ধ ই 1,244.23 কোটি টকা যিটো পি আৰ আই-ৰ বাবে 516.95 কোটি টকা আৰু ইউ এল বি-ৰ বাবে 727.28 কোটি টকাৰে গঠিত। বছৰ অনুসৰি ব্ৰেক আপ পেৰা 10.80, সাৰণী-10.14ত আছে। কৰ বিভাজনৰ বিৰুদ্ধে পুঁজি মুকলি কৰাটো প্ৰতি বছৰে জুন মাহৰ পৰা আৰম্ভ কৰি সমান ত্ৰিমাসিক কিস্তিত কৰা হ'ব (দফা 10.88)।	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
15.	পি আৰ আই আৰু ইউ এল বি-ৰ জৰিয়তে প্ৰদান কৰা অনুদান ক্ৰমে পৰিশিষ্ট-10.1 আৰু 10.3ত উল্লেখ কৰা অনুসৰি 2016-20 চনৰ ভিতৰত 224.84 কোটি আৰু 413.98 কোটি টকা। সংশ্লিষ্ট ডি ডি অ'-ৰ পৰা প্ৰস্তাৱ লাভ কৰাৰ পিছত অনুদান দুটা সমান বাৰ্ষিক কিস্তিত মুকলি কৰিব পাৰিব। দ্বিতীয় কিস্তিৰ মুক্তিৰ বাবে প্ৰথম কিস্তিৰ কমেও 50 শতাংশৰ বাবে ইউ চি-য়ে দাখিল কৰিব লাগিব (দফা 10.89)।	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
16.	লাইন বিভাগৰ জৰিয়তে প্ৰেৰণ কৰা অনুদানৰ ক্ষেত্ৰত সংশ্লিষ্ট লাইন বিভাগৰ সংশ্লিষ্ট হিচাপৰ শিতানৰ অধীনত বাজেটৰ ব্যৱস্থা কৰিব পাৰি (দফা 10.90)।	কাৰ্যকৰী হৈছে

ক্ৰ. নং	পৰামৰ্শ	ৰূপায়নৰ অৱস্থা
17.	লাইন বিভাগৰ জৰিয়তে প্ৰেৰণ কৰা অনুদানৰ ক্ষেত্ৰত সংশ্লিষ্ট লাইন বিভাগৰ সংশ্লিষ্ট হিচাপৰ শিতানৰ অধীনত বাজেটৰ ব্যৱস্থা কৰিব পাৰি (দফা 10.90)	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
18.	বাদ পৰা অঞ্চলৰ পি আৰ আই আৰু ইউ এল বি-সমূহক জুন আৰু অক্টোবৰ মাহত দুটা কিস্তিত সংশ্লিষ্ট ডি ডি অ'ৰ পৰা প্ৰস্তাৱ লাভ কৰিলে অনুদান মুকলি কৰিব পাৰিব। 2য় কিস্তিৰ মুক্তিৰ বাবে ইউ চি দাখিল কৰা হ'ব (দফা 10.96)।	কাৰ্যকৰী হৈছে
19.	কাউন্সিল-ভিত্তিক বিৱৰণ আৰু বাৰ্ষিক পৰ্যায়ক্ৰমে বাদ দিয়া অঞ্চলসমূহৰ ইউ এল বি-সমূহলৈ কৰ বিতৰণ দফা 10.92 (i)ৰ সৈতে পঢ়া পেৰা 10.92ত। প্ৰতি বছৰে জুন আৰু অক্টোবৰ মাহত দুটা সমান কিস্তিত সংশ্লিষ্ট ডি ডি অ'-সমূহক পুঁজি মুকলি কৰিব পাৰিব (দফা 10.95)	আংশিকভাৱে কাৰ্যকৰী কৰা হৈছে।
20.	ৰাজ্য চৰকাৰৰ একাউণ্টত জমা হোৱাৰ 15 দিনৰ ভিতৰত পুঁজি মুকলি কৰা হ'ব। সঞ্চিত সুত, যদি আছে, তেন্তে স্থানীয় সংস্থাসমূহে সেৱা প্ৰদানৰ উদ্দেশ্যে ব্যৱহাৰ কৰিব পাৰে (দফা 10.109)	কাৰ্যকৰী হৈছে
21.	কাৰিকৰী পৰিপূৰকত নিৰ্ধাৰিত সূত্ৰ প্ৰয়োগ কৰা জি এম চি, এম বি আৰু টি চি-ৰ নিজ নিজ ডি ডি অ'লৈ ইউ এল বি-সমূহলৈ মৌলিক অনুদান মুকলি কৰা হ'ব (দফা 10.11)।	কাৰ্যকৰী হোৱা নাই
22.	সাধাৰণ অঞ্চলৰ গ্ৰাম্য আৰু নগৰীয়া অংশৰ অনুদানৰ উপাদানটো পি আৰ আই আৰু ইউ এল বি-লৈ অনুদানৰ নিৰ্ধাৰিত বছৰেকীয়া পৰ্যায়ক্ৰমে সংশ্লিষ্ট পি আৰ আই আৰু ইউ এল বি-সমূহৰ মাজত বিতৰণ কৰা হৈছে। (দফা 10.81)	কাৰ্যকৰী হোৱা নাই